

**অহিংসাই পৰম ধৰ্ম**

\- মহাত্মা গান্ধী



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় হত্যা কৰাজন অসমৰ বৈৰী।


মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ


## সমাজ বিজ্ঞান প্ৰথম খণ্ড

# ইতিহাস

B6X1T1

নৱম শ্ৰেণীৰ পাঠ্যপুথি







মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ

সমাজ বিজ্ঞান

প্ৰথম খণ্ড

# ইতিহাস

B6X1T1

নৱম শ্ৰেণীৰ পাঠ্যপুথি


লেখকসকল

ড° ৰণজিৎ সভাপণ্ডিত (অধ্যায় ঃ ১, ২)

ড° ৰাহুল সংকৃতায়ন মজুমদাৰ (অধ্যায় ঃ ৩)

ড° ৰীতা বৰুৱা (অধ্যায় ঃ ৪, ৫)

পুনৰীক্ষক

ড° ৰাজেন শইকীয়া

ড° সুনীল পৱন বৰুৱা

ড° ৰাজীৱ সন্দিকৈ

সমন্বয়ক ঃ গোলোক চন্দ্ৰ বৰা

ড° ৰুলিমা ভৰালী



প্ৰস্তুতি ঃ অসম মাধ্যমিক শিক্ষা পৰিষদ

প্ৰকাশক ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

**ITIHAS :** A Textbook on History under Social Science for class IX in Assamese, prepared and approved by the Board of Secondary Education, Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam. **FREE TEXT BOOK**

© *The Assam State Textbook Production and Publication Corporation Limited, Guwahati*

**All right reserved**

No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

প্ৰথম প্ৰকাশ ঃ ২০১৪
দ্বিতীয় প্ৰকাশ ঃ ২০১৫
তৃতীয় প্ৰকাশ ঃ ২০১৬
চতুৰ্থ প্ৰকাশ ঃ ২০১৭
পঞ্চম প্ৰকাশ ঃ ২০১৮
ষষ্ঠ প্ৰকাশ ঃ ২০১৯
সপ্তম প্ৰকাশ ঃ ২০২০
অষ্টম প্ৰকাশ ঃ ২০২১

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

**অক্ষৰ বিন্যাস, অলংকৰণ** ঃ নীলাভ প্ৰিণ্টাৰ্ছ

মুদ্ৰক ঃ **এবি প্ৰিণ্ট মিডিয়া**
**হাতীশিলা, পানীখাইতি, গুৱাহাটী-২৬**

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
মন্ত্ৰী, অসম

সত্যমেৱ জয়তে

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# আগকথা

'সমাজ বিজ্ঞান' বিষয়টো বাধ্যতামূলক বিষয় হিচাপে প্ৰৱৰ্তন হোৱাৰ পৰাই ইয়াত চাৰিটা বিষয় অন্তৰ্ভুক্ত হৈ আহিছিল। বিষয়কেইটা হ'ল— ইতিহাস, ভূগোল, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞান। ইতিহাস আৰু ভূগোল সমাজ বিজ্ঞানৰ অন্তৰ্ভুক্ত হোৱাৰ পিছত সুকীয়া বাধ্যতামূলক বিষয় হিচাপে এই বিষয় দুটা পাঠ্যক্ৰমত নাথাকিল। কিন্তু উল্লেখযোগ্য কথা যে যদিও বাধ্যতামূলক স্বতন্ত্ৰ বিষয় হিচাপে নাথাকিল, উক্ত বিষয় দুটা অসম মাধ্যমিক শিক্ষা পৰিষদৰ পাঠ্যক্ৰমত ঐচ্ছিক বিষয় হিচাপে সদায় থাকিল। তথাপিও বিশেষকৈ অসমৰ ইতিহাস আৰু ভূগোল অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি অসম মাধ্যমিক শিক্ষা পৰিষদে ২০১৪ চনত এক বিশেষ পদক্ষেপ গ্ৰহণ কৰে। সেই মৰ্মে পৰিষদে সমাজ বিজ্ঞান বিষয়টো মুঠ তিনিটা খণ্ড কৰি তিনিখন পাঠ্যপুথিৰ ৰূপত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লয়। সেই মৰ্মেই পৰিষদে এই ইতিহাস খণ্ডটো সুকীয়া পাঠ্যপুথিৰ ৰূপত প্ৰকাশ কৰিছে। পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে ই যাতে ছাত্ৰ-ছাত্ৰীৰ বাবে আমোদজনক বিষয় হৈ উঠে আৰু ইয়াৰ জ্ঞানে যাতে তেওঁলোকৰ বাস্তৱ জীৱন সমৃদ্ধ কৰে তাৰ প্ৰতি লক্ষ্য কৰা হৈছে।

**ৰমেশ চান্দ্ জৈন, অৱসৰপ্ৰাপ্ত আই.এ.এচ**
অধ্যক্ষ
অসম মাধ্যমিক শিক্ষা পৰিষদ

গুৱাহাটী

# সূচীপত্ৰ


| অধ্যায় | | বিষয় | পৃষ্ঠা |
|---|---|---|---|
| প্ৰথম অধ্যায় | ভাৰতবৰ্ষলৈ ইউৰোপীয়সকলৰ আগমন | | ১ |
| | ১.১ | ভাৰতবৰ্ষলৈ ইংৰাজসকলৰ আগমন | ৩ |
| | ১.২ | কোম্পানিৰ আমোল | ৭ |
| | ১.৩ | চিপাহী বিদ্ৰোহৰ সূচনা | ৮ |
| | ১.৪ | চিপাহী বিদ্ৰোহৰ ফলাফল | ৯ |
| | ১.৫ | ইংলেণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসন আৰু ভাইচৰয় লৰ্ড কেনিঙৰ দ্বিতীয় কাৰ্যকাল (১৮৫৮-৬২) | ১৩ |
| | ১.৬ | স্থানীয় স্বায়ত্ত শাসন | ১৬ |
| | ১.৭ | অসামৰিক সেৱাৰ ভাৰতীয়কৰণ | ১৮ |
| দ্বিতীয় অধ্যায় | ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণ | | ২৪ |
| | ২.১ | ভাৰতীয় জাতীয়তাবাদ উন্মেষণৰ কাৰকসমূহ | ২৫ |
| | ২.১.১ | পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ | ২৫ |
| | ২.১.২ | যাতায়াতৰ উন্নতি | ২৬ |
| | ২.১.৩ | ধৰ্ম আৰু সমাজ সংস্কাৰ আন্দোলন | ২৮ |
| | ২.১.৪ | বাতৰি কাকতৰ ভূমিকা | ৩৬ |
| | ২.১.৫ | জাতীয় অনুষ্ঠান গঠনৰ প্ৰস্তুতি | ৩৮ |
| | ২.১.৬ | ভাৰতীয় জাতীয় কংগ্ৰেছ | ৩৯ |
| | ২.১.৭ | দাদাভাই নৌৰজীৰ অৱদান | ৪১ |
| তৃতীয় অধ্যায় | মোৱামৰীয়া গণ বিদ্ৰোহ | | ৪৫ |
| | ৩.১ | মোৱামৰীয়াসকলৰ পৰিচয় | ৪৫ |
| | ৩.২ | মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ | ৪৬ |
| | ৩.৩ | বিদ্ৰোহৰ আৰম্ভণি | ৫০ |
| | ৩.৪ | মোৱামৰীয়া বিদ্ৰোহৰ ঘটনাপ্ৰৱাহ | ৫১ |
| | ৩.৫ | বিদ্ৰোহৰ ফলাফল | ৫৭ |
| | ৩.৬ | কেপ্তেইন ওৱেলছৰ অসম দেশৰ বিৱৰণ | ৬০ |

| | | | |
|---|---|---|---|
| চতুৰ্থ অধ্যায় | মানৰ অসম আক্ৰমণ | | ৬৫ |
| | ৪.১ | ৰাজনৈতিক পটভূমি | ৬৫ |
| | ৪.২ | মানৰ অসম আক্ৰমণৰ কাৰণ | ৬৭ |
| | ৪.৩ | মানৰ আক্ৰমণ | ৬৯ |
| | ৪.৪ | যোগেশ্বৰ সিংহ | ৭২ |
| | ৪.৫ | মানৰ দিন | ৭৩ |
| | ৪.৬ | মানৰ অসম আক্ৰমণৰ ফলাফল | ৭৪ |
| | ৪.৭ | প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ | ৭৫ |
| | ৪.৮ | ইংৰাজৰ উজনিলৈ অগ্ৰগতি | ৭৫ |
| | ৪.৯ | য়াণ্ডাবু সন্ধি | ৭৭ |
| পঞ্চম অধ্যায় | অসমত ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণি | | ৮২ |
| | ৫.১ | পটভূমি | ৮২ |
| | ৫.২ | ব্ৰিটিছৰ অসম অধিকাৰ | ৮৩ |
| | ৫.৩ | ডেভিদ স্কটৰ ভূমিকা | ৮৫ |
| | ৫.৪ | ৰবাৰ্টচনৰ ভূমিকা | ৮৮ |
| | ৫.৫ | মেজৰ জেনকিন্সৰ ভূমিকা | ৮৯ |
| | ৫.৬ | ব্ৰহ্মপুত্ৰ উপত্যকাত জিলা গঠন | ৯১ |
| | ৫.৭ | ব্ৰিটিছ বিৰোধী বিদ্ৰোহ | ৯২ |
| | ৫.৮ | ব্ৰিটিছৰ অসম দখল | ৯৪ |


# ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR Code ব্যৱহাৰ কৰিব ?

DIKSHA





আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু Install Button স্পৰ্শ কৰক ।

অথবা




Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক

## মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি




1. অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক
2. আপোনাৰ ভূমিকা বাছনি কৰক- ছাত্ৰ/শিক্ষক/অন্য
3. QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক
4. প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক
5. পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/দৃষ্টিপাত (Focus) কৰক
6. QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক

## Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি




QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব



আপোনাৰ ব্ৰাউজাৰত https://diksha.gov.in/as/get টাইপ কৰক




৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক



উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক

D9Q4N4

প্ৰথম অধ্যায়

# ভাৰতবৰ্ষলৈ ইউৰোপীয়সকলৰ আগমন

## মূল আলোচ্য বিষয়

- ভাৰত চৰকাৰ আইন ১৮৫৮
- ভাৰতীয় পৰিষদ আইন ১৮৬১
- কেন্দ্ৰীয় শাসন
- স্থানীয় স্বায়ত্ত শাসন ৰূপায়ণত লৰ্ড ৰিপণৰ ভূমিকা
- অসামৰিক সেৱাৰ ভাৰতীয়কৰণ

প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষৰ সৈতে গ্ৰীচ, ৰোম আদি ইউৰোপীয় দেশৰ যোগাযোগ আছিল বুলি জানিব পাৰি। গ্ৰীক আৰু ৰোমান আদি ইউৰোপীয় জাতিসকলে **লোহিত, পাৰস্য** আৰু **আফগানিস্তানৰ** ভিতৰেদি থকা স্থলপথেৰে ভাৰতবৰ্ষৰ লগত বাণিজ্যিক সম্পৰ্ক চলাইছিল। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ শেষলৈকে এই যোগাযোগ বৰ্তি আছিল। কিন্তু খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা সাগৰীয় পথত আৰব নৌবাহিনীৰ একছত্ৰী আধিপত্য বিস্তাৰ হোৱাৰ পিছৰ পৰা ভাৰতবৰ্ষৰ সৈতে ইউৰোপীয়সকলৰ প্ৰত্যক্ষ যোগাযোগ একেবাৰে কমি আহিছিল। বিশেষকৈ খ্ৰীষ্টীয় দ্বাদশ শতিকাত দেখা দিয়া ধৰ্মযুদ্ধক কেন্দ্ৰ কৰি কনষ্টান্তিনোপল তুৰ্কী বাহিনীৰ হস্তগত (১৪৫৩ খ্ৰীষ্টাব্দ) হোৱাত, ভাৰতৰ সৈতে পাশ্চাত্যৰ দেশসমূহৰ পোনপটীয়া সম্পৰ্ক ব্যাহত হৈছিল। তুৰ্কী হস্তগত আৰব দেশৰ মাজেদি ইউৰোপীয়সকলৰ পোনপটীয়া পথ বন্ধ হৈ যোৱাত ভাৰতৰ সৈতে বিকল্প পথৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।





**বাৰ্থ'ল' মিউ ডিয়াজ**
জন্ম ঃ ১৪৫০ খ্ৰীষ্টাব্দ, আলগাৰ্ভে, পৰ্টুগাল
মৃত্যু ঃ ২৯মে', ১৫০০ খ্ৰীষ্টাব্দ, কেপ অব্ গুড হ'প, দক্ষিণ আফ্ৰিকা।


নতুন পথৰ সন্ধানৰ ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা লৈছিল পৰ্টুগীজসকলে। দুঃসাহসিক, দুৰ্দমনীয় পৰ্টুগীজ নাৱিকসকলে ভাৰতৰ সৈতে নতুন নৌপথৰ আৱিষ্কাৰৰ উদ্দেশ্য লৈ অজানা সমুদ্ৰত নৌ যাত্ৰা কৰিছিল। ১৪৮৭ খ্ৰীষ্টাব্দত পৰ্টুগীজ নাৱিক **বাৰ্থ'ল' মিউ ডিয়াজে** (Bartolo meu Dias) আফ্ৰিকা মহাদেশৰ দক্ষিণ দিশত অৱস্থিত উত্তমাশা অন্তৰীপত উপস্থিত হ'ব পাৰিছিল। দহ বছৰৰ পিছত আন এজন নাৱিক **ভাস্ক'-ডা-গামাই** (Vasco-da-Gama) **ডিয়াজক অনুসৰণ কৰি ১৪৯৮ খ্ৰীষ্টাব্দত দক্ষিণ ভাৰতৰ কালিকট বন্দৰত উপস্থিত হৈছিল।** নতুন জলপথৰ আৱিষ্কাৰে ভাৰতৰ সৈতে পাশ্চাত্যৰ পোনপটীয়া যোগাযোগ সূচনা কৰিছিল। এক কথাত এই যোগাযোগে ভাৰত তথা সমগ্ৰ পৃথিৱীৰ ইতিহাসত এটা নতুন যুগৰ সূচনা কৰিছিল।



**ভাস্ক'-ডা-গামা**
জন্ম ঃ ছাইনছ, পৰ্টুগাল
মৃত্যু ঃ ২৪ ডিচেম্বৰ, ১৫২৪ খ্ৰীষ্টাব্দ, কোচি।




*চিত্ৰ ঃ পৰ্টুগীজ নাৱিকসকলৰ ইউৰোপ আৰু ভাৰতৰ মাজত জলপথ আৱিষ্কাৰৰ মানচিত্ৰ।*




*চিত্ৰ ঃ ভাস্ক'-ডা-গামাৰ কালিকট অভিযান*

## ১.১ ভাৰতবৰ্ষলৈ ইংৰাজসকলৰ আগমন ঃ

পৰ্টুগীজসকলৰ দৰে ইংৰাজ নাৱিকসকলেও নতুন সাগৰীয় পথৰ অন্বেষণত মনোযোগ দিছিল। **১৫৮০ খ্ৰীষ্টাব্দত ফ্ৰান্সিছ ড্ৰেক (Francis Drake) নামৰ এজন ইংৰাজ নাৱিকে জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সমৰ্থৱান হৈছিল।** ১৫৮২ খ্ৰীষ্টাব্দত ৰ‍্যালফ্ ফিট্চ (Ralph Fitch) নামৰ আন এজন নাৱিকে ভাৰত আৰু ব্ৰহ্মদেশ ভ্ৰমণ কৰি সমগ্ৰ ইংৰাজ জাতিৰ বাবে গৌৰৱ কঢ়িয়াই আনিছিল। পৰ্টুগীজ সদাগৰসকলৰ দৰে ইংৰাজ সদাগৰসকলেও ভাৰতৰ সৈতে বেহা-বেপাৰত মনোযোগ দিব বিচাৰিছিল। বাণিজ্যিক সুবিধা লাভ কৰাৰ উদ্দেশ্যে ১৫৯৯ খ্ৰীষ্টাব্দত জন মিলডেন হল (John Mildenhall) নামৰ ইংৰাজ নাৱিক এজনে ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ পৰা এখন **অনুৰোধ-পত্ৰ** লৈ পোন প্ৰথমবাৰৰ বাবে ভাৰত ভূমিত প্ৰৱেশ কৰিছিল।



**ফ্ৰান্সিছ ড্ৰেক**

জন্ম ঃ টাভিষ্টক, ডেৱন, ইংলেণ্ড

মৃত্যু ঃ ২৭ জানুৱাৰী, ১৫৯৬ খ্ৰীষ্টাব্দ, পানামা।

**প্ৰাচ্যৰ সৈতে বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে ১৬০০ খ্ৰীষ্টাব্দত ইংৰাজ সদাগৰসকলে এটা বাণিজ্যিক প্ৰতিষ্ঠান লণ্ডনত গঠন কৰিছিল। এই প্ৰতিষ্ঠানটো ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি নামেৰে জনাজাত হৈছিল।**



**কেপ্টেইন উইলিয়াম হকিন্স**
জন্ম ঃ ১৫৮৫ খ্ৰীষ্টাব্দ
মৃত্যু ঃ ১৬১৩ খ্ৰীষ্টাব্দ

ইংলেণ্ডৰ ৰাণী এলিজাবেথে এই কোম্পানিটোক আফ্ৰিকাৰ দক্ষিণ দিশত অৱস্থিত উত্তমাশা অন্তৰীপৰ পৰা আৰম্ভ কৰি দক্ষিণ আমেৰিকাৰ মাগালান (Magellan) প্ৰণালী পৰ্যন্ত বিশাল সাগৰীয় এলেকাত ১৫ বছৰৰ বাবে বেহা-বেপাৰ কৰাৰ অনুমতি প্ৰদান কৰিছিল। এই কোম্পানিটোৱে সাগৰীয় পথেৰে ভাৰতবৰ্ষত উপস্থিত হোৱাৰ আগেয়ে সুমাত্ৰা, জাভা, মালাক্কা আদি ঠাইৰ সৈতে মচলা ব্যৱসায় কৰিছিল।

১৬০৮ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা প্ৰথম জেমচে ভাৰতৰ সৈতে বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে কেপ্টেইন উইলিয়াম হকিন্স (Hawkins) নামৰ এজন ব্ৰিটিছ সদাগৰৰ যোগেদি মোগল সম্ৰাট জাহাংগীৰলৈ (১৬০৫-১৬২৭) এখন আবেদন-পত্ৰ প্ৰেৰণ কৰিছিল। হকিন্সে তাপ্তী নদীৰ মোহনাৰে চুৰাট বন্দৰত উপস্থিত হৈছিল।

**কেপ্টেইন উইলিয়াম হকিন্সে ১৬০৯ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত আগ্ৰাত উপস্থিত হৈ মোগল ৰাজদৰবাৰত সম্ৰাট জাহাংগীৰক সাক্ষাৎ কৰিছিল। এয়াই আছিল ইংৰাজৰ প্ৰথম আগ্ৰাত পদাৰ্পণ।**



**ছাৰ টমাচ ৰ'**

কেপ্টেইন হকিন্সে প্ৰায় দুই বছৰ কাল মোগল সাম্ৰাজ্যত থাকি সম্ৰাটৰ পৰা বেহা-বেপাৰৰ কিছু সা-সুবিধা আদায়ৰ চেষ্টা চলাইছিল। কেপ্টেইন হকিন্সে আগবঢ়োৱা বাণিজ্য চুক্তিৰ আবেদন সম্ৰাট জাহাংগীৰে নামঞ্জুৰ কৰিছিল। ১৬১৫ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা প্ৰথম জেমছে ছাৰ টমাচ ৰ' (Sir Thomas Roe) নামৰ আন এজন ইংৰাজক পুনৰ জাহাংগীৰৰ ওচৰলৈ প্ৰেৰণ কৰিছিল। টমাচ ৰ'ৱে আজমীৰত উপস্থিত হৈ সম্ৰাটক দেখা কৰিছিল। টমাচ ৰ'ৱে কোনোধৰণৰ বাণিজ্যিক চুক্তি কৰিব পৰা নাছিল যদিও সম্ৰাট জাহাংগীৰে ইংৰাজ সদাগৰসকলক চুৰাটত বাণিজ্যিক কুঠি স্থাপনৰ অনুমতি প্ৰদান কৰিছিল। ইয়াৰ পিছতো ইংৰাজ সদাগৰসকলে ভাৰতৰ সৈতে বাণিজ্যিক চুক্তি কৰিবৰ প্ৰচেষ্টা চলাই থাকিল আৰু ভিন ভিন ঠাইত বাণিজ্যক সম্প্ৰসাৰণ ঘটাবলৈও সক্ষম হৈছিল।

১৭১৫ খ্ৰীষ্টাব্দত জন ছাৰমানৰ (John Surman) নেতৃত্বত ইংৰাজ লোকৰ এটা সঁজাতী দলে মোগল সম্ৰাট ফাৰুখছিয়াৰক (১৭১৩-১৭১৯) সাক্ষাৎ কৰি পুনৰ বাণিজ্যিক চুক্তিৰ প্ৰস্তাৱ আগবঢ়াইছিল। সেই সময়ত সম্ৰাট ফাৰুখছিয়াৰ কঠিন ৰোগত ভুগি আছিল।

ৰোগাক্ৰান্ত সম্ৰাট ফাৰুখছিয়াৰক সঁজাতী দলটোৰ চিকিৎসক ডাঃ হেমিলটনে (Hamilton) চিকিৎসা আগবঢ়াই তেওঁৰ ব্যাধি নিৰাময় কৰিছিল। সঁজাতী দলটোৰ প্ৰতি সম্ৰাটে সদয়ৰ ভাব দেখুৱাইছিল। এই সুযোগতে **সম্ৰাটৰ পৰা ইংৰাজ সদাগৰসকলে তিনিখন ফৰমান আদায় কৰে আৰু ইষ্ট ইণ্ডিয়া কোম্পানিয়ে সমগ্ৰ ভাৰতবৰ্ষত নিৰ্বিঘ্নে বেহা-বেপাৰ কৰাৰ ৰাজকীয় অনুমতি লাভ কৰে।** ইয়াৰ লগতে ভাৰতৰ মাটিত কোম্পানিয়ে নিজৰ ভৱিষ্যৎ সুদৃঢ় কৰাৰ ফালে অগ্ৰসৰ হৈছিল।



**চতুৰ্থ মোগল সম্ৰাট জাহাংগীৰ (১৬০৫-১৬২৭)**

জন্ম ঃ ১৫৬৯ খ্ৰীষ্টাব্দ, ফটেহপুৰ ছিক্ৰি

মৃত্যু ঃ ১৬২৭ খ্ৰীষ্টাব্দ, কাশ্মীৰ।

ভাৰতবৰ্ষত থিতাপি লোৱা ইষ্ট ইণ্ডিয়া কোম্পানিৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য আছিল বেহা-বেপাৰ কৰা। কিন্তু বেহা-বেপাৰক কেন্দ্ৰ কৰি গোজেই গজালি মেলি পিছলৈ কোম্পানিয়ে ৰাজ্য শাসনৰ সপোন দেখিছিল। ভাৰতীয় ৰাজন্যবৰ্গৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা শত্ৰুতা তথা তেওঁলোকৰ দুৰ্বলতাৰ চেলু লৈ কোম্পানিয়ে ভাৰতবৰ্ষত ইংৰাজ শাসন প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস চলাইছিল।

১৬১১ খ্ৰীষ্টাব্দত গোলকুণ্ডা ৰাজ্যৰ চুলতানৰ পৰা অনুমতি লৈ কোম্পানিয়ে মছলিপট্টমত এটা বাণিজ্য কেন্দ্ৰ স্থাপন কৰিছিল। ১৬৩৬ খ্ৰীষ্টাব্দত কোম্পানিয়ে আৰমাগাঁৱত দ্বিতীয়টো বাণিজ্য কেন্দ্ৰ মুকলি কৰিছিল। ১৬৩৯ খ্ৰীষ্টাব্দত চন্দ্ৰগিৰিৰ ৰজাৰ লগত চুক্তি কৰি মাদ্ৰাজৰ কাষৰীয়া ঠাই এটুকুৰালৈ আৰমাগাঁৱৰ বাণিজ্য কেন্দ্ৰটো তুলি নি এই কেন্দ্ৰটোৰ নতুন নাম দিয়া হৈছিল ফৰ্ট ছেণ্ট জৰ্জ।

**১৬৬১ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা দ্বিতীয় চাৰ্লছে (Charles II) পৰ্টুগীজ ৰাজকন্যা কেথৰিনক বিয়া কৰাই যৌতুক হিচাপে বোম্বাই (মুম্বাই) চহৰ লাভ কৰিছিল। ৰজা চাৰ্লছে ১৬৬৮ খ্ৰীষ্টাব্দত পঞ্চাশ হেজাৰ পাউণ্ড ঋণৰ বিনিময়ত বোম্বাই ইংৰাজ কোম্পানিক হস্তান্তৰ কৰিছিল।**

তেতিয়াৰ পৰা বোম্বাই কোম্পানিৰ প্ৰধান কাৰ্যালয়ত পৰিণত হৈছিল। ১৬৯০ খ্ৰীষ্টাব্দত জব চাৰ্ণক (Job Charnock) নামৰ কোম্পানিৰ এজন বিষয়াই বংগৰ নবাবৰ লগত কৰা এখন চুক্তিৰ যোগেদি বছৰি বাৰশ টকাৰ খাজনাৰ বিনিময়ত কালী ঘাট (কলিকতা), সুতানুটি আৰু গোবিন্দপুৰ নামৰ তিনিখন গাঁৱৰ জমিদাৰী স্বত্ব কোম্পানিয়ে লাভ কৰি ইয়াত এটা বাণিজ্য কেন্দ্ৰ আৰম্ভ কৰিছিল। তিনিখন ঠাইৰ সমষ্টিয়েই পিছলৈ কলিকতা নগৰৰ ভেটিলৈ ৰূপান্তৰিত হৈছিল।

**ইংলেণ্ডৰ ৰজা তৃতীয় উইলিয়ামৰ সন্মানাৰ্থে কলিকতা বাণিজ্য কেন্দ্ৰটোৰ নাম 'ফৰ্ট উইলিয়াম' ৰখা হৈছিল।**




ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনস্থ কলিকতাৰ ফৰ্ট উইলিয়াম বাণিজ্য কেন্দ্ৰ (১৭৬০)



ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনস্থ কলিকতাৰ ফৰ্ট উইলিয়াম বাণিজ্য কেন্দ্ৰ (১৮২৮)

ইষ্ট ইণ্ডিয়া কোম্পানিৰ সাধাৰণ কৰ্মচাৰী ৰবাৰ্ট ক্লাইৱে ভাৰতত ঔপনিৱেশিক সাম্ৰাজ্য গঢ়ি তোলাৰ কূটনৈতিক কলা-কৌশল অতি কম দিনৰ ভিতৰতে আয়ত্ত কৰিবলৈ সক্ষম হৈছিল। ক্লাইবে নিজৰ কোম্পানিৰ স্বাৰ্থত আনবোৰ বিদেশী ইউৰোপীয়ান কোম্পানিক ভাৰতৰ পৰা বহিষ্কাৰ কৰাৰ আঁচনি লৈছিল। তেওঁ যুদ্ধ নতুবা মিত্ৰতাৰ পাশেৰে দেশীয় ৰজাসকলক কোম্পানিৰ ফলীয়া কৰিবলৈ প্ৰচেষ্টা চলাইছিল। বংগৰ নবাব, হায়দৰাবাদৰ নিজাম, আৱাধৰ নবাব, ৰাজপুতনাৰ ৰজা আদিয়ে কোম্পানিৰ সৈতে মিত্ৰতা কৰি প্ৰত্যেকেই নিজৰ নিজৰ কৰ্তৃত্ব বিসৰ্জন দিব লগা হৈছিল।



**ৰবাৰ্ট ক্লাইৱ**
জন্ম ঃ ২৫ ছেপ্টেম্বৰ, ১৭২৫, ইংলেণ্ড
মৃত্যু ঃ ২২ নৱেম্বৰ, ১৭৭৪ লণ্ডন, ইংলেণ্ড

**পলাচী যুদ্ধত (১৭৫৭ খ্ৰীষ্টাব্দ) বংগ, বিহাৰ আৰু উৰিষ্যাৰ নবাব ছিৰাজ উদ্‌দৌলাক (১৭৫৬-৫৭) চল-চাতুৰিৰে পৰাস্ত কৰি ভাৰতবৰ্ষত ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰি ব্ৰিটিছ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠাৰ পথ সুগম কৰি তুলিছিল।**

ৰবাৰ্ট ক্লাইৱৰ পৰা লৰ্ড ডেলহাউচীৰ (১৮৪৮-৫৬) শাসনৰ সময়লৈকে ইষ্ট ইণ্ডিয়া কোম্পানিয়ে কালক্ৰমত সমগ্ৰ ভাৰতবৰ্ষত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ উপনিৱেশ স্থাপন কৰিছিল।

পৰাধীন ভাৰতৰ সুদীৰ্ঘ কালজুৰি ব্ৰিটিছ শাসনৰ সময়ছোৱাক দুটা ভাগত ভগাব পাৰি। প্ৰথমটো হৈছে মোগল সাম্ৰাজ্যৰ পতনৰ পৰা আৰম্ভ কৰি ১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহলৈকে আৰু দ্বিতীয়টো হৈছে ১৮৫৮ খ্ৰীষ্টাব্দৰ পৰা ১৯৪৭ খ্ৰীষ্টাব্দত ভাৰতীয়ৰ হাতত ক্ষমতা হস্তান্তৰলৈকে। প্ৰথমছোৱা সময়ত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ভাৰতীয় ৰাজ্যবৰ্গক ক্ষমতাচ্যুত কৰি সিঁচৰতি হৈ থকা ৰাজ্যখণ্ডসমূহক একত্ৰিত কৰি বিস্তাৰিত ভাৰত-ব্ৰিটিছ ভূ-এলেকাত কেন্দ্ৰীয় শাসনযন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল। দ্বিতীয়ছোৱা সময়ত ব্ৰিটিছ ৰাজশক্তিয়ে ভাৰতবৰ্ষত ইংৰাজ শাসন সু-সংবদ্ধ কৰি ৰখাৰ স্বাৰ্থত স্থায়ী চৰকাৰ গঠন কৰি কিছুমান জনকল্যাণমূলক ব্যৱস্থা হাতত লৈছিল। ভাৰতীয় জাতীয় আন্দোলন এইছোৱা সময়তে হৈছিল। আন্দোলনৰ পৰিণতি স্বৰূপে ব্ৰিটিছ সাম্ৰাজ্যবাদে ভাৰতৰ পৰা বিদায় ল'বলগা হৈছিল।

## ১.২ কোম্পানিৰ আমোল ঃ

ৰবাৰ্ট ক্লাইবৰ দ্বিতীয়টো প্ৰশাসন (১৭৬৫-৬৭) ভাৰতত কোম্পানিৰ শাসনৰ এটা উল্লেখযোগ্য সময় আছিল। এইছোৱা সময়ত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ৰাজশক্তি ৰূপে আইনগত স্বীকৃতি পাইছিল। মোগল সম্ৰাট ছাহ আলমে (১৭৫৯-১৮০৬) ক্লাইবৰ

লগত এলাহাবাদ চুক্তি (১৭৬৫) সম্পন্ন কৰাৰ ফলস্বৰূপে কোম্পানিয়ে বংগ, বিহাৰ আৰু উৰিষ্যাৰ ওপৰত ৰাজনৈতিক কর্তৃত্ব লাভ কৰিছিল। **সম্রাটে কোম্পানিক দেৱানী অৰ্থাৎ ৰাজহ সংগ্ৰহ আৰু অসামৰিক প্ৰশাসনৰ দায়িত্ব প্ৰদানৰ যোগেদি বংগত দ্বৈতশাসন প্ৰৱৰ্তন (১৭৬৫) কৰিছিল।** এই ব্যৱস্থাৰ যোগেদি এফালে কোম্পানিৰ ক্ষমতা দুগুণে বৃদ্ধি হৈছিল আৰু আনফালে সম্ৰাটৰ তলতীয়া নবাবগৰাকী হৈছিল নামমাত্ৰ সামৰিক প্ৰশাসক (নিজামত)।



**ওৱাৰেণ হেষ্টিংছ**
জন্ম ঃ ৬ ডিচেম্বৰ, ১৭৩২, ছাৰ্চিল, অক্সফৰ্ডছায়াৰ
মৃত্যু ঃ ২২ আগষ্ট, ১৮১৮ গ্লোছেষ্টাৰছায়াৰ

ক্লাইবৰ পৰৱৰ্তী গৰ্ণৰসকলেও মোগল শাসকৰ ওপৰত ৰাজনৈতিক কৰ্তৃত্ব খটুৱাবলৈ যত্নপৰ হৈছিল। **ওৱাৰেণ হেষ্টিংছৰ কাৰ্যকালত (১৭৭৪-৮৫) ইষ্ট ইণ্ডিয়া কোম্পানি ভাৰতৰ একমাত্ৰ শক্তিৰূপে পৰিগণিত হৈছিল।** তেওঁ মোগল সম্ৰাটৰ তলতীয়া নবাবসকলক স্বাধীনতা ঘোষণা কৰিবলৈ উদগনি যোগাইছিল। হেষ্টিংছে প্ৰথমবাৰৰ বাবে নিজকে মোগল সম্ৰাটৰ লগত সমমৰ্য্যাদাৰ দাবী তুলিছিল। পলাচী যুদ্ধৰ পিছত ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানিৰ শাসনৰ প্ৰথমছোৱা সময়ৰ ভিতৰত কলিকতা, বোম্বাই আৰু মাদ্ৰাজ কোম্পানিৰ ঘাই শাসন কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। কেন্দ্ৰ কেইটাৰ সৰ্বোচ্চ শাসকগৰাকীক প্ৰেছিডেণ্টৰ বিষয়বাব দিয়া হৈছিল। প্ৰেছিডেণ্টৰ তলতীয়া শাসনযন্ত্ৰটোক 'প্ৰেছিডেন্সি' নামে জনাজাত হৈছিল। ১৭৭৩ খ্ৰীষ্টাব্দত ব্ৰিটিছ চৰকাৰে **নিয়ন্ত্ৰণকাৰী আইন** (Regulating Act)ৰ যোগেদি বংগ প্ৰেছিডেন্সিৰ গৰ্ণৰজনক 'গৱৰ্ণৰ জেনেৰেল' উপাধিৰে স্বীকৃতি প্ৰদান কৰি বোম্বে আৰু মাদ্ৰাজৰ গৱৰ্ণৰ দুজনক বংগৰ গৱৰ্ণৰ জেনেৰেলৰ তলতীয়া কৰিছিল। এই ব্যৱস্থাটোৰ যোগেদি সমগ্ৰ ভাৰতবৰ্ষত কেন্দ্ৰীয় শাসনৰ সূচনা হৈছিল। ১৭৮৪ খ্ৰীষ্টাব্দত পিটৰ ভাৰত আইনে (Pitt's India Act, 1784) ভাৰতবৰ্ষত দুই খলপীয়া চৰকাৰ সৃষ্টি কৰিছিল। এই আইনৰ যোগেদি কোম্পানিয়ে ভাৰতবৰ্ষ শাসন কৰিছিল; আনহাতে কোম্পানি পৰিচালিত হৈছিল বৃটেইনৰ গৃহ চৰকাৰৰ যোগেদি। ১৮৩৩ আৰু ১৮৫৩ খ্ৰীষ্টাব্দত ব্ৰিটিছ সংসদে বিধিবদ্ধ কৰা দুখন চনদৰ যোগেদি ব্ৰিটিছ চৰকাৰে ভাৰতবৰ্ষত কেন্দ্ৰীয় শাসন অধিক শক্তিশালী ৰূপত গঢ়ি তুলিছিল।

## ১.৩ চিপাহী বিদ্ৰোহৰ সূচনা ঃ

লৰ্ড ডেলহাউছীয়ে বিদায় গ্ৰহণ (১৮৫৬) কৰাৰ পিছত লৰ্ড কেনিঙে (১৮৫৬-৬২) গৱৰ্ণৰ জেনেৰেলৰ পদ লৈছিল।

**১৮৫৭ খ্ৰীষ্টাব্দৰ ২৯ মাৰ্চ তাৰিখে ৩৪ নং দেশীয় পদাতিক বাহিনীৰ চিপাহী মংগল পাণ্ডেই বেৰেকপুৰ চিপাহী ছাউনীত ইংৰাজ বিষয়াৰ গালৈ গুলীবৰ্ষণ কৰি চিপাহী বিদ্ৰোহৰ সূচনা কৰিছিল।**



*চিত্ৰ ঃ ১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহৰ এক প্ৰতীকচিত্ৰ* (উৎস ঃ গুগল)



মংগল পাণ্ডে





*ইষ্ট ইণ্ডিয়া কোম্পানিৰ মুদ্ৰা*

পাণ্ডেৰ লগতে পহৰাদাৰ ঈশ্বৰ পাণ্ডেকো দোষী সাব্যস্ত কৰি দুয়োকে প্ৰাণদণ্ডেৰে দণ্ডিত কৰাৰ ঘটনাত সমগ্ৰ উত্তৰ ভাৰতজুৰি বিদ্ৰোহে বিস্তৃতি লাভ কৰিছিল।

বিদ্ৰোহৰ কাৰণসমূহ ইয়াৰ পূৰ্ববৰ্তী ইংৰাজ শাসকৰ তলতীয়া এশবছৰীয়া ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পটভূমিত নিহিত হৈ আছে। ৰাজকীয় শ্ৰেণী আৰু জনগণৰ অশান্তিয়ে বিদ্ৰোহৰ পৰিৱেশ সৃষ্টি কৰিছিল। **১৮৩৫ খ্ৰীষ্টাব্দত কোম্পানিৰ মুদ্ৰাৰ পৰা মোগল সম্ৰাটৰ নামটো আঁতৰাই দিয়া হৈছিল**। একে সময়তে ৰাজকীয় পাৰ্চী ভাষাক উচ্ছেদ কৰি শাসনযন্ত্ৰত ইংৰাজী ভাষা প্ৰচলন কৰাৰ প্ৰতিক্ৰিয়া হিচাপে ভাৰতীয়ৰ মনত অশান্তি-অসন্তুষ্টিৰ পৰিমাণ বাঢ়ি গৈছিল। লৰ্ড ডেলহাউছীৰ প্ৰতিক্ৰিয়াশীল শাসনে সকলো ধৰ্মাৱলম্বী ভাৰতীয়ৰ মনত অশান্তিৰ পৰিমাণ দুগুণ বঢ়াই তুলিছিল। যাৰ ফলস্বৰূপে বিখ্যাত চিপাহী বিদ্ৰোহৰ সূচনা হৈছিল।

## ১.৪ চিপাহী বিদ্ৰোহৰ ফলাফল ঃ

১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহে ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসত এটা নতুন যুগৰ সূচনা কৰিছিল। ইংৰাজ শাসকৰ বিৰুদ্ধে সংঘটিত এই বিদ্ৰোহে ভাৰত সম্বন্ধে ব্ৰিটিছ চৰকাৰৰ দৃষ্টিভংগীৰ বহুতো সলনি কৰিলে। ক্ষুব্ধ ভাৰতীয়ক সন্তুষ্ট কৰি ভাৰতত ইংৰাজ




শাসন বৰ্তাই ৰখাৰ স্বাৰ্থত ব্ৰিটিছ চৰকাৰে ভাৰতৰ শাসন ব্যৱস্থাত কিছুমান নতুন বিধি-বিধান প্ৰৱৰ্তন কৰিবলগা হয়। বিদ্ৰোহীসকলে লক্ষ্যত উপনীত হ'ব নোৱাৰিলে যদিও তেওঁলোকৰ কাৰণেই ইংৰাজ চৰকাৰে ভাৰত শাসন ব্যৱস্থাত কিছু পৰিৱৰ্তন সাধন কৰিবলৈ বাধ্য হৈছিল। তলত পৰিৱৰ্তনৰ কেইটামান উল্লেখযোগ্য দিশ আলোচনা কৰা হ'ল।




*চিত্ৰ ঃ চিপাহী বিদ্ৰোহ (১৮৫৭-১৮৫৯)ৰ কেন্দ্ৰসমূহ (আচ্ছাদিত অংশ) দেখুৱাই অঁকা এখন মানচিত্ৰ*

**(ক) সাংবিধানিক পৰিৱৰ্তন ঃ** চিপাহী বিদ্ৰোহৰ ভয়ানক হেন্দোলনিয়ে ইংলেণ্ডবাসীৰ মনত ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰ প্ৰতি তীব্ৰ বিতৃষ্ণাৰ ভাব সৃষ্টি কৰিছিল। বিদ্ৰোহৰ মাজেদি প্ৰকট হৈ উঠা ভাৰতীয়ৰ ক্ষোভ, যন্ত্ৰণা, বিদেশী শাসকৰ বিৰুদ্ধে ভাৰতীয়ৰ মনত গঢ়ি উঠা গভীৰ আস্থাহীনতাৰ মনোভাব আৰু আক্ৰমণ-প্ৰতিআক্ৰমণৰ ঘটনাই সৃষ্টি কৰা ভয়ানক হত্যাকাণ্ডই ইংলেণ্ডবাসীক চিন্তিত কৰি তুলিছিল। ভৱিষ্যতে এনে ভয়ানক পৰিস্থিতিৰ যাতে পুনৰ উদগীৰণ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটিছ চৰকাৰে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থাটোৰ ওপৰত একাণপতীয়াকৈ মনোযোগ দিবলৈ বাধ্য হৈছিল।

**ব্ৰিটিছ সংসদে ১৮৫৮ খ্ৰীষ্টাব্দৰ ২ আগষ্ট তাৰিখে 'ভাৰত চৰকাৰ আইন' (Government of India Act, 1858) প্ৰণয়ন কৰিছিল। এই আইনে ইংলেণ্ডৰ চৰকাৰক পোনপটীয়াকৈ ভাৰত শাসন কৰাৰ ক্ষমতা দিছিল।**

ভাৰত শাসনৰ সকলো দায়িত্ব ইংলেণ্ড চৰকাৰৰ হাতত ন্যস্ত কৰাৰ ফলস্বৰূপে কোম্পানিৰ আমোলত ভাৰতৰ সৈতে জড়িত হৈ থকা নিয়ন্ত্ৰণ পৰিষদ (Board of control) আৰু সঞ্চালক সভা (Court of Directors)ৰ কৰ্তৃত্বৰ অৱসান ঘটাইছিল। নতুন আইন অনুসৰি ভাৰত শাসন সম্বন্ধীয় সকলো দায়িত্ব আৰু ক্ষমতা ব্ৰিটিছ মন্ত্ৰীসভাৰ এজন সদস্যৰ হাতত অৰ্পণ কৰা হয়। ভাৰত শাসনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হোৱা মন্ত্ৰীজনক 'ভাৰত সচিব' (Secretary of state for India) বোলা হ'ল। ভাৰত সচিবক সহায় কৰিবৰ বাবে ১৫ জনীয়া সদস্যৰে এখন পৰিষদ গঠন কৰা হয়। পৰিষদখনৰ মুঠ সদস্যৰ ৮ জন ইংৰাজ চৰকাৰৰ আৰু বাকী ৭ জন সদস্য কোম্পানিৰ ফালৰ পৰা নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰা হ'ল। পৰিষদৰ সচিবগৰাকীক পৰিষদত সভাপতিত্বৰ ক্ষমতা দি সকলো সদস্যকে ভাৰত শাসন সম্বন্ধে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। সচিবগৰাকীক বছৰত এবাৰকৈ ভাৰত শাসন সংক্ৰান্তীয় সকলো তথ্য-পাতি প্ৰতিবেদন আকাৰে ব্ৰিটিছ সংসদত জমা দিবৰ কাৰণে বাধ্য কৰোৱা হয়।

**'ভাৰত চৰকাৰ আইন' অনুসৰি ভাৰতবৰ্ষৰ সৰ্বোচ্চ শাসনকৰ্তা হিচাপে গৱৰ্ণৰ জেনেৰেল থাকিল যদিও তেওঁক ভাইচৰয় (Viceroy) অৰ্থাৎ ৰাজপ্ৰতিনিধিৰ খিতাপ প্ৰদান কৰা হয়।**

এই আইনে ভাইচৰয় আৰু প্ৰাদেশিক মুৰব্বী (গৱৰ্ণৰ)জনক নিযুক্তি দিয়াৰ ক্ষমতা ইংৰাজ চৰকাৰৰ হাতত ন্যস্ত কৰাৰ লগতে কোম্পানিৰ সামৰিক বাহিনীক ব্ৰিটিছ চৰকাৰৰ তলতীয়া কৰিছিল। ভাৰত সচিব আৰু ভাৰত-ব্ৰিটিছ চৰকাৰৰ সকলো আমোলা-কৰ্মচাৰীৰ বেতন, ভাট্টা আদি ভাৰতৰ পৰা সংগৃহীত ৰাজহৰ যোগেদি দিয়াৰ ব্যৱস্থাটো এই আইনখনত এটা বিশেষ উল্লেখযোগ্য দফা আছিল।



**লৰ্ড কেনিং**

ভাৰত চৰকাৰ আইনখন বলৱৎ হোৱাৰ পিছত ১৮৫৮ খ্ৰীষ্টাব্দৰ ১ নৱেম্বৰ তাৰিখে এলাহাবাদত এখন দৰবাৰ আয়োজন কৰি ভাইচৰয় লৰ্ড কেনিঙে নিজকে মহাৰাণী ভিক্টোৰিয়াৰ প্ৰতিনিধি বুলি ঘোষণা কৰি পোনপটীয়া ভাৰত শাসনৰ প্ৰথমখন ঘোষণা-পত্ৰ পাঠ কৰিছিল। এই ঘোষণাৰ মাজেদি ভাৰতীয় প্ৰজা আৰু দেশীয় শাসকৰ মনত সৃষ্টি হোৱা অশান্তি-সন্দেহ আদি আঁতৰাবলৈ বিচৰা হৈছিল। লৰ্ড কেনিঙে এই ঘোষণাৰ যোগেদি ধৰ্মৰ ক্ষেত্ৰত উদাৰতা আৰু সহিষ্ণুতা, আৰ্থিক ক্ষেত্ৰত সমতা প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে স্বত্ববিলোপ নীতি পৰিহাৰ আৰু দেশীয় ৰাজন্যবৰ্গৰ প্ৰতি উদাৰ মনোভাব পোষণ কৰি ভাৰতবৰ্ষত ইংৰাজ শক্তিয়ে ভৱিষ্যতে ৰাজ্য বিস্তাৰ নকৰাৰ আশ্বাস প্ৰদান কৰিছিল। বিদ্ৰোহৰ সময়ত কোম্পানি চৰকাৰক সহায় কৰা দেশীয় ৰাজন্যবৰ্গ আৰু কেইগৰাকীমান ব্ৰিটিছভক্ত ভাৰতীয় নেতাক এলাহাবাদ দৰবাৰলৈ নিমন্ত্ৰণ কৰি তেওঁলোকক **পুৰস্কৃত** কৰা হৈছিল।

**(খ) সামাজিক পৰিৱৰ্তন ঃ** ৰক্ষণশীল মনোভাবাপন্ন এচাম ক্ষুব্ধ ভাৰতীয় প্ৰজাই চিপাহী বিদ্ৰোহৰ প্ৰতি সমৰ্থন জনাইছিল যদিও বিদ্ৰোহৰ ব্যৰ্থতাই এইসকল সংস্কাৰ বিৰোধীৰ মনলৈ গতিশীলতা কঢ়িয়াই আনিছিল। বিদ্ৰোহৰ পৰোক্ষ ফল হিচাপে ভাৰতীয় সমাজত থকা সামন্তযুগীয় স্থবিৰতাৰ অৱসান ঘটিছিল আৰু আধুনিক পাশ্চাত্য সংস্কৃতিৰ প্ৰতি ভাৰতীয়সকল আকৰ্ষিত হৈছিল। এক কথাত চিপাহী বিদ্ৰোহৰ পিছত ভাৰতীয় সমাজখনত আধুনিকতাৰ সূচনা হৈছিল। আধুনিকতাৰ পৰশত নব্য শিক্ষিত এচাম ভাৰতীয়ই আত্মপ্ৰতিষ্ঠাৰ বাবে সজাগ হৈছিল। বিদ্ৰোহী চিপাহীৰ সাহসিকতা আৰু মনোবলে তেওঁলোকক অনুপ্ৰেৰণা যোগাইছিল। বিদ্ৰোহৰ ব্যৰ্থতা নিজ চকুৰে প্ৰত্যক্ষ কৰি তেওঁলোকে ভালকৈ বুজি পাইছিল যে জনগণ সংঘবদ্ধ নোহোৱা পৰ্যন্ত জাতীয় আন্দোলন গঢ়ি তোলাটো অসম্ভৱ।

চিপাহী বিদ্ৰোহৰ পিছত, ব্ৰিটিছ চৰকাৰৰ প্ৰত্যক্ষ শাসনে ভাৰতীয়ৰ মনত ক্ৰমান্বয়ে একতাৰ ভাব জগাই তুলিছিল। বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ মনত **'আমি ভাৰতীয় জনগণ'** এনে এক চেতনা জাগ্ৰত হৈছিল। আনহাতে ভাৰতীয়সকলৰ এই ঐক্যবদ্ধ চেতনাৰ বিপৰীতে ইংৰাজ শাসকে গ্ৰহণ কৰা মূল নীতিটো আছিল **'ভাগ কৰা আৰু শাসন কৰা'** (Divide and rule)।

## চি ন্ত নী য়

**১। ব্ৰিটিছৰ 'Divide and rule' নীতিৰ প্ৰতিফলন সম্প্ৰতি স্বাধীনোত্তৰ ভাৰতবৰ্ষ তথা অসমতো দেখিবলৈ পোৱা যায় নেকি?**

## ১.৫ ইংলেণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসন আৰু ভাইচৰয় লৰ্ড কেনিঙৰ দ্বিতীয় কাৰ্যকাল (১৮৫৮-৬২) ঃ

লৰ্ড কেনিঙে তেওঁৰ দ্বিতীয়টো কাৰ্যকালত (ভাইচৰয় হিচাপে) আৰ্থিক দিশটোৰ ওপৰত বিশেষ মনোযোগ দিছিল। বিদ্ৰোহে জুৰুলা কৰা আৰ্থিক অৱস্থাক সবল কৰি তুলিবলৈ চেষ্টা কৰিছিল। তেওঁ বিত্ত বিশেষজ্ঞ জেমছ উইলছন আৰু ছেমুৱেলক ভাৰতলৈ মতাই আনি এই দিশত তেওঁলোকৰ পৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰিছিল। বিশেষজ্ঞ দুগৰাকীৰ পৰামৰ্শৰ ভিত্তিত প্ৰথমবাৰৰ বাবে **পৰীক্ষামূলকভাৱে বাৰ্ষিক পাঁচশ টকা বা ততোধিক উপাৰ্জন কৰা লোকৰ ওপৰত আয়কৰ বহুৱাইছিল**। আমদানিকৃত সামগ্ৰীৰ ওপৰত শতকৰা ১০ ভাগ আমদানি শুল্ক ধাৰ্য কৰিছিল। ১৮৫৯ খ্ৰীষ্টাব্দত 'বংগ ৰাজহ' নামৰ আইন প্ৰণয়ন কৰি চিৰস্থায়ী বন্দোৱস্তই সৃষ্টি কৰি যোৱা খেলি-মেলিৰ অৱসান ঘটাইছিল। এই আইনে ৰায়তসকলক ভূমিৰ ওপৰত নিজস্ব কৰ্তৃত্ব প্ৰদান কৰিছিল। নীল ব্যৱসায়ীসকলৰ

কবলৰ পৰা নীল খেতিয়কসকলক সুৰক্ষিত কৰিছিল। দেশত উৎপাদিত ধঁপাতৰ ওপৰত কৰ ধাৰ্য কৰিছিল।

**লৰ্ড কেনিঙে শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে 'উডৰ শিক্ষা সংস্কাৰ আঁচনি' (Wood's Despatch)খন ভাৰতত প্ৰৱৰ্তন কৰি প্ৰত্যেক প্ৰদেশতে এজন সচিবৰ তলত শিক্ষা বিভাগ এটা মুকলি কৰিছিল।**

লৰ্ড কেনিঙে সেনা-বাহিনীৰ ক্ষেত্ৰত কিছু সাংগঠনিক পৰিৱৰ্তন কৰিছিল। বিভিন্ন জাতি আৰু বিভিন্ন ধৰ্মাৱলম্বী সৈনিকক একগোট কৰি এটা মিশ্ৰিত ভাৰতীয় সেনা-বাহিনীৰ গোট গঠন কৰিছিল। নতুনকৈ গঠন হোৱা গোটটোত ভালেসংখ্যক ইউৰোপীয় সেনাক নিয়োগ কৰিছিল।

## ১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইন ঃ

চিপাহী বিদ্ৰোহৰ পিছত ব্ৰিটিছ সংসদে তৈয়াৰ কৰা ভাৰত চৰকাৰ আইন (১৮৫৮)খনৰ ভিত্তিত ভাৰতবৰ্ষত গঢ়ি উঠা নতুন প্ৰশাসন যন্ত্ৰত ভাৰতীয়ক অংশগ্ৰহণ কৰাৰ অধিকাৰ দিয়া নহৈছিল। এই আইনখনত কোনো ধৰণৰ প্ৰতিনিধিত্বমূলক অনুষ্ঠান বা পৰিষদ গঠনৰ ব্যৱস্থা নাছিল। মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণা-পত্ৰই ভাৰতীয়ৰ প্ৰতি উদাৰ দৃষ্টিভংগীৰ আশ্বাস দিছিল যদিও প্ৰকৃততে প্ৰত্যক্ষ শাসন ব্যৱস্থাত শাসক আৰু শাসিতৰ মাজৰ ব্যৱধান কমি অহা নাছিল। শিক্ষিত ভাৰতীয়সকল অসন্তুষ্ট হোৱাৰ কাৰণ উপলব্ধি কৰি ১৮৬১ খ্ৰীষ্টাব্দত ব্ৰিটিছ সংসদে **ভাৰতীয় পৰিষদ আইন** (১৮৬১) নামৰ এখন আইন প্ৰণয়ন কৰিছিল। এই আইনখনৰ উদ্দেশ্য আছিল আধুনিক প্ৰশাসন ব্যৱস্থাটোৰ সৈতে শিক্ষিত ভাৰতীয়ক চিনাকি কৰি দিয়া।

**(ক) কেন্দ্ৰীয় শাসন ঃ** ১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইনে কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ বিধানমণ্ডল (পৰিষদ) গঠনৰ নিৰ্দেশ দিছিল। ক্ষমতা বিকেন্দ্ৰীকৰণ পদ্ধতিৰ আধাৰত কেন্দ্ৰীয় আৰু প্ৰদেশ বিধানমণ্ডলবোৰক বিধায়িনী ক্ষমতা ভগাই দিয়া হৈছিল। এই আইনে ভাইচৰয়ক তেওঁৰ কেন্দ্ৰীয় বিধানমণ্ডলৰ সদস্যৰ সংখ্যা সৰ্বনিম্ন ছয়জনৰ পৰা সৰ্বাধিক বাৰজন পৰ্যন্ত মনোনীত কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল। মুঠ সদস্যৰ আধাসংখ্যক বেচৰকাৰী হোৱাটো বাধ্যতামূলক আছিল। বেচৰকাৰী সদস্যসকলক অতিৰিক্ত সদস্য হিচাপে বিধান মণ্ডলত স্থান দিছিল আৰু তেওঁলোকৰ কাৰ্যকাল দুবছৰীয়া আছিল। তেওঁলোক ভাৰতস্থ ইংৰাজ বা দেশীয় ব্যক্তি হ'ব লাগিছিল। কেন্দ্ৰীয় বিধানমণ্ডলত পোন প্ৰথমবাৰৰ বাবে স্থান পোৱা ভাৰতীয় ব্যক্তিসকল আছিল গোৱালিয়ৰ ৰাজ্যৰ ভূতপূৰ্ব মন্ত্ৰী ৰাজা বাহাদুৰ দিনাকৰ ৰাও, পাতিয়ালাৰ ৰাজা বাহাদুৰ নৰিন্দ্ৰ সিং আৰু উত্তৰ পূব

সীমান্ত প্ৰদেশৰ জমিদাৰ ৰাজ বাহাদুৰ দেউনাৰায়ণ। ভাইচৰয়ৰ কৰ্তৃত্বৰে পৰিচালিত কেন্দ্ৰীয় বিধানমণ্ডলত প্ৰস্তাৱিত আইন আৰু সিদ্ধান্তসমূহত ভাইচৰয়ৰ পূৰ্ণ সমৰ্থন তথা আস্থা থকাৰ উপৰিও 'ভাৰত সচিব'ৰ অনুমোদন লোৱাটো বাধ্যতামূলক আছিল।

ভাৰতীয়ক পোন প্ৰথমবাৰ বিধানমণ্ডলত স্থান দি ইংৰাজ শাসকে ভাৰতীয়ৰ পৰা প্ৰত্যক্ষ সহযোগিতা আশা কৰিছিল। এক কথাত ক'বলৈ গ'লে ভাৰতীয়ক বিধানমণ্ডলৰ সদস্যৰ পদ দি ভাৰতত প্ৰতিনিধিত্বমূলক চৰকাৰ গঠনৰ সাঁচটো তৈয়াৰ কৰিছিল। অৱশ্যে উল্লিখিত প্ৰতিনিধিসকল প্ৰকৃত অৰ্থত ভাৰতীয় জনসাধাৰণৰ প্ৰতিনিধি আছিল বুলি ক'ব নোৱাৰি। তেওঁলোক আছিল উচ্চ বংশজাত আৰু সম্ভ্ৰান্ত ভূ-স্বামী শ্ৰেণীটোৰহে প্ৰতিনিধি। তথাপিতো **আইনী প্ৰক্ৰিয়াৰে সৰ্বোচ্চ প্ৰশাসনত ভাৰতীয় প্ৰতিনিধিত্বৰ বুনিয়াদ ৰচনা কৰি ভাৰতীয়ক বিধায়িনী ক্ষমতাত অংশ গ্ৰহণৰ ক্ষমতা দিয়াটো এটা উল্লেখযোগ্য ঘটনা** বুলি ক'ব লাগিব।

এই আইনে কেন্দ্ৰীয় বিধানমণ্ডলক ৰাজহ, বিত্ত, প্ৰতিৰক্ষা বাহিনীৰ ৰক্ষণাবেক্ষণ, দেশীয় ৰাজ্য আৰু ব্ৰিটিছ-ভাৰত অধিকৃত ৰাজ্যৰ সীমাৰ সুৰক্ষা আদি বিষয়ত পৰামৰ্শ আৰু আইন তৈয়াৰ কৰাৰ ক্ষমতা দিছিল। কিন্তু একে সময়তে ভাইচৰয়গৰাকীক প্ৰয়োজন সাপেক্ষে বিধানমণ্ডলত প্ৰস্তাৱিত আইন নতুবা দিহা-পৰামৰ্শ উলংঘা কৰাৰ ক্ষমতাও দিছিল।

এই আইনে পাঁচজনীয়া সদস্যৰ এখন 'কাৰ্যবাহী পৰিষদ' গঠনৰ প্ৰস্তাৱ দিছিল। ভাৰতৰ সচিবক এই আইনে তিনিজন ব্যক্তিক 'কাৰ্যবাহী পৰিষদ'ৰ বাবে বাছনি কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল। ভাৰতবৰ্ষত কমেও দহ বছৰ কাল চাকৰি কৰাৰ অভিজ্ঞতা থকা ব্যক্তিকহে তেওঁ বাছনি কৰিব পাৰিছিল। বাকী দুজন সদস্যক ব্ৰিটিছ সংসদে প্ৰত্যক্ষভাৱে নিয়োগ কৰাৰ ক্ষমতা পাইছিল। তেওঁলোক দুজনৰ এজনক আইনী সদস্য আৰু আনজনক বিত্তীয় সদস্য হিচাপে কাৰ্যবাহী পৰিষদত স্থান দিয়া হৈছিল।

ভাইচৰয়ক কাৰ্যবাহী পৰিষদখন সুচাৰুৰূপে পৰিচালনা কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব দিয়া হৈছিল। ভাইচৰয় লৰ্ড কেনিঙে পোন প্ৰথমে কেন্দ্ৰীয় কাৰ্যবাহী পৰিষদৰ সদস্যসকলৰ মাজত দপ্তৰসমূহ ভগাই দি তেওঁলোকক নিজা নিজা দপ্তৰসমূহ পৰিচালনা কৰাৰ অধিকাৰ দিছিল। গুৰুত্বপূৰ্ণ বিষয়ত তেওঁলোকে ভাইচৰয়ৰ পৰা পৰামৰ্শ ল'ব লাগিছিল। কাৰ্যবাহী পৰিষদৰ সদস্যৰ মাজত দপ্তৰ বিতৰণ কৰি ভাৰতৰ শাসন ব্যৱস্থাত কেবিনেট শাসন প্ৰণালীৰ সূচনা কৰা হৈছিল।

**(খ) প্ৰাদেশিক শাসন ঃ** ১৮৬১ খ্ৰীষ্টাব্দৰ আইনে কেন্দ্ৰ আৰু প্ৰদেশৰ মাজত ক্ষমতা বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা এটা প্ৰৱৰ্তন কৰি প্ৰাদেশিক চৰকাৰসমূহক শক্তিশালী ৰূপত গঢ়ি তুলিব বিচাৰিছিল। ১৮৩৩ খ্ৰীষ্টাব্দৰ চনদে বোম্বাই আৰু মাদ্ৰাজ এই দুখন প্ৰদেশৰ প্ৰাদেশিক চৰকাৰক নিজাকৈ আইন প্ৰণয়ন কৰাৰ ক্ষমতাৰ পৰা বঞ্চিত কৰি সকলো বিলাক আইনী ক্ষমতা বংগৰ গৱৰ্ণৰ জেনেৰেলৰ হাতত ন্যস্ত কৰিছিল। কিন্তু এই ব্যৱস্থাৰ পৰিৱৰ্তন

ঘটাবলৈ ১৮৬১ খ্ৰীষ্টাব্দৰ আইনে বোম্বাই আৰু মাদ্ৰাজৰ গৱৰ্ণৰ দুগৰাকীক সৰ্বনিম্ন চাৰিজন আৰু সৰ্বোচ্চ আঠজন মনোনীত সদস্যৰে বিধান পৰিষদ (মণ্ডল) গঠনৰ অনুমতি দিছিল। মনোনীত সদস্যসকলৰ আধা অংশ বেচৰকাৰী সদস্য হ'ব লাগিছিল আৰু তেওঁলোকৰ কাৰ্যকাল দুই বছৰ ধাৰ্য কৰিছিল।

১৮৬১ খ্ৰীষ্টাব্দৰ আইনে বংগ প্ৰদেশ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু পঞ্জাবত বিধান পৰিষদ গঠনৰ নিৰ্দেশ জাৰি কৰিছিল। এই নিৰ্দেশৰ ভিত্তিত ১৮৬২ খ্ৰীষ্টাব্দত বংগ আৰু ১৮৯৮ খ্ৰীষ্টাব্দত পঞ্জাবত বিধান পৰিষদ গঠন কৰা হৈছিল।

১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইনখনক এখন ত্ৰুটিহীন আইন বুলিও ক'ব নোৱাৰি। এইখন আইনে নৱগঠিত প্ৰাদেশিক বিধান পৰিষদসমূহক নিজাকৈ কিছু আইনী ক্ষমতা দিছিল যদিও প্ৰকৃতপক্ষে এই ক্ষমতা আছিল কেৱল নামমাত্ৰহে। অথচ একেখন আইনেই বংগৰ গৱৰ্ণৰ জেনেৰেলক অপৰিসীম ক্ষমতাৰ অধিকাৰী কৰিছিল। ফলস্বৰূপে প্ৰাদেশিক পৰিষদসমূহৰ আইনী ক্ষমতা বহুক্ষেত্ৰত সংকুচিত হৈছিল। উল্লেখ্য যে প্ৰাদেশিক পৰিষদ আৰু কেন্দ্ৰীয় পৰিষদে তৈয়াৰ কৰা আইনসমূহত বংগৰ গৱৰ্ণৰ জেনেৰেলৰ অনুমোদন বাধ্যতামূলক আছিল। গৱৰ্ণৰ জেনেৰেলৰ হাতত নিজাকৈ অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতা দিয়া হৈছিল। তেওঁ পৰিষদৰ সৈতে কোনো সম্পৰ্ক নকৰাকৈ যিকোনো ধৰণৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল। অৱশ্যে আসোঁৱাহ থাকিলেও ১৮৬১ খ্ৰীষ্টাব্দৰ আইনখন এই কাৰণেই স্মৰণীয় যে ইয়াৰ যোগেদি প্ৰদেশ প্ৰশাসনে বিধানমণ্ডলত প্ৰৱেশ কৰাৰ অনুমতি পাইছিল।

**ভাৰতবৰ্ষৰ আধুনিক প্ৰশাসনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে দেশীয় প্ৰতিনিধিৰ অন্তৰ্ভুক্তিৰ শুভাৰম্ভ ১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইনৰ যোগেদি হৈছিল।**

## ১.৬ স্থানীয় স্বায়ত্ত শাসন ঃ

ভাইচৰয় লৰ্ড মেয়'ৰ কাৰ্যকাল (১৮৬৯-৭২)ত গ্ৰহণ কৰা **'বিত্তীয় বিকেন্দ্ৰীকৰণ প্ৰস্তাৱে'** ভাৰতবৰ্ষত স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ বাট মুকলি কৰিছিল। ১৮৭০ খ্ৰীষ্টাব্দৰ ১৪ ডিচেম্বৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা বিত্তীয় বিকেন্দ্ৰীকৰণ প্ৰস্তাৱৰ যোগেদি শিক্ষা, স্বাস্থ্য, পঞ্জীয়ন, জেল, পুলিচ আদি বিভাগৰ দায়িত্ব প্ৰদেশ বিলাকক দিয়া হৈছিল। উক্ত বিভাগসমূহৰ ভিতৰুৱা প্ৰাদেশিক কামৰ বাবে কেন্দ্ৰৰ পৰা নিৰ্দিষ্ট পৰিমাণৰ অৰ্থৰ যোগান ধৰাৰ নিয়ম কৰা হয়। কেন্দ্ৰৰ নিৰ্দেশৰ ভিত্তিত প্ৰাদেশিক চৰকাৰেও বিভাগ পৰিচালনাৰ নামত স্থানীয় কৰ-কাটলৰ যোগেদি পুঁজি সংগ্ৰহ কৰিব লগা হয়।

**মেয়'ৰ বিত্তীয় বিকেন্দ্ৰীকৰণ প্ৰস্তাৱৰ আঁত ধৰি লৰ্ড ৰিপণে (১৮৮০-৮৪) ভাৰতবৰ্ষত স্বায়ত্ত শাসনৰ ভেটিটো নিৰ্মাণ কৰিছিল।**

লৰ্ড ৰিপণে কেইটামান বিশেষ উদ্দেশ্য আগত ৰাখি স্বায়ত্ত শাসন ব্যৱস্থাৰ পোষকতা কৰিছিল। তেওঁ স্থানীয় প্ৰশাসন ব্যৱস্থাত এনে এক পৰিৱৰ্তনৰ পোষকতা কৰিছিল য'ত প্ৰশাসনীয় দক্ষতা বৃদ্ধিৰ লগতে স্থানীয় শাসনক ৰাজনৈতিক শিক্ষাৰ এক মাধ্যম হিচাপেও গ্ৰহণ কৰাৰ সুবিধা থাকে। লৰ্ড ৰিপণে তেওঁৰ কাৰ্যকালত গণতান্ত্ৰিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত এনে এচাম ভাৰতীয়ক লগ পাইছিল যিসকলে প্ৰশাসনীয় দক্ষতা আহৰণ কৰাৰ কাৰণে প্ৰথমতে স্থানীয় প্ৰশাসনত অংশগ্ৰহণ কৰাৰ প্ৰয়োজন আছিল। ভাৰতীয়ৰ মাজত শিক্ষা বিস্তাৰ আৰু ভাৰতীয়ক আধুনিক প্ৰশাসনৰ লগত চিনাকি কৰি দিয়াৰ লগতে সমাজৰ বুদ্ধিমান ব্যক্তিসকলক তেওঁলোকৰ প্ৰাথমিক কাম বিলাক তেওঁলোকৰ হতুৱাই সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই উদ্দেশ্যটো আগত ৰাখিয়েই প্ৰস্তাৱিত নিকায়সমূহত নিৰ্বাচিত সদস্যৰ নিযুক্তিৰে প্ৰশাসনৰ গোট বিলাকক কেন্দ্ৰীয় শাসনৰ পৰা মুক্ত কৰি ৰখাটো বিচাৰিছিল।



লৰ্ড ৰিপণ

লৰ্ড ৰিপণে ১৮৮২ খ্ৰীষ্টাব্দত ঐতিহাসিক প্ৰস্তাৱ মৰ্মে প্ৰত্যেকটো মহকুমাত একোখনকৈ লোকেল ব'ৰ্ড (আঞ্চলিক পৰিষদ) গঠন কৰে। প্ৰয়োজন অনুসৰি প্ৰত্যেকখন লোকেল ব'ৰ্ডৰ অধীনত থকা গ্ৰামাঞ্চলৰ লাটসমূহত একোখনকৈ প্ৰাথমিক ব'ৰ্ড গঠনৰ ব্যৱস্থা ৰাখিছিল। লোকেল ব'ৰ্ডৰ অধিকাংশ সদস্যক নিৰ্বাচন কৰি অনাৰ লগতে সদস্যসকলৰ মাজৰ পৰা এজন বেচৰকাৰী ব্যক্তিক সভাপতি হিচাপে বাছনি কৰাৰ ব্যৱস্থা কৰিছিল।

লৰ্ড ৰিপণে স্বায়ত্ত শাসনৰ প্ৰস্তাৱসমূহ সমগ্ৰ ভাৰতবৰ্ষতে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁৰ এই নিৰ্দেশসমূহ প্ৰদেশসমূহৰ মুখ্য শাসনকৰ্তাসকলে দুই ধৰণেৰে কাৰ্যকৰী কৰিছিল। কিছুমান প্ৰদেশত জিলা পৰ্যায়ত আৰু কিছুমান প্ৰদেশত মহকুমা পৰ্যায়ত লোকেল ব'ৰ্ডসমূহ গঠন কৰিছিল। উল্লেখ্য যে অসমত মহকুমা পৰ্যায়ত লোকেল ব'ৰ্ডসমূহ গঠন হৈছিল।

গ্ৰামাঞ্চলৰ দৰে নগৰাঞ্চলসমূহো স্থানীয় স্বায়ত্ত শাসনৰ তলতীয়া হৈছিল। ১৮৮২ খ্ৰীষ্টাব্দৰ স্থানীয় স্বায়ত্ত শাসনৰ প্ৰস্তাৱ মৰ্মে নগৰীয়া এলেকাসমূহত নগৰপালিকা আৰু পৌৰসভা গঠন হৈছিল। পৌৰসভা আৰু নগৰপালিকাৰ নিকায়সমূহৰ শতকৰা ৭৫ জন সদস্যক নিৰ্বাচনৰ যোগেদি বাছনি কৰি লোৱাৰ ব্যৱস্থা কৰা হৈছিল। আনকি নগৰীয়া অঞ্চলৰ এই নিকায়সমূহৰ সভাপতিগৰাকীক প্ৰয়োজনবোধে নিৰ্বাচন কৰিব পৰা গৈছিল।

ভাৰত সচিবে লৰ্ড ৰিপণৰ কেইবাটাও স্বায়ত্ত শাসন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ প্ৰস্তাৱ নাকচ কৰিছিল। বিশেষকৈ লোকেল ব'ৰ্ডসমূহত নিৰ্বাচিত সদস্যৰ সংখ্যা বৃদ্ধি আৰু বে-

চৰকাৰী সদস্যক সভাপতিৰ পদ দিয়াৰ বাবে ৰিপণে আগবঢ়োৱা প্ৰস্তাৱ ইংলেণ্ডৰ চৰকাৰে সমৰ্থন কৰা নাছিল। ১৮৮৫ খ্ৰীষ্টাব্দৰ স্বায়ত্ত শাসন আইনখনে জিলা উপায়ুক্তসকলকহে লোকেল ব'ৰ্ডৰ সভাপতিত্ব কৰাৰ ক্ষমতা দিছিল। লৰ্ড ৰিপণে স্বায়ত্ত শাসনৰ সংস্থাবোৰ জনসাধাৰণৰ নিৰ্বাচিত প্ৰতিনিধিৰ হাতত অৰ্পণ কৰাটো এটা নীতি হিচাপে গ্ৰহণ কৰিছিল। কিন্তু ঔপনিৱেশিক মনোবৃত্তিৰ ইংৰাজ চৰকাৰে ৰিপণৰ উদ্দেশ্য সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰাত বাধা প্ৰদান কৰিছিল।

**ৰিপণৰ বাস্তৱধৰ্মী চিন্তা-ধাৰাই ভাৰতীয় প্ৰশাসনলৈ এটা নতুন বাৰ্তা কঢ়িয়াই আনিছিল, কাৰণ তেওঁ পোনপ্ৰথমবাৰৰ বাবে স্থানীয় শাসন ব্যৱস্থাক গণতান্ত্ৰিক পদ্ধতিৰ মাজলৈ টানি আনিছিল।**

লৰ্ড ৰিপণৰ এই সংস্কাৰ ভাৰতীয় স্থানীয় শাসনৰ বুৰঞ্জীৰ এক স্মৰণীয় অধ্যায়।

## ১.৭ অসামৰিক সেৱাৰ ভাৰতীয়কৰণ ঃ

ইষ্ট ইণ্ডিয়া কোম্পানিৰ শাসন কালত ভাৰতবৰ্ষৰ লোকসেৱাৰ পদবিসমূহ কেৱল ইংৰাজ লোকৰ দ্বাৰাহে পূৰণ কৰা হৈছিল। ভাৰত চৰকাৰ পৰিচালনাৰ দায়িত্ব ব্ৰিটিছ চৰকাৰৰ হাতলৈ (১৮৫৮ খ্ৰীষ্টাব্দ) যোৱাৰ পিছত ভাৰতীয় শিক্ষিতসকলেও লোকসেৱাৰ পদবিত দেশীয় ব্যক্তিক অন্তৰ্ভুক্ত কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। শিক্ষিত ভাৰতীয়ৰ মনত গঢ়ি উঠা এনে প্ৰৱণতাৰ প্ৰতি লক্ষ্য ৰাখি ঊনবিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা ভাৰতীয়সকলকো লোকসেৱাৰ পদবিত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

১৭৯৩ খ্ৰীষ্টাব্দৰ **নিয়ন্ত্ৰণকাৰী আইন** (Regulating Act 1793) অনুসৰি ভাৰত প্ৰশাসনৰ উচ্চ পদবিসমূহ কোম্পানিৰ অংগীকাৰবদ্ধ (Covenanted Service) কৰ্মচাৰীৰ বাবেহে সংৰক্ষিত কৰি ৰখাৰ নিয়ম বলৱৎ কৰা হৈছিল। ব্যক্তিগত ব্যৱসায় আৰু কোনো ধৰণৰ উপহাৰ গ্ৰহণ নকৰাৰ লিখিত প্ৰতিশ্ৰুতি হিচাপে তেওঁলোকে অংগীকাৰ-পত্ৰত স্বাক্ষৰ কৰিব লগা হৈছিল। তদানীন্তন গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিচে (১৭৮৬-৯৩) ভাৰতীয়ক প্ৰশাসনৰ বিষয়বাব নিদিয়াৰ সপক্ষে ইংলেণ্ডৰ চৰকাৰৰ ওচৰত যুক্তি দাঙি ধৰিছিল। তেওঁৰ যুক্তিটো আছিল যে ভাৰতীয়সকল আধুনিক প্ৰশাসনৰ সৈতে একেবাৰে অভ্যস্ত নহয় আৰু ভাৰতীয়ৰ হাতত শাসনৰ দায়িত্ব জাপি দিলে সেই প্ৰশাসন ইংৰাজৰ স্বাৰ্থৰ বিপৰীতে পৰিচালিত হ'ব। কিন্তু উদাৰচিতীয়া ইংৰাজ চিন্তাবিদ ছাৰ থমাছ মনৰো আৰু ছাৰ জন মেলকমে কৰ্ণৱালিচৰ এই যুক্তি মানি লোৱা নাছিল।

**১৮৩৩ খ্ৰীষ্টাব্দৰ** চনদে ভাৰতীয় লোকক শাসনৰ উচ্চ পদবিত মকৰল কৰাৰ ক্ষেত্ৰত সন্মতি জনাইছিল। আইনখনে ভাৰতীয়ক লোকসেৱাৰ পদবিত নিযুক্তিৰ ক্ষেত্ৰত

অৰ্হতা নিৰ্ধাৰণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। কোম্পানিৰ ডাইৰেক্টৰসকলৰ বিৰোধিতাৰ কাৰণেই সেইটো সম্ভৱ হৈ উঠা নাছিল। অৱশ্যে, এই আইনখনে ভাৰতীয়সকলৰ প্ৰতি আগবঢ়োৱা উদাৰ মনোভাবক ইংৰাজ শাসকসকলে সম্পূৰ্ণ অৱজ্ঞা কৰিব পৰা নাছিল। ১৮৩৩ খ্ৰীষ্টাব্দত ডেপুটি মেজিষ্ট্ৰেট আৰু ১৮৪৩ খ্ৰীষ্টাব্দত ডেপুটি কালেক্টৰ নামৰ দুটা পদবিৰ সৃষ্টি কৰি দুয়োটা পদবিৰ বাবে ভাৰতীয় ব্যক্তি উপযুক্ত হ'ব বুলি জানিবলৈ দিছিল।

**১৮৫৩ খ্ৰীষ্টাব্দৰ চনদে লোকসেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত** কৰাৰ বাবে নিৰ্দেশ দিছিল। ভাৰতীয় লোককো এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনুমতি দিছিল। কিন্তু এই পৰীক্ষা ইংলেণ্ডত অনুষ্ঠিত হোৱা বাবে অতি সামান্যসংখ্যক ভাৰতীয়ইহে ইয়াত অৱতীৰ্ণ হ'ব পাৰিছিল। ১৮৫৮ খ্ৰীষ্টাব্দৰ মহাৰাণীৰ ঘোষণা-পত্ৰই দেশীয় লোককো নিৰপেক্ষভাৱে লোকসেৱাৰ পদবিত নিয়োগ কৰাৰ আশ্বাস দিছিল। এই আশ্বাসৰ ভিত্তিত ভাৰত সচিবে এখন কমিটী গঠন কৰি দিছিল। কমিটীয়ে ভাৰতীয় লোকসেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা ভাৰতত অনুষ্ঠিত কৰাৰ উপদেশ দিছিল। কিন্তু ১৮৬২ খ্ৰীষ্টাব্দৰ চিভিল ছাৰ্ভিচ আইনত সন্নিবিষ্ট ধাৰা অনুযায়ী লোকসেৱাৰ পদবি অংগীকাৰবদ্ধ ইংৰাজ ব্যক্তিৰ বাবে সংৰক্ষিত হৈ থকাৰ বাবে কমিটীৰ এই উপদেশ কাৰ্যকৰী কৰা নাছিল।



**আনন্দৰাম বৰুৱা**

জন্ম ঃ ১৮৫০ খ্ৰীষ্টাব্দ, উত্তৰ গুৱাহাটী

মৃত্যু ঃ জানুৱাৰী, ১৮৮৯

*অসমৰ প্ৰথম আৰু ভাৰতৰ ষষ্ঠ ভাৰতীয় লোকসেৱা (আই চি এছ) পদবী লাভ কৰোঁতা (১৮৭২)। অসমৰ প্ৰথম স্নাতক।*

১৮৬৫ খ্ৰীষ্টাব্দলৈকে লোকসেৱা পৰীক্ষাত অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ সৰ্বোচ্চ বয়সৰ সীমা আছিল ২২ বছৰ। কিন্তু ১৮৬৬ খ্ৰীষ্টাব্দত এই সৰ্বোচ্চ বয়সৰ সীমা ২১ বছৰ কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে অতি কমসংখ্যক ভাৰতীয়ইহে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিছিল। ১৮৬৪ খ্ৰীষ্টাব্দত প্ৰথমজন ভাৰতীয় ব্যক্তি সত্যেন্দ্ৰ নাথ ঠাকুৰে ভাৰতীয় লোকসেৱাৰ পদবি লাভ কৰিব পাৰিছিল। ১৮৭১ খ্ৰীষ্টাব্দত তিনিজন ভাৰতীয় ক্ৰমে সুৰেন্দ্ৰ নাথ বন্দোপাধ্যায়, ৰমেশ চন্দ্ৰ দত্ত আৰু বিহাৰী লাল গুপ্তই এই পৰীক্ষাত কৃতকাৰ্য হৈছিল। ১৮৭২ খ্ৰীষ্টাব্দত শ্ৰীপদ বাবাজী ঠাকুৰ, আৰু আনন্দৰাম বৰুৱাই এই পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিছিল।


ভাইচৰয় লৰ্ড লিটনৰ কাৰ্যকালত (১৮৭৬-৮০) ভাৰতীয় লোকসেৱাৰ পৰীক্ষাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ১৯ বছৰলৈ হ্ৰাস কৰিছিল। ইতিমধ্যে ৰাজহুৱা জীৱনৰ পাতনি মেলা সুৰেন্দ্ৰ নাথ বন্দোপাধ্যায়ে ইয়াৰ বিৰুদ্ধে এটা তীব্ৰ জনজাগৰণ গঢ়ি তুলিছিল। লোকসেৱা পৰীক্ষাৰ্থীৰ বয়সৰ সীমা সম্বন্ধে ভাৰতীয়ৰ মতামত জনাবলৈ বন্দোপাধ্যায়ে লালমোহন ঘোষ নামৰ এজন আইনবিদক ইংলেণ্ডলৈ পঠাইছিল। ইংলেণ্ডৰ চৰকাৰে ঘোষৰ যুক্তি মানি লৈ ভাৰতীয় লোকসেৱাত পৰীক্ষাৰ্থীৰ বয়স পুনৰ ২২ বছৰ কৰিবলৈ বাধ্য হৈছিল।




**সত্যেন্দ্ৰনাথ ঠাকুৰ**

*ভাৰতৰ প্ৰথম ভাৰতীয় লোকসেৱা (আই চি এছ) পদবী লাভ কৰোঁতা (১৮৬৪)*

লৰ্ড লিটনৰ কাৰ্যকালত ব্ৰিটিছ চৰকাৰে ভাৰতীয় লোকসেৱা সম্বন্ধীয় এখন বিধি তৈয়াৰ কৰিছিল। এই বিধি অনুসৰি যি এক ষষ্ঠাংশ লোকসেৱাৰ পদবি অংগীকাৰবদ্ধ ইংৰাজ ব্যক্তিৰ কাৰণে সংৰক্ষিত আছিল সেই পদবিসমূহ স্থানীয় চৰকাৰৰ মনোনীত



লৰ্ড লিটন

ভাৰতীয় লোকৰ দ্বাৰা পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। ইংলেণ্ডৰ চৰকাৰে ভাৰত সচিব আৰু ভাইচৰয়ৰ অনুমতি সাপেক্ষে এই পদবিসমূহত ভাৰতীয়ক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। ভাইচৰয় লৰ্ড লিটনে নিজাকৈ পদবিসমূহৰ বাবে উচ্চবংশজাত ভাৰতীয় ব্যক্তিক বাছনি কৰাৰ নিৰ্দেশ দিছিল। কিন্তু উচ্চ শ্ৰেণীভুক্ত ভাৰতীয়ক আকৰ্ষণ কৰিব নোৱাৰাত গোটেই ব্যৱস্থাটো কাৰ্যকৰী কৰিব পৰা নাছিল।

ভাৰতীয় জাতীয় কংগ্ৰেছে জন্মলগ্নৰে পৰা লোকসেৱাৰ পৰীক্ষাসমূহ ইংলেণ্ড আৰু ভাৰতত একেলগে অনুষ্ঠিত কৰিবলৈ দাবী জনাই আহিছিল। ভাইচৰয় লৰ্ড ডাফৰিনে (১৮৮৪-৮৮) গোটেই বিষয়টো বিবেচনা কৰিবলৈ ১৮৮৬ খ্ৰীষ্টাব্দত **পাব্লিক ছাৰ্ভিচ কমিছন** গঠন কৰিছিল। তদানীন্তন পঞ্জাবৰ লেফটেনেণ্ট গৱৰ্ণৰ ছাৰ চাৰ্লছ আইচিছনৰ পৌৰোহিত্যত এখন আয়োগ গঠন কৰি দিছিল। আইচিছন আয়োগে লোকসেৱা বিভাগটোক তিনিটা ভাগত ভাগ কৰাৰ বাবে অনুমোদন জনাইছিল। ভাগ তিনিটা আছিল **ইমপেৰিয়েল ইণ্ডিয়ান চিভিল ছাৰ্ভিচ, প্ৰভিন্সিয়েল চিভিল ছাৰ্ভিচ** আৰু **ছাবৰডিনেট চিভিল ছাৰ্ভিচ**। প্ৰথমটোত ইংৰাজ ব্যক্তিক আৰু বাকী দুটাত দেশীয় লোকক মকৰল কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। ইংলেণ্ডৰ চৰকাৰে আইচিছন কমিছনৰ পৰামৰ্শাৱলী সম্পূৰ্ণভাৱে মানি লোৱা নাছিল। ১৮৯৩ খ্ৰীষ্টাব্দৰ ২ জুন তাৰিখে ব্ৰিটিছ সংসদে ইংলেণ্ড আৰু ভাৰততো একে সময়তে লোকসেৱাৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল যদিও বেয়া পৰিবেশ পৰিস্থিতিৰ অজুহাত দেখুৱাই এই প্ৰস্তাৱ চৰকাৰে কাৰ্যকৰী কৰা নাছিল। ১৯২২ খ্ৰীষ্টাব্দত ব্ৰিটিছ চৰকাৰে লৰ্ড ইচলিংটনৰ নেতৃত্বত **ৰয়েল কমিছন অন পাব্লিক ছাৰ্ভিচ** গঠন কৰিছিল। কিন্তু এই কমিছনখনেও এই ক্ষেত্ৰত কোনো কাৰ্যকৰী ব্যৱস্থা ল'ব পৰা নাছিল।

**মণ্টেগু-চেমচফোৰ্ড প্ৰতিবেদনে** ইংলেণ্ড আৰু ভাৰতত একেলগে লোকসেৱাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো চৰকাৰৰ এটা ঘোষিত নীতি বুলি প্ৰকাশ কৰিছিল। এই প্ৰতিবেদনে ভাৰতবৰ্ষৰ মুঠ তিনি ভাগৰ এভাগ পদবি দেশীয় লোকৰ দ্বাৰা পূৰণ কৰা হ'ব বুলিও উল্লেখ কৰিছিল। আনকি নিযুক্তিৰ ক্ষেত্ৰত প্ৰতিবছৰে শতকৰা ১.৫ ভাগকৈ দেশীয় প্ৰাৰ্থীৰ হাৰ বৃদ্ধি কৰা হ'ব বুলি জনাইছিল। উল্লেখ্য যে ১৯১৯ খ্ৰীষ্টাব্দৰ ভাৰত চৰকাৰ আইনখনত মণ্টেগু-চেমচফোৰ্ড প্ৰতিবেদনে লোকসেৱাৰ সন্দৰ্ভত বিবেচনা কৰা আঁচনি কেইখন কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছিল।

মণ্টেগু-চেমচফোৰ্ড প্ৰতিবেদন আৰু ১৯১৯ খ্ৰীষ্টাব্দৰ ভাৰত চৰকাৰ আইনৰ নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ ১৯২৩ খ্ৰীষ্টাব্দত ব্ৰিটিছ চৰকাৰে **লী আয়োগ** (Lee Commission 1923) গঠন কৰিছিল। লী আয়োগে তাৎক্ষণিকভাৱে ভাৰতবৰ্ষত লোকসেৱা আয়োগ গঠনৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু ১৫টা বছৰৰ ভিতৰত লোকসেৱাৰ পদবিত ভাৰতীয় লোকৰ নিযুক্তিৰ পৰিমাণ ৫০ শতাংশলৈ বৃদ্ধি কৰিবলৈ উপদেশ দিছিল।

১৯৩৫ খ্ৰীষ্টাব্দত ব্ৰিটিছ সংসদত গৃহীত হোৱা ভাৰত চৰকাৰ আইনখনে

ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰ গঠন কৰা হ'ব বুলি ঘোষণা কৰিছিল। ভাৰতীয়ৰ হাতত অধিক ক্ষমতা তুলি দিয়াৰ উদ্দেশ্যে প্ৰদেশসমূহত নিৰ্বাচিত চৰকাৰ গঠন কৰাৰ ব্যৱস্থা ৰাখিছিল। এই আইনখনে 'যুক্তৰাষ্ট্ৰীয় লোকসেৱা আয়োগ' আৰু 'প্ৰাদেশিক লোকসেৱা আয়োগ' গঠনৰ প্ৰস্তাৱ দিছিল যদিও প্ৰস্তাৱিত লোকসেৱাৰ নতুন ব্যৱস্থাপনাৰ প্ৰতি শিক্ষিত ভাৰতীয়ৰ মনত কোনো আগ্ৰহ ফুটি উঠা নাছিল। ভাৰতীয়ক নেতৃত্ব দিয়া জাতীয় কংগ্ৰেছেও ভাৰতীয়ক নিৰপেক্ষভাৱে লোকসেৱাত নিযুক্ত নকৰা বুলিহে আপত্তি তুলিছিল।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত লোকসেৱাত নিয়োগৰ পুৰণি পদ্ধতিৰ অৱলুপ্তি ঘটিছিল। সৰ্বভাৰতীয় পৰ্যায়ত মুকলি প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হ'ল। **সৰ্বভাৰতীয় লোকসেৱা আয়োগ** আৰু প্ৰাদেশিক পৰ্যায়ত **ৰাজ্যিক লোকসেৱা আয়োগ** গঠন কৰা হ'ল।



*চিত্ৰ ঃ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানি*

## মূ ল ক থা

- পর্টুগীজ নাৱিক ভাস্ক'-ডা-গামাই পোন প্ৰথমে ১৪৯৮ খ্ৰীষ্টাব্দত সমুদ্ৰত নৌ যাত্ৰা কৰি দক্ষিণ ভাৰতৰ কালিকট বন্দৰত উপস্থিত হয়। ইয়াৰ দ্বাৰা পাশ্চাত্যৰ লগত ভাৰতৰ জলপথেৰে পোনপটীয়া যোগাযোগৰ সূচনা হৈছিল।
- কেপ্টেইন উইলিয়াম হকিন্স নামৰ ইংৰাজ সদাগৰজনে ১৬০৯ খ্ৰীষ্টাব্দত আগ্ৰাত সম্ৰাট জাহাংগীৰক সাক্ষাৎ কৰিছিল। এয়াই আছিল ইংৰাজৰ প্ৰথম আগ্ৰাত পদাৰ্পণ।
- মোগল সম্ৰাট ফাৰুখছিয়াৰৰ (১৭১৩-১৭১৯) পৰা ইষ্ট ইণ্ডিয়া কোম্পানিয়ে সমগ্ৰ ভাৰতবৰ্ষত নিৰ্বিঘ্নে বেহা-বেপাৰ কৰাৰ অনুমতি লাভ কৰে।
- ৰজা দ্বিতীয় চাৰ্লছে পৰ্টুগীজ ৰাজকন্যা কেথৰিনক বিয়া কৰাই যৌতুক হিচাপে বোম্বাই চহৰ লাভ কৰিছিল।
- ৰবাৰ্ট ক্লাইবে ১৭৫৭ খ্ৰীষ্টাব্দত পলাচীৰ যুদ্ধত বংগ, বিহাৰ আৰু উৰিষ্যাৰ নবাব চিৰাজ উদ্‌দৌল্লাক পৰাস্ত কৰি ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰে।
- কোম্পানিৰ আমোলত ওৱাৰেন হেষ্টিংছৰ কাৰ্যকালত ইষ্ট ইণ্ডিয়া কোম্পানি ভাৰতৰ একমাত্ৰ শক্তিৰূপে পৰিগণিত হৈছিল।
- ১৮৫৭ খ্ৰীষ্টাব্দৰ ২৯ মাৰ্চ তাৰিখে চিপাহী মংগল পাণ্ডেই বেৰেকপুৰ চিপাহী ছাউনীত ইংৰাজ বিষয়াৰ গাৰৈ গুলিবৰ্ষণ কৰি চিপাহী বিদ্ৰোহৰ সূচনা কৰিছিল।
- চিপাহী বিদ্ৰোহৰ ফলত হোৱা সাংবিধানিক পৰিৱৰ্তন স্বৰূপে ব্ৰিটিছ সংসদে ১৮৫৮ খ্ৰীষ্টাব্দৰ ২ আগষ্ট তাৰিখে ভাৰত চৰকাৰ আইন প্ৰণয়ন কৰিছিল। এই আইনে ইংলেণ্ডৰ চৰকাৰক পোনপটীয়াকৈ ভাৰত শাসন কৰাৰ ক্ষমতা দিছিল।
- সামাজিক পৰিৱৰ্তন স্বৰূপে ভাৰতীয় সমাজত সামন্তযুগীয় স্থবিৰতা আঁতৰি আধুনিক পাশ্চাত্য শিক্ষাৰ প্ৰতি ভাৰতীয়সকল আকৰ্ষিত হৈছিল।
- ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইনৰ উদ্দেশ্য আছিল ভাৰতীয়সকলক আধুনিক প্ৰশাসন ব্যৱস্থাৰ সৈতে চিনাকি কৰা।
- ভাইচৰয় লৰ্ড মেয়'ৰ কাৰ্যকালত গ্ৰহণ কৰা 'বিত্তীয় বিকেন্দ্ৰীকৰণ প্ৰস্তাৱে ভাৰতত স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ বাট মুকলি কৰিছিল আৰু লৰ্ড ৰিপণে (১৮৮০-৮৪) এই ব্যৱস্থাৰ কাৰ্যকৰীকৰণ কৰিছিল।
- ১৮৩৩ খ্ৰীষ্টাব্দৰ চনদে ভাৰতীয় লোকক শাসনৰ উচ্চ পদবিত মকৰল কৰাৰ ক্ষেত্ৰত সন্মতি জনাইছিল। ১৮৫৩ খ্ৰীষ্টাব্দৰ চনদে লোকসেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিছিল।
- মণ্টেগু-ছেমচফোৰ্ড প্ৰতিবেদনে ইংলেণ্ড আৰু ভাৰতত একেলগে লোকসেৱাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো চৰকাৰৰ ঘোষিত নীতি বুলি প্ৰকাশ কৰিছিল।

# অ নু শী ল নী

**অতি চমু/চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। ভাৰত আৰু পাশ্চাত্যৰ মাজত সাগৰীয় পথ আৱিষ্কাৰ কৰা প্ৰথম পৰ্তুগীজ নাৱিকজন কোন? তেওঁ কেতিয়া আৰু ভাৰতৰ ক'ত পোন প্ৰথমে উপস্থিত হৈছিল?

২। জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সমৰ্থ হোৱা ইংৰাজ নাৱিকজন কোন আছিল?

৩। ভাৰত ভূমিত পোন প্ৰথমে কোন ইংৰাজ নাৱিকে অনুমতিপত্ৰ লৈ কেতিয়া প্ৰৱেশ কৰিছিল?

৪। ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি কেতিয়া ক'ত গঠন হৈছিল?

৫। ইষ্ট ইণ্ডিয়া কোম্পানিৰ ভাৰতত থিতাপি লোৱাৰ দুটা উদ্দেশ্য লিখা।

৬। ইংৰাজৰ প্ৰথম বাণিজ্য কেন্দ্ৰটো ভাৰতৰ ক'ত কেতিয়া স্থাপিত হৈছিল?

৭। 'ফৰ্ট উইলিয়াম' কি?

৮। পৰাধীন ভাৰতৰ ব্ৰিটিছ শাসনৰ সময়ছোৱাক কোন দুটা মূল ভাগত ভগাব পাৰি সময় উল্লেখ কৰি লিখা।

৯। 'ভাৰত চৰকাৰ আইন' কোনে কেতিয়া কি উদ্দেশ্যত প্ৰণয়ন কৰিছিল?

১০। 'ভাৰতীয় পৰিষদ আইন' কেতিয়া আৰু কি উদ্দেশ্যত প্ৰণয়ন কৰা হৈছিল?

**চমু/দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। ইংৰাজে ভাৰতৰ লগত বাণিজ্য চুক্তি কৰিবলৈ কৰা প্ৰচেষ্টা কেতিয়া সম্পূৰ্ণ হৈছিল, তাৰ পদক্ষেপসমূহ সংক্ষেপে লিখা।

২। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কেনেকৈ ভাৰতৰ তিনিটা মূল স্থানত বাণিজ্য কেন্দ্ৰ স্থাপন কৰিছিল তাৰ তিনিটা মূল কৌশল সম্পৰ্কে লিখা।

৩। ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠাৰ পথ সুগম কৰি তোলা ইষ্ট ইণ্ডিয়া কোম্পানীৰ আটাইতকৈ উল্লেখযোগ্য ব্যক্তিজন কোন? তেওঁ কি কি কৌশলেৰে ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰিছিল চাৰিটা যুক্তিৰে লিখা।

৪। চিপাহী বিদ্ৰোহ সৃষ্টিৰ কাৰণবোৰ লিখা।

৫। চিপাহী বিদ্ৰোহৰ চাৰিটা উল্লেখযোগ্য ফলাফল উল্লেখ কৰা।

৬। 'ভাৰত চৰকাৰ আইন'ৰ জৰিয়তে হোৱা চাৰিটা প্ৰশাসনীয় পৰিৱৰ্তন উল্লেখ কৰা।

৭। লৰ্ড কেনিঙৰ দুটা প্ৰধান সংস্কাৰৰ বিষয়ে লিখা।

৮। 'ভাৰতীয় পৰিষদ আইন'ৰ দুটা গুণ আৰু দুটা দোষ লিখা।

৯। ইংৰাজৰ সময়ত স্থানীয় স্বায়ত্ত শাসনৰ জৰিয়তে হোৱা পৰিৱৰ্তনসমূহ আলোচনা কৰা।

১০। অসামৰিক সেৱাত কেনেকৈ ভাৰতীয়সকল অন্তৰ্ভুক্ত হৈছিল? এই সেৱাৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

১১। ব্ৰিটিছ অধীন ভাৰত আৰু স্বাধীন ভাৰতৰ অসামৰিক লোকসেৱা সম্পৰ্কে তিনিটা পাৰ্থক্য উল্লেখ কৰা।

A9S9C7

দ্বিতীয় অধ্যায়

# ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণ

## মূল আলোচ্য বিষয়

- ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণত
  - ★ পাশ্চাত্য শিক্ষা, যাতায়াত, সমাজ সংস্কাৰ আন্দোলনৰ ভূমিকা
  - ★ বাতৰি কাকতৰ ভূমিকা
- ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম
- দাদাভাই নৌৰজীৰ অৱদান

সম্ৰাট ঔৰংজেব (১৬৫৮—১৭০৯)ৰ মৃত্যুৰ পিছত মোগল সাম্ৰাজ্যত দেখা দিয়া বিশৃংখলতাৰ সুযোগ বুজি ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ক্ৰমান্বয়ে ভাৰতৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল। ব্যৱসায়ৰ কাৰণে ৰাজনৈতিক ক্ষমতা আহৰণ কৰাৰ প্ৰয়োজন হোৱাত ইষ্ট ইণ্ডিয়া কোম্পানিৰ বিষয়া ৰবাৰ্ট ক্লাইবে বংগৰ নবাব চিৰাজুদ্দৌলাক (১৭৫৬-৫৭) পলাচী যুদ্ধত (১৭৫৭ খ্ৰীষ্টাব্দ) পৰাস্ত কৰি ভাৰতবৰ্ষত ব্ৰিটিছ শাসনৰ পাতনি মেলিছিল। অতি কম সময়ৰ ভিতৰতে সমগ্ৰ ভাৰতবৰ্ষক চাৰিওফালৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানিৰ প্ৰশাসনে গ্ৰাস কৰিছিল। পলাচী যুদ্ধৰ এশ বছৰৰ পিছত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ভাৰতবৰ্ষত এটা প্ৰচণ্ড বিদ্ৰোহৰ সূত্ৰপাত হৈছিল।

১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহ আছিল একপ্ৰকাৰ ৰাজনৈতিক মুক্তিৰ আন্দোলন। কাৰণ চিপাহী বিদ্ৰোহৰ যোগেদি বিদ্ৰোহীসকলে ইংৰাজ শাসন ওফৰাই দেশখনত পুনৰ

মোগল শাসকক সিংহাসনত বহুৱাবলৈ বিচাৰিছিল। বিদ্ৰোহৰ উদ্দেশ্য পূৰণ হোৱা নাছিল যদিও ইয়াৰ ফলাফল আছিল ভাৰতীয় জনগণৰ কাৰণে সুদূৰপ্ৰসাৰী। এক কথাত এই বিদ্ৰোহৰ পৰাই নতুন ৰূপত ভাৰতীয় জাতীয় জীৱন গঢ়ি উঠিছিল।


ইংৰাজ প্ৰশাসনে ভাৰতীয়ক পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ লগত পৰিচয় কৰাই দিয়াত ভাৰতীয়ৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন হৈছিল। তেওঁলোকৰ মনত নতুন চেতনাৰ উন্মেষ ঘটিছিল। যুক্তিৰ মাজেৰে সকলো কথা বিবেচনা কৰাৰ প্ৰতি তেওঁলোকৰ ধাউতি বাঢ়িছিল। শোষণ, অন্যায় আদিৰ দিশ বিলাক বিচাৰ কৰিবলৈ তেওঁলোকে সক্ষমতা লাভ কৰাৰ লগতে সমাজ, জাতি তথা মাতৃভূমিৰ প্ৰতি দায়বদ্ধতাৰ ভাব জগাই তুলিছিল। এই নৱচেতনাকে নৱজাগৰণ বা **জাতীয়তাবাদৰ উন্মেষণ** বুলি আখ্যা দিয়া হয়। **ষষ্ঠদশ শতিকাৰ ইউৰোপৰ নৱজাগৰণে যেনেকৈ নতুন ইউৰোপৰ জন্ম দিছিল ঠিক একেদৰে ঊনবিংশ শতিকাৰ নৱজাগৰণে এখন নতুন ভাৰত সৃষ্টি কৰিছিল।**

## ২.১ ভাৰতীয় জাতীয়তাবাদ উন্মেষণৰ কাৰকসমূহ ঃ

তলত উল্লেখ কৰা কাৰকসমূহে ভাৰতবৰ্ষত জাতীয় জাগৰণ গঢ়ি তোলাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

### ২.১.১ পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ ঃ

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত ইংৰাজ মিছনেৰী আৰু কেইগৰাকীমান চিন্তাশীল ব্যক্তিৰ উৎসাহত ভাৰতীয় শিক্ষা ব্যৱস্থা আধুনিকতাৰ ফালে অগ্ৰসৰ হয়। প্ৰথমে বংগদেশত আৰু পিছলৈ ভাৰতৰ আন আন ঠাইসমূহত আধুনিক শিক্ষা বিস্তাৰৰ বাবে বিভিন্ন অনুষ্ঠান গঢ়ি উঠে। একে সময়তে ব্ৰিটিছ চৰকাৰেও আধুনিক শিক্ষা বিস্তাৰৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈছিল। ১৮৩৫ খ্ৰীষ্টাব্দত গৱৰ্ণৰ জেনেৰেল পৰিষদৰ আইনৰ সদস্য তথা শিক্ষা সমিতিৰ সভাপতি লৰ্ড মেক'লেই ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শৰ ভিত্তিত ১৮৪৪ খ্ৰীষ্টাব্দৰ পৰা কোম্পানিৰ চৰকাৰে আধুনিক শিক্ষা প্ৰৱৰ্তনৰ যো-জা চলাইছিল। ১৮৫৪ খ্ৰীষ্টাব্দত চাৰ্লচ উড (নিয়ন্ত্ৰণ সভাৰ সভাপতি)ৰ প্ৰচেষ্টাত ভাৰতত আধুনিক শিক্ষাৰ সূচনা হ'ল। উডে তেওঁৰ **প্ৰেৰণ পত্ৰ** (শিক্ষা সংস্কাৰ আঁচনি)ত প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে শিক্ষা বিস্তাৰৰ এটা সু-সংহত আঁচনি নিৰ্ধাৰণ কৰি নিম্ন পৰ্যায়ত দেশীয় ভাষাৰে আৰু উচ্চ পৰ্যায়ত ইংৰাজী ভাষাৰে শিক্ষা প্ৰদানৰ নিৰ্দেশনা প্ৰদান কৰি ভাৰতবৰ্ষত আধুনিক শিক্ষাৰ ভেটি তৈয়াৰ কৰিছিল। মেধাৱী ছাত্ৰক বৃত্তি দিয়া আৰু শিক্ষানুষ্ঠানত চৰকাৰী অনুদান আদিৰ ব্যৱস্থা কৰি শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি কৰাৰ আঁচনি লৈছিল। প্ৰতিখন প্ৰদেশতে শিক্ষা বিভাগ খুলিবলৈ পৰামৰ্শ আগবঢ়াইছিল।



**লৰ্ড মেক'লে**

জন্ম ঃ ২৫ অক্টোবৰ, ১৮০০, লিচেষ্টাৰছায়াৰ, ইংলেণ্ড

মৃত্যু ঃ ২৮ ডিচেম্বৰ, ১৮৫৯ লণ্ডন, ইংলেণ্ড

পাশ্চাত্য শিক্ষাই বংগবাসীক পোন প্ৰথম আলোড়িত কৰিছিল; এফালে ৰাজধানী কলিকতাৰ প্ৰতি আকৰ্ষণ আৰু আনফালে ইয়াৰ শিক্ষা প্ৰতিষ্ঠান। কলিকতাৰ শিক্ষানুষ্ঠানত



**চাৰ্লচ উড**

জন্ম ঃ ২০ ডিচেম্বৰ, ১৮০০, ইংলেণ্ড
মৃত্যু ঃ ৮ আগষ্ট, ১৮৮৫ ইংলেণ্ড

অধ্যয়ন কৰিব পৰাটো এটা গৌৰৱৰ বিষয় হৈ পৰিছিল। দুয়োটাৰ সান্নিধ্যত তেওঁলোকৰ মন-প্ৰাণ নৱ আলোকেৰে উদ্ভাসিত হৈ উঠিছিল। তেওঁলোক পুথি অধ্যয়নৰ মাজেৰে পাশ্চাত্য জগতৰ মহান চিন্তাবিদসকলৰ আদৰ্শৰ লগত চিনাকি হৈ নিজকে ধন্য মানিছিল আৰু একে সময়তে ইউৰোপীয় ব্যক্তিসকলৰ কথা-বতৰা, চাল-চলনেও তেওঁলোকক আকৰ্ষণ কৰিছিল। ৰুছো (Rousseau), ভল্টেয়াৰ (Voltaire), বাৰ্ক (Burk), মেক'লে (Macaelay) স্পেনচাৰ (Spencer) আদি বিখ্যাত ব্যক্তিৰ ৰচনা পঢ়ি তেওঁলোকে মনলৈ মানসিক সন্তুষ্টিৰ জোৱাৰ আনিছিল। জাতীয়তা, স্বশাসন, গণতন্ত্ৰ আদিৰ বিষয়ে জ্ঞান লাভ কৰাৰ যোগেদি তেওঁলোকৰ মন অজান কৌতুহলেৰে ভৰি পৰিছিল। ছাত্ৰ জীৱন শেষ কৰি উভতি অহাসকলে তেওঁলোকৰ নৱচিন্তাৰ আলোক সমাজখনত ছটিয়াই দিছিল। তেওঁলোকৰ মনত একতাৰ ভাব গঢ়ি উঠিছিল। পৰাধীনতাৰ পৰা মুক্তি পোৱাৰ স্বপ্ন তেওঁলোকে দেখিছিল।

কলিকতাত গঢ়ি উঠা শিক্ষিত সমাজখনৰ পৰাই প্ৰথম জাতীয় চেতনাৰ বিকাশ ঘটিছিল। ঈশ্বৰচন্দ্ৰ গুপ্তই পোন প্ৰথমে স্বদেশপ্ৰেমৰ কবিতা ৰচি দেশবাসীৰ অন্তৰত দেশপ্ৰেম জগাই তুলিছিল। **আনন্দ মঠ উপন্যাসৰ ৰচয়িতা বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে 'বন্দেমাতৰম' গীতেৰে মাতৃভূমিক বচোৱাৰ আহ্বান জনাইছিল। কবি ইকবালে 'স্যাৰে জাহাছে আচ্ছা, হিন্দুস্তান হামাৰা' আদি গীতেৰে জাতীয়তাবাদৰ স্পৃহা জাগ্ৰত কৰিছিল।**

### ২.১.২ যাতায়াতৰ উন্নতি ঃ

কোম্পানিৰ শাসন আৰম্ভ হোৱাৰ লগে লগে ভাৰতৰ আভ্যন্তৰীণ যাতায়াত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন হয়। ভাৰতবৰ্ষৰ কেঁচা সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু ইংলেণ্ডত প্ৰস্তুত কৰা শিল্পজাত সামগ্ৰী ভাৰতবৰ্ষত বিক্ৰী কৰিবলৈ ভাৰতবৰ্ষৰ যাতায়াত ব্যৱস্থা উন্নত কৰাৰ প্ৰয়োজন হৈছিল। **১৮৩৯ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা দিল্লীলৈ গ্ৰেণ্ড ট্ৰাঙ্ক ৰোড নিৰ্মাণ কৰিছিল।** দুটা বছৰৰ ভিতৰতে এই পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে ভাৰতৰ যাতায়াত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হয়। লৰ্ড ডেলহাউচীৰ কাৰ্যকালত (১৮৪৮—৫৬) এই পথ পেচোৱাৰলৈকে সম্প্ৰসাৰিত হৈছিল। প্ৰধান চহৰ, বন্দৰ, বজাৰসমূহ এই পথছোৱাৰ সৈতে সংযোগ ঘটোৱা হৈছিল। ইংলেণ্ডৰ আৰ্হিত ভাৰতবৰ্ষতো ১৮৩২ খ্ৰীষ্টাব্দত ভাপ কলেৰে ৰেল যোগাযোগ আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল। **১৮৫৩ খ্ৰীষ্টাব্দত বোম্বাই আৰু থানেৰ মাজত ২১ কিলোমিটাৰ পথত ৰেল চলাচলেৰে ভাৰতবৰ্ষত প্ৰথম ৰেল যাতায়াত ব্যৱস্থাৰ সূচনা হয়।** ১৮৫৪ খ্ৰীষ্টাব্দত মাদ্ৰাজত ৰেলপথ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। দুয়োখন প্ৰধান ঠাইক কেন্দ্ৰবিন্দু হিচাপে লৈ ৰেল যোগাযোগৰ সম্প্ৰসাৰণ ঘটোৱা হয়। ১৮৮৩ খ্ৰীষ্টাব্দত অসমতো শদিয়াৰ পৰা ডিব্ৰুগড়লৈকে ৰেল যোগাযোগ আৰম্ভ হয়। অসমত চাহপাত উৎপন্ন আৰু ব্যৱসায় সম্প্ৰসাৰণৰ দিশটোৰ চিন্তা কৰিয়েই এই ৰেল যোগাযোগৰ সূচনা হয়।

১৮৩৯ খ্ৰীষ্টাব্দত কলিকতা আৰু ডায়মণ্ড হাৰবাৰৰ মাজত বেচৰকাৰী খণ্ডত প্ৰথম

## বন্দে মাতৰম্

वन्दे मातरम्।
सुजलां, सुफलां, मलयजशीतलाम्
शस्यश्यामलां मातरम्।
शुभ्रज्योत्स्नापुलकितयामिनीं
फुल्लकुसुमितद्रुमदलशोभिनीं
सुहासिनीं सुमधुर भाषिणीं
सुखदां वरदां मातरम्॥ 1॥

वन्दे मातरम्।
कोटि-कोटि-कण्ठ कल-कल-निनाद-कराले
कोटि-कोटि-भुजैर्धृत-खरकरवाले,
अबला केन मा एत बले।
बहुबलधारिणीं नमामि तारिणीं
रिपुदलवारिणीं मातरम्॥ 2॥

वन्दे मातरम्।
तुमि विद्या, तुमि धर्म तुमि हृदि, तुमि मर्म
त्वं हि प्राणा: शरीरे
बाहुते तुमि मा शक्ति, हृदये तुमि मा भक्ति,
तोमारई प्रतिमा गडि मन्दिरे-मन्दिरे मातरम्॥ 3॥

वन्दे मातरम्।
त्वं हि दुर्गा दशप्रहरणधारिणी
कमला कमलदलविहारिणी
वाणी विद्यादायिनी, नमामि त्वाम् नमामि
कमलां अमलां अतुलां
सुजलां सुफलां मातरम् ॥ 4॥

वन्दे मातरम्।
श्यामलां सरलां सुस्मितां भूषितां
धरणीं भरणीं मातरम्॥ 5॥
वन्दे मातरम्॥

*এই গীতটিৰ ৰচয়িতা আছিল বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়*

## স্যাৰে জহাঁছে আচ্ছা

सारे जहाँ से अच्छा हिन्दोसिताँ हमारा
हम बुलबुलें हैं इसकी यह गुलसिताँ हमारा

गुर्बत में हों अगर हम, रहता है दिल वतन में
समझो वहीं हमें भी दिल हो जहाँ हमारा

परबत वह सबसे ऊँचा, हम्साया आसमाँ का
वह संतरी हमारा, वह पासबाँ हमारा

गोदी में खेलती हैं इसकी हजारों नदियाँ
गुल्शन है जिनके दम से रश्क-ए-जनाँ हमारा

ऐ आब-ए-रूद-ए-गंगा! वह दिन हैं याद तुझको ?
उतरा तिरे किनारे जब कारवाँ हमारा

मज्हब नहीं सिखाता आपस में बैर रखना
हिन्दी हैं हम, वतन है हिन्दोसिताँ हमारा

यूनान-ओ-मिस्र-ओ-रूमा सब मिट गए जहाँ से
अब तक मगर है बाकी नाम-ओ-निशाँ हमारा

कुछ बात है कि हस्ती मिटती नहीं हमारी
सदियों रहा है दुश्मन दौर-ए-जमाँ हमारा

इक्बाल! कोई महरम अपना नहीं जहाँ में
मालूम क्या किसी को दर्द-ए-निहाँ हमारा!

*এই গীতটিৰ ৰচয়িতা আছিল উৰ্দু কবি মহম্মদ ইকবাল। গীতটি কবিতা হিচাপে প্ৰথম প্ৰকাশ হৈছিল 'ইত্তেহাড' নামৰ সাপ্তাহিক আলোচনীৰ ১৬ আগষ্ট, ১৯০৪ সংখ্যাত।*

**টেলিগ্ৰাফ ব্যৱস্থা**ৰ প্ৰৱৰ্তন হয়। লৰ্ড ডেলহাউচীয়ে ১৮৫১ খ্ৰীষ্টাব্দত টেলিগ্ৰাফ ব্যৱস্থাটো চৰকাৰী নিয়ন্ত্ৰণলৈ আনি কলিকতা আৰু আগ্ৰাৰ মাজত টেলিগ্ৰাফ ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাইছিল। আধুনিক যোগাযোগ ব্যৱস্থাই শিক্ষিত ভাৰতীয়ৰ মনৰ দিগন্ত প্ৰসাৰ কৰিছিল।

## চি ন্ত নী য়

**ঔপনিৱেশিক শাসন আৰু শোষণৰ বাবে ব্ৰিটিছসকল যিমানেই নিন্দিত নহ'লেও ভাৰতবৰ্ষৰ বিকাশত তেওঁলোকৰ মৌলিক অৱদানসমূহো বন্দিত হৈ ৰ'ব। তেনে কেতবোৰ অৱদান হ'ল—**

- **ইংলেণ্ডৰ উদ্যোগজাত সামগ্ৰী ভাৰতত বিক্ৰী কৰাৰ উদ্দেশ্যে ভাৰতত যাতায়াতৰ সূচল ব্যৱস্থাৰ দৰকাৰ হৈছিল। ইয়াৰ বাবে ব্ৰিটিছে স্থলপথ, ৰেলপথ, টেলিগ্ৰাফ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। যাৰ বাবে ভাৰত তথা অসম বিকাশৰ দিশত পৃথিৱীৰ মানচিত্ৰত চিহ্নিত হৈছিল।**
- **ব্ৰিটিছ মেজৰ জেনকিন্সৰ বাবেই ১৯ শতিকাৰ আগভাগতে অসমত চাহপাত, কয়লা আৰু তেল উদ্যোগৰ বিকাশ হৈছিল। ব্ৰহ্মপুত্ৰ নৈত প্ৰথম ভাপৰ জাহাজৰ প্ৰচলন কৰিছিল, গুৱাহাটী আৰু শিৱসাগৰত ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপিত হৈছিল।**
- **মেজৰ জেনকিন্সৰ নিচিনা ব্ৰিটিছ বিষয়াই বুজি উঠিছিল যে অসমৰ নিচিনা ঠাইত স্থানীয় লোকৰ নিযুক্তিৰ দ্বাৰা তেওঁলোকৰ বিকাশ হ'ব লাগে। তেওঁ অসমত বংগদেশৰ আমোলা নিযুক্তিৰ বিৰোধিতা কৰিছিল।**

### ২.১.৩ ধৰ্ম আৰু সমাজ সংস্কাৰ আন্দোলন ঃ

কেইগৰাকীমান মহান ব্যক্তিয়ে সমাজত প্ৰচলিত ধৰ্মীয় অন্ধবিশ্বাস, অশুভ পৰম্পৰা আৰু কু-সংস্কাৰৰ বিৰুদ্ধে জনমত গঠন কৰি নিকা সমাজ গঠনৰ প্ৰয়োজনেৰে সামাজিক আন্দোলন গঢ়ি তুলিছিল। সমাজত নাৰীৰ প্ৰতি কৰি অহা অৱজ্ঞা, অন্যায় আৰু বঞ্চনাৰ মনোভাবক ভেটা দি এখন যুক্তিবাদী সু-শৃংখলিত সমাজ গঠন কৰিবলৈ তেওঁলোকে আগভাগ লৈছিল। আধুনিক শিক্ষাক আলম হিচাপে লৈ ভাৰতৰ গৌৰৱময় ঐতিহ্যক সকলোৰে মাজত পৰিচয় কৰাৰ প্ৰয়াস এই সংস্কাৰ আন্দোলনৰ মাজেৰে ফুটি উঠিছিল।

#### (ক) ৰাজা ৰামমোহন ৰায় আৰু ব্ৰাহ্ম সমাজ ঃ


ৰাজা ৰামমোহন ৰায়

ভাৰতবাসীৰ মাজলৈ জাতীয় জাগৰণ কঢ়িয়াই অনা প্ৰথমগৰাকী ব্যক্তিৰ নাম হৈছে ৰাজা ৰামমোহন ৰায় (১৭৭২-১৮৩৩)। বংগদেশৰ বৰ্ধমান জিলাৰ এটা ৰক্ষণশীল পৰিয়ালত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে ধৰ্ম, সমাজ সংস্কাৰ, শিক্ষা বিস্তাৰ, ৰাজনীতি আদি সকলো দিশতে নৱজাগৰণৰ ভাব কঢ়িয়াই অনাৰ লগতে আধুনিক ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা পালন কৰিছিল। প্ৰাচীন ভাৰতীয় সংস্কৃতি, ইছলাম ধৰ্মীয় সংস্কৃতি আৰু পাশ্চাত্য (ইউৰোপীয়) এই তিনিওটা সভ্যতাৰ লগত চিনাকি হোৱাৰ যোগ্যতা আহৰণ কৰি মহাসমন্বয়ক আঁকোৱালি লৈ ভাৰতবৰ্ষত নৱযুগৰ সূচনা কৰিছিল।

১৭৯৭ খ্ৰীষ্টাব্দত ইউৰোপীয় মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰাৰ উদ্দেশ্যে শ্ৰীৰামপুৰত প্ৰথমটো ছপাখানা স্থাপন কৰিছিল। শ্ৰীৰামপুৰ মিছন ছপাখানাই বঙলা ভাষাত প্ৰকাশ কৰা 'দিগদৰ্শন' আৰু 'সমাচাৰ দৰ্পণ' নামৰ বাৰ্তালোচনী দুখনে খ্ৰীষ্টান ধৰ্মক এটা মহান ধৰ্ম হিচাপে প্ৰতিপন্ন কৰি হিন্দু ধৰ্মৰ প্ৰতি কিছুমান নিন্দাসূচক মন্তব্য প্ৰচাৰ কৰিছিল। হিন্দু ধৰ্মৰ প্ৰতি কৰা নিন্দাসূচক মনোভাবৰ বিৰুদ্ধে ৰামমোহন ৰায়ে তীব্ৰ প্ৰতিবাদ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰক মিছনেৰীসকলক উপযুক্ত প্ৰত্যুত্তৰ দিয়াৰ উদ্দেশ্যে তেওঁ **ব্ৰাহ্মণ সেবধি** আৰু **ব্ৰাহ্মণ* মিছনেৰি সংবাদ** নামৰ দুখন হাতেলিখা পুস্তিকা প্ৰকাশ কৰিছিল। এই দুখন পুস্তিকাৰ যোগেদি তেওঁ ভাৰতীয় হিন্দু ধৰ্মৰ ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত কেইবাটাও প্ৰবন্ধ লিখি দুয়োটা ধৰ্মৰ মাজত কোনো আদৰ্শগত পাৰ্থক্য নাই বুলি প্ৰমাণ কৰিছিল। হিন্দু ধৰ্মত দেখা পোৱা দোষ-ত্ৰুটিসমূহ পৰৱৰ্তী যুগৰ ধৰ্মীয় নেতাসকলে নিজাকৈ তৈয়াৰ কৰা ভুল আচাৰ বুলিহে তেওঁ জনমানসত প্ৰচাৰ কৰিছিল। আত্মৰক্ষাৰ মনোবৃত্তিৰে হিন্দু ধৰ্মক সজীৱ কৰি তোলাৰ উদ্দেশ্যে ধৰ্মীয় সংস্কাৰৰ প্ৰতি তেওঁ মনোযোগ দিছিল। হিন্দু ধৰ্মৰ নিকা ভাবমূৰ্তি প্ৰকাশৰ উদ্দেশ্যে তেওঁ ১৮১৫ খ্ৰীষ্টাব্দত কলিকতাত 'আত্মীয় সভা' নামৰ এটা অনুষ্ঠান স্থাপন কৰিছিল। **১৮২৮ খ্ৰীষ্টাব্দত 'ব্ৰাহ্ম সভা'** নামৰ আন এটা অনুষ্ঠান স্থাপন কৰিছিল। ব্ৰাহ্ম সভাই পিছলৈ ব্ৰাহ্ম সমাজ নামেৰে বিখ্যাত হৈ পৰে।

হিন্দু ধৰ্মক সজীৱ আৰু নিকা ৰূপ দিয়াৰ উদ্দেশ্যে তেওঁ প্ৰাচীন ধৰ্মীয় গ্ৰন্থসমূহ গভীৰভাৱে অধ্যয়ন কৰিছিল। ভাৰতীয় প্ৰাচীন উপনিষদসমূহ মাতৃভাষালৈ অনুবাদ কৰি হিন্দু ধৰ্মৰ সহজ-সৰল বিশ্লেষণ জনসাধাৰণৰ মাজত দাঙি ধৰিছিল। এই কামৰ যোগেদি তেওঁ বঙলা ভাষা-সাহিত্যৰ উন্নতি সাধন কৰাৰ লগতে গোড়া-ৰক্ষণশীল হিন্দু পুৰোহিত শ্ৰেণীয়ে ধৰ্মৰ নামত চলাই অহা কু-সংস্কাৰবিলাক প্ৰকাশ কৰি জনমানসত প্ৰবল আলোড়নৰ সৃষ্টি কৰিছিল। **হিন্দু ধৰ্মৰ মূল গ্ৰন্থ বেদ আৰু উপনিষদৰ ওপৰত গভীৰ বিশ্লেষণ আগবঢ়াই তেওঁ এই সিদ্ধান্তত উপনীত হৈছিল যে প্ৰাচীন হিন্দুসকলেও একেশ্বৰবাদ বিশ্বাস কৰিছিল।** তেওঁ বহু দেৱ-দেৱীৰ পূজা অপ্ৰয়োজন বুলি কোৱাৰ লগতে মূৰ্তিপূজাৰ অসাৰতাৰ বিষয়ে হিন্দু সমাজক বুজাইছিল। ৰামমোহন ৰায়ৰ মতে ঈশ্বৰ এজন আৰু ঈশ্বৰৰ কোনো ৰূপ বা আকাৰ নাই। ঈশ্বৰ পূজাৰ নামত আড়ম্বৰতা অৰ্থহীন।

ৰাজা ৰামমোহন ৰায় আছিল এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। হিন্দু ধৰ্মৰ সংস্কাৰৰ মাজতে আবদ্ধ নাথাকি সমাজ সংস্কাৰ আৰু শিক্ষা বিস্তাৰতো সমানেই গুৰুত্ব দিছিল। তেওঁ বাল্য বিবাহ, পৰ্দা প্ৰথা, বহু বিবাহ আদিৰ তীব্ৰ বিৰোধিতা কৰিছিল। বিধৱা বিবাহ আৰু অসবৰ্ণ বিবাহক সামাজিকভাৱে স্বীকৃতি দিয়াইছিল। অবিবাহিত ডেকাসকলৰ মাজত বিধৱা বিবাহক এটা মৰ্যদাসূচক কাম বুলি প্ৰচাৰ কৰিছিল। ভাৰতবৰ্ষত **প্ৰচলিত সতীদাহ প্ৰথা সম্পূৰ্ণ বন্ধ কৰাৰ ক্ষেত্ৰত ৰায়ৰ বলিষ্ঠ ভূমিকা সামাজিক বুৰঞ্জীৰ এটা উল্লেখযোগ্য ঘটনা হৈ ৰ'ব।** একমাত্ৰ ৰায়ৰ সহযোগ লাভ কৰিয়েই গৱৰ্ণৰ জেনেৰেল উইলিয়াম বেণ্টিংকে (১৮২৮—৩৫) এই কু-প্ৰথা আইনী প্ৰক্ৰিয়াৰে বিলুপ্তি ঘটাবলৈ সক্ষম হৈছিল। স্ত্ৰী শিক্ষাৰ বিস্তাৰত মনোযোগ দিয়াৰ লগতে নাৰীসকলক সম্পত্তিৰ অধিকাৰ

* ব্ৰাহ্মণ মিছনেৰি সংবাদক কোনো কোনোৱে ব্ৰাহ্মণ ৰোমান কেথলিক সংবাদ হিচাপেও উল্লেখ কৰিছে।

দিবলৈ দেহে-কেহে খাটিছিল। ডেভিদ হেয়াৰৰ সৈতে লগ লাগি ভাৰতবৰ্ষত পশ্চিমীয়া শিক্ষা বিস্তাৰৰ কাৰণে **১৮১৭ খ্ৰীষ্টাব্দত কলিকতাত হিন্দু কলেজ প্ৰতিষ্ঠা কৰিছিল।** এইখন কলেজেই পিছলৈ প্ৰেছিডেন্সি কলেজ (১৮৫৫ খ্ৰীষ্টাব্দ) নামেৰে বিখ্যাত হৈ পৰে।




*চিত্ৰ ঃ ১৮১৭ খ্ৰীষ্টাব্দত স্থাপিত হিন্দু কলেজ।*
*১৮৫৫ খ্ৰীষ্টাব্দত ই প্ৰেছিডেন্সি কলেজ নাম লয়।*




*চিত্ৰ ঃ প্ৰেছিডেন্সি ইউনিভাৰচিটী, কলকাতা।*

*(প্ৰেছিডেন্সি কলেজেই ২০১০ চনত প্ৰেছিডেন্সি ইউনিভাৰচিটীলৈ উন্নীত হয়। প্ৰেছিডেন্সি কলেজৰ কেইজনমান বিখ্যাত প্ৰাক্তন ছাত্ৰ হ'ল— অমৰ্ত্য সেন, সুভাষ চন্দ্ৰ বসু, সত্যেন্দ্ৰনাথ বসু, জগদীশ চন্দ্ৰ বসু আৰু প্ৰফুল্ল চন্দ্ৰ ৰায়।)*

ৰায়ে ভাৰতবৰ্ষত উদাৰনৈতিক শাসন প্ৰৱৰ্তনৰ কাৰণে কোম্পানিৰ চৰকাৰক আহ্বান জনাইছিল। কটকটীয়া শাসনৰ অৱসান ঘটাবলৈ তেওঁ কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাৰ পৃথকীকৰণ বিচৰাৰ লগতে দেৱানী আৰু ফৌজদাৰী বিধিৰ সংস্কাৰ সাধনৰ বাবে চৰকাৰক আবেদন জনাইছিল। বৰ্ধিত ভূমি কৰ উঠাই দি খেতিয়কৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ আহ্বান জনাইছিল। ১৮৩৩ খ্ৰীষ্টাব্দত তেওঁ ব্ৰিটিছ হাউছ অব কমন্সত বাছনি কমিটীৰ সভাত ভাৰতীয়ৰ হকে সাক্ষ্য দিবলৈ লণ্ডনত উপস্থিত হৈছিল। তেওঁ ভাৰতীয়ৰ বাবে নতুন চনদ বিচাৰিছিল আৰু ভাৰতীয় নেতাৰ লগত আলোচনা কৰি চনদ ৰূপায়ণৰ পৰামৰ্শ আগবঢ়াইছিল।

ৰায়ে এচাম প্ৰতিভাশালী জাতীয় নেতাক সমাজ উত্তৰণৰ কামত জড়িত কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ ভিতৰত দ্বাৰকানাথ ঠাকুৰ, প্ৰসন্ন কুমাৰ ঠাকুৰ, হেনৰি ভিভিয়ান ডেৰজিয় আদি উল্লেখযোগ্য। ৰায়ৰ আদৰ্শত বিশ্বাসী অধ্যাপক হেনৰী ভিভিয়ান ডেৰজিয়ই 'ইয়ং বেংগল' নামৰ এটা অনুষ্ঠান গঠন কৰি হিন্দু কলেজৰ ছাত্ৰসকলক ইয়াৰ সদস্যপদ দিছিল। ডেৰজিয়ই তেওঁ ছাত্ৰসকলক দেশপ্ৰেমৰ মন্ত্ৰেৰে প্ৰচলিত সামাজিক অন্যায় আৰু কু-সংস্কাৰৰ প্ৰতিবাদ জনাবলৈ আহ্বান জনাইছিল। **ডেৰজিয়ক প্ৰথমগৰাকী জাতীয়তাবাদী বুলি ক'ব পাৰি**। তেওঁৰ স্বৰচিত কবিতাৰ মাজেৰে সমাজত বাস কৰা দুখীয়া-দুৰ্বলীৰ দুৰ্দশাৰ ছবিখন ফুটাই তুলিছিল। **ডেৰজিয়ৰ কবিতাৰ প্ৰতি আকৃষ্ট হৈ বঙ্কিমচন্দ্ৰই বন্দেমাতৰম গীতটি ৰচনা কৰিছিল।**

ৰাজা ৰামমোহন ৰায় আছিল আধুনিক ভাৰতৰ জন্মদাতা। আধুনিকতাৰ পৰশ তেওঁ সকলো ক্ষেত্ৰলৈ সমানে ছটিয়াই দিব পাৰিছিল।

### (খ) আৰ্য সমাজ ঃ

সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত স্বামী দয়ানন্দ সৰস্বতীয়ে (১৮২৪—৮৩) পঞ্জাৱত আৰ্য সমাজ (১৮৭৫) প্ৰতিষ্ঠা কৰিছিল। ব্ৰহ্মসমাজৰ দৰে আৰ্য সমাজেও এক ঈশ্বৰক বিশ্বাস কৰি দেৱ-দেৱীৰ উপাসনা আৰু মূৰ্তিপূজাৰ অসাৰতা জনগণৰ মাজত প্ৰচাৰ কৰিছিল। আৰ্য সমাজে ধৰ্মীয় উপাসনাৰ নামত বাহ্যিকতাক সমৰ্থন কৰা নাছিল। হিন্দু সমাজৰ বাল্য বিবাহ, জাতি-ভেদ, বহু বিবাহক সামাজিক ব্যাধি বুলি প্ৰচাৰ কৰিছিল। বিধৱা বিবাহ, স্ত্ৰী শিক্ষা বিস্তাৰৰ বাবে আগভাগ লৈছিল। আৰ্য সমাজে সমুদ্ৰ যাত্ৰাত সমৰ্থন জনাইছিল আৰু সকলোবিলাক অন্ধবিশ্বাস পৰিহাৰ কৰিবলৈ প্ৰচাৰ চলাইছিল। স্বামী দয়ানন্দৰ মতে বেদত যি ধৰ্ম আছে সেয়াই ধৰ্ম। 'বেদলৈ উভতি যোৱা' এই বাণী তেওঁ প্ৰচাৰ কৰিছিল। আৰ্য সমাজে ধৰ্মান্তৰকৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। ইয়াক 'শুদ্ধি' বুলি জনা যায়। হিন্দু ধৰ্মত আগতে অহিন্দু লোকক হিন্দু ধৰ্মত দীক্ষা দিয়াৰ কোনো প্ৰথা বা নিয়ম নাছিল। স্বামী দয়ানন্দই প্ৰথম ধৰ্মান্তৰকৰণ ব্যৱস্থাটো প্ৰৱৰ্তন কৰি আন ধৰ্মীয় লোকক ইচ্ছা অনুসাৰে হিন্দু ধৰ্ম গ্ৰহণত অনুমতি প্ৰদান কৰিছিল। ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ অগ্ৰগতি ৰোধ কৰি এখন প্ৰগতিশীল হিন্দু সমাজ গঢ়াৰ বাবে অগ্ৰণী ভূমিকা

লৈছিল। আৰ্য সমাজৰ শাখা ভাৰতৰ বিভিন্ন ঠাইত স্থাপন কৰি ভাৰতত হিন্দু জাতীয়তাবাদ গঢ়ি তুলিছিল।

### (গ) প্ৰাৰ্থনা সমাজ ঃ

ব্ৰাহ্ম সমাজৰ আৰ্হিত কেশৱ চন্দ্ৰ সেনে (১৮৩৮-৮৪) মহাৰাষ্ট্ৰত ১৮৬৭ খ্ৰীষ্টাব্দত 'প্ৰাৰ্থনা সমাজ' প্ৰতিষ্ঠাৰে সংস্কাৰ আন্দোলনৰ সূচনা কৰিছিল। প্ৰাৰ্থনা সমাজে সমাজ সংস্কাৰৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিছিল। সমগ্ৰ দক্ষিণ ভাৰতত এই অনুষ্ঠানে সংস্কাৰমুখী এটা প্ৰবল আলোড়নৰ সৃষ্টি কৰিব পাৰিছিল।

প্ৰাৰ্থনা সমাজৰ মূল নেতৃত্ব গ্ৰহণ কৰিছিল জাষ্টিছ মহাদেৱ গোবিন্দ ৰাণাডে (১৮৪২-১৯০১)। মহাৰাষ্ট্ৰীয় নৱবৈষ্ণৱ আন্দোলনৰ ধৰ্মীয় গুৰু নামদেব, টুকা ৰাম, ৰাম দাস আদি নৱবৈষ্ণৱ ধৰ্মীয় গুৰুৰ মতাদৰ্শক প্ৰাধান্য দি এখন গতিশীল সমাজ গঠনৰ বাবে তেওঁ জনতাৰ মাজত সোমাই গৈছিল। ৰাণাডেৰ একান্ত চেষ্টাত 'বিধৱা বিবাহ সংস্থা' আৰু 'দাক্ষিণাত্য শিক্ষা সমাজ' নামৰ দুটা বিখ্যাত অনুষ্ঠান গঢ়ি উঠিছিল। প্ৰথমটো অনুষ্ঠানৰ যোগেদি বিধৱা বিবাহৰ প্ৰতি উৎসাহ যোগোৱাৰ লগতে অনাদৃত বিধৱাসকলৰ আৰ্থিক সংস্থাপনৰ বাবে কুটিৰ শিল্প অনুষ্ঠান গঠন কৰিছিল। দাক্ষিণাত্য শিক্ষা সমাজে অনাথ শিশুক শিক্ষাদান কৰাৰ লগতে তেওঁলোকৰ লালন-পালনৰ কাৰণে বিভিন্ন ঠাইত আশ্ৰম স্থাপন কৰিছিল। **নিৰক্ষৰ আৰু অনুন্নত জাতিক শিক্ষা দিবৰ কাৰণে নৈশ বিদ্যালয় স্থাপন কৰিছিল**। প্ৰাৰ্থনা সমাজৰ সংস্কাৰ আন্দোলনে সমগ্ৰ দক্ষিণ ভাৰতৰ জনতাৰ অন্তৰত জাতীয়তাবাদী ভাবধাৰাৰ গভীৰ প্ৰেৰণা সঞ্চাৰ কৰিছিল।


### (ঘ) ৰামকৃষ্ণ মিছন ঃ

ৰামকৃষ্ণ পৰমহংসৰ (১৮৩৪-৮৬) মতবাদক কেন্দ্ৰ কৰি ৰামকৃষ্ণ মিছন গঢ়ি উঠিছিল। ৰামকৃষ্ণ পৰমহংস আছিল এগৰাকী সহজ-সৰল ব্যক্তি। অতি সুন্দৰ উপমাৰে তেওঁ ধৰ্মৰ বিশ্লেষণ আগবঢ়াই অনুগামীসকলক মুগ্ধ কৰিব পাৰিছিল।

ৰামকৃষ্ণ মিছনৰ প্ৰতিষ্ঠাপক আছিল স্বামী বিবেকানন্দ। তেওঁৰ প্ৰকৃত নাম নৰেন্দ্ৰ নাথ দত্ত (১৮৬৩-১৯০২)। সন্যাস ব্ৰত গ্ৰহণ কৰাৰ পিছত তেওঁ স্বামী বিবেকানন্দ নামে পৰিচিত হয়। কলিকতা বিশ্ববিদ্যালয়ৰ কৃতী ছাত্ৰ বিবেকানন্দই ৰামকৃষ্ণ পৰমহংসৰ প্ৰতি আকৰ্ষিত হৈ তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। গুৰুৰ পৰলোকপ্ৰাপ্তিৰ পিছত তেওঁ এটা মঠ প্ৰতিষ্ঠা (১৮৮৭ খ্ৰীষ্টাব্দ) কৰিছিল।

স্বামী বিবেকানন্দই হিন্দু ধৰ্মৰ প্ৰকৃত সত্য দেশে-বিদেশে বিস্তাৰ কৰিছিল। তেওঁৰ ধৰ্ম সাধনাৰ বিশেষত্ব আছিল (১) ভাৰতীয়ৰ মনত স্বদেশপ্ৰেম সঞ্চাৰ কৰা, (২) ভাৰতীয়ৰ মনত আত্মবিশ্বাস জগাই তোলা আৰু (৩) ভাৰতীয়ৰ মনত আধ্যাত্মিকতা ভাবৰ বিকাশ ঘটোৱা। তেওঁ ভাৰতীয়ৰ মাজত ঐক্য-সম্প্ৰীতি ভাব গঢ়ি তুলিব বিচাৰিছিল। তেওঁৰ

উদ্দেশ্য আছিল বিশ্ব দৰবাৰত এটা শক্তিশালী ভাৰতীয় জাতি গঢ়ি তোলা। তেওঁ দেশে-বিদেশে ভাৰতৰ প্ৰাচীন ঐতিহ্য আৰু গৌৰৱ প্ৰচাৰ কৰিছিল।



*ছবি ঃ ১৮৯৩ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰত ছিকাগোত বিবেকানন্দ।*

জন্ম ঃ ১২ জানুৱাৰী, ১৮৬৩, কলিকতা

মৃত্যু ঃ ৪ জুলাই, ১৯০২, কলিকতা

স্বামী বিবেকানন্দৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ বিশ্বনাথ দত্ত

*ফটোখনত বিবেকানন্দই লিখিছিল (বাঁওফালে)*

***'one infinite pure and holy – beyond thought beyond qualities I bow down to thee'***

*তেওঁৰ দৰ্শন আছিল— **'Arise, awake, and stop not till the goal is reached'***

স্বামী বিবেকানন্দৰ তেজস্বী ভাষণে শ্ৰোতাৰ অন্তৰত জাতীয়তাবাদৰ গভীৰ প্ৰেৰণা জগাই তুলিছিল। ১৮৯৩ খ্ৰীষ্টাব্দত ছিকাগো (আমেৰিকা) চহৰত অনুষ্ঠিত বিশ্ব ধৰ্মসভাত তেওঁ হিন্দু ধৰ্মৰ ওপৰত সাৱলীল বক্তৃতা দি আমেৰিকাবাসীক মুগ্ধ কৰিছিল। বিবেকানন্দৰ কৰ্ম চিন্তাই ভাৰতীয়ক অতীত ঐতিহ্য আৰু প্ৰাচুৰ্য অনুধাৱন কৰিবলৈ প্ৰেৰণা যোগাইছিল, যাৰ ফলশ্ৰুতিত ভাৰতীয়ৰ মনত জাতীয়তাবাদী ভাব-চেতনা সঞ্চাৰ কৰিছিল।

### (ঙ) থিয়'ছফিকেল ছ'চাইটি ঃ

থিয়'ছফিকেল ছ'চাইটি এটা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান। ১৮৭৫ খ্ৰীষ্টাব্দত আমেৰিকাৰ নিউয়ৰ্ক চহৰত এই অনুষ্ঠানটো প্ৰতিষ্ঠা কৰা হয়। এই অনুষ্ঠানটোৰ শাখা কাৰ্যালয় ১৮৮৫ খ্ৰীষ্টাব্দত মাদ্ৰাজত মুকলি কৰা হয়।

মাদ্ৰাজক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰতবৰ্ষত থিয়'ছফিকেল ছ'চাইটিক জনপ্ৰিয় কৰি তোলাৰ মূলতে আছিল আয়াৰলেণ্ডৰ মহিলা মিছেছ এনি বেছাণ্ট (১৮৪৭-১৯৩৩)ৰ বিশেষ কৰ্মদক্ষতা। থিয়'ছফিকেল ছ'চাইটিৰ সদস্য এনি বেছাণ্টে ১৮৯৩ খ্ৰীষ্টাব্দত এই ছ'চাইটিৰ কামত মাদ্ৰাজত উপস্থিত হৈছিল।



**এনি বেছাণ্ট**

জন্ম ঃ ১ অক্টোবৰ, ১৮৪৭, লণ্ডন, ইংলেণ্ড

মৃত্যু ঃ ২০ ছেপ্টেম্বৰ, ১৯৩৩, মাদ্ৰাছ।

এনি বেছাণ্টে সমাজসেৱাৰ মাজেৰে প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতি পুনৰুদ্ধাৰৰ ওপৰত মনোনিবেশ কৰিছিল। ভাৰতীয় আধ্যাত্মিকতাক প্ৰাধান্য দি তেওঁ




*চিত্ৰ ঃ থিয়'ছফিকেল ছ'চাইটিৰ প্ৰতীক।*



*চিত্ৰ ঃ ১৯০৫ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত মাদ্ৰাছত হেনৰি অলকট (বাঁওফালে) আৰু চাৰ্লচ লিডবিটাৰ (সোঁফালে)ৰ সৈতে এনি বেছাণ্ট।*

কেইবাখনো আদৰ্শ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। উল্লেখ্য যে **১৮৯৮ খ্ৰীষ্টাব্দত বাৰাণসীত এনি বেছাণ্টে প্ৰতিষ্ঠা কৰা 'চেণ্ট্ৰেল হিন্দু স্কুল'খনেই ১৯১৬ খ্ৰীষ্টাব্দত মদন মোহন মালব্যৰ পৃষ্ঠপোষকতাত বেনাৰচ (হিন্দীত কাশী) হিন্দু বিশ্ববিদ্যালয়ত পৰিণত হয়।**

মিছেছ এনি বেছাণ্টে ভাৰতবৰ্ষক মাতৃভূমি হিচাপে আঁকোৱালি লৈছিল। তেওঁ কৰ্মস্পৃহা আৰু চিন্তাৰ বিশালতাই ভাৰতীয়ক অনুপ্ৰেৰণা যোগাইছিল। **১৯১৬ খ্ৰীষ্টাব্দত বেছাণ্টে 'হোম ৰুল লীগ' প্ৰতিষ্ঠা কৰি ভাৰতীয়ৰ মাজত স্ব-শাসনৰ প্ৰয়োজনীয়তা প্ৰচাৰ কৰিছিল। বেছাণ্টে ১৯১৭ খ্ৰীষ্টাব্দত জাতীয় কংগ্ৰেছৰ অধিবেশনত সভাপতিৰ পদ অলংকৃত কৰিছিল।** তেওঁ জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি আছিল।

### (চ) আলীগড় আন্দোলন ঃ

ভাৰতীয় মুছলমান সমাজক আলীগড় শিক্ষানুষ্ঠানৰ মাধ্যমেৰে আধুনিক শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকৰ মাজত জাতীয়তাবাদী ভাব-চিন্তাৰ সঞ্চাৰ কৰাটোকে আলীগড় আন্দোলন (Aligarh Movement) বুলি কোৱা হয়। মুছলমান সমাজক আধুনিক চিন্তা-

চৰ্চাৰে পুনৰুজ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত ছাৰ ছৈয়দ আহমদ খান (১৮১৭-৯৮)ৰ অৱদান উল্লেখযোগ্য। তেওঁ মুছলমান সম্প্ৰদায়ক পাশ্চাত্য শিক্ষাৰে শিক্ষিত কৰি তোলাৰ উদ্দেশ্যে ১৮৬৪ খ্ৰীষ্টাব্দত গাজীপুৰত এখন ইংৰাজী আদৰ্শ বিদ্যালয় স্থাপন কৰে। ১৮৬৫ খ্ৰীষ্টাব্দত বিজ্ঞান সমিতি (Science Society) নামৰ এটা সামাজিক অনুষ্ঠান প্ৰতিষ্ঠা কৰি তেওঁ ইংৰাজী ভাষাৰ কেইখনমান উৎকৃষ্ট গ্ৰন্থ উৰ্দু ভাষালৈ অনুবাদ কৰে। ১৮৭৫ খ্ৰীষ্টাব্দত তেওঁ আলীগড় মহম্মদান এংলো ইণ্ডিয়ান কলেজ প্ৰতিষ্ঠা কৰে। কম সময়ৰ ভিতৰতে অনুষ্ঠানটো পাশ্চাত্য সাহিত্য-সংস্কৃতিৰ আধাৰত জ্ঞান চৰ্চাৰ এটা অন্যতম কেন্দ্ৰত পৰিণত হৈ পৰে।

*চিত্ৰ ঃ আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ প্ৰতীক*

*আদৰ্শ ঃ **Taught man what he did not know (Qur'an 96:5)***



চিত্ৰ ঃ আলিগড় মুছলিম বিশ্ববিদ্যালয় (স্থাপিত ১৮৭৫ খ্ৰীষ্টাব্দ)

ছৈয়দ আহমদ খানে আলিগড়ত স্থাপন কৰা শিক্ষানুষ্ঠানটোৰ যোগেদি মুছলমানসকলৰ মাজত ৰাজনৈতিক চেতনাৰ বিকাশ ঘটাইছিল। জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ পিছত কংগ্ৰেছ সমভাবাপন্ন আন এটা জাতীয় অনুষ্ঠান গঢ়ি তোলাৰ বাবে আলীগড় মহম্মদান এংলো ইণ্ডিয়ান কলেজে বিশেষ বৰঙণি আগবঢ়াইছিল। এই ক্ষেত্ৰত কলেজৰ অধ্যক্ষ থিওডোৰ বেগে (Theodore Back) বিশেষ আগভাগ লৈছিল। এই অনুষ্ঠানটোৰ যোগেদি ভাৰতীয় মুছলমানসকল পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ সংস্পৰ্শলৈ অহাৰ বাট মুকলি হৈছিল। অনুষ্ঠানটোত শিক্ষা লাভ কৰা এচাম শিক্ষিত ব্যক্তিয়ে মুছলমান সমাজত নেতৃত্ব গ্ৰহণ কৰি সমাজক বহু পৰিমাণে কু-সংস্কাৰৰ পৰা মুক্ত কৰিব পাৰিছিল। ১৯২০ খ্ৰীষ্টাব্দত এই কলেজখন 'আলিগড় মুছলিম বিশ্ববিদ্যালয়'ত পৰিণত হৈছিল।

### ২.১.৪ বাতৰি কাকতৰ ভূমিকা ঃ

ইংৰাজী ভাষাৰ মাধ্যমত প্ৰকাশিত বাতৰি কাকতৰ যোগেদি ভাৰতবৰ্ষত সংবাদ-পত্ৰ ইতিহাসৰ পাতনি মেলা হৈছিল। ভাৰতীয় সংবাদ-পত্ৰৰ ইতিহাসত জেমছ আগষ্টাচ হিকিৰ দ্বাৰা প্ৰথমখন ইংৰাজী ভাষাত সংবাদ-পত্ৰ 'বেংগল গেজেট' (১৭৮০ খ্ৰীষ্টাব্দ) প্ৰকাশ হোৱাৰ পৰা তিনিটা দশক জুৰি ইংৰাজসকলৰ দ্বাৰা প্ৰকাশিত ইংৰাজী ভাষাৰ সংবাদ-পত্ৰৰ প্ৰাধান্য মন কৰিবলগীয়া। এই সংবাদ-পত্ৰসমূহে জনসংযোগত ইংৰাজী সমাজখনৰহে মুখপত্ৰ হিচাপে কাম কৰিছিল। ভাৰতীয় জনমতৰ প্ৰতিনিধিত্ব ইয়াত মুঠেই ফুটি উঠা নাছিল। আধুনিক শিক্ষাৰে শিক্ষিত ভাৰতীয়ই সংবাদ-পত্ৰৰ গুৰুত্ব উপলব্ধি কৰাৰ ফলস্বৰূপে ঊনবিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা আঞ্চলিক ভাষাত বহুত কেইখন কাকত প্ৰকাশ পাইছিল। আঞ্চলিক ভাষাত প্ৰকাশিত সংবাদ-পত্ৰৰ জনপ্ৰিয়তা দ্ৰুতগতিৰে প্ৰসাৰিত হোৱাৰ পটভূমিত সংবাদ-পত্ৰৰ স্বাধীনতা আৰু সমাজত গঢ়ি উঠা ইয়াৰ ভূমিকা সম্বন্ধে ইংৰাজ শাসকবৰ্গ সজাগ হৈ উঠিছিল। বিদেশী শাসকে ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে ভাৰতৰ মুক্ত আৰু অনিয়ন্ত্ৰিত বাতৰি কাকতে ইংৰাজ কৰ্তৃত্বৰ প্ৰতি বিপদ মাতি আনিব।


HICKY's
BENGAL GAZETTE;
OR THE ORIGINAL
Calcutta General Advertiser.
A Weekly Political and Commercial Paper, Open to all Parties, but influenced by None.
59 From Saturday March 3d to Saturday March 10th 1781. No. VII

উৎস ঃ গুগল
BRITISH LIBRARY

বেংগল গেজেট ঃ জেমছ আগষ্টাচ হিকিৰ দ্বাৰা প্ৰকাশিত ভাৰতীয় প্ৰথম সংবাদপত্ৰ।

আঞ্চলিক ভাষাৰ সংবাদ-পত্ৰই ভাৰতৰ নৱজাগৰণ তথা জাতীয়তাবাদ গঢ়ি তোলাত বিশেষ অৰিহণা যোগোৱাটো চৰকাৰে মানি লৈছিল। সেই কাৰণেই চৰকাৰে আঞ্চলিক ভাষাৰ সংবাদ-পত্ৰৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। ১৭৯৯ খ্ৰীষ্টাব্দত 'প্ৰেছ ৰেগুলেচন' (Press Regulation) প্ৰয়োগৰ যোগেদি লৰ্ড ৱেলেছ্লিয়ে (১৭৯৮-১৮০৪) ভাৰতীয় বাতৰি কাকতৰ ওপৰত বাধা-নিষেধ প্ৰয়োগ কৰি বাতৰি কাকতৰ স্বাধীনতা হৰণ কৰিছিল। ১৮১৭ খ্ৰীষ্টাব্দত লৰ্ড হেষ্টিংছে (১৮১৩-২৩) ভাৰতীয় সংবাদ-পত্ৰৰ ওপৰত থকা বাধা-নিষেধ কিছু পৰিমাণে উঠাই দি বিশেষ কেইটিমান বিষয়তহে কাকতৰ সম্পাদকক মত প্ৰকাশৰ স্বাধীনতা দিয়ে। ১৮২৩ খ্ৰীষ্টাব্দত ভাৰতৰ অস্থায়ী গৱৰ্ণৰ জেনেৰেল ছাৰ জন আদামে পুনৰ ভাৰতীয় ভাষাৰ কাকতৰ ওপৰত বাধা-নিষেধ আৰোপ কৰিছিল। ৰাজা ৰামমোহন ৰায়ে (১৭৭২-১৮৩৩) ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। ইয়াৰ প্ৰতিবাদ হিচাপে তেওঁৰ সাপ্তাহিক বাতৰি কাকত 'মিৰাট ইল আখবাৰ'ৰ প্ৰকাশ বন্ধ ৰাখিছিল। দেশীয় কাকতৰ প্ৰতি কৰা এনে অবিচাৰ বন্ধ কৰিবলৈ তেওঁ কলিকতা হাইকোৰ্ট আৰু বংগৰ গৱৰ্ণৰ জেনেৰেলৰ ওচৰত আবেদন দাখিল কৰিছিল। তাৎক্ষণিকভাৱে ইয়াৰ কোনো ফল পোৱা নগ'ল যদিও ১৮৩৫ খ্ৰীষ্টাব্দত অস্থায়ী গৱৰ্ণৰ জেনেৰেল ছাৰ চাৰ্লছ মেটকাফে (১৮৩৫-৩৬) দেশীয় কাকতৰ ওপৰত আৰোপ কৰা বাধা-নিষেধ উঠাই লৈছিল। বাধা-নিষেধ তুলি লোৱাৰ পিছত প্ৰান্তীয় ভাষাত ভালেসংখ্যক কাকত প্ৰকাশ পাইছিল।

দেশীয় ভাষাৰ কাকতসমূহে সাম্ৰাজ্যবাদী শাসকৰ কাম-কাজবোৰৰ ওপৰত কটু সমালোচনা কৰি ভাৰতীয়ৰ মনত ইংৰাজ চৰকাৰৰ বিৰুদ্ধে জনমত গঢ়ি তুলিছিল। এইক্ষেত্ৰত বংগদেশৰ পৰা প্ৰকাশিত কাকতসমূহৰ অৱদান সকলোতকৈ বেছি। ঊনবিংশ শতিকাৰ দ্বিতীয় ভাগত বংগদেশত বহুল প্ৰচাৰিত কাকত 'বংগ দৰ্শন', 'সঞ্জীৱনী', 'আৰ্য্য দৰ্শন', 'অমৃত বাজাৰ পত্ৰিকা' আদি কাকতে ভাৰতীয়ৰ মাজত জাতীয় সত্তা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই কাকতসমূহে ইংৰাজ শাসনে ভাৰতীয়ক শোষণ কৰি অহাৰ স্বৰূপটো উদঙাই দিছিল। শিক্ষিত সমাজখনত গঢ়ি উঠা আত্মসচেতনতাই ব্ৰিটিছ শাসকসকলক চিন্তিত কৰি তুলিছিল। ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা ভাৰতবৰ্ষত বহু ঠাইত খাদ্যৰ অভাৱে দেখা দিছিল। দুৰ্ভিক্ষৰ কবলত বহুতো ভাৰতীয়ই মৃত্যুক সাৱটি ল'বলগা হৈছিল। চৰকাৰে খাদ্যৰ অভাৱ দূৰ কৰাৰ কোনো ব্যৱস্থা নোলোৱাত দেশীয় ভাষাৰ কাকতসমূহে লৰ্ড লিটন (১৮৭৬-৮০) আৰু তেওঁৰ তলতীয়া প্ৰাদেশিক শাসকসকলক চোকা সমালোচনা কৰিছিল। লিটনে ইয়াৰ বাবে খঙত টিঙিৰি তুলা হৈ ভাৰতীয় আঞ্চলিক ভাষাৰ কাকতৰ ওপৰত পুনৰ বাধা নিষেধ প্ৰয়োগ কৰিবলৈ ১৮৭৮ খ্ৰীষ্টাব্দত কুখ্যাত 'প্ৰেছ আইন' জাৰি কৰিছিল। ভাৰতীয় কাকতৰ ওপৰত কৰা হস্তক্ষেপৰ ফলশ্ৰুতিত বহুকেইখন কাকতৰ প্ৰকাশ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। মাদ্ৰাজৰ 'হিন্দু', বোম্বাইৰ 'কেশৰী' বংগৰ 'বংগ দৰ্শন', 'অমৃত বাজাৰ পত্ৰিকা' আদি সাময়িকভাৱে বন্ধ হৈছিল। উল্লেখ্য যে কুখ্যাত প্ৰেছ আইনৰ কবলৰ পৰা ৰক্ষা পাবলৈ 'অমৃত বাজাৰ পত্ৰিকা' ইংৰাজী

ভাষাত প্ৰকাশ কৰা হৈছিল।

গৱৰ্ণৰ জেনেৰেল লৰ্ড লিটনে ১৮৭৮ খ্ৰীষ্টাব্দত 'অস্ত্ৰ আইন' জাৰি কৰি ভাৰতীয় লোকক আগ্নেয় অস্ত্ৰ' ধাৰণ কৰাত বাধা নিষেধ আৰোপ কৰিছিল। ইংৰাজ বা আন ইউৰোপীয়সকলৰ ক্ষেত্ৰত এই আইন প্ৰয়োগ নকৰি শাসক আৰু শাসিতৰ মাজত বৈষম্য সৃষ্টি কৰাটোৱেই লিটনৰ প্ৰধান উদ্দেশ্য আছিল। ভাৰতীয়সকল ইউৰোপীয়ৰ সমান মৰ্যাদাৰ নহয় বুলি তেওঁৰ এই আইনে প্ৰমাণ কৰিছিল। লিটনৰ এই 'অস্ত্ৰ আইন' আৰু 'প্ৰেছ আইনে' ভাৰতীয়সকলক ক্ষুব্ধ কৰিছিল। ভাৰতীয়সকলে ক্ৰমান্বয়ে আত্মমৰ্যাদা ৰক্ষাৰ বাবে অগ্ৰসৰ হৈছিল।

### ২.১.৫ জাতীয় অনুষ্ঠান গঠনৰ প্ৰস্তুতি ঃ

ইণ্ডিয়ান এছ'চিয়েচনে জাতীয় চেতনাক এটা সৰ্বভাৰতীয় সংঘবদ্ধ ৰূপ প্ৰদান কৰিছিল। বংগীয় নেতা সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ে ইণ্ডিয়ান এছ'চিয়েচন প্ৰতিষ্ঠা কৰিছিল। এটা সামান্য দোষতে আই চি এছ চাকৰি হেৰুৱাব লগা হোৱা এই নেতাগৰাকীয়ে সমাজসেৱাৰ মনোবৃত্তিৰে ভাৰতীয়ক একত্ৰিত কৰাৰ প্ৰচেষ্টা লৈছিল।


ইংলেণ্ডৰ চৰকাৰে ভাৰতীয়ক আই চি এছ চাকৰি পদত নিয়োগ নকৰাৰ চক্ৰান্ত চলাইছিল। গৱৰ্ণৰ জেনেৰেল লৰ্ড লিটনৰ কাৰ্যকালত (১৮৭৬-৮০) আই চি এছ পৰীক্ষাৰ্থীৰ উচ্চতম বয়সৰ সীমা ২১ৰ পৰা ১৯ বছৰলৈ হ্ৰাস কৰিছিল। সেই সময়ত এজন ভাৰতীয়ৰ বাবে ইংলেণ্ডত উপস্থিত হৈ ১৯ বছৰত আই চি এছ পৰীক্ষাত অবতীৰ্ণ হোৱাটো মুঠেই সম্ভৱপৰ নহৈছিল। সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ে ইয়াৰ তীব্ৰ বিৰোধিতা কৰি সমগ্ৰ ভাৰতবৰ্ষত ইয়াৰ বিৰুদ্ধে তেওঁ এটা আন্দোলন গঢ়ি তুলিছিল। আই চি এছ পৰীক্ষাৰ্থীৰ বয়সৰ বিষয়টোক লৈ তেওঁ আন্দোলন কৰিছিল যদিও তেওঁৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল ভাৰতীয় জাতীয় জাগৰণক ৰাজনৈতিক জাগৰণৰ ৰূপ দিয়া। এই উদ্দেশ্যৰে তেওঁ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি সমগ্ৰ ভাৰতজুৰি জনমত গঠনেৰে ইংৰাজ শাসকৰ ভাৰত বিৰোধী চক্ৰান্ত প্ৰচাৰ কৰিছিল। আই চি এছ পৰীক্ষাৰ্থীৰ বয়সৰ সীমা হ্ৰাস কৰি ভাৰতীয়ক বঞ্চিত কৰাৰ বিষয়টো ইংৰাজ চৰকাৰক বুজাবলৈ ইণ্ডিয়ান এছ'চিয়েচনে লালমোহন ঘোষ নামৰ এজন বেৰিষ্টাৰক লণ্ডনলৈ পঠাইছিল। ব্ৰিটিছ চৰকাৰে ঘোষৰ যুক্তি মানি ল'বলৈ বাধ্য হৈ আই চি এছ পৰীক্ষাৰ্থীৰ উচ্চতম বয়সৰ সীমা পুনৰ ২১ বছৰ কৰিছিল। সুৰেন্দ্ৰনাথে আৰম্ভ কৰা এই প্ৰথমটো সৰ্বভাৰতীয় আন্দোলন সফল হৈছিল।

গৱৰ্ণৰ জেনেৰেল লৰ্ড ৰিপণে (১৮৮০-৮৪) ছাৰ ৰমেশচন্দ্ৰ মিত্ৰ নামৰ এজন ন্যায়াধীশক কলিকতা উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পদত নিয়োগ কৰিছিল। এজন ভাৰতীয়ক এই পদত অধিষ্ঠিত কৰাত ইউৰোপীয়ানসকল অসন্তুষ্ট হৈ ইয়াৰ বিৰুদ্ধে তীব্ৰ আপত্তি কৰিছিল। প্ৰায় একে সময়তে ব্ৰিটিছ চৰকাৰৰ আইন সদস্য চি পি ইলবাৰ্টে এখন বিল উত্থাপন কৰি জিলা দণ্ডাধীশ পৰ্যায়ৰ ভাৰতীয় বিচাৰকক অভিযুক্ত ইউৰোপীয়ানক

বিচাৰ কৰাৰ ক্ষমতা দিছিল। ইউৰোপীয়ানসকলে এইবাৰো তীব্ৰ আপত্তি দৰ্শাইছিল। তেওঁলোকে 'প্ৰতিৰক্ষা সংস্থা' নামৰ এটা অনুষ্ঠান গঠন কৰি এই বিলৰ বিৰুদ্ধাচৰণ কৰিছিল। আনহাতে সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ৰ নেতৃত্বত ভাৰতীয়সকলে এই বিলখন কাৰ্যকৰী কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁ ব্ৰিটিছ বিৰোধী মৰ্চা গঠন কৰি সমগ্ৰ ভাৰতবৰ্ষত জনমত গঠনৰ প্ৰয়াস কৰিছিল। ইলবাৰ্ট বিলক কেন্দ্ৰ কৰি ভাৰতীয়ৰ মাজত একতাৰ ভাব গঢ়ি তুলিবলৈ ইণ্ডিয়ান এছ'চিয়েচনে 'জাতীয় সন্মিলন' নাম দি কলিকতাত এখন জনসভাৰ আয়োজন কৰিছিল। বিভিন্ন প্ৰদেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সভাই আছিল ভাৰতৰ প্ৰথমখন প্ৰতিনিধিত্বমূলক সন্মিলন। এইখন সভাই জাতীয় কংগ্ৰেছ গঠনৰ পথ প্ৰশস্ত কৰি তুলিছিল।

### ২.১.৬ ভাৰতীয় জাতীয় কংগ্ৰেছ ঃ

গৱৰ্ণৰ জেনেৰেল লৰ্ড ডাফৰিনৰ (১৮৮৪-৮৮) কাৰ্যকালত এলেন অক্টেভিয়ান হিউম (১৮২৯-১৯১২) নামৰ এজন অৱসৰপ্ৰাপ্ত অসামৰিক বিষয়াই ভাৰতীয়ৰ স্বাৰ্থত এটা জাতীয় অনুষ্ঠান গঠনৰ যো-জা চলাইছিল। হিউমে কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়নৰত স্নাতকসকলক সম্বোধি এখন মুকলি চিঠিৰে (১ মাৰ্চ, ১৮৮৩ খ্ৰীষ্টাব্দ) তেওঁলোকক দেশমাতৃৰ সেৱাত জঁপিয়াই পৰিবলৈ আহ্বান জনাইছিল। প্ৰায় ৫০জন ছাত্ৰৰ সঁহাৰিত কলিকতাত এখন বৈঠক অনুষ্ঠিত হৈছিল। 'ইণ্ডিয়ান নেচনেল ইউনিয়ন' নামেৰে নামাংকিত এই বৈঠকখনে দেশৰ উন্নতিৰ স্বাৰ্থত এটা সৰ্বভাৰতীয় জাতীয় অনুষ্ঠান গঢ়ি তোলাৰ পোষকতা কৰিছিল। বোম্বাইত এখন মহাসভা আয়োজন কৰাৰ প্ৰস্তাৱ লৈ এটা জাতীয় অনুষ্ঠান গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। গৱৰ্ণৰ জেনেৰেল ডাফৰিনে হিউমক উৎসাহ যোগাইছিল।



**এলেন অক্টেভিয়ান হিউম**
জন্ম ঃ ৬ জুন, ১৮২৯
মৃত্যু ঃ ৩১ জুলাই, ১৯১২

১৮৮৫ খ্ৰীষ্টাব্দৰ ২৮ ডিচেম্বৰত বোম্বাইৰ গকুলদাস তেজপাল সংস্কৃত কলেজত মহাসভাখন অনুষ্ঠিত হৈছিল। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা ৭২জন প্ৰতিনিধিয়ে অধিবেশনস্থলীত উপস্থিত হৈছিল। সভাপতিৰ বাবে নিৰ্বাচন কৰা হৈছিল কলিকতাৰ বেৰিষ্টাৰ উমেশচন্দ্ৰ বন্দোপাধ্যায়ক। মহাসভাই প্ৰস্তাৱিত জাতীয় অনুষ্ঠানটোৰ নাম 'ভাৰতীয় জাতীয় কংগ্ৰেছ' বুলি স্থিৰ কৰিছিল। ভাৰতৰ সকলোবোৰ জাতি-গোষ্ঠী, সম্প্ৰদায়ৰ জনমতৰ প্ৰতি সন্মান জনাই কংগ্ৰেছে আগুৱাই অহাৰ কৰ্মপন্থা স্থিৰ কৰিছিল।



*চিত্ৰ ঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা*



*চিত্ৰ ঃ প্ৰথম ভাৰতীয় জাতীয় কংগ্ৰেছ, ১৮৮৫*

এটা নৰমপন্থী অনুষ্ঠান হিচাপে পৰিচয় দি জাতীয় কংগ্ৰেছে আৰম্ভণিতে আবেদন-নিবেদনৰ মাজেৰে ভাৰতীয়ৰ বিভিন্ন সমস্যাৰ প্ৰতি মনোযোগ দিবলৈ চৰকাৰক আহ্বান জনাইছিল। ইংৰাজ শাসক আৰু বৃটেইনৰ চৰকাৰৰ ওচৰত মধুৰ সম্পৰ্ক বৰ্তাই ৰাখি শাসনযন্ত্ৰত ভাৰতীয়ৰ প্ৰতিনিধিত্ব বিচৰাটোৱেই জাতীয় কংগ্ৰেছৰ এটা অন্যতম লক্ষ্য আছিল। এই আশা কৰিয়েই ১৮৯০ খ্ৰীষ্টাব্দত জাতীয় কংগ্ৰেছে সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ৰ নেতৃত্বত এটা সঁজাতী দলক ইংলেণ্ডলৈ পঠাইছিল। কিন্তু ১৮৯২ খৃষ্টাব্দত ভাৰত পৰিষদ আইনে কাৰ্যতঃ ভাৰতীয়ক একো নিদিয়াটোৱে জাতীয় কংগ্ৰেছক হতাশ কৰিছিল। শান্তিপূৰ্ণ উপায়েৰে ব্ৰিটিছৰ পৰা বহু আশা কৰিও একো নোপোৱাত কংগ্ৰেছৰ এচাম নেতা-কৰ্মীৰ মনত প্ৰচলিত চিন্তা ত্যাগ কৰাৰ মানসিকতা গঢ়ি উঠিছিল। কংগ্ৰেছৰ ভিতৰতে এটা নতুন শক্তিয়ে গা-কৰি উঠিছিল। তেওঁলোকে আবেদন-নিবেদনৰ পন্থা পৰিহাৰ কৰি ব্ৰিটিছৰ বিৰুদ্ধে সন্তম হ'বলৈ সকলোকে সকীয়াই দিছিল।

১৯০৫ খ্ৰীষ্টাব্দত ঘটি যোৱা দুটা উল্লেখযোগ্য ঘটনাই জাতীয় কংগ্ৰেছৰ ভিতৰচ'ৰাত এটা প্ৰবল চাঞ্চল্যৰ সৃষ্টি হয়। প্ৰথমটো আছিল জাপানৰ হাতত ৰুছিয়াৰ পৰাজয় আৰু আনটো বংগ ভংগ। এছিয়াৰ ক্ষুদ্ৰ শক্তি জাপানে শক্তিশালী ৰাষ্ট্ৰ ৰুছিয়াক পৰাস্ত কৰাৰ ঘটনাই ভাৰতৰ জাতীয়তাবাদীসকলৰ মনত সংগ্ৰামী চেতনা জাগ্ৰত কৰিছিল। আনহাতে কাৰ্জনৰ (১৮৯৯-১৯০৫) বংগ ভংগই অৰ্থাৎ **বংগদেশক দ্বিখণ্ডিত কৰাৰ সিদ্ধান্তই জাতীয়তাবাদীসকলৰ অন্তৰত তীব্ৰ ইংৰাজ বিৰোধী মনোভাব জাগ্ৰত কৰিছিল।**

১৯০৫ খ্ৰীষ্টাব্দত বাৰাণসী জাতীয় কংগ্ৰেছৰ সভাপতি গোপালকৃষ্ণ গোখলেৰ নৰম সুৰৰ ভাষণ বিপিনচন্দ্ৰ পালে বিৰোধিতা কৰিছিল। তেওঁ অনুনয়-বিনয় ত্যাগ কৰি কেৱল স্বদেশী কাৰ্যসূচীক গুৰুত্ব দি কঠোৰ পন্থা অৱলম্বনেৰে জাতীয় কংগ্ৰেছক আগুৱাই যাবলৈ আহ্বান জনাইছিল। এই ঘটনাক কেন্দ্ৰ কৰি কংগ্ৰেছৰ মাজত মতানৈক্য ঘটিছিল। ১৯০৬ খ্ৰীষ্টাব্দত দাদাভাই নৌৰজীৰ সভাপতিত্বত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ কলিকতা অধিবেশনে স্বদেশী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাত পৰিস্থিতিৰ কিছু পৰিৱৰ্তন ঘটে। কিন্তু ১৯০৭ খ্ৰীষ্টাব্দত ৰাস বিহাৰী ঘোষৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছৰ চুৰাট অধিবেশনত জাতীয় কংগ্ৰেছ দুটা শিবিৰত বিভক্ত হয়— এটা চৰমপন্থী আনটো নৰমপন্থী। চৰমপন্থীৰ দলত আছিল বালগংগাধৰ তিলক (১৮৫৬-১৯২০), লালা লাজপত ৰায় (১৮৬৫-১৯২৮) আৰু বিপিনচন্দ্ৰ পাল (১৮৫৮-১৯৩২)। চৰমপন্থীসকলে অৰবিন্দ ঘোষৰ নেতৃত্বত স্বৰাজ, স্বদেশী, জাতীয় শিক্ষা আদি বিষয়সমূহৰ ওপৰত আস্থা ৰাখি ভাৰতীয়ৰ মাজত ৰাজনৈতিক জাতীয়তাবাদৰ গতি বৰ্তাই ৰাখিছিল। ১৯১৬ খ্ৰীষ্টাব্দলৈকে চৰমপন্থীসকলে মূল জাতীয় কংগ্ৰেছৰ পৰা আঁতৰত আছিল।

### ২.১.৭ দাদাভাই নৌৰজীৰ অৱদান ঃ

ব্ৰিটিছৰ আমোলত গঢ়ি উঠা জাতীয়তাবাদৰ উত্থানত ৰাজা ৰামমোহন ৰায়ৰ পিছতে দাদাভাই নৌৰজীয়ে (১৮২৫-১৯১৭) ভাৰতীয় সমাজলৈ প্ৰভূত বৰঙণি আগবঢ়াই গৈছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠা কালৰে পৰা অনুষ্ঠানটোৰ লগত প্ৰত্যক্ষভাৱে জড়িত মহীয়ান ব্যক্তিসকলৰ লগত দাদাভাই নৌৰজী এগৰাকী বিশেষ প্ৰতিভাসম্পন্ন অভিজ্ঞ ব্যক্তি আছিল। অধ্যাপক হিচাপে কৰ্মজীৱন আৰম্ভ কৰা নৌৰজীয়ে পিছলৈ তেওঁৰ কৰ্মস্থান সলনি কৰি লণ্ডনত থাকিবলৈ গৈছিল। লণ্ডনত থাকি ওকালতি ব্যৱসায়েৰে তেওঁ নিজকে বিখ্যাত আইনবিদ হিচাপে প্ৰতিষ্ঠা কৰিছিল। লণ্ডনত থকা অৱস্থাতে লিবাৰেল পাৰ্টিৰ সদস্যপদ গ্ৰহণ কৰি তেওঁ ইংলেণ্ডৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল। ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ নিৰ্বাচনত তেওঁ দুবাৰকৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল। দ্বিতীয়বাৰ (১৮৯২) নিৰ্বাচনত তেওঁ 'মধ্য ফিন্সবাৰি' সমষ্টিৰ পৰা জয়লাভ কৰি ব্ৰিটিছ কমন্স সভাৰ সদস্য হৈছিল। ইংলেণ্ডৰ সাধাৰণ নিৰ্বাচনত জয়লাভ কৰিবলৈ সক্ষম হোৱা তেৱেঁই আছিল প্ৰথমজন ভাৰতীয়।



**দাদাভাই নৌৰজী**
জন্ম ঃ ৪ ছেপ্টেম্বৰ, ১৮২৫, বোম্বে
মৃত্যু ঃ ৩০ জুন, ১৯১৭

কমন্স সভাৰ সদস্যপদ গ্ৰহণ কৰি তেওঁ ভাৰতৰ সমস্যাসমূহ দাঙি ধৰি ভাৰতৰ আৰ্থিক দিশটোৰ ওপৰত নজৰ দিবলৈ ব্ৰিটিছ চৰকাৰক সকীয়াই দিছিল। ভাৰতবৰ্ষৰ জাতীয় আয় গণনা কৰি দেশবাসীৰ দৰিদ্ৰ মোচনৰ কাৰণে কাৰ্যসূচী ল'বলৈ ইংলেণ্ডৰ চৰকাৰক হেঁচা দিছিল। পলাচী যুদ্ধ (১৭৫৭)ৰ পৰাই অবিৰাম গতিত ভাৰতৰ সম্পদ ইংলেণ্ডলৈ প্ৰবাহিত কৰি ইংৰাজে ভাৰতবৰ্ষৰ ওপৰত অৰ্থনৈতিক শোষণ চলোৱাৰ বিষয়ে তেওঁ ব্ৰিটিছ পাৰ্লিয়ামেণ্টত জনাইছিল। শিল্পজাত সামগ্ৰীৰ সলনি ভাৰতবৰ্ষই কেঁচা সামগ্ৰী কিয় ইংলেণ্ডলৈ পঠিয়াব লগা হয় তেওঁ তাৰ উত্তৰ বিচাৰিছিল। তেওঁ লাভজনক আফিঙৰ

ব্যৱসায় ভাৰত আৰু চীন দেশত বন্ধ কৰিবলৈ দাবী জনাইছিল। ইংৰাজ ব্যৱসায়ীক ভাৰতীয় সমাজৰ লগত একাত্ম হৈ ভাৰতৰ পৰা সংগ্ৰহ কৰা ধন ভাৰততে খৰচ কৰিবলৈ তেওঁ আহ্বান জনাইছিল। ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ বিতৰ্কত অংশগ্ৰহণ কৰি ভাৰতৰ বাবে স্বায়ত্ত শাসনৰ দাবী তুলিছিল।

১৮৮৬, ১৮৯৩ আৰু ১৯০৬ বৰ্ষত তিনিবাৰকৈ নৌৰজী জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হৈছিল। ১৯০৬ খ্ৰীষ্টাব্দৰ কলিকতা কংগ্ৰেছৰ সভাপতিৰ ভাষণত নৌৰজীয়ে 'স্বৰাজ প্ৰাপ্তিয়েই কংগ্ৰেছৰ লক্ষ্য' বুলি ঘোষণা কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছত স্বৰাজ শব্দটোৰ প্ৰথম প্ৰয়োগ তেৱেঁই কৰিছিল। অৱশ্যে সেই সময়ত স্বৰাজ মানে স্বাধীনতাক বুজোৱা নাছিল। নৌৰজীৰ দৃষ্টিত স্বৰাজ মানে স্বায়ত্ত শাসনৰ ৰূপ এটাহে আছিল।

ভাৰতবৰ্ষত গঢ়ি উঠা জাতীয়তাবাদ জাতীয় আন্দোলনৰ ভেটি স্বৰূপ। ৰাজনৈতিক আৰু অৰ্থনৈতিক কৰ্মসূচীক কেন্দ্ৰ কৰি গঢ়ি উঠা জাতীয়তাবাদক অৱলম্বন হিচাপে লৈ পৰৱৰ্তী কালৰ জনসমাজে ঐক্যবদ্ধভাৱে জাতীয় সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ প্ৰেৰণা লাভ কৰিছিল।



*চিত্ৰ ঃ ১৯১৬ খ্ৰীষ্টাব্দৰ আৰ্য সমাজৰ এখন সভা।*

## মূ ল ক থা

- ১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহ আছিল একপ্ৰকাৰ ৰাজনৈতিক মুক্তিৰ আন্দোলন। ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণ ইয়াৰ পৰাই আৰম্ভ হৈছিল।
- জাতীয়তাবাদ উন্মেষণৰ আন আন কাৰকবোৰ হ'ল—
  - পাশ্চাত্য শিক্ষাৰ দুৱাৰ মুকলি কৰি দিছিল ব্ৰিটিছেই, যাৰ শিক্ষাৰে শিক্ষিত হৈ ভাৰতীয়সকলেই প্ৰতিদানত ব্ৰিটিছসকলক ঔপনিৱেশিক শোষকৰ ৰূপত বিৰোধ কৰিবলৈ আৰম্ভ কৰিছিল।
  - ১৮৩৯ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা দিল্লীলৈ গ্ৰেণ্ড ট্ৰাঙ্ক ৰোড নিৰ্মাণ কৰি ব্ৰিটিছসকলে ভাৰতত স্থলপথৰ আমূল পৰিৱৰ্তন সাধিছিল। ১৮৫৩ খ্ৰীষ্টাব্দত ভাৰতবৰ্ষত ৰেলপথৰ সূচনা কৰে ব্ৰিটিছসকলেই। ১৮৮৩ খ্ৰীষ্টাব্দত অসমতো শদিয়াৰ পৰা ডিব্ৰুগড়লৈ ৰেল যোগাযোগৰ আৰম্ভণি হয়। এনে যোগাযোগৰ উন্নতিয়েই ভাৰতীয়সকলৰ মনৰ দিগন্ত প্ৰসাৰ কৰিছিল, যিয়ে জাতীয়তাবাদী ভাবধাৰাৰো উন্মেষণ ঘটাইছিল।
  - ব্ৰিটিছ আগ্ৰাসন আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰৰ বিপৰীতে হিন্দু ধৰ্মীয় উন্মাদনাৰ চেতনা জাগ্ৰত হৈছিল। লৰ্ড উইলিয়াম বেণ্টিংকৰ সংস্কাৰকামী উদ্যোগৰ সহায়ত ৰাজা ৰামমোহন ৰায়ে ভাৰতত ভালেমান কু-সংস্কাৰৰ অৱসান ঘটাবলৈ সক্ষম হৈছিল। ৰাজা ৰামমোহন ৰায় আছিল আধুনিক ভাৰতৰ জন্মদাতা। প্ৰাৰ্থনা সমাজে সংস্কাৰমুখী আন্দোলনৰ সৃষ্টি কৰিছিল। ৰামকৃষ্ণ মিছন প্ৰতিষ্ঠাৰ দ্বাৰা স্বামী বিবেকানন্দই ভাৰতীয়ৰ মনত স্বদেশপ্ৰেম, আত্মবিশ্বাস আৰু আধ্যাত্মিকতাৰ ভাবৰ বিকাশ ঘটাইছিল।
  - ১৮৮৫ খ্ৰীষ্টাব্দত 'ভাৰতীয় জাতীয় কংগ্ৰেছ'ৰ জন্মৰ লগে লগে ভাৰতীয় জাতীয়তাবাদে এক বাস্তৱ ৰূপ পৰিগ্ৰহ কৰিছিল।
  - ব্ৰিটিছৰ আমোলত গঢ়ি উঠা জাতীয়তাবাদৰ উত্থানত ৰজা ৰামমোহন ৰায়ৰ পিছতে বাল গংগাধৰ তিলকৰ দৰে দাদাভাই নৌৰজীয়েও স্বৰাজ প্ৰাপ্তিৰ ধাৰণাৰ গঢ় দি ভাৰতীয় সমাজলৈ প্ৰভুত বৰঙণি আগবঢ়াইছিল।

## অ নু শী ল নী

**অতি চমু/চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। ভাৰতীয় জাতীয়তাবাদৰ উন্মেষণৰ প্ৰথম (প্ৰধান) কাৰকটো কি? সময় উল্লেখ কৰি লিখা।

২। আনন্দমঠ উপন্যাসৰ ৰচয়িতা কোন?

৩। 'স্যাৰে জাহাছে আচ্ছা......' গীতৰ গীতিকাৰ কোন?

৪। ভাৰতত পোন প্ৰথম ৰেল যাতায়াত কেতিয়া ক'ত সূচনা হৈছিল?

৫। ভাৰতত পোন প্ৰথম টেলিগ্ৰাফ ব্যৱস্থা কেতিয়া ক'ত সূচনা হৈছিল?

৬। ভাৰতত পোন প্ৰথম ছপাশাল কেতিয়া ক'ত স্থাপন হৈছিল?

৭। কলিকতাৰ প্ৰেছিডেন্সি কলেজ প্ৰথমে কি নামেৰে ক'ত প্ৰতিষ্ঠা হৈছিল?

৮। লৰ্ড উইলিয়াম বেণ্টিংকৰ দুটা উল্লেখযোগ্য সমাজ সংস্কাৰৰ বিষয়ে লিখা।

৯। ভাৰতীয় সংবাদ পত্ৰৰ ইতিহাসৰ প্ৰথমখন বাতৰি কাকত কি?

**চমু/দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। চিপাহী বিদ্ৰোহে কেনেকৈ ভাৰতীয় জাতীয়তাবাদৰ উন্মেষ ঘটাইছিল চমুকৈ লিখা।

২। 'উদৰ প্ৰেৰণপত্ৰ'ৰ মূল উদ্দেশ্য কি কি আছিল লিখা।

৩। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত মুখ্য ভূমিকা লোৱা ৬টা কাৰকৰ বিষয়ে লিখা।

৪। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত পাশ্চাত্য শিক্ষাৰ চাৰিটা প্ৰভাৱৰ বিষয়ে লিখা।

৫। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত যাতায়াতৰ উন্নতিয়ে কেনেকৈ প্ৰভাৱ পেলাইছিল লিখা।

৬। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত ৰাজা ৰামমোহন ৰায়ৰ অৱদানৰ বিষয়ে লিখা।

৭। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত দয়ানন্দ সৰস্বতীৰ অৱদানৰ বিষয়ে লিখা।

৯। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত কেশৱ চন্দ্ৰ সেনৰ অৱদানৰ বিষয়ে লিখা।

১০। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত ৰামকৃষ্ণ পৰমহংসৰ অৱদানৰ বিষয়ে লিখা।

১১। ভাৰতীয় জাতীয় জাগৰণ গঢ়ি তোলাত এনি বেছাণ্টৰ অৱদানৰ বিষয়ে লিখা।

১২। 'আলিগড় আন্দোলন' কি? এই আন্দোলনে মুছলমানসকলক কেনেকৈ আধুনিক চিন্তা-চৰ্চাৰ পথ দেখুৱাইছিল লিখা।

১৩। 'বাতৰি কাকত'ৰ জন্মই কেনেকৈ ভাৰতীয়সকলৰ মাজত জাতীয়তাবাদী চিন্তাৰ উদ্ৰেক ঘটাইছিল বৰ্ণনা কৰা।

১৪। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মৰ ইতিহাস সম্পৰ্কে এটি চমু টোকা লিখা।

১৫। ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যাৱলী আৰু বিকাশ সম্পৰ্কে চমুকৈ লিখা।

তৃতীয় অধ্যায়

# মোৱামৰীয়া গণ বিদ্রোহ

**মূল আলোচ্য বিষয়**

- মোৱামৰীয়া বিদ্রোহৰ কাৰণ
- মোৱামৰীয়া বিদ্রোহৰ ঘটনাপ্রবাহ
- মোৱামৰীয়া বিদ্রোহৰ ফলাফল
- কেপ্টেইন ওৱেলছৰ অসম দেশৰ বিৱৰণ

মোৱামৰীয়া বিদ্রোহ অসমৰ ইতিহাসৰ এটা অতি গুৰুত্বপূর্ণ আর্থ-সামাজিক আৰু ৰাজনৈতিক পৰিঘটনা। আহোম ৰজা স্বৰ্গদেউ লক্ষ্মী সিংহৰ দিনতেই সূচনা হোৱা এই মোৱামৰীয়া বিদ্রোহে এটা দীঘলীয়া সময়ৰ বাবে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনক জোকাৰি গৈছিল। মানৰ আক্ৰমণৰ সময়লৈ কেইবাজনো ৰজাৰ ৰাজত্বকাল বিদ্রোহে অস্থিৰ কৰি ৰাখিছিল। প্রথমতেই আমি জানি ল'ব লাগিব এই মোৱামৰীয়াসকলনো কোন?

## ৩.১ মোৱামৰীয়াসকলৰ পৰিচয় ঃ

মোৱামৰীয়া শব্দটো আচলতে 'মায়ামৰা' শব্দৰ পৰা উৎপত্তি হোৱা যেন লাগে। 'মায়ামৰা' হৈছে এখন বৈষ্ণৱ সত্ৰৰ নাম। ই কাল সংহতিৰ অন্তর্ভুক্ত। মুখ্যতঃ মৰাণ জনগোষ্ঠীৰ লোকসকল এই সত্ৰৰ শিষ্য আছিল।

**বৈষ্ণৱ সত্ৰ হৈছে শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গঢ়ি উঠা কিছুমান ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান। শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছত তেওঁৰেই শিষ্য-প্ৰশিষ্যসকলৰ মাজত হোৱা মতভেদৰ পৰিণতিস্বৰূপে এই সত্ৰসমূহৰ চাৰিটা ভাগ বা সংহতিৰ সৃষ্টি হৈছিল। যেনে— ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতি। মায়ামৰা সত্ৰ এই কাল সংহতিৰ অন্তৰ্ভুক্ত।**

অৱশ্যে ইয়াৰ উপৰি অসমৰ অন্যান্য বহুতো জনজাতি যেনে কছাৰী, চুতীয়া, আহোম, কৈবৰ্ত্ত আদি লোকৰ মাজতো এই সত্ৰই যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। এই জনপ্ৰিয়তাৰ আঁৰত থকা এটা বিশেষ কাৰণ আছিল যে এই সত্ৰৰ সত্ৰাধিকাৰসকল আছিল শূদ্ৰ সম্প্ৰদায়ভুক্ত। গতিকে শূদ্ৰ সত্ৰাধিকাৰৰদ্বাৰা পৰিচালিত মায়ামৰা সত্ৰত তেওঁলোকে এক সুকীয়া মৰ্যাদা পাইছিল যাৰ বাবে দিনক দিনে এই সত্ৰত শিষ্যৰ সংখ্যা বাঢ়ি গৈছিল। তেওঁলোকৰ অকৃত্ৰিম গুৰুভক্তিয়ে তথা বৰ্ধিত শিষ্য সংখ্যাই মোৱামৰীয়া সত্ৰৰ লগতে ইয়াৰ মহন্তসকলৰো শক্তিৰ উত্থানত যথেষ্ট অৰিহণা যোগাইছিল। পিছলৈ সত্ৰৰ এই বাঢ়ি অহা শক্তিৰ লগত আহোম ৰাজশক্তিৰ মনোমালিন্য হোৱাটোৱেই স্বাভাৱিক। তাৰ পৰিণতিয়েই আছিল অসমৰ ইতিহাসত আটাইতকৈ দীৰ্ঘকাল জুৰি সংঘটিত হোৱা ভয়াৱহ 'মোৱামৰীয়া গণ বিদ্ৰোহ'। এই বিদ্ৰোহক গণ অভ্যুত্থান বুলি কোৱাৰ অন্যতম কাৰণ আছিল ইয়াত যোগদান কৰা অজস্ৰ সাধাৰণ প্ৰজা যাৰ ভিতৰত অধিক সংখ্যকেই আছিল সাধাৰণ কৃষক বা অন্যান্য বৃত্তিধাৰী লোক।

ওপৰৰ আলোচনাৰ পৰা আমি এটা কথা নিশ্চিত হ'লো যে মোৱামৰীয়া বিদ্ৰোহ আছিল প্ৰধানতঃ সাধাৰণ প্ৰজাৰ বিদ্ৰোহ আৰু এই বিদ্ৰোহ আছিল মুখ্যতঃ আহোম ৰাজশক্তিৰ বিৰুদ্ধে। এতিয়া আমি এই বিদ্ৰোহৰ অভ্যুত্থানৰ প্ৰধান কাৰণ, প্ৰকৃতি আৰু ফলাফল কি আছিল জানিবলৈ যত্ন কৰিম।

## ৩.২ মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ ঃ

আগতেই উল্লেখ কৰা হৈছে যে মোৱামৰীয়াৰ বিদ্ৰোহ অসম ইতিহাসৰ আটাইতকৈ দীঘলীয়া বিদ্ৰোহ। আহোম স্বৰ্গদেউ লক্ষ্মী সিংহৰ দিনত আৰম্ভ হোৱা এই বিদ্ৰোহে প্ৰায় ৩৫ বছৰ কাল (১৭৬৯ চনৰ পৰা ১৮০৫ চনলৈ) জুৰি অসমৰ ৰাজনৈতিক আৰু সামাজিক আকাশ আৱৰি আছিল। এই বিদ্ৰোহৰ অন্ত পৰিছিল স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত।

**আহোম ৰজাসকলক 'স্বৰ্গদেউ' বুলি কোৱা প্ৰথাটো সম্ভৱতঃ চুহুংমুঙৰ দিনৰ পৰা আৰম্ভ হয়। এওঁৰ দিনতেই 'শ্ৰী শ্ৰী স্বৰ্গনাৰায়ণ মহাৰাজৰ জন্ম কথা' নামৰ বুৰঞ্জী লিখি হিন্দু দেৱতা স্বৰ্গৰ অধিপতি ইন্দ্ৰৰ লগত আহোম ৰজাসকলৰ সম্পৰ্ক দেখুৱাই আখ্যানৰ সৃষ্টি হয়। সেয়েহে তেওঁ ৰজা হোৱাৰ পিছত স্বৰ্গনাৰায়ণ উপাধি গ্ৰহণ কৰে। ইয়াৰ পিছৰ পৰাই আহোম ৰজাসকলক স্বৰ্গদেউ বুলি জনা যায়।**

মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ বিশ্লেষণ কৰিলে প্ৰায় এশ বছৰ পুৰণি ইতিহাস দোহাৰিব লাগিব। এইখিনিতে কৈ থোৱা ভাল হ'ব যে গুৰুৰ প্ৰতি মোৱামৰীয়া শিষ্যসকলৰ আছিল অগাধ ভক্তি। প্ৰয়োজনত তেওঁৰ হকে প্ৰাণ বিসৰ্জন দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। মায়ামৰা সত্ৰৰ এই শিষ্যসকলে কোনো কাৰণতে গুৰুৰ বাহিৰে অন্যৰ ওচৰত মূৰ নোদোৱাইছিল। তেনে পৰিস্থিতিত গুৰুৱে নিজকে মহাশক্তিশালী আনকি স্বৰ্গদেউৰ লগতো নিজকে তুলনা কৰাৰ দুঃসাহস কৰিছিল। গতিকে ৰজা আৰু গুৰুৰ মাজৰ দ্বন্দ্ব আছিল অৱধাৰিত। এবাৰ স্বৰ্গদেউ প্ৰতাপ সিংহই (১৬০৩-১৬৪১ চন) মোৱামৰীয়া শিষ্যসকলৰ গুৰুভক্তিক উপলুঙা কৰাৰ মানসেৰে সত্ৰৰ দুজন শিষ্যক এটা ঘোঁৰাত উঠাই দি ঘোঁৰা চেকুৰাই দিলে। সন্মুখত দুখন চোকা তৰোৱাল সিহঁতৰ ডিঙিৰ সমানকৈ পঠালিকৈ বান্ধি ৰাখিলে। তেওঁ ভাবিছিল যে মোৱামৰীয়া শিষ্য দুজনে মৃত্যুৰ ভয়ত শিৰ নত কৰিবলৈ বাধ্য হ'ব। কিন্তু সকলোকে হতচকিত কৰি দুয়ো শিষ্যই শিৰশ্চেদ গ্ৰহণ কৰিলে কিন্তু নিজৰ মূৰ নোদোৱালে। এই ঘটনাই মোৱামৰীয়া মহন্তৰ মান, আত্মবিশ্বাস আৰু সাহস দুগুণ বৃদ্ধি কৰিলে।

প্ৰতাপ সিংহৰ পিছত পৰৱৰ্তী ৰজা চুৰুম্ফা ভগাৰজাৰ (১৬৪১-৪৪ চন) দিনত মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰ গুৰু নিত্যানন্দদেৱক ৰাজ আজ্ঞামতে হত্যা কৰা হৈছিল। মোৱামৰীয়াসকলে এই হত্যাকাণ্ডৰ বাবে আহোম ৰাজতন্ত্ৰকেই জগৰীয়া কৰিছিল আৰু তাৰ প্ৰতিশোধ লোৱাৰ বাবে সংকল্প লৈছিল। নিত্যানন্দদেৱৰ হত্যাৰ পিছতো আৰু কেইবাটাও ৰাজ আতিশয্যৰ প্ৰমাণ পোৱা যায়। তাৰ ভিতৰত গদাধৰ সিংহৰ নিৰ্দেশত বৈকুণ্ঠদেৱ মহন্তৰ হত্যা, ৰুদ্ৰসিংহৰ ৰাজসভাত চতুৰ্ভূজদেৱ মহন্তৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ, শিৱসিংহৰ দিনত বৰৰজা ফুলেশ্বৰীৰ নিৰ্দেশত মোৱামৰীয়া মহন্তক জোৰকৈ বলিৰ ফোট ল'বলৈ বাধ্য কৰোৱা আদিয়েই প্ৰধান। এনে ধাৰাবাহিক নিৰ্যাতনৰ পুঞ্জীভূত বেদনাৰ বহিঃপ্ৰকাশ ঘটিছিল এই মোৱামৰীয়া বিদ্ৰোহত। অৱশ্যে মোৱামৰীয়া নিৰ্যাতনৰ সৈতে অন্য কিছুমান কাৰকো সাঙোৰ খাই আছে। আমি সেইবোৰ কাৰকো চমুকৈ ফহিয়াই চোৱা দৰকাৰ।

### (ক) আহোমৰ ধৰ্মীয় নীতিৰ পৰিৱৰ্তন ঃ

আহোমসকল অসমত ৰাজত্ব কৰাৰ আৰম্ভণিৰে পৰা নিজাববীয়া ধৰ্মত বিশ্বাসী লোক আছিল। ছোমদেউ আছিল তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা। কিন্তু সময়ৰ লগে লগে তেওঁলোকে হিন্দু ধৰ্মীয় পৰম্পৰাৰ প্ৰতি আকৃষ্ট হ'বলৈ আৰম্ভ কৰিছিল। পিছলৈ জয়ধ্বজ সিংহই আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জনদেৱৰ ওচৰত শৰণ লৈ ভাগৱতী ধৰ্মৰ প্ৰতি ৰাজ অনুগ্ৰহ প্ৰদৰ্শন কৰিছিল। বিভিন্ন ঠাইত সত্ৰ স্থাপন কৰি মাটি-বাৰী, ধন-পইচা দান কৰি সত্ৰীয়া পৰম্পৰাক ৰাজধৰ্মৰ শাৰীলৈ উন্নীত কৰিছিল। যাৰ ফলত সত্ৰবোৰৰ মাজতো ৰাজ অনুগ্ৰহ লাভৰ বাবে প্ৰতিযোগিতা চলিছিল। ভিন্ন সংহতি অথবা বিভিন্ন সত্ৰৰ মাজত দ্বন্দ্ব-কাজিয়াৰ সূত্ৰপাত হ'বলৈ লৈছিল। তাৰ পিছত লাহে লাহে গদাধৰ সিংহৰ দিনত বৈষ্ণৱ সত্ৰবোৰৰ এই প্ৰতিপত্তি ৰোধ কৰিবলৈ ৰজাই ব্যৱস্থা কৰিবলৈ বাধ্য হৈছিল। সেয়েহে গদাধৰ সিংহই আহোমৰ পুৰণি ৰাজনৈতিক নীতিৰ পৰিৱৰ্তন কৰি সত্ৰৰ প্ৰতি থকা অনুকম্পা নীতিৰ ঠাইত দমন নীতিহে উপযুক্ত বুলি অনুভৱ কৰিছিল। কাৰণ গদাধৰ সিংহ সিংহাসনত উঠাৰ আগতে তেওঁ যেতিয়া ৰাজৰোষত পৰি বিভিন্ন ঠাইত পলাই ফুৰিছিল তেতিয়া বিভিন্ন সত্ৰৰ ভিতৰত প্ৰচলিত ৰাজসিক পৰম্পৰাৰ বিষয়ে জানিব পাৰিছিল। তেওঁ সত্ৰাধিকাৰসকলৰ ক্ষমতা আৰু শক্তি দেখি তবধ মানিছিল আৰু সত্ৰবোৰ একো একোখন আহোম ৰাজ্যৰ ভিতৰতে থকা সমান্তৰাল ৰাজ্য বুলি পতিয়ন গৈছিল। সেয়েহে ৰজা হৈয়ে তেওঁ সত্ৰাধিকাৰ আৰু সত্ৰৰ ক্ষমতা কৰ্তন কৰিবলৈ উঠি-পৰি লাগিছিল। গদাধৰ সিংহৰ দিনৰ পৰিৱৰ্তিত আহোম নীতিৰ সন্মুখত তিষ্ঠিব নোৱাৰি বহুকেইখন সত্ৰৰ সত্ৰাধিকাৰে সত্ৰ এৰি নিৰাপদ স্থানলৈ পলাই গৈছিল। বহুকেইজন সত্ৰাধিকাৰক ধৰি আনি ৰাজ আদেশত অবৰ্ণনীয় অত্যাচাৰ চলোৱা হৈছিল। অৱশ্যে আহোমৰ এই নীতি বেছি দিন নাথাকিল। গদাধৰ সিংহৰ পিছৰজনা ৰজা ৰুদ্ৰসিংহই এই নীতিৰ পুনৰাই পৰিৱৰ্তন সাধিছিল আৰু নিৰ্বাসিত, নিৰ্যাতিত অথবা পলাতক সত্ৰাধিকাৰসকলক পুনৰাই ঘূৰাই আনি স্বৰ্গদেৱে গড়গাঁৱৰ সমীপৰ মাজুলীত থাপিছিল। তাৰ ফলত ৰাজধানীৰ পৰা সততে সত্ৰাধিকাৰসকলৰ ওপৰত সজাগ দৃষ্টি দিব পাৰিছিল। ইমানেই নহয়, তেওঁ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱৰ ওচৰত শৰণ লৈ বামুণীয়া সত্ৰবোৰক বিশেষ মৰ্যাদা দি শূদ্ৰ সত্ৰাধিকাৰসকলৰ লগত একপ্ৰকাৰ মনোমালিন্যৰ সৃষ্টি কৰিছিল। এইদৰে ব্ৰাহ্মণ আৰু শূদ্ৰৰ মাজত বিভেদৰ বীজ সিঁচি দুয়ো বৰ্ণৰ মাজৰ মতান্তৰ বৃদ্ধিহে কৰিছিল। তাৰ পৰিণতি আমি ৰুদ্ৰসিংহৰ পিছৰজনা স্বৰ্গদেউ শিৱসিংহৰ দিনত স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ।

**এইখিনিতে কৈ থোৱা ভাল যে স্বৰ্গদেউ ৰুদ্ৰসিংহ বংগদেশৰ নদীয়াৰ পৰা কৃষ্ণৰাম ভট্টাচাৰ্য নামৰ এজন শাক্ত ব্ৰাহ্মণ পণ্ডিতক ৰাজ্যলৈ মতাই অনাইছিল। পিছলৈ পুত্ৰ শিৱসিংহই তেওঁৰ ওচৰত শৰণ লৈছিল আৰু ব্ৰাহ্মণজনক নীলাচল পাহাৰত স্থাপন কৰিছিল। তেতিয়াৰ পৰাই কৃষ্ণৰাম ভট্টাচাৰ্য আৰু তেওঁৰ উত্তৰপুৰুষসকলক 'পৰ্বতীয়া গোসাঁই' নামেৰে জনাজাত হ'ল।**

স্বৰ্গদেউ শিৱসিংহৰ দিনত বৰকুঁৱৰী ফুলেশ্বৰী ('বৰৰজা') অধিক প্ৰতিপত্তিশালী হৈ উঠিছিল। তেওঁৰ দিনত শাক্ত ধৰ্মই অধিক গা কৰি উঠিবলৈ সুবিধা পালে। এটা সময়ত ৰাজআজ্ঞামতেই শূদ্ৰ মহন্তসকলৰ ওপৰত নিৰ্যাতন চলিছিল। আনকি তেনে শিষ্যক জোৰ-জুলুমকৈ শাক্ত পূজাত ভাগ লৈ বলিৰ তেজৰ ফোট ল'বলৈ বাধ্য কৰোৱাৰ উদাহৰণ পোৱা যায়। তেনে অত্যাচাৰৰ ফলাফলেই আছিল মোৱামৰীয়া বিদ্ৰোহ।

### (খ) আৰ্থ-সামাজিক কাৰণ ঃ

মোৱামৰীয়াসকলৰ ধৰ্মীয় আৱেগত আঘাত কৰাৰ বাবেই যে মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হৈছিল তেনে নহয়; এই বিদ্ৰোহৰ অন্তৰালত অন্যান্য আনুষংগিক আৰ্থ-সামাজিক কাৰণো নিহিত হৈ আছে। আমি আগতেই পাই আহিছো যে মোৱামৰীয়া সত্ৰৰ শিষ্যসকলৰ অধিকাংশই জনজাতীয় আৰু সমাজৰ নিম্ন বৰ্গৰ লোক। সেই সূত্ৰে তেওঁলোক আহোম ৰাজ্যৰ পাইক প্ৰথাৰ জৰিয়তে শাৰীৰিক শ্ৰম আগবঢ়াবলৈ বাধ্য আছিল। ইয়াৰ উপৰি এই সত্ৰৰ শিষ্যসকল আছিল একো একোজন পাকৈত কাৰুকৰ। তেওঁলোকৰ বৃত্তি আছিল কুমাৰ, কমাৰ, চমাৰ, খনিকৰ আদি। আনকি আহোম সৈনিকসকলৰ বাবে যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, যুদ্ধৰ নাও, যুদ্ধৰ বাবে হাতী ধৰা আৰু তাৰ বাবে প্ৰশিক্ষণ দিয়া আদি সকলোবোৰ গুৰুত্বপূৰ্ণ কৰ্মতে তেওঁলোক অছিল নিপুণ। আহোম ৰাষ্ট্ৰযন্ত্ৰই তেওঁলোকৰ এই ব্যৱহাৰিক নিপুণতাৰ সকলো সুযোগ লৈছিল কিন্তু এনে সময়তে তেওঁলোকৰ ওপৰত ধাৰাবাহিকভাৱে অৰ্থনৈতিক বা সামাজিক শোষণো কৰিছিল।

আহোম ৰাজ্যৰ সকলো পুৰুষ নাগৰিকেই আছিল একো একোজন পাইক। আৰম্ভণিতে ৪ জন পাইক লগ লাগি এটা গোট গঠন কৰা হৈছিল। চাৰিজনীয়া গোটটোৰ পৰা পাল পাতি (এজন পাইকে ৩ মাহকৈ) ৰজাক কাম কৰি দিব লাগিছিল। পিছৰ ফালে অৰ্থাৎ ৰাজেশ্বৰ সিংহৰ দিনত এটা পাইক গোটৰ সদস্যৰ সংখ্যা ৩ জনলৈ হ্ৰাস কৰা হৈছিল যাৰ ফলত বছৰেকত এজন পাইকৰ খাটনী ৪ মাহলৈ বৃদ্ধি হৈছিল। গতিকে প্ৰতিজন পাইকৰ ওপৰত এমাহৰ অতিৰিক্ত বোজা বৃদ্ধি পাইছিল। যিহেতু অধিক সংখ্যক মোৱামৰীয়াই খাটি খোৱা সাধাৰণ মানুহ, তেওঁলোকে শাৰীৰিক শ্ৰমৰ এই অতিৰিক্ত বোজা গ্ৰহণ কৰিবলৈ অনিচ্ছুক হৈছিল।

**চি ন্ত নী য়**

**পাইক প্ৰথাৰ দ্বাৰা আহোম ৰাজত্বৰ দিনত কেনেকৈ শোষণ চলিছিল ভাবি চোৱা।**

পাইক শোষণৰ অন্য এক প্ৰক্ৰিয়া আছিল পাইকৰ শ্ৰেণী বিভাজন। পাইকসকলক দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগটো কাড়ী পাইক যাৰ সংখ্যাই অধিক। দ্বিতীয় ভাগটো চমুৱা পাইক। সংখ্যাত নিচেই তাকৰীয়া হ'লেও তেওঁলোক আছিল কাড়ী পাইকতকৈ মানত উচ্চ। শাৰীৰিক শ্ৰমৰ ক্ষেত্ৰত তেওঁলোকে মুদ্ৰাৰ বিনিময়ত অব্যাহতি পাইছিল। কিন্তু বিভিন্ন কাৰণত লাহে লাহে চমুৱা পাইকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত কাড়ী পাইকৰ সংখ্যা ক্ৰমাৎ কমি গৈছিল আৰু সেইবাবে তেওঁলোকৰ ওপৰত শোষণৰ বোজা বৃদ্ধি হৈছিল। ফলস্বৰূপে সামাজিক অসমতা বৃদ্ধি পাইছিল আৰু সংঘাতময় পৰিস্থিতিৰ সৃষ্টি হৈছিল।

মোৱামৰীয়া শিষ্যসকলৰ মাজতো এটা ভ্ৰান্ত ধাৰণা গঢ় লৈ উঠিছিল যে যিহেতু আহোম ৰাষ্ট্ৰযন্ত্ৰ অৰ্থনৈতিক দিশত সম্পূৰ্ণভাৱে মোৱামৰীয়াসকলৰ ওপৰত নিৰ্ভৰশীল তেনে পৰিস্থিতিত তেওঁলোকে অতি সোনকালে মোৱামৰীয়াসকলৰ লগত আপোচ কৰিবলৈ বাধ্য হ'ব। সাতে-সোতৰে মোৱামৰীয়াসকলে আহোম ৰাজত্বৰ বিৰুদ্ধে বিদ্ৰোহ কৰিয়েই তেওঁলোকৰ ওপৰত চলা দীঘলীয়া শোষণৰ অন্ত পেলাবলৈ মন স্থিৰ কৰি পেলাইছিল। মাত্ৰ বিদ্ৰোহ ঘোষণা কৰিবলৈ এটা সুযোগৰ অপেক্ষাত ৰৈ আছিল। সেই সময়খিনিতে মোৱামৰীয়া মহন্ত অষ্টভুজৰ পুত্ৰ গাগিনিয়ে যোৰহাটৰ ওচৰৰ মালৌ পথাৰত এটা বৰভেটি সাজি শিষ্যসকলৰ জনবল জানিব বিচাৰিছিল। আশা কৰা মতেই প্ৰতিজন শিষ্যই মাথোঁ এচপৰা মাটি দি বিশাল বৰভেটি সাজি তেওঁলোকৰ শক্তিৰ প্ৰমাণ দিয়াৰ লগতে ভৱিষ্যৎ বিদ্ৰোহৰো ইংগিত দিছিল।

**চি ন্ত নী য়**

**যুগে যুগে মানুহে শোষণৰ বিৰুদ্ধে দেশে দেশে সংগ্ৰাম কৰা দেখা যায়। মোৱামৰীয়া বিদ্ৰোহ তেনে এক অনন্য সংগ্ৰাম নহয়নে?**

## ৩.৩ বিদ্ৰোহৰ আৰম্ভণি ঃ

ওপৰৰ আলোচনাৰ পৰা এইটো নিশ্চিতভাৱে প্ৰতীয়মান হয় যে মোৱামৰীয়াৰ বিদ্ৰোহ হঠাৎ হোৱা বিদ্ৰোহ নহয়। আহোম ৰাষ্ট্ৰযন্ত্ৰৰ দীঘলীয়া শোষণৰ পুঞ্জীভুত বেদনাৰ ই এক বহিঃপ্ৰকাশ। উমি উমি জ্বলি থকা জুইকুৰাত ঘিউ ঢালি দিছিল ৰাষ্ট্ৰযন্ত্ৰৰ এজন প্ৰবল প্ৰতাপী বিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ জাতিদ্ৰোহী কাৰ্যকলাপে। তেওঁৰ ব্যক্তিগত আখেজ চৰিতাৰ্থ কৰাৰ প্ৰয়াসে বিদ্ৰোহৰ প্ৰক্ৰিয়াক দ্ৰুততৰ কৰি আনিলে। কীৰ্তিচন্দ্ৰ আছিল দিহিং সত্ৰৰ শিষ্য। দিহিং আৰু মোৱামৰীয়া সত্ৰৰ মাজত আছিল আক্ৰোশমূলক দ্বন্দ্ব। ফলস্বৰূপে কথাই কথাই মোৱামৰীয়া সত্ৰৰ মহন্তক কীৰ্তিচন্দ্ৰই অপমান কৰিছিল। এবাৰ স্বৰ্গদেউ

লক্ষ্মীসিংহ আৰু কীৰ্তিচন্দ্ৰ নাৱেৰে ফুৰিবলৈ গৈছিল। যাওঁতে মায়ামৰা সত্ৰৰ কাষত মহন্তই ৰজাক নমস্কাৰ জনাই সন্মান দেখুৱালে কিন্তু অভিমানী বৰবৰুৱাক কোনো সম্ভ্ৰম প্ৰদৰ্শন নকৰিলে। ইয়াতে অপমান বোধ কৰি বৰবৰুৱাই মোৱামৰীয়া মহন্তক নানান গালি-শপনি পাৰি অপমান কৰিলে। এই ঘটনাৰ কেইমাহমানৰ পিছত মোৱামৰীয়া সত্ৰৰ জনজাতীয় শিষ্য মৰাণসকলৰ নেতা নাহৰখোৱা শইকীয়া আৰু ৰাঘৱ নেওগে ৰজাঘৰলৈ বাৰ্ষিক দিব লগা কৰৰ বাবে এদল হাতী লৈ আহিছিল। তাৰে বৰবৰুৱাৰ উদ্দেশ্যে নিয়া হাতীটোৰ নানান খুঁট উলিয়াই কীৰ্তিচন্দ্ৰই তেওঁলোকক গালি-শপনি পৰাৰ উপৰি ৰাঘৱ নেওগক সৌকাৰে কোবায় আৰু নাহৰখোৱাৰ কাণ কাটি পঠিয়ালে। এইদৰে গুৰুতৰভাৱে অপমানিত হৈ দুয়ো নেতাই গুৰুৰ ওচৰলৈ গৈ প্ৰকাশ্য বিদ্ৰোহৰ বাবে তেওঁৰ অনুমতি বিচাৰিলে। ইতিমধ্যে কেইবাবাৰো অপমানিত আৰু ক্ষুব্ধ মহন্তয়ো এয়ে উপযুক্ত সময় বুলি ভাবি সকলো শিষ্যক একেলগে ৰাজদ্ৰোহ কৰাৰ অনুমতি দিলে। অৱশ্যে কোনোপধ্যেই প্ৰচলিত শাসনব্যৱস্থাৰ পৰিৱৰ্তন নকৰিবলৈ পৰামৰ্শ আগবঢ়ালে। এয়ে মোৱামৰীয়া বিদ্ৰোহৰ আৰম্ভণি।

এইখিনিতে জানি থোৱা ভাল যে আমাৰ দৰে মধ্যযুগীয়া সামন্তবাদী ৰাজ্যত বিদ্ৰোহ, বিক্ষোভ একো অস্বাভাৱিক নাছিল। কিন্তু আহোমৰ ৰাজতন্ত্ৰৰ বাঘজৰী যেতিয়ালৈকে প্ৰতাপ সিংহ, গদাধৰ সিংহ অথবা ৰুদ্ৰ সিংহৰ নিচিনা শক্তিশালী শাসকৰ হাতত আছিল বিক্ষুব্ধ হৈয়ো এইসকল প্ৰজাই বিদ্ৰোহ কৰিবলৈ সাহস কৰা নাছিল, কিন্তু ৰুদ্ৰ সিংহৰ পৰৱৰ্তী স্বৰ্গদেউসকলৰ দিনত লাহে লাহে ৰাজতন্ত্ৰ দুৰ্বল হ'বলৈ আৰম্ভ কৰিছিল। ক্ষয়িষ্ণু ৰাজতন্ত্ৰৰ সুযোগ লৈ বহুতো বিষয়া শক্তিশালী হৈ উঠাটো আছিল স্বাভাৱিক প্ৰক্ৰিয়া। যাৰ ফলত দেশত অপশাসন আৰু অৰাজকতা বৃদ্ধি হৈছিল আৰু ফলত মোৱামৰীয়া বিদ্ৰোহে মূৰ দাঙি উঠি আহোম ৰাজতন্ত্ৰক পতনৰ দিশলৈ এঢাপ আগুৱাই লৈ গৈছিল।

## ৩.৪ মোৱামৰীয়া বিদ্ৰোহৰ ঘটনাপ্ৰৱাহ ঃ

ওপৰৰ আলোচনাৰ পৰা আমি এইটো নিশ্চিতভাৱে জানিব পাৰিলো যে বহু বছৰ ধৰি মোৱামৰীয়াসকলৰ মনত অসন্তোষৰ জুই উমি উমি জ্বলি আছিল। নাহৰখোৱা আৰু ৰাঘৱ নেওগৰ প্ৰতি কীৰ্তিচন্দ্ৰ বৰবৰুৱাই কৰা দুৰ্ব্যৱহাৰে সেই জ্বলা জুইত ঘিউহে ঢালিলে। গুৰুৱেও যুগ যুগ ধৰি মোৱামৰীয়া সত্ৰৰ প্ৰতি ৰাজকুলে প্ৰদৰ্শন কৰি অহা অৱজ্ঞা আৰু নিৰ্যাতনৰ প্ৰতিশোধ লোৱাৰ বাবে উপযুক্ত সময় হোৱা বুলি ভাবি শিষ্যসকলৰ আকাংক্ষাৰ প্ৰতি সন্মতি প্ৰদান কৰে। লগে লগে আহোম ৰাজশক্তিৰ বিৰুদ্ধে প্ৰথম বৃহৎ গণবিদ্ৰোহৰো ৰাজ্যজুৰি সূচনা হয়।

মোৱামৰীয়াসকলৰ প্ৰধান উদ্দেশ্য আছিল আহোম শাসনৰ অন্ত পেলোৱা। সেয়েহে ১৭৬৯ চনৰ শেষৰফালে প্ৰায় ৭০০০ সৈন্য গোটাই বিদ্ৰোহৰ শংখধ্বনি বজালে। প্ৰথম ঢাপতে বিদ্ৰোহীসকলে মৰাণ অধ্যুষিত অঞ্চলত আহোম ৰজাৰ কৰ্তৃত্ব উপেক্ষা কৰি ৰজাৰ হৈ কাঠ কাটিবলৈ যোৱা ৰজাঘৰীয়া এটা দলক আক্ৰমণ কৰে। লগে লগে ৰজায়ো

তেওঁলোকৰ বিৰুদ্ধে ২০০০ সৈন্যৰ এটা ফৌজ পঠিয়ালে। কিন্তু যুদ্ধত ৰজাঘৰীয়া সৈন্যৰ পৰাজয় ঘটিল। জয়ত উৎসাহিত হৈ মোৱামৰীয়া বিদ্ৰোহী দললৈ অন্য আৰু বহু লোকৰ আগমন ঘটাত বিদ্ৰোহী বাহিনীৰ জনশক্তি বৃদ্ধি হ'ল। স্বৰ্গদেউ লক্ষ্মীসিংহই বিদ্ৰোহ দমনৰ বাবে প্ৰায় ১৪০০০ সৈন্যৰ এটা বিশাল ফৌজ পঠিয়ালে। নেতৃত্ব দিলে হৰনাথ ভিতৰুৱাল ফুকনে। কিন্তু এইবাৰো বিদ্ৰোহীসকলে ক্ষিপ্ৰতাৰে ৰজাঘৰীয়া ফৌজক পৰাজিত কৰিলে। আহোম সেনাপতিজনো বিদ্ৰোহীৰ হাতত বন্দী হ'ল। বিদ্ৰোহীসকল চৰাইদেউ পাহাৰ পাৰ হৈ ৰাজধানী অভিমুখে গতি কৰিলে। ৰজাই পাত্ৰ-মন্ত্ৰীসহ গুৱাহাটীলৈ পলাবলৈ যো-জা কৰোতেই মোৱামৰীয়াই ৰাজধানীত প্ৰৱেশ কৰি ৰজা আৰু প্ৰায় আটাইবোৰ মন্ত্ৰী-বিষয়াকে বন্দী কৰে। ৰজাক ধৰি আনি জয়দৌলত বন্দী কৰি ৰখা হ'ল। কীৰ্তিচন্দ্ৰ আৰু আন বহুতক হাতীশালত বন্দী কৰি থ'লে।

মোৱামৰীয়াসকলে আহোমৰ ৰাজধানী দখল কৰি নাহৰখোৱাৰ পুত্ৰ ৰমাকান্ত বা ৰমানন্দক ৰজা পাতে। ৰাঘৰ মৰাণ বৰবৰুৱা হৈ থাকে। গুৰুৰ নিৰ্দ্দেশ মতেই শাসন ব্যৱস্থাৰ কোনো পৰিৱৰ্তন নকৰি সকলো উচ্চ পদ মোৱামৰীয়াৰ দ্বাৰা পূৰণ কৰা হ'ল। যিসকল আহোম ৰাজবিষয়াই মোৱামৰীয়াৰ লগত দুৰ্ব্যৱহাৰ কৰিছিল প্ৰায় আটাইবোৰকে হত্যা কৰা হ'ল। ৰজাঘৰীয়া সত্ৰবোৰৰ ওপৰতো মোৱামৰীয়া বাহিনীয়ে অত্যাচাৰ আৰম্ভ কৰিলে। বহুতো প্ৰজাক মায়ামৰা সত্ৰৰ শিষ্যত্ব ল'বলৈ বাধ্য কৰিলে। এনে ধৰণৰ অমানৱীয় ক্ৰিয়াকাণ্ডই অতি কম দিনতেই মোৱামৰীয়াসকলক প্ৰজা সাধাৰণৰ ওচৰত অপ্ৰিয়ভাজন কৰি তুলিলে। তাৰেই সুযোগ ল'লে আহোম শাসনৰ সমৰ্থকসকলে। মাথোঁ ৫ মাহৰ ভিতৰতে মোৱামৰীয়াসকলৰ নিজৰ মাজতেই ক্ষমতাৰ বাবে খোৱাকামোৱা আৰম্ভ হৈছিল। তেনে খোৱাকামোৱাৰ সুযোগ লৈ আহোম সমৰ্থকসকলে মণিপুৰী ৰাজকুঁৱৰী কুৰঙ্গনয়নীৰ সহায়ত মোৱামৰীয়াৰ এজন প্ৰধান নেতা ৰাঘৰ মৰাণক হত্যা কৰিলে। তাৰ পিছত ৰমাকান্তসহ অন্যান্য মোৱামৰীয়া বিষয়াসকলকো হত্যা কৰি পুনৰাই ৰাজধানী উদ্ধাৰ কৰিলে। লক্ষ্মীসিংহক জয়দৌলৰ পৰা উলিয়াই আনি পুনৰাই ৰাজসিংহাসনত বহুওৱা হ'ল। এইদৰে মোৱামৰীয়া বিদ্ৰোহৰ প্ৰথম পৰ্যায়ৰ অন্ত পৰিল।

### ৩.৪.১ দ্বিতীয় বিদ্ৰোহ ঃ

প্ৰথম পৰ্যায়ৰ পিছতো মোৱামৰীয়াসকলৰ মাজত বিদ্ৰোহৰ জুইকুৰা উমি উমি জ্বলি আছিল। এই জ্বলা জুইত পুনৰাই ঘিউ ঢালিলে লক্ষ্মীসিংহৰ অমানুষিক কাৰ্যকলাপে। লক্ষ্মীসিংহৰ মৃত্যুৰ পিছতে তেওঁৰ পুত্ৰ গৌৰীনাথ সিংহৰ দিনত তেওঁলোকে পুনৰাই ৰজাক হত্যা কৰিবলৈ ষড়যন্ত্ৰত লিপ্ত হ'ল। তেওঁলোকে সুযোগ বুজি ৰজাক আক্ৰমণ কৰিলে। আনকি ৰাজধানী পৰ্যন্ত মোৱামৰীয়া বিদ্ৰোহীসকল আগুৱাই গ'ল। অৱশ্যে ঘনশ্যাম বুঢ়াগোহাঞিৰ তৎপৰতাত এইবাৰ বিদ্ৰোহীসকলে বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে। ৰংপুৰ নগৰৰ পৰাই বিদ্ৰোহীসকলক খেদি পঠিওৱা হ'ল। ইয়াৰ পিছত স্বৰ্গদেউৰ নিৰ্দেশত মোৱামৰীয়াসকলৰ ওপৰত পুনৰাই অকথ্য নিৰ্যাতন চলোৱা হৈছিল।

## চি ন্ত নী য়

**ঔপনিবেশিক ইংৰাজে স্থানীয় স্বায়ত্ত শাসনৰ দৰে সুস্থ প্ৰশাসনৰ আদৰ্শও আমাক দি যোৱা নাইনে?**

বিনা বিচাৰে বহু মোৱামৰীয়াক হত্যা কৰা হৈছিল। নিৰ্যাতনৰ পৰা হাত সাৰিবলৈ বহু মোৱামৰীয়াই নিকটৱৰ্তী কছাৰী, জয়ন্তীয়া আদি অঞ্চললৈ পলাই যাবলৈ বাধ্য হ'ল। ফলত আহোমৰ প্ৰায় আধা ৰাজ্য জনহীন হৈ পৰিল।

### ৩.৪.২ তৃতীয় বিদ্ৰোহ ঃ

ইয়াৰ পিছত সাময়িকভাৱে কিছুদিনলৈ শান্তি স্থাপন হ'লেও মোৱামৰীয়াসকলৰ প্ৰতিশোধৰ আকাংক্ষা মাৰ নগ'ল। সেই সুযোগ আহিল ১৭৮৬ চনৰ আৰম্ভণিতে। দফলা-বহতীয়াসকলৰ লগ লাগি মোৱামৰীয়াসকলে পুনৰাই আহোমৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। কেইবাটাও সংঘৰ্ষত তেওঁলোকে আহোম ৰাজসৈন্যক পৰাজিত কৰি ৰাজধানীৰ ওচৰ পোৱাত উপায়হীন হৈ স্বৰ্গদেউ গৌৰীনাথ সিংহ ১৭৮৮ চনৰ ১৯ জানুৱাৰীত ৰাজধানী এৰি গুৱাহাটীলৈ বুলি যাত্ৰা কৰে। মোৱামৰীয়াই ৰাজধানী দখল কৰি মোৱামৰীয়া মহন্তৰ এগৰাকী আত্মীয় ভৰত সিংহক ৰজা পাতে। অৱশ্যে কৈ থোৱা ভাল হ'ব যে ইতিমধ্যেই আহোম শাসনতন্ত্ৰত এটা উল্লেখনীয় পৰিৱৰ্তন হৈছিল। ঘনশ্যাম বুঢ়াগোহাঁইৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ লাড়ি গোহাঁই বুঢ়াগোহাঁইৰ পদত অধিষ্ঠিত হৈছিল। তেৱেঁই পূৰ্ণানন্দ বুঢ়াগোহাঁই নামে জনাজাত, যাৰ বুদ্ধি, বিক্ৰম আৰু কৰ্তব্যনিষ্ঠাই অসম বুৰঞ্জীত বিশেষ স্থান দখল কৰি আছিছে। তাকৰীয়া সৈন্যৰেই বুঢ়াগোহাঁইয়ে ৰাজ্যৰ বাকী অংশ ৰক্ষা কৰিবলৈ চেষ্টা চলাই গৈছিল। নিৰাপত্তাৰ খাতিৰত সময়ে সময়ে তেওঁ সৈন্যৰ কোঠ পিছুৱাই আনি যোৰহাট পৰ্যন্ত পিছুৱাই আহিছিল আৰু পিছলৈ তাতেই আহোমৰ ৰাজধানীও প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত বহু আহোম লোকে মোৱামৰীয়াৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি মোৰমৰীয়াৰ সৈতে যোগ দি আত্মৰক্ষাৰ কথাও ভাবিছিল। কিন্তু বুঢ়াগোহাঁইয়ে তেওঁলোকক তেনে কৰাৰ পৰা বিৰত ৰাখিবলৈ সক্ষম হৈছিল। তেওঁ গাঁৱৰ মানুহখিনিক যুদ্ধৰ শিক্ষা দি মোৱামৰীয়াৰ বিৰুদ্ধে ৰণলৈ পঠাইছিল। এই বিপদকালত বুঢ়াগোহাঁইয়ে পক্ষীয়ে পোৱালিক ডেউকাৰ আঁৰত ৰখাৰ দৰে প্ৰজাক ৰক্ষা কৰিছিল বুলি জনা যায়।

যি কি নহওক ৰজাঘৰীয়া অত্যাচাৰেই হওক বা মোৱামৰীয়াৰ অত্যাচাৰেই হওক দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণৰ লেখীয়াকৈ সৰ্বসাধাৰণ প্ৰজাৰ কুলাই-পাচিয়ে নধৰা বিলায়-বিপত্তি হৈছিল। ঘৰ-দুৱাৰ, খেতি-বাতি নষ্ট কৰি পেলোৱাৰ ফলত দেশত প্ৰচণ্ড আকাল বা দুৰ্ভিক্ষই দেখা দিছিল। আহোম ৰাজশক্তিৰ এনে বিপৰ্যৰ সুযোগ লৈ সমগ্ৰ ৰাজ্যতে

অন্যান্য সৰু-ডাঙৰ বিদ্ৰোহে মূৰ দাঙি উঠিছিল। দৰঙৰ ৰজাই আহোমক দিবলগীয়া কৰ দিবলৈ অমান্তি হৈছিল। কামৰূপৰ হৰদত্ত চৌধুৰীয়ে বংগদেশৰ পৰা অনা 'বৰকান্দাজ' নামৰ ভেৰোণীয়া সৈন্যৰ লগলাগি বিদ্ৰোহ ঘোষণা কৰিছিল। সিফালে উজনিত সৰ্বানন্দনামৰ মোৰমৰীয়া নেতা এজনে নিজকে স্বাধীন ঘোষণা কৰি নিজৰ নামত মোহৰ মাৰিছিল। মুঠতে এইধৰণৰ সৰু-বৰ বিভিন্ন ৰক্তাক্ত বিদ্ৰোহৰ পৰিণতিত আহোম ৰাজ্য চেদেলি-ভেদেলি হৈ গৈছিল।

### ৩.৪.৩ ইংৰাজৰ আক্ৰমণ ঃ

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হ'ল যে মোৱামৰীয়া প্ৰজা বিদ্ৰোহে সমগ্ৰ আহোম ৰাজ্যত এটা প্ৰচণ্ড জোকাৰণি তুলিছিল। যাৰ পৰিণতিত ৰাজতন্ত্ৰৰ ভেটিয়েই উফৰি পৰাৰ উপক্ৰম হৈছিল। এনে এটা ভয়ানক ৰাজনৈতিক ভূমিকম্পৰ পৰা ৰক্ষা পৰিবলৈ আভ্যন্তৰীণভাৱে আহোম শাসনতন্ত্ৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল আৰু তাৰ ফলত তেওঁলোকে বংগদেশত থকা ইংৰাজৰ ইষ্ট ইণ্ডিয়া কোম্পানিৰ ওচৰত সামৰিক সাহায্য ভিক্ষা কৰিবলৈ বাধ্য হৈছিল। ইংৰাজেও এনে এক সুযোগৰ অপেক্ষাতেই আছিল। সেয়েহে আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই যেতিয়া মোৱামৰীয়া বিদ্ৰোহ আৰু বংগৰ বৰকান্দাজসকলে সঘনাই কৰা অত্যাচাৰৰ পৰা ৰাজ্যৰ প্ৰজাসাধাৰণক উদ্ধাৰ কৰিবলৈ ইংৰাজৰ ওচৰত আবেদন জনালে তেতিয়া কোম্পানিৰ চৰকাৰে সহজেই সামৰিক অভিযান পঠাবলৈ মান্তি হৈছিল। এই অভিযানৰ প্ৰধান উদ্দেশ্য আছিল অসমৰ বিষয়ে বিতং খা-খবৰ আৰু তথ্যপাতি সংগ্ৰহ আৰু লগতে বৰকান্দাজ আৰু মোৱামৰীয়াৰ বিদ্ৰোহ দমন কৰি আহোম ৰজাক পুনৰাই সিংহাসনত প্ৰতিষ্ঠা কৰা। এই সামৰিক অভিযানৰ নেতৃত্ব দিছিল কেপ্তেইন থমাছ ওৱেলছে। সামৰিক বাহিনীটোৱে ১৭৯২ চনৰ নৱেম্বৰ মাহৰ মাজভাগৰ পৰা ১৭৯৪ চনৰ মে' মাহলৈ অসমত আছিল।

**মন কৰা যে অসমলৈ ইংৰাজৰ প্ৰথম আগমন আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ আমন্ত্ৰণত ১৭৯২ চনত হৈছিল।**

### ৩.৪.৪ গুৱাহাটী অধিকাৰ ঃ

আমি আগতেই পাই আহিছো যে আহোম ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ নামনি অসমত বহুকেইজন কৰতলীয়া ৰজাই আহোমৰ বশ্যতা ওফৰাই দিছিল। দৰঙৰ ৰজা কৃষ্ণনাৰায়ণৰ বিদ্ৰোহ, উত্তৰ কামৰূপত হৰদত্ত চৌধুৰীৰ বিদ্ৰোহৰ প্ৰতাপত গৌৰীনাথ সিংহই নগাঁৱত আশ্ৰয় লৈছিল। কিন্তু নগাঁৱতো সিন্ধুৰা হাজৰিকাৰ নেতৃত্বত চলা বিদ্ৰোহৰ বাবে স্বৰ্গদেউ

পুনৰাই গুৱাহাটীলৈ পলাই আহিছিল। গুৱাহাটীৰ আশ্ৰয়ো বৰ সুখকৰ নহ'ল। বৈৰাগী ৰজাৰ নেতৃত্বত কৈৱৰ্ত সম্প্ৰদায়ৰ কিছুমান মানুহে গুৱাহাটীত থকা স্বৰ্গদেউৰ আশ্ৰয়গৃহটোত জুই লগাই দিয়াত তেওঁ গুৱাহাটীৰ পৰা পুনৰাই পলাবলগীয়া হ'ল। ব্ৰহ্মপুত্ৰৰে ভটিয়াই যাওঁতে আদবাটতে তেওঁ বংগৰপৰা আহি থকা কেপ্তেইন ওৱেলছক লগ পাই তেওঁৰ ভৰসাতে আকৌ গুৱাহাটীলৈ উভতি আহে আৰু ওৱেলছৰ সহায়ত পুনৰাই গুৱাহাটী অধিকাৰ কৰে। বৈৰাগী ৰজা আৰু তেওঁৰ অনুগামীসকলক বন্দী কৰা হ'ল। দৰঙৰ ৰজা কৃষ্ণনাৰায়ণ আৰু তেওঁৰ ভেৰোণীয়া সৈনিকৰ দল বৰকান্দাজসকলকো যুদ্ধত পৰাস্ত কৰা হ'ল। হৰদত্ত চৌধুৰীৰ বিদ্ৰোহ দমন কৰি তেওঁলোকক আহোমৰ কৰতলীয়া ৰজা হিচাপে পুনৰ স্বীকৃতি দিয়া হ'ল। দৰঙীয়া আৰু কামৰূপীয়া বিদ্ৰোহ আৰু বৰকান্দাজ সমস্যাৰ অন্ত পেলাই ওৱেলছে উজনিত আহোম ৰাজ্য নিষ্কণ্টক কৰাৰ মানসেৰে ৰংপুৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। কাৰণ ইতিমধ্যেই আহোম ৰজা গৌৰীনাথ সিংহ আৰু কেপ্তেইন ওৱেলছৰ মাজত এখন বাণিজ্যিক চুক্তি স্বাক্ষৰিত হৈছিল। ১৭৯৩ চনৰ ৮ ফেব্ৰুৱাৰীত স্বাক্ষৰিত হোৱা এই চুক্তিমতে,

(১) ইংৰাজৰ অধীনস্থ যিকোনো ঠাইৰ পৰা অসমলৈ আমদানি হোৱা সামগ্ৰীৰ ওপৰত ১০ % কৰ ধাৰ্য কৰা হ'ল।

(২) অসমৰ পৰা ইংৰাজৰ অধীনৰ যিকোনো প্ৰান্তলৈ ৰপ্তানি কৰা সামগ্ৰীৰ ওপৰতো সমপৰিমাণৰ অৰ্থাৎ ১০ % কৰ ধাৰ্য কৰা হ'ল।

(৩) ধান আৰু চাউলৰ ওপৰত কোনো কৰ নাথাকিব।

(৪) গুৱাহাটী আৰু কান্দাহাৰত দুটা শুল্ক চকী স্থাপন কৰি ৰপ্তানি আৰু আমদানি কৰ আৰোপ কৰাৰ ব্যৱস্থা কৰা হ'ল।

(৫) ইংৰাজৰ বাহিৰে আন ইউৰোপীয় বেপাৰীয়ে ইংৰাজ আৰু আহোম চৰকাৰৰ বিনা অনুমতিত অসমত বেহা-বেপাৰ কৰিব নোৱাৰিব।

এই চুক্তিখনৰ স্বাৰ্থতেই উজনিৰ মোৱামৰীয়াসকলক দমন কৰি আহোম শাসনৰ পুনৰ প্ৰতিষ্ঠা কৰাটো এক প্ৰকাৰ জৰুৰী হৈ পৰিছিল। সকলো কথা গমি ওৱেলছে গৱৰ্ণৰ জেনেৰেলক ছয়টা নতুন কোম্পানি ফৌজ পঠাবলৈ অনুৰোধ কৰিছিল। গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছে পৰিস্থিতিৰ গুৰুত্ব বুজি ওৱেলছৰ পত্ৰৰ সহাঁৰি জনাই অতিৰিক্ত ফৌজ পঠাই দিছিল।

ইয়াতে আমি জানি থোৱা ভাল হ'ব যে ইমানদিনে অৰ্থাৎ ১৭৮৬ চনৰ পৰাই বুঢ়াগোহাঞি পূৰ্ণানন্দ ডাঙৰীয়াই অশেষ কষ্টেৰে যোৰহাটৰ বাহিৰতে মোৱামৰীয়াসকলৰ গতিৰোধ কৰি আছিল। এতিয়া ওৱেলছৰ নেতৃত্বত অহা নতুন বৃটিছ ফৌজে আহোমৰ সৈন্যৰ মনোবল বহুগুণে বৃদ্ধি কৰিলে। বৃটিছ আৰু আহোমৰ সৈন্যৰ যুটীয়া আক্ৰমণত মোৱামৰীয়াসকল তিষ্ঠিব নোৱাৰি ৰংপুৰ এৰি পলাই যাবলৈ বাধ্য হ'ল। ভালেমান মোৱামৰীয়াৰ মৃত্যু হ'ল। ৰজা ভৰতসিংহও বেয়াকৈ ঘুণীয়া হ'ল আৰু কোনোমতে প্ৰাণ

লৈ পলাই গ'ল। ৰংপুৰ পুনৰাই বিদ্ৰোহীৰ কবলৰ পৰা উদ্ধাৰ হ'ল। ১৭৯৪ চনৰ ২১ মাৰ্চৰ দিনা গৌৰীনাথ সিংহই ৰাজধানীত প্ৰৱেশ কৰে।

**চি ন্ত নী য়**

**সুবিধাবাদী ইংৰাজে কেনেকৈ আহোম ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ অসমত খোপনি পুতিছিল মন কৰা।**

?

ইতিমধ্যে কোম্পানিৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছৰ উত্তৰসুৰী হিচাপে ছাৰ জন ছোৰে (Sir Jhon Shore) নতুন নীতি গ্ৰহণ কৰে। এই নতুন নীতি আছিল **পৰৰাজ্যত হস্তক্ষেপ বিৰোধী নীতি**। তেওঁ দৃঢ়তাৰে এই নীতি কাৰ্যকৰী কৰিব বিচাৰিছিল। সেইবাবে অতি সোনকালে ওৱেলছক প্ৰত্যাৱৰ্তন কৰিবলৈ নিৰ্দেশ দিলে। সেয়েহে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ লগতে অন্যান্য আহোম ডা-ডাঙৰীয়াসকলে বাৰম্বাৰ অনুৰোধ কৰা সত্বেও ওৱেলছে আধাতে অভিযান সামৰি ঘূৰি যাবলৈ সিদ্ধান্ত ল'লে। ওভতাৰ পথত তেওঁ মোৱামৰীয়াৰ কেইবাটাও কোঠ ভাঙি জুই লগাই ধ্বংস কৰিছিল। ১৭৯৪ চনৰ ৩ জুলাইত ওৱেলছে সৈন্যসহ গোৱালপাৰাত উপস্থিত হয়।

### ৩.৪.৫ চতুৰ্থ বিদ্ৰোহ ঃ

কেপ্তেইন ওৱেলছৰ প্ৰত্যাৱৰ্তনৰ পিছতেই দেশত আকৌ অৰাজকতাৰ সৃষ্টি হৈছিল। মোৱামৰীয়াসকলে পুনৰাই ৰংপুৰ দখল কৰে। বাধ্য হৈ স্বৰ্গদেৱে যোৰহাটলৈ ৰাজধানী স্থানান্তৰ কৰে। কাৰণ যোৰহাট নগৰখন পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ চেষ্টাত অধিক সুৰক্ষিত আছিল। দেশত চলি থকা এনে ৰাজনৈতিক অস্থিৰতাৰ সময়তেই ১৭৯৫ চনত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ মৃত্যু হয়। এই সময়ছোৱাত পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে আহোম ৰাজ্যৰ প্ৰবল শক্তিশালী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। তেৰেঁই চাৰিং ৰজা কদম দীঘলা গোহাঞিৰ পুত্ৰ কিনাৰামক গৌৰীনাথ সিংহৰ উত্তৰাধিকাৰী হিচাপে বাছনি কৰিছিল। তেওঁ হিন্দুমতে কমলেশ্বৰ সিংহ আৰু আহোম মতে চুক্লেনফা নাম লয় (১৭৯৫-১৮১০ চন)। এইজন ৰজাৰ দিনতো মোৱামৰীয়াসকলে পুনৰ বেলেগ বেলেগ ঠাইত বিদ্ৰোহ কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰে ফোপাই নামৰ এজন ব্যক্তিৰ নেতৃত্বত ডফলা-বহতীয়াসকলে বিদ্ৰোহ কৰে। মোৱামৰীয়া মহন্ত পিতাম্বৰদেৱো তেওঁলোকৰ লগত যোগ দিছিল। কিন্তু বুঢ়াগোহাঞিয়ে সফলতাৰে তেওঁলোকৰ অগ্ৰগতি ৰোধ কৰে আৰু মোৱামৰীয়া মহন্তক বন্দী কৰি যোৰহাটলৈ লৈ যায়। উত্তৰ লক্ষীমপুৰতো জাৱৰ নামৰ এজন ব্যক্তিৰ নেতৃত্বত কিছুসংখ্যক মোৱামৰীয়াই বিদ্ৰোহ আৰম্ভ কৰে। কিন্তু বুঢ়াগোহাঞিৰ তৎপৰতাত কঠোৰ হাতেৰে সেই বিদ্ৰোহ দমন কৰা হয়। পূবফালে বেংমৰাত ভৰত সিংহৰ নেতৃত্বত এদল মোৱামৰীয়াই চিংফৌ আৰু খামতিসকলৰ সৈতে লগ হৈ বিদ্ৰোহ ঘোষণা কৰে (১৮০১

চন)। কিন্তু এইবাৰো ৰজাঘৰীয়া সৈন্যই বিদ্ৰোহীসকলক দমন কৰাত সফল হ'ল। যুদ্ধত ভৰতসিংহৰ মৃত্যু হয়। ১৮০৫ চনত কাছাৰতো কিছুসংখ্যক মোৱামৰীয়াই বিদ্ৰোহ কৰিছিল। তেওঁলোকৰ নেতৃত্বত আছিল ৰাজেশ্বৰ সিংহৰ ভগনীয়া পুত্ৰ বিজয় বৰমুৰাগোহাঞি। কছাৰী ৰজা কৃষ্ণচন্দ্ৰয়ো এইসকল বিদ্ৰোহীক প্ৰথমে সহায় কৰিছিল। প্ৰথমাৱস্থাত বিদ্ৰোহী বাহিনীয়ে কিছু সফলতা লাভ কৰিছিল। কিন্তু এইবাৰো পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ বিচক্ষণতাত অন্য এক বিপদৰ পৰা আহোম ৰাজ্য ৰক্ষা পৰিছিল। তেওঁ কূটনীতিৰে কছাৰী ৰজা কৃষ্ণচন্দ্ৰক মোৱামৰীয়াসকলৰ পৰা আঁতৰাই ৰাখিলে। ফলত দ্বিতীয়খন যুদ্ধত মোৱামৰীয়াসকলক দমন কৰিলে।

ভৰতসিংহৰ মৃত্যুৰ পিছত বেংমৰাত মোৱামৰীয়াসকলে পুনৰাই বিদ্ৰোহ কৰে। এইবাৰ তেওঁলোকৰ নেতৃত্ব লৈছিল সৰ্বানন্দ সিংহই। তেওঁলোকক সহযোগ কৰিছিল চিংফৌসকলে। আনকি এই **চিংফৌসকলৰ জৰিয়তে তেওঁলোকে মানৰ লগত সু-সম্পৰ্ক গঢ়ি তুলিছিল আৰু মানৰ ক্ৰমে মিত্ৰ হৈ পৰিছিল।** কিন্তু মানৰ লগত থকা মোৱামৰীয়াৰ শেহতীয়া বুজাবুজি দেশৰ কাৰণে মংগলজনক নহয় বুলি বুঢ়াগোহাঞিয়ে হাড়ে-হিমজুৰে বুজি পাইছিল আৰু সেইবাবে যথাসম্ভৱ সোনকালে মোৱামৰীয়া বিদ্ৰোহৰ স্থায়ী সমাধান কৰিবলৈ বিচাৰিছিল। পূৰ্ণানন্দই বুজি উঠিছিল যে মোৰমৰীয়াসকলৰ ভিতৰত মৰাণসকলেই সবাতোকৈ শক্তিশালী আৰু সংখ্যাগৰিষ্ঠ। সেয়েহে তেওঁলোকক সন্তুষ্ট কৰাটো অত্যন্ত জৰুৰী। তেওঁ মোৱামৰীয়া নেতা সৰ্বানন্দৰ লগত এখন চুক্তি কৰি (১৮০৫) বেংমৰাক কেন্দ্ৰ কৰি (বৰ্তমানৰ তিনিচুকীয়া) ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ মাজৰ ভূ-খণ্ড 'মটক ৰাজ্য' নাম দি এখন নতুন স্বতন্ত্ৰ ৰাজ্য স্থাপন কৰিলে। সৰ্বানন্দয়ো বছৰি কৰ সোধাবলৈ মান্তি হৈছিল। ইয়াৰ পিছত মোৱামৰীয়াসকলে আহোমৰ বিৰুদ্ধে পুনৰ বিদ্ৰোহ কৰা নাছিল।

**চি ন্ত নী য়**

**পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মটক ৰাজ্য স্থাপনৰ নীতি বৰ্তমান অসমৰ স্বায়ত্ত শাসন নীতিৰ লগত মিল আছে নেকি ?**

**৩.৫ বিদ্ৰোহৰ ফলাফল ঃ**

**(ক) ৰাজনৈতিক ফলাফল ঃ** এই বিদ্ৰোহৰ ৰাজনৈতিক ফলাফল আছিল অত্যন্ত বিষময়। প্ৰায় তিনিটা দশক জুৰি হোৱা দীঘলীয়া গৃহযুদ্ধৰ অন্তত আহোম ৰাজতন্ত্ৰ আৰু আহোম ৰাজ্য দুয়োটাই চেদেলি-ভেদেলি হৈ মৃত্যুক্ষণ গণিছিল। বিদ্ৰোহ দমনত ব্যৰ্থ আহোম শাসনতন্ত্ৰক সহায়ৰ হাত আগবঢ়াই একপ্ৰকাৰ ইংৰাজসকলে অসমত খোপনি

পোতাৰ প্ৰথম প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এই অভিযানৰ সুযোগ লৈ ওৱেলছে অসমৰ বিষয়ে বিতং তথ্য আহৰণ কৰি তাৰ এটা গুৰুত্বপূৰ্ণ প্ৰতিবেদন প্ৰস্তুত কৰি কোম্পানি চৰকাৰলৈ প্ৰেৰণ কৰিছিল। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই পিছলৈ কোম্পানি চৰকাৰে অসম সম্পৰ্কত সকলো ৰাজনৈতিক নীতি নিৰ্ধাৰণ কৰিছিল যাৰ পৰিণতি কিমান ভয়াৱহ আছিল তোমালোকে ইয়াৰ পিছৰ অধ্যায়টোত ভালকৈয়ে বুজিব পাৰিবা।

মোৱামৰীয়া বিদ্ৰোহৰ অন্য এক ঋণাত্মক পৰিণতি আছিল আহোম শাসনতন্ত্ৰৰ অৱনতি। আহোম শাসন ব্যৱস্থা আছিল মধ্যযুগীয়া সামন্ততান্ত্ৰিক শাসন ব্যৱস্থা। এই ব্যৱস্থাত ৰজা আছিল প্ৰশাসনৰ মুৰব্বী আৰু অন্যান্য বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰগোহাঁই, বৰবৰুৱা, বৰফুকন, ফুকন, শইকীয়া, বৰা আদি পদবীবোৰ আছিল ৰজাৰ আজ্ঞাবাহী বিষয়া। কিন্তু ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ এনেধৰণৰ মন্ত্ৰী-বিষয়াবোৰ মাজে-সময়ে শক্তিশালী হৈ উঠিছিল। স্বৰ্গদেউ শিৱসিংহৰ দিনৰ পৰাই আহোম ৰজাসকলৰ দুৰ্বলতাৰ সুযোগ লৈ মন্ত্ৰী-আমোলাসকল শক্তিশালী হ'বলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ বেছিভাগেই ব্যক্তিগত স্বাৰ্থত কাম কৰিবলৈ লোৱাৰ ফলত প্ৰজাসাধাৰণৰ মনত অশান্তিৰ ভাব সৃষ্টি হৈছিল। পিছলৈ অৰ্থাৎ লক্ষ্মীসিংহ বা তাৰ পৰৱৰ্তী ৰজাসকলৰ দিনত এইসকল স্বাৰ্থপৰ বিষয়াৰ উপদ্ৰৱ বাঢ়ি যোৱাত ৰাজ্যত জনতাৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল। প্ৰজাৰ আস্থা লাহে লাহে আহোমৰ শাসনৰ ওপৰত নোহোৱা হৈ গৈছিল। বহুতে আকৌ জীৱন আৰু নিৰাপত্তাৰ খাতিৰত বিদ্ৰোহী বাহিনীত যোগ দিছিল। কিন্তু মোৱামৰীয়াসকলৰ মাজতো এটা কেন্দ্ৰীভূত শাসনব্যৱস্থা গঢ়ি উঠা নাছিল। শাসন ক্ষমতা দখল কৰাৰ পিছত তেওঁলোকৰ নিজৰ মাজতে ক্ষমতাক লৈ অৰিয়া-অৰি হৈছিল। যাৰ ফলত সমান্তৰালভাৱে কেইবাজনো শাসকে কেইবাঠাইতো নিজৰ নিজৰ শাসন চলাইছিল। তাৰোপৰি মোৱামৰীয়াসকলেও এটা নতুন শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা নাছিল। পুৰণি শাসন ব্যৱস্থাকে বাহাল ৰখাত সাধাৰণ প্ৰজাই পৰিৱৰ্তনৰ কোনো আভাস পোৱা নাছিল। শাসন ব্যৱস্থাৰ পৰিৱৰ্তন নোহোৱা হেতু তেওঁলোকৰ আস্থা ৰাজতন্ত্ৰৰ ওপৰত দিনক দিনে কমি আহিছিল। আহোম আৰু মোৱামৰীয়াৰ শাসনৰ প্ৰতি জনসাধাৰণৰ মনত জাগ্ৰত হোৱা অনাস্থাই দেশখনক এটা তৃতীয় বিকল্পৰ দিশে আগুৱাই লৈ গৈছিল। **এই তৃতীয় বিকল্প কি আছিল ইয়াৰ পিছৰ অধ্যায়টো পঢ়া আৰু অনুধাৱন কৰিবলৈ চেষ্টা কৰা।**

**(খ) আৰ্থ-সামাজিক ফলাফল ঃ** মোৱামৰীয়া বিদ্ৰোহে অসমৰ আৰ্থিক আৰু সামাজিক ক্ষেত্ৰখনক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছিল। দীঘলীয়া বিদ্ৰোহৰ সময়ছোৱাত দুয়োপক্ষৰ যুদ্ধংদেহী মনোভাৱে প্ৰকাশ্যভাৱে সাধাৰণ জনতাৰ ওপৰত আতিশয্য বৃদ্ধি কৰিছিল। মোৱামৰীয়াসকলে যেনেদৰে ৰজাঘৰীয়া সমৰ্থক আৰু তেওঁলোকৰ জীৱন আৰু সম্পত্তি হেলাৰঙে ধ্বংস কৰিছিল ঠিক একেদৰে ৰজাৰ সৈন্যসকলেও দোষী-নিৰ্দোষী বিচাৰ নকৰি ল'ৰা-বুঢ়া-তিৰোতা নিৰ্বিশেষে বহু লোকক হত্যা, নিৰ্যাতন, নিৰ্বাসন আদি দণ্ডেৰে দণ্ডিত কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। দুয়োপক্ষৰ চূড়ান্ত আতিশয্যৰ ফলস্বৰূপে বহুতো লোক ঠাই এৰি হাবি-বননি, পৰ্বত-পাহাৰলৈ অথবা অন্য চুবুৰীয়া ৰাজ্যলৈ পলাই যাবলগীয়া

হৈছিল। দুয়োপক্ষই পৰস্পৰৰ ঘৰ আৰু খেতিপথাৰ জ্বলাই দিয়াৰ ফলত দেশত দুৰ্ভিক্ষ হোৱাটো সাধাৰণ ঘটনাত পৰিণত হৈছিল। মোৱামৰীয়া বিদ্ৰোহ প্ৰতিৰোধ কৰি থকা বৰগোহাঞিৰ সৈন্য বাহিনীয়ে যুদ্ধত ব্যৱহৃত হোৱা ঘোঁৰা, হাতী আদি মাৰি খাইহে জীয়াই থাকিবলগীয়া হৈছিল বুলিও কথিত আছে। তদুপৰি মোৱামৰীয়াসকলৰ এটা বৃহৎ অংশৰ লোক খেতিয়ক হোৱাৰ উপৰি তেওঁলোকৰ বিভিন্ন ব্যৱহাৰিক শিল্পকৰ্মৰ দক্ষতা আছিল। এনে দক্ষ লোকসকলৰ বেছিভাগেই বিদ্ৰোহত হয় মৃত্যুমুখত পৰিছিল নতুবা চিৰকালৰ বাবে ঘূণীয়া হৈ গৈছিল। সোণ আৰু অস্ত্ৰ-শস্ত্ৰৰ উৎপাদন কমি গৈছিল। তাৰ কুপ্ৰভাৱ পৰিছিল দেশৰ অৰ্থনৈতিক ব্যৱস্থাত। কাৰণ অসমৰ ব্যৱসায়-বাণিজ্যৰ সৰহভাগ আমদানি-ৰপ্তানি টকাতকৈ সোণ আৰু লোণৰ বিনিময়েৰেহে হৈছিল।

মোৱামৰীয়া বিদ্ৰোহৰ অন্য এক কাৰণ আছিল হিন্দু ধৰ্মৰ ব্ৰাহ্মণ্যবাদ আৰু মহাপুৰুষীয়া বৈষ্ণৱপন্থাৰ বিভেদ। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পৰৱৰ্তী কালৰ প্ৰায় আটাইবোৰ আহোম ৰজাই আছিল ব্ৰাহ্মণ্যবাদী শাক্ত পৰম্পৰাত বিশ্বাসী। গতিকে সময়ে সময়ে শাসকসকলেও বৈষ্ণৱবাদী মহাপুৰুষীয়া সম্প্ৰদায়ভুক্ত সত্ৰ আৰু তেনেবোৰ সত্ৰৰ শিষ্যসকলৰ প্ৰতি পক্ষপাতিত্বমূলক আচৰণ কৰা দেখা যায়। বিদ্ৰোহে এই বিভেদমূলক আচৰণ হ্ৰাস কৰাতকৈ বৃদ্ধিহে কৰিছিল; যাৰ ফলত সামাজিক বিচ্ছিন্নতা অধিক বৃদ্ধি হৈছিল। তেনেদৰে ৰজাঘৰীয়া সমৰ্থকে মোৱামৰীয়া সত্ৰবোৰৰ ওপৰত হকে-বিহকে অত্যাচাৰ কৰিছিল। তাৰ বিপৰীতে মোৱামৰীয়া বিদ্ৰোহীসকলে ব্ৰাহ্মণ্য সত্ৰকো ধ্বংস কৰিছিল। এনেকুৱা বিচ্ছিন্ন জাতি এটা যে বৈদেশিক আক্ৰমণৰ বলি হ'ব সেইটো ঐতিহাসিক সত্য।

**পৰৱৰ্তী কালত মানৰ আক্ৰমণ বা ইংৰাজসকলৰ সম্প্ৰসাৰণ নীতিৰ ফলত আহোম ৰাজবংশৰ পতনৰ লগতে অসম দেশ ইংৰাজৰ অধীন হ'ব লগা হৈছিল।**

**(গ) মটক ৰাজ্য সৃষ্টি ঃ** মোৱামৰীয়া বিদ্ৰোহৰ সময়ছোৱাত কেইবাজনো বিদ্ৰোহী নেতাই পৃথক পৃথক ভূ-খণ্ডত সামন্তীয় শাসন চলোৱাৰ সুযোগ পাইছিল। তাৰ ভিতৰত ডেকা-মহন্ত গাগিনি, ৰমানন্দ, ৰাঘৱ নেওগ, পিতাম্বৰ, ভৰতসিংহ, সৰ্বানন্দ আদি নেতাসকলৰ নাম প্ৰধানকৈ ল'ব পাৰি। বেংমৰা, মাজুলী, নগাওঁ, কামৰূপ আদি সকলো ঠাইতে মোৱামৰীয়া নেতাসৰে সামন্তীয় ভূস্বামী হিচাপে নিজকে প্ৰতিস্থা কৰিছিল। বেংমৰাৰ মোৱামৰীয়াসকলে কূটনৈতিকভাৱে সৰ্বানন্দৰ নেতৃত্বত দুবাৰকৈ মান সৈন্যৰ সহায় লোৱাৰ কৌশল অৱলম্বন কৰিছিল। অৱশ্যে দুয়োবাৰতে আহোমসকলে বুদ্ধিমত্তাৰে তেওঁলোকক খেদি পঠিয়াইছিল। কিন্তু পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে বিষয়টো গভীৰভাৱে গ্ৰহণ কৰি যথাসম্ভৱ সোনকালে মোৱামৰীয়া বিদ্ৰোহৰ অন্ত পেলাবলৈ বিচাৰিছিল। সেয়েহে সোনকালেই তেওঁ সৰ্বানন্দৰ লগত এখন চুক্তি কৰি মটক ৰাজ্য গঠন কৰে আৰু তাত

সৰ্বানন্দক কৰতলীয়া শাসক হিচাপে 'বৰসেনাপতি' নিযুক্ত কৰা হয়। চুক্তিমতে বেংমৰা (বৰ্তমান তিনিচুকীয়া)ক কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰ আৰু দিহিং নদীৰ মাজৰ ভূ-খণ্ডত নতুন মটক ৰাজ্য গঠন কৰিলে। সৰ্বানন্দই বছৰেকীয়া কৰ হিচাপে আহোম ৰজাক হাতীৰ দাঁত আৰু মুগাৰ কাপোৰ সোধাবলৈ প্ৰতিশ্ৰুতি দিয়ে। এইদৰে মোৱামৰীয়া বিদ্ৰোহ অসমৰ ৰাজনৈতিক-অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰখনৰ প্ৰতিটো দিশেই চুই গৈছিল। এই বিদ্ৰোহৰ সৰ্বনাশী প্ৰতিক্ৰিয়াই অসমক ভয়ংকৰ ভৱিষ্যতৰ মুখলৈ ঠেলি দিছিল। অসমখন ভয়াৱহ মানৰ আক্ৰমণত সম্পূৰ্ণৰূপে ক্ষত-বিক্ষত হৈ গৈছিল আৰু অসমক তেনে বিপদৰ পৰা ৰক্ষা কৰাৰ চলেৰে পুনৰাই আৱিৰ্ভাৱ হৈছিল বৃটিছসকলৰ, যাৰ সৰ্বনাশী গ্ৰাসৰ পৰা ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যই পৰিত্ৰাণ পোৱা নাছিল।

## ৩.৬ কেপ্তেইন ওৱেলছৰ অসম দেশৰ বিৱৰণ ঃ

কেপ্তেইন ওৱেলছ চাহাবে অসমৰ বিষয়ে এটা মূল্যৱান টোকা লিখি সেই সময়ৰ বৃটিছ গৱৰ্ণৰ জেনেৰেল ছাৰ জন ছোৰলৈ প্ৰেৰণ কৰিছিল। সেই বিৱৰণৰ পৰা ওঠৰ শতিকাৰ অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা সম্বন্ধে বহু লাগতিয়াল কথা জানিব পৰা যায়।

ওৱেলছৰ টোকাত আহোম ৰাজ্যৰ ৰজা নিৰ্বাচন আৰু তেওঁৰ ক্ষমতা সম্পৰ্কত এটা বৰ্ণনা দিয়া আছে। আনকি আহোম শাসনতন্ত্ৰৰ পাঁচগৰাকী প্ৰতাপী মন্ত্ৰী আৰু তেওঁলোকৰ মাজত সঘনাই চলা ক্ষমতাকেন্দ্ৰিক অৰিয়াঅৰিৰ ঘটনা টোকাটোত সন্নিৱিষ্ট হৈছে। পাইক প্ৰথাৰ বিষয়েও টোকাটোত এটা চমু বিৱৰণ দিয়া আছে। অসমৰ শেহতীয়া ৰাজনৈতিক অচলাৱস্থাৰ বাবে ওৱেলছে কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ ৰাজনৈতিক স্বেচ্ছাচাৰিতা, মোহনমালা গোহাঁইক অনৈতিকভাৱে ৰাজসিংহাসন লাভৰ পৰা বঞ্চিত কৰা, মোৱামৰীয়া মহন্তৰ হত্যা আৰু উচ্চপদবীধাৰী মন্ত্ৰী-আমোলাসকলৰ মাজত ক্ষমতা লাভৰ বাবে চলা অবাঞ্ছিত প্ৰতিযোগিতাকেই মূলতঃ দায়ী বুলি মত পোষণ কৰিছে। যি কি নহওক ওৱেলছে এই অচলাৱস্থাৰ পৰা অসম দেশক ৰক্ষা কৰাত বৃটিছ সৈন্য কৃতকাৰ্য হোৱা বুলি দাবী কৰাৰ লগতে অসমত শান্তি স্থাপনৰ বাবে তেওঁ লোৱা বিভিন্ন কাৰ্যব্যৱস্থাৰ বিষয়েও টোকাটোত উনুকিয়াইছে।

ব্যৱসায়-বাণিজ্য সম্পৰ্কত মন্তব্য দিবলৈ গৈ ওৱেলছে অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া যেন লাগে। অসম আৰু বংগদেশৰ মাজত চলা আমদানি-ৰপ্তানিৰ বৃহৎ বাণিজ্য ক্ষেত্ৰখনৰ কথা উনুকিয়াই লিখিছিল যে এই বাণিজ্যৰ পৰা অসমে বছৰি প্ৰায় ৯০,০০০ টকাৰ শুল্ক আদায় কৰিছিল। অৱশ্যে তাৰে ২৬,০০০ মান টকাহে ৰাজকোষত সোমাইছিল। তেওঁৰ বিৱৰণৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ত অসমত লোণৰ বৰ আকাল আছিল। আমদানি বস্তুবোৰৰ ভিতৰত লোণেই আটাইতকৈ উল্লেখযোগ্য আছিল। বংগদেশৰ পৰা বছৰি প্ৰায় ১২০,০০০ মোন লোণ আমদানি কৰা হৈছিল। অসমৰ ভিতৰতো শদিয়া আৰু নগাপাহাৰত কিছু লোণ উৎপাদন হৈছিল যদিও

তাৰ মান নিম্নস্তৰৰ আছিল। লোণ বৰ দামী বস্তু আছিল আৰু সেইবাবে সাধাৰণ মানুহে ইয়াক ব্যৱহাৰ কৰিবলৈ অসমৰ্থ আছিল। অসমত যথেষ্ট পৰিমাণে ধান উৎপন্ন হোৱাৰ লগতে সৰিয়হ, কুঁহিয়াৰ, আদা, নীল, তামোল-পাণ, লা, লো, সোণ আদি উৎপন্ন হৈছিল।

সেই সময়ত গুৱাহাটী এখন আহল-বহল আৰু জনবহুল নগৰ আছিল। নগৰখন ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰ জুৰি বিস্তৃত আছিল। নদীৰ পাৰত থকা এটা গড়ত ১১৩ টা কামান আছিল আৰু তাৰে তিনিটা ইউৰোপত তৈয়াৰী আছিল। ব্ৰহ্মপুত্ৰ নদীৰ পৰা অলপ দূৰৈত ৬ ফুট মান ওখ পকী দেৱালেৰে আগুৰা এডোখৰ ঠাইত ইমান ডাঙৰ এটা ঘৰ আছিল যে তেওঁৰ আটাইবোৰ সৈন্য তাতেই থাকিব পাৰিছিল। গুৱাহাটীৰ লগতে আহোমৰ ৰাজধানী ৰংপুৰ নগৰখনৰো তেওঁ এটি বৰ্ণনা দিছিল। ইয়াৰ পৰিসীমা প্ৰায় ২০ মাইলমান হ'ব। ইয়াতো ইটাৰ বেৰ দিয়া এখন সুৰক্ষিত ঠাই আছিল। অৱশ্যে বেৰবোৰ উঁৱলি গৈছিল। নগৰৰ দাঁতিকাষৰীয়া ঠাইবোৰত ভাল খেতি হৈছিল। সৰহভাগ মাটিয়েই ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ সম্পত্তি আছিল। বজাৰত উৎপন্ন বস্তুৰ বেচা-কিনা সাধাৰণতে নহৈছিল। ধান কেতিয়াও বিক্ৰী কৰিব নোৱাৰিছিল। সোণ আৰু নিমখহে বেহা-বেপাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ হৈছিল। বস্তুৰ দাম অতিপাত সস্তা আছিল। সাধাৰণ মানুহে অন্য বস্তুতকৈ টকাৰহে নাটনিত ভুগিছিল। তথাপি অসম এখন ঐশ্বৰ্যশালী দেশ আছিল আৰু ৰজা গৌৰীনাথ সিংহই ব্ৰিটিছ সেনাৰ ভৰণ-পোষণৰ বাবে যথেষ্ট টকা-পইচা খৰচ কৰিবলৈ সমৰ্থ হৈছিল।

## মূ ল ক থা

- মোৱামৰীয়াসকল মূলতঃ মৰাণ সম্প্ৰদায়ৰ লোক। শংকৰ-মাধৱৰ পৰৱৰ্তী কালত 'মায়ামৰা' নামৰ বৈষ্ণৱ সত্ৰখন স্থাপিত হৈছিল। এই 'মায়ামৰা' শব্দৰ পৰাই মোৱামৰীয়া শব্দটো উৎপত্তি হোৱা বুলি ধৰা হয়। যিহেতু মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰসকল শূদ্ৰ সম্প্ৰদায়ৰ আছিল, বিভিন্ন জাতি-জনজাতি যেনে কছাৰী, চুতীয়া, আহোম, কৈৱৰ্ত আদি লোকৰ মাজত এই সত্ৰ যথেষ্ট জনপ্ৰিয় আছিল।
- মায়ামৰা সত্ৰৰ জনপ্ৰিয়তা বঢ়াৰ লগে লগে ইয়াৰ মহন্তসকলৰো শক্তি দিনক দিনে বাঢ়িছিল।
- আহোম ৰজাসকলক স্বৰ্গদেউ বোলা হৈছিল। তেওঁলোকে ব্ৰাহ্মণ সত্ৰসমূহক ৰাজ পৃষ্ঠপোষকতা কৰিছিল আৰু শূদ্ৰসকলৰ সত্ৰ মায়ামৰাৰ মহন্ত আৰু শিষ্যসকলক হেয়জ্ঞান কৰিছিল। ইয়াৰ ফলত আহোম ৰজা আৰু মোৱামৰীয়াসকলৰ মাজত বিদ্বেষৰ ভাব জন্ম হৈছিল।
- আহোমসকলৰ মায়ামৰা সত্ৰ তথা শিষ্যসকলৰ ওপৰত অত্যাচাৰ ক্ৰমে বাঢ়িছিল। চুৰুম্‌ফা ভগাৰজাৰ দিনত সত্ৰাধিকাৰ গুৰু নিত্যানন্দদেৱক ৰাজ আজ্ঞামতে হত্যা কৰা হৈছিল। গদাধৰ সিংহৰ নিৰ্দেশত

বৈকুণ্ঠদেৱ মহন্তৰ হত্যা, ৰুদ্ৰসিংহৰ ৰাজসভাত চতুৰ্ভুজদেৱ মহন্তৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ, শিৱসিংহৰ দিনত বৰৰজা **ফুলেশ্বৰীৰ** নিৰ্দেশত মোৱামৰীয়া মহন্তক জোৰকৈ বলিৰ **ফোঁট** ল'বলৈ বাধ্য কৰোৱা আদি অত্যাচাৰৰ ঘটনাই মোৱামৰীয়া বিদ্ৰোহ সৃষ্টিত অৰিহণা যোগাইছিল।

- আহোম ৰজা ৰুদ্ৰ সিংহই আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱৰ ওচৰত শৰণ লৈ বামুণীয়া সত্ৰবোৰক বিশেষ মৰ্যাদা দিয়া ঘটনাই বামুণীয়া আৰু শূদ্ৰ সত্ৰাধিকাৰসকলৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰিছিল।
- পাইক প্ৰথাৰ দ্বাৰা মোৱামৰীয়াসকলৰ ওপৰত চলোৱা শোষণো মোৱামৰীয়া বিদ্ৰোহৰ অন্যতম কাৰণ আছিল।
- মোৱামৰীয়াসকলে ১৭৬৯ খ্ৰীষ্টাব্দৰ শেষৰ ফালে স্বৰ্গদেউ লক্ষী সিংহৰ দিনত সাত হেজাৰ সৈন্য গোটাই আহোম ৰাজত্বৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ ঘোষণা কৰে। এই বিদ্ৰোহত মোৱামৰীয়াসকলে সফলতা লাভ কৰে।
- গৌৰীনাথ সিংহৰ দিনত মোৱামৰীয়াসকলে দ্বিতীয়বাৰ আহোম ৰাজধানী আক্ৰমণ কৰে। কিন্তু এইবাৰ তেওঁলোকে সফলতা লাভ কৰিব নোৱাৰিলে।
- ১৭৮৬ খ্ৰীষ্টাব্দত মোৱামৰীয়াসকলে পুনৰ গৌৰীনাথ সিংহক আক্ৰমণ কৰে। গৌৰীনাথ সিংহই ৰাজধানী ত্যাগ কৰি গুৱাহাটীলৈ যোৱাত মোৱামৰীয়াসকলে ভৰত সিংহক ৰজা পাতে।
- ইয়াৰ পিছত বহুতো সৰু-বৰ বিদ্ৰোহৰ ফলত আহোম ৰাজ্য চেদেলি-ভেদেলি হৈ পৰিছিল। উপায়হীন গৌৰীনাথ সিংহই বিদ্ৰোহ দমন কৰিবলৈ ইংৰাজৰ সহায় ভিক্ষা কৰে। ১৭৯২ খ্ৰীষ্টাব্দত কেপ্টেইন থমাছ ওৱেলছৰ নেতৃত্বত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এটা সেনা বাহিনী পোন প্ৰথম অসমত প্ৰৱেশ কৰে।
- ১৭৯৩ খ্ৰীষ্টাব্দৰ ৮ ফেব্ৰুৱাৰীত গৌৰীনাথ সিংহ আৰু কেপ্টেইন ওৱেলছৰ মাজত এখন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয় আৰু ইয়াৰ পিছৰ পৰাই অসমত ব্ৰিটিছৰ আধিপত্য আৰম্ভ হয়।
- কেপ্টেইন ওৱেলছৰ প্ৰত্যাৱৰ্তনৰ পিছত পুনৰ মোৱামৰীয়া বিদ্ৰোহ মূৰ দাঙি উঠিছিল। কিন্তু আহোমসকলৰ সুদক্ষ বিষয়া পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ নেতৃত্বত এই বিদ্ৰোহৰ পৰিসমাপ্তি ঘটে।
- পূৰ্ণানন্দ আৰু মোৱামৰীয়া নেতা সৰ্বানন্দৰ মাজত ১৮০৫ খ্ৰীষ্টাব্দত হোৱা চুক্তিমতে ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ মাজৰ ভূখণ্ডত 'মটক ৰাজ্য' নামেৰে এখন স্বতন্ত্ৰ ৰাজ্য স্থাপন হয়।
- মোৱামৰীয়া বিদ্ৰোহৰ উল্লেখযোগ্য পৰিণতিবোৰ হ'ল
    - আহোম শাসনতন্ত্ৰৰ অৱনতি
    - অসমৰ আৰ্থ-সামাজিক দিশত অৱনতি
    - মটক ৰাজ্যৰ সৃষ্টি
    - অসমত ক্ৰমশঃ ব্ৰিটিছ আধিপত্য স্থাপন।

# অ নু শী ল নী

**অতি চমু/চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। মায়ামৰা কি?

২। সত্ৰ বুলিলে কি বুজা?

৩। সংহতি কি?

৪। মোৱামৰীয়া বিদ্ৰোহ কোনজন আহোম ৰজাৰ দিনত আৰম্ভ হৈছিল?

৫। মোৱামৰীয়া বিদ্ৰোহ কোনজন ৰজাৰ দিনত শেষ হৈছিল?

৬। কোনজন আহোম ৰজাই প্ৰথম স্বৰ্গদেউ/স্বৰ্গনাৰায়ণ উপাধি গ্ৰহণ কৰা বুলি অনুমান কৰা হয়?

৭। চুৰুমফা ভগাৰজাৰ দিনত কোনজন মোৱামৰীয়া সত্ৰাধিকাৰক হত্যা কৰা হৈছিল?

৮। ৰুদ্ৰসিংহৰ ৰাজসভাত কোনজন মোৱামৰীয়া সত্ৰাধিকাৰক অপমান কৰা হৈছিল?

৯। আহোমসকলৰ প্ৰধান উপাস্য দেৱতাজনৰ নাম লিখা।

১০। জয়ধ্বজ সিংহই কোনজন সত্ৰাধিকাৰৰ ওচৰত শৰণ লৈছিল?

১১। ৰুদ্ৰসিংহই কাৰ ওচৰত শৰণ লৈছিল?

১২। কৃষ্ণৰাম ভট্টাচাৰ্য কোন আছিল?

১৩। কোনজন আহোম ৰজাৰ দিনত শাক্তধৰ্মই অধিক গা কৰি উঠিছিল?

১৪। গাগিনি কোন?

১৫। মোৱামৰীয়াসকলে পোনপ্ৰথমে কাক ৰজা পাতিছিল?

১৬। কেপ্তেইন ওৱেলছ কেতিয়াৰ পৰা কেতিয়ালৈ অসমত আছিল?

১৭। অসমৰ ক'ত লোণ উৎপাদন হৈছিল?

১৮। অসমৰ সৰ্বসাধাৰণ মানুহে লোণ কিয় ব্যৱহাৰ কৰিব নোৱাৰিছিল?

**চমু/দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। মোৱামৰীয়াসকল কোন? এই বিদ্ৰোহক গণ অভ্যুত্থান বুলি ক'ব পৰা যায় নে?

২। মোৱামৰীয়া বিদ্ৰোহৰ ৰাজনৈতিক কাৰণ বিশ্লেষণ কৰা।

৩। আহোমৰ ধৰ্মীয় নীতিৰ পৰিৱৰ্তন মোৱামৰীয়া বিদ্ৰোহৰ কাৰক হিচাপে তুমি ভাবানে? আলোচনা কৰা।

৪। পাইক প্ৰথা মোৱামৰীয়া বিদ্ৰোহৰ বাবে কিমানদূৰ জগৰীয়া আছিল? তোমাৰ নিজস্ব মতামত দাঙি ধৰা।

৫। মোৱামৰীয়া বিদ্ৰোহৰ ফলাফল আলোচনা কৰা।

৬। মোৱামৰীয়া বিদ্ৰোহক তুমি সফল নে বিফল বিদ্ৰোহ বুলি ভাবা? যুক্তি দিয়া।

৭। কেপ্তেইন ওৱেলছে কি পৰিস্থিতিত অসমলৈ আহিছিল? কিয় তেওঁ আধৰুৱা অৱস্থাতে অভিযান সামৰি ঘূৰি গ'ল?

৮। মোৱামৰীয়া বিদ্ৰোহ দমনত ওৱেলছৰ ভূমিকা বৰ্ণনা কৰা। তেওঁ কিমানদূৰ সফল আছিল বুলি ভাবা?

৯। কেপ্তেইন ৱেলছৰ অসম সম্পৰ্কীয় বিৱৰণ আলোচনা কৰা।

**চমুটোকা লিখা ঃ**

১। কীৰ্তিচন্দ্ৰ বৰবৰুৱা

২। মায়ামৰা সত্ৰ

৩। পূৰ্ণানন্দ বুঢ়াগোহাঁই

৪। কাড়ী পাইক আৰু চমুৱা পাইক

৫। ওৱেলছ আৰু গৌৰীনাথ সিংহৰ মাজৰ বাণিজ্য চুক্তি

৬। বৰৰজা ফুলেশ্বৰী

৭। পৰ্বতীয়া গোসাঁই

৮। সৰ্বানন্দ

৯। ভৰত সিংহ

১০। ৰংপুৰ নগৰ

H3N5V3

চতুৰ্থ অধ্যায়

# মানৰ অসম আক্ৰমণ

## মূল আলোচ্য বিষয়

- মানৰ আক্ৰমণ ১৮১৭-১৮১৯ আৰু ১৮২১
- মানৰ আক্ৰমণৰ ফলাফল
- প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধ
- য়াণ্ডাবু সন্ধি

ব্ৰহ্মদেশৰ প্ৰজাক অসমৰ মানুহে মান বুলি কৈছিল আৰু ব্ৰহ্মদেশৰ ৰজাক মান ৰজা বুলি কোৱা হৈছিল। অসমৰ জাতীয় জীৱনৰ ইতিহাসত মানৰ অসম আক্ৰমণ এটা উল্লেখযোগ্য ঘটনা। কি পৰিস্থিতিত এই আক্ৰমণৰ সূত্ৰপাত হৈছিল সেই কথা বুজিবলৈ সেই সময়ৰ ৰাজনৈতিক পটভূমি বিচাৰ কৰি চাব লাগিব।

### ৪.১ ৰাজনৈতিক পটভূমি ঃ

আহোম ৰজা গৌৰীনাথ সিংহৰ (১৭৮০-১৭৯৫) মৃত্যুৰ পিছত কমলেশ্বৰ সিংহ সিংহাসনত বহে। মোৱামৰীয়া বিদ্ৰোহৰ সুবিধা লৈ মান ৰজাই অসমৰ ৰাজনীতিত অনুপ্ৰৱেশৰ যত্ন কৰে। উজনিৰ বেংমৰাত (বৰ্তমানৰ তিনিচুকীয়া অঞ্চল) মোৱামৰীয়াসকলে আহোম ৰজাক আক্ৰমণ কৰোতে চিংফৌ আৰু মানসকলে তেওঁলোকক সহায় কৰিছিল। প্ৰথমতে মান ৰজাই তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল। কেইবাবাৰো অনুৰোধ পাই অৱশেষত ৰজাই মোৱামৰীয়াসকলক সহায়ৰ বাবে মান সেনাক অসমলৈ পঠিয়াবলৈ স্থিৰ

কৰে। বিদেশী শক্তি ঘৰুৱা ৰাজনীতিত জড়িত হৈ পৰিলে দেশৰ স্বাৰ্থ বিপন্ন হ'ব বুলি আশংকা কৰি **পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে সম্ভাৱ প্ৰতিষ্ঠাৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ মাজৰ ভূখণ্ডক (মটক ৰাজ্য) স্বতন্ত্ৰভাৱে শাসন কৰিবলৈ মোৱামৰীয়া মৰাণসকলক এৰি দিয়ে।** এইদৰে মোৱামৰীয়াৰ প্ৰতি সম্ভাৱ প্ৰতিষ্ঠা কৰি তেওঁলোকৰ শাসনকৰ্তা সৰ্বানন্দক বৰসেনাপতি নিযুক্তি দিয়াত তেওঁলোক আহোম ৰাজশক্তিৰ প্ৰতি অনুগত হয়।

চিংফৌ আৰু খামতিসকলে মোৱামৰীয়া বিদ্ৰোহীৰ লগ হৈ আহোম ৰাজ্য আক্ৰমণ কৰাত বুঢ়াগোহাঁয়ে কূটনৈতিক কৌশল হিচাপে চিংফৌ নেতা বিচানাঙলৈ ৰঙ্গিলী নামেৰে এগৰাকী আহোম গাভৰু আগবঢ়াই সম্ভাৱ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। পিছে বিচানাঙে ৰঙ্গিলীক নিজে নাৰাখি মান ৰজা বদৌপায়াক উপহাৰ হিচাপে দি সুসম্পৰ্ক ৰক্ষা কৰিছিল। পিছত এই ৰঙ্গিলীয়েই বদনক পূৰ্ণানন্দৰ বিৰুদ্ধে সহায় কৰিছিল।

কামৰূপৰ হৰদত্ত আৰু বীৰদত্ত চৌধুৰীয়ে বংগদেশৰ বৰকান্দাজ সেনাৰ সহায় লৈ আহোম ৰজাৰ বিৰুদ্ধে থিয় দিলে। এই বিদ্ৰোহৰ বাবে নামনি অসমৰ আহোম শাসক বদনচন্দ্ৰ বৰফুকনক দায়ী বুলি তেওঁক ভাঙি পূৰ্ণানন্দ বৰগোহাঁয়ে কলীয়াভোমোৰাক বৰফুকন পাতিলে। এইবোৰ কথাই পূৰ্ণানন্দৰ প্ৰতি বদনক অসন্তুষ্ট কৰি তুলিছিল। **কলীয়াভোমোৰাই দন্দুৱাদ্ৰোহ নামে বিখ্যাত হোৱা হৰদত্ত-বীৰদত্তৰ বিদ্ৰোহ দমন কৰিবলৈ সক্ষম হয়।** আহোম ৰজাই এই সুকীৰ্তিৰ বাবে কলীয়াভোমোৰাক প্ৰতাপবল্লভ উপাধি প্ৰদান কৰে। জনা যায় যে এওঁ **শিলঘাটৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ওপৰত এখন সাঁকো নিৰ্মাণৰ পৰিকল্পনা কৰি যো-জা চলাইছিল।** তেওঁৰ মৃত্যুত এই কাম হৈ নুঠিল।




কলিয়াভোমোৰাৰ সেই সপোনৰ বাস্তৱ এই কলিয়াভোমোৰা সেঁতু। বৰ্তমান শোণিতপুৰ আৰু নগাঁও জিলা সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলংখন ১৯৮৭ খ্ৰীষ্টাব্দত সাজি উলিওৱা হয়। ইয়াৰ দৈৰ্ঘ্য ৩০১৫ মিটাৰ।

## ৪.২ মানৰ অসম আক্ৰমণৰ কাৰণ ঃ

### ৪.২.১ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ প্ৰাধান্য ঃ

পূৰ্ণানন্দ বৰগোহাঁইৰ জীৱিতকালত প্ৰশাসনৰ সকলো কথাতে তেওঁৰ প্ৰতিপত্তি সাব্যস্ত হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰাজধানী এৰি গুৱাহাটীলৈ পলায়ন কৰা বাবে আহোম সাম্ৰাজ্যৰ বাঘজৰীডাল সম্পূৰ্ণৰূপে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ হাতলৈ গৈছিল। পূৰ্ণানন্দৰ স্বেচ্ছাচাৰী, দাম্ভিক স্বভাৱৰ বাবে দেশৰ লোকে তেওঁক ভাল পোৱা নাছিল। **গেইটৰ মতে মোৱামৰীয়া বিদ্ৰোহৰ পিছত মহাপ্ৰতাপী কাৰ্যদক্ষ বুঢ়াগোঁহাইৰ অক্লান্ত পৰিশ্ৰমৰ ফলত দেশত সুখ-শান্তি স্থাপিত হৈছিল।** কিন্তু প্ৰজাৰ আৰ্থিক অৱস্থাৰ অৱনতি ঘটিছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে আহোম ৰাজ্যৰ মূল প্ৰশাসনিক ক্ষমতা নিজে লৈ দেশৰ শান্তি-শৃংখলা প্ৰতিষ্ঠা কৰাৰ হকে যথেষ্ট কৰিছিল, অৱশ্যে বুঢ়াগোহাঁই ডাঙৰীয়াই লোৱা ব্যৱস্থাৱলীয়ে আহোম ৰাজতন্ত্ৰক কিমান শক্তিশালী কৰিছিল সি বিচাৰ্য বিষয়। সুদীৰ্ঘকাল বুঢ়াগোহাঁয়ে শাসনযন্ত্ৰ কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰাত ৰাজ্যৰ কিছুমান বিষয়াই ভাল পোৱা নাছিল যদিও মুকলিভাৱে একো ক'ব পৰা নাছিল।

ক্ষমতা লাভৰ এবছৰৰ ভিতৰতে স্বৰ্গদেউ **গৌৰীনাথ সিংহৰ** মৃত্যু হৈছিল। পূৰ্ণানন্দই স্বৰ্গদেৱৰ মৃত্যুৰ সংবাদটো গোপনে ৰাখিছিল আৰু কৌশলেৰে কম বয়সীয়া **কমলেশ্বৰ সিংহক** অসমৰ নতুন ৰজা হিচাপে নিযুক্তি দিছিল। কোমল বয়সীয়া ৰজাজনে বুঢ়াগোহাঁইৰ হাতৰ পুতলা হিচাপেহে কাম কৰিছিল। ১৮১০ চনত **কমলেশ্বৰ সিংহৰ** মৃত্যুৰ পিছত পূৰ্ণানন্দই **চন্দ্ৰকান্ত সিংহ** নামে কণমানি ল'ৰা এজনক আহোম ৰাজপাটত বহুৱায়। পূৰ্ণানন্দৰ স্বেচ্ছাচাৰী শাসন দেশৰ লোকে ভাল পোৱা নাছিল। ফলত তেওঁক শাসনৰ পৰা আঁতৰাবলৈ ষড়যন্ত্ৰ চলিছিল। দেশৰ ভালেমান মুখিয়াল লোক আৰু ডাঙৰীয়াই কমলেশ্বৰ সিংহৰ ৰাজত্বকালত এটা বিদ্ৰোহ সংগঠিত কৰিছিল। **পানীমুৱা নামৰ এজন বিদ্ৰোহীয়ে** এই বিদ্ৰোহৰ নেতৃত্ব দিছিল, সেইবাবে এই বিদ্ৰোহ **পানীমুৱা বিদ্ৰোহ** হিচাপে জনাজাত। এই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰা হৈছিল।

আহোম ৰজা চন্দ্ৰকান্ত সিংহ ক্ৰমে সাবালক হৈ অহাৰ লগে লগে বুঢ়াগোহাঁইক ভাল নোপোৱা হৈছিল। **সৎৰাম** নামে যুৱক এজনৰ সৈতে তেওঁৰ বৰ বন্ধুত্ব হৈছিল। তেওঁ সৎৰামক **চাৰিঙিয়া ফুকন খিতাপ** দি ৰজাৰ ওচৰতে বহিবলৈ আসন দিছিল। সৎৰামৰ ভেম দিনে দিনে বাঢ়ি গৈছিল আৰু তেওঁ কাকো নমনা হৈছিল। সকলো ক্ষমতা নিজৰ হাতলৈ নিবৰ কাৰণে বুঢ়াগোহাঁইক হত্যা কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু আন ষড়যন্ত্ৰৰ দৰে এইবাৰো গোপন তথ্য ফাদিল হৈ পৰিল আৰু সকলো জগৰীয়া ষড়যন্ত্ৰকাৰীক ফাঁচী দিয়া হ'ল। সৎৰামে ৰজাৰ আশ্ৰয় লৈছিল যদিও তেওঁক নামৰূপলৈ নিৰ্বাসন দিয়া হৈছিল। নামৰূপত তেওঁ নগা আততায়ীৰ হাতত প্ৰাণ হেৰুৱাইছিল।

### ৪.২.২ বদন বৰফুকন আৰু পূৰ্ণানন্দৰ বিৰোধ ঃ

দন্দুৱাদ্ৰোহত বদনচন্দ্ৰ বৰফুকন জড়িত থকাৰ সন্দেহৰ পিছৰ পৰাই পূৰ্ণানন্দ আৰু বদনৰ সম্পৰ্কৰ অৱনতি ঘটিছিল। বদনক ভাঙি কলিয়াভোমোৰাক বৰফুকনো পতা হৈছিল। তদুপৰি পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে গম পালে যে সৎৰামৰ বিদ্ৰোহতো বদন বৰফুকন জড়িত হৈ আছিল। পিছে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক ওৰেষানাথে বদনৰ জীয়ৰী পিজৌ গাভৰুক বিয়া কৰোৱাত বদন-পূৰ্ণানন্দৰ মাজৰ সম্পৰ্কত উন্নতি ঘটে। কলীয়াভোমোৰাৰ মৃত্যু হোৱাত সেয়ে বদনচন্দ্ৰক বৰফুকন পতা হয় যদিও বদন পুনৰ অত্যাচাৰী হৈ উঠিল। ধনলোভী বদনে কামাখ্যা, হাজো আদি মন্দিৰৰ সোণ-ৰূপ আত্মসাৎ কৰিছিল বুলি জনা যায়। ইয়াৰ উপৰি বদনে গুৱাহাটীৰ প্ৰজাবৰ্গৰ ওচৰত কৰা অত্যাচাৰৰ ফলত সাধাৰণ লোকৰ জীৱন দুৰ্বিষহ হৈ পৰিছিল। বুঢ়াগোহাঁয়ে স্বাস্থ্য হানিকৰ কানিৰ প্ৰচলন বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। বৰফুকনে সেই আদেশ পালন নকৰাত বুঢ়াগোহাঁই বাৰুকৈয়ে অসন্তুষ্ট হ'ল। এনেকৈয়ে বুঢ়াগোহাঁই আৰু বৰফুকনৰ মাজৰ বিদ্বেষ বাঢ়ি গ'ল।

অৱশেষত বদনৰ অত্যাচাৰে চৰম সীমা পোৱাত বুঢ়াগোহাঁয়ে তেওঁক পদচ্যুত কৰাৰ সিদ্ধান্ত ল'লে। পিজৌ গাভৰুৰে জানিব পাৰি এই বিষয়ে দেউতাকক বাতৰি দিয়াত বৰফুকন পলাই গৈ বঙ্গদেশত সোমাল। ৰংপুৰলৈ গৈ তাতে ডেভিদ স্কটক সাক্ষাৎ কৰে। তাৰ পিছত কলিকতালৈ যায়। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে বদনচন্দ্ৰই নিজৰ আৰু ৰজা চন্দ্ৰকান্তৰ সমৰ্থনত ব্ৰিটিছৰ সামৰিক সাহায্য বিচাৰে। ব্ৰিটিছ গৱৰ্ণৰ জেনেৰেলৰ ওচৰত সামৰিক সাহায্য বিচাৰি কৰা আবেদনৰ সমৰ্থনত আহোম ৰজা চন্দ্ৰকান্তই দিয়া দুখন চিঠিও দাখিল কৰে। তেওঁৰ এনে আবেদন-নিবেদনে গৱৰ্ণৰ জেনেৰেলক টলাব নোৱাৰিলে। অন্য ৰাজ্যৰ আভ্যন্তৰীণ বিবাদত হস্তক্ষেপ নকৰে বুলি তেওঁ উত্তৰ দিলে। ব্ৰিটিছ চৰকাৰে পূৰ্ণানন্দৰ কৰ্তব্যনিষ্ঠাৰ বিষয়ে জানিছিল আৰু সেয়ে তেওঁৰ বিৰুদ্ধে বদনক সহায় কৰিবলৈ সন্মত নহ'ল।

### ৪.২.৩ মানৰ হস্তক্ষেপ ঃ

ইতিমধ্যে বদন বৰফুকনে কলিকতাত থকা ব্ৰহ্মদেশৰ প্ৰতিনিধিজনক লগ ধৰিলে। ব্ৰিটিছৰ পৰা সহায়ৰ কোনো আশা নেদেখি বদনে এই প্ৰতিনিধিজনৰ সৈতে ব্ৰহ্মদেশৰ অমৰাপুৰলৈ গৈ মান ৰজাক সাক্ষাৎ কৰিলে। কেইবাটাও কাৰণত মান ৰজাই বদনক সহায় কৰিবলৈ সন্মত হ'ল। মান ৰজা আলং পায়াৰ দিনৰে পৰা ব্ৰহ্মদেশে ৰাজ্য সম্প্ৰসাৰণৰ বাবে অধিক যত্নপৰ হৈছিল। মান ৰজাৰ সাম্ৰাজ্যবাদী প্ৰচেষ্টা সীমামূৰীয়া মণিপুৰ আৰু কাছাৰলৈও বিস্তাৰিত হৈছিল। তেওঁৰ ৰাজ্যৰ পশ্চিমফালে ৰাজ্য বিস্তাৰ নীতি গ্ৰহণ কৰিছিল। ব্ৰহ্মদেশে আৰাকান দখল কৰি লাহে লাহে মণিপুৰৰ ওপৰত কেইবাবাৰো আক্ৰমণ কৰিছিল। মান ৰজাই পশ্চিম দিশে সম্প্ৰসাৰণ আঁচনি লৈ ব্ৰিটিছৰ বিৰুদ্ধে অসমক প্ৰধান সৈন্য শিবিৰ হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছিল। মান ৰজা বদৌপায়াৰ আমোলত মান সেনাই আৰাকান জয় কৰি দখল কৰাৰ লগে লগে মান ৰজাই

মাৰগুই দীপপুঞ্জৰ পৰা চট্টগ্ৰাম বন্দৰলৈ সমগ্ৰ বঙ্গোপসাগৰীয় উপকূল ৰেখাত প্ৰধান ৰাজনৈতিক শক্তিত পৰিণত হয়। প্ৰায় চল্লিশ হেজাৰ আৰাকানী লোক ব্ৰহ্মদেশৰ কঠোৰ শাসন আৰু শোষণত অতিষ্ঠ হৈ ইংৰাজ অধিকৃত বঙ্গদেশত আশ্ৰয় লৈছিল। এই শৰণাৰ্থীসকলক ব্ৰহ্মৰজা বদৌপায়াই ওভতাই পঠাবৰ বাবে ইংৰাজ চৰকাৰক হেঁচা দিছিল। কিন্তু ব্ৰিটিছ চৰকাৰ মান্তি নোহোৱাত শৰণাৰ্থীসকলক লৈ মান আৰু ইংৰাজৰ মাজত মনোমালিন্যই দেখা দিছিল।

এনে সময়তে বদনচন্দ্ৰই চন্দ্ৰকান্তৰ হৈ সহায় বিচৰাত মান ৰজাই ভালেই পালে। অৱশ্যে তেওঁ সদ্যহতে পোনপটিয়াকৈ অসম জয় কৰাৰ কথা নাভাবি পূৰ্ণানন্দৰ বিৰুদ্ধে বদনক সামৰিক সাহায্য দিয়াৰ সিদ্ধান্ত ল'লে। সম্ভৱত তেওঁ প্ৰত্যক্ষ আক্ৰমণৰ বাবে অধিক সুবিধাজনক সময়লৈ বাট চালে। মান ৰজাৰ অসমীয়া ৰাণী ৰঙিলী আইদেউ বদন চন্দ্ৰৰ পেহীয়েক আছিল। তেওঁ বদনক সহায় কৰিবলৈ মান ৰজাক অনুৰোধ কৰিছিল। সেয়ে বদনচন্দ্ৰই মানৰ সহায় লাভ কৰাত সহজ হৈছিল।

### ৪.৩ মানৰ আক্ৰমণ ঃ

#### ৪.৩.১ মানৰ আক্ৰমণ ১৮১৭ ঃ

বদন বৰফুকনে বদৌপায়াৰ সহায় লৈ ৮০০০ মান সেনা আৰু বাটত মানৰ কৰতলীয়া ৰজা কেইজনমানৰ পৰা আঠ হেজাৰ; মুঠ ১৬,০০০ সৈন্য লৈ পাটকাই পথেদি অসম সোমাল। মানৰ আক্ৰমণ ৰোধ কৰিবলৈ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে **দামান গগৈ** আৰু **হাও বৰা**ৰ নেতৃত্বত এটি সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। কিন্তু বদনৰ নেতৃত্বত অহা মান সেনাৰ হাতত তেওঁলোক **ঘিলাধাৰীৰ যুদ্ধ**ত পৰাজিত হয়। ঘিলাধাৰীত পূৰ্ণানন্দই পঠিওৱা সেনা বাহিনীৰ পৰাজয়ৰ বাতৰি পায়েই তেওঁ মৃত্যুমুখত পৰে। তেওঁৰ পুত্ৰ **ৰুচিনাথক বুঢ়াগোহাঁই**ৰ পদত অধিষ্ঠিত কৰা হয়। ৰুচিনাথৰ গাত দেউতাকৰ গুণ নাছিল। এই চৰম বিপৰ্যয়ৰ দিনত আহোমক নেতৃত্ব দিব পৰা আন কোনো বিষয়াও নাছিল। মানসকলক ভেটা দিবলৈ ঠিক কৰা হ'ল। সৈন্য যোগাৰ কৰি দিহিঙৰ পূবে কঠালবাৰীত তেওঁলোকে মানৰ লগত যুঁজ দিয়ে আৰু এইবাৰো পৰাজিত হয়। যুদ্ধত পৰাজিত হৈ ৰুচিনাথে গুৱাহাটীলৈ পলায়ন কৰে।

মানসকলে যোৰহাট অধিকাৰ কৰিলে। বদনে যথাবিহিতভাৱে নিজকে বৰফুকন বুলি ঘোষণা কৰিলে। নামত চন্দ্ৰকান্ত ৰজা হৈ থাকিল। এইবাৰ সকলো ক্ষমতা বদনে নিজৰ হাতলৈ নিলে। **নুমলী ৰাজমাওয়ে** বিস্তৰ আয়োজন কৰি ৰাজধানীত বদনক আদৰিছিল। তেতিয়াৰ পৰা বদনক প্ৰধানমন্ত্ৰী পাতি **মন্ত্ৰী বৰফুকন** নামে এটি নতুন পদবীৰে অলংকৃত কৰা হয়।

বদনৰ লগত মান সৈন্যৰ সৈতে দুজন বিশেষ মান লিপিকাৰো আহিছিল। তেওঁলোক দুয়োজনে বদনৰ নেতৃত্বত অহা মানৰ সামৰিক অভিযানৰ বিষয়ে একোটাকৈ

টোকা লিখি থৈ গৈছে। টোকা দুটা হ'ল— (১) **বৈশালী হুকং** (২) **বৈশালী মুংডুন-চুন-খাম**। মানসকল অতি কম সময়হে আহোম ৰাজ্যত আছিল। মানে চন্দ্ৰকান্তক ৰজা ৰাখিলে আৰু বদনচন্দ্ৰই তেতিয়া মান সেনাক অনেক ধন-সোণ আৰু অন্যান্য উপঢৌকন আগবঢ়াই মান ৰজালৈ থেমো আইদেউক উপহাৰ হিচাপে পঠালে।

**বদনচন্দ্ৰই পূৰ্ণানন্দৰ অত্যাচাৰ আৰু স্বেচ্ছাচাৰী শাসনত অতিষ্ঠ হৈ ব্ৰিটিছৰ পৰা সহায় নাপাই মান দেশৰ ৰজা বদৌপায়াৰ সহায় বিচাৰিছিল। সেইমতে মান ৰজাই পোনপটীয়াকৈ অসম জয় কৰাৰ কথা নাভাবি পূৰ্ণানন্দৰ বিৰুদ্ধে বদনক সামৰিক সাহায্য দিছিল। এই সন্মিলিত সেনাৰ নেতৃত্ব দিছিল বদন বৰফুকনে। মানসকলে সেইবাৰ অসমক মান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবলৈ অহা নাছিল আৰু স্বৰ্গদেউক কোনো ধৰণৰ নিৰ্দেশো দিয়া নাছিল। মান সেনা অসমলৈ অহাৰ এমাহ পাছতেই নিজ দেশলৈ ঘূৰি গৈছিল। মানসকলৰ ১৮১৭ খ্ৰীষ্টাব্দৰ সামৰিক অভিযানৰ মুখ্য উদ্দেশ্য আছিল পূৰ্ণানন্দ গোহাঁইৰ স্বেচ্ছাচাৰিতাৰ পৰা বদন বৰফুকন আৰু স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহক ৰক্ষা কৰা। সেইবাবে ১৮১৭ চনৰ মানৰ আক্ৰমণক প্ৰকৃতাৰ্থত মানৰ আক্ৰমণ বুলিব নোৱাৰি।**

### ৪.৩.২ মানৰ আক্ৰমণ ১৮১৯ ঃ

মান সেনা প্ৰত্যাৱৰ্তনৰ পিছত বদনচন্দ্ৰ ৰাজ্যত সৰ্বেসৰ্বা হৈ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সমৰ্থকসকলক অত্যাচাৰ কৰিবলৈ ল'লে। বৰবৰুৱা আৰু বৰফুকনৰ মাজত মতানৈক্য হয়। **বদনৰ কাম-কাজত অতিষ্ঠ হৈ নুমলি ৰাজমাও আৰু কেইবাজনো বিষয়াই ষড়যন্ত্ৰ কৰি ৰূপসিং নামৰ এজন চুবেদাৰৰ হতুৱাই বদন বৰফুকনক হত্যা কৰোৱাইছিল।** চন্দ্ৰকান্তই গুৱাহাটীত থকা ৰুচিনাথ বুঢ়াগোহাঁইক তৎক্ষণাৎ এই হত্যাৰ বাতৰি দি যোৰহাটলৈ মাতি পঠিয়ায়। ৰুচিনাথে ৰজাক আস্থাত লোৱা নাছিল। তেওঁ বদনৰ লগতে চন্দ্ৰকান্তকো মানৰ আক্ৰমণৰ আৰু দেউতাক পূৰ্ণানন্দ গোহাঁইৰ মৃত্যুৰ বাবে জগৰীয়া কৰিছিল। ৰুচিনাথে ব্ৰজনাথ সিংহ আৰু তেওঁৰ পুতেক পুৰন্দৰ সিংহৰ লগত কিছুমান হিন্দুস্থানী চিপাহী লৈ যোৰহাটলৈ যাত্ৰা কৰে। চন্দ্ৰকান্ত সিংহই **লুকু ডেকাফুকনৰ** নেতৃত্বত ৰুচিনাথৰ বিৰুদ্ধে এটি সৈন্য বাহিনী প্ৰেৰণ কৰি নিজে ৰংপুৰলৈ আঁতৰি গৈছিল। চন্দ্ৰকান্ত সিংহই প্ৰেৰণ কৰা উক্ত সেনা বাহিনীটো ৰুচিনাথৰ হাতত পৰাভূত হোৱাৰ লগতে সেনাপতি **লুকু ডেকা ফুকন** ৰণত নিহত হয়। চন্দ্ৰকান্তই ভয় খাই পলাই যোৱাত ৰুচিনাথে আহোম ৰজা ৰাজেশ্বৰ সিংহৰ নাতি ব্ৰজনাথক ৰজা হিচাপে ঘোষণা কৰিলে। কিন্তু তেওঁৰ অংগক্ষত হোৱা বাবে পুতেক **পুৰন্দৰক** ৰজা পতা হ'ল। ইয়াৰ পিছত চন্দ্ৰকান্তক ধৰি আনি তেওঁৰ সোঁকাণ কাটি অংগক্ষত কৰাত তেওঁ ৰজা হোৱাৰ যোগ্যতা হেৰুৱাইছিল আৰু তেওঁক তৰাতলিলৈ নিৰ্বাসিত কৰা হৈছিল।

গতিকে দেখা যায় যে বদন বৰফুকনৰ হত্যা ইয়াৰ পিছৰ চন্দ্ৰকান্ত সিংহক সিংহাসনচ্যুত কৰা আৰু নিৰ্যাতনৰ ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতি অতি জটিল আৰু অস্থিৰ কৰি তুলিছিল। বদন হত্যাৰ পোতক তুলিবলৈ আৰু চন্দ্ৰকান্তক পুনৰ সিংহাসনত বহুৱাবলৈ আলুমিঙ্গিৰ নেতৃত্বত ব্ৰহ্ম ৰজাই **১৮১৯** খ্ৰীষ্টাব্দত এটি সৈন্য বাহিনী পঠাই দিয়ে। জাঁজীৰ ওচৰৰ ফুলপানী ছিগাত আহোম সেনাৰ লগত মান সেনাৰ প্ৰথম সংঘৰ্ষ হয়। প্ৰথমে আহোমে শত্ৰু দলক বাধা দিছিল যদিও পিছলৈ শত্ৰুক খেদিব নোৱাৰিলে। আহোম সৈন্য যোৰহাটলৈ উভতি অহাত মান সেনাই তেওঁলোকৰ পিছ ল'লে। ৰজা পুৰন্দৰ আৰু ৰুচিনাথ বুঢ়াগোহাঁই গুৱাহাটীলৈ পলাই গ'ল। মানসকলে চন্দ্ৰকান্তক পুনৰ সিংহাসনত বহুৱালে। বদনৰ এজন পুতেকক বৰফুকন আৰু পাতাল বৰুৱাক বৰবৰুৱা পাতিলে। চন্দ্ৰকান্তই পুৰন্দৰক ধৰিবলৈ গুৱাহাটীলৈ সৈন্য পঠোৱা বুলি জানি পুৰন্দৰ আৰু ৰুচিনাথে বঙ্গদেশলৈ গৈ ইংৰাজৰ আশ্ৰয় ল'লে। মিঙ্গিমাহা তিলোৱাৰৰ নেতৃত্বত এদল মান সেনা চন্দ্ৰকান্তৰ সহায়ৰ কাৰণে ৰাখি আলুমিঙ্গি ব্ৰহ্মদেশলৈ উভতি যায়।




*১৮২৬ খ্ৰীষ্টাব্দৰ সমসাময়িক আহোম সাম্ৰাজ্য।*

**আহোম ৰাজত্বৰ শেষৰফালে হঠকাৰী ষড়যন্ত্ৰবোৰে আহোম শাসন তেনেই দুৰ্বল কৰি পেলাইছিল। ইয়াৰ সুযোগ গ্ৰহণ কৰিছিল প্ৰথম অৱস্থাত ৰাজ্যলোলুপ মান দেশে আৰু পৰৱৰ্তী পৰ্যায়ত ঔপনিৱেশিক ব্ৰিটিছসকলে।**

### ৪.৩.৩ মানৰ আক্ৰমণ ১৮২১ ঃ

চন্দ্ৰকান্ত পুনৰ ৰজা হৈ আগৰ অপমানৰ পোতক তুলিবলৈ পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোহাঁইৰ ফালৰ লোকসকলক ধৰি আনি শাস্তি দিলে। আনহাতে, পুৰন্দৰ সিংহ আৰু ৰুচিনাথে বাৰে বাৰে অনুৰোধ কৰা সত্বেও ইংৰাজসকলে তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি নাহিল। এই সময়ছোৱাত মানসকল প্ৰকৃত শাসনকৰ্তা হৈ উঠিল। মানৰ দ্বাৰা কৰোৱা অত্যাচাৰৰ নীৰৱ দৰ্শক হৈ আৰু মানৰ পাশৱিকতাৰ স্বৰূপ উপলব্ধি কৰি স্বৰ্গদেউ চন্দ্ৰকান্তই মিঙ্গিমাহা যোৱাৰ পিছত পুনৰ যাতে মান অসমত সোমাব নোৱাৰে তাৰ বাবে প্ৰৱেশ পথত জয়পুৰত এটা গড় নিৰ্মাণৰ আয়োজন কৰে। চন্দ্ৰকান্তই **পাতাল বৰবৰুৱাক** এই দায়িত্ব দিছিল। ইতিমধ্যে বদৌপায়াৰ মৃত্যু হৈছিল। তেওঁৰ নাতি **বাগদাও** ব্ৰহ্মদেশৰ ৰজা হয়। তেওঁ বৰ নিষ্ঠুৰ প্ৰকৃতিৰ লোক আছিল। মানক ভেটিবৰ বাবে গড় নিৰ্মাণৰ বাতৰি পাই মানসকলৰ নতুন ৰজা বাগদাও টিঙিৰিতুলা হৈ পৰিল আৰু সেনাপতি মিঙ্গিমাহা তিলোৱাৰ অধীনত মান সেনা পুনৰ অসমলৈ পঠালে। মিঙ্গিমাহা তিলোৱাই জয়পুৰত গড় সজা দেখি তাৰ তত্বাৱধানত থকা পাতাল বৰবৰুৱাক হত্যা কৰিলে আৰু অন্যান্য আহোম সৈন্য বিলাকৰ ওপৰতো অত্যাচাৰ কৰাত তেওঁলোক পলাই গ'ল। এয়া আছিল ১৮২১ চনৰ মানৰ আক্ৰমণ। মানে আৰম্ভ কৰা অত্যাচাৰ আৰু কাৰ্যকলাপৰ সংবাদ পাই চন্দ্ৰকান্ত সিংহ গুৱাহাটীলৈ পলাই গ'ল। মানসকলে আহোম সৈন্যক পৰাস্ত কৰি যোৰহাট অধিকাৰ কৰিলে। মান সেনাপতিয়ে চন্দ্ৰকান্ত সিংহক উভতি আহিবলৈ কৈছিল যদিও চন্দ্ৰকান্ত উভতি নাহিল বৰঞ্চ ইংৰাজৰ ৰাজ্যতহে আশ্ৰয় ল'লৈগৈ।

## ৪.৪ যোগেশ্বৰ সিংহ ঃ

চন্দ্ৰকান্ত সিংহই মানৰ নিৰ্দেশ অমান্য কৰি উভতি নহাত মানসকলে ১৮২১ চনত **যোগেশ্বৰ সিংহ** নামৰ কোঁৱৰ এজনক ৰজা পাতিলে। যোগেশ্বৰ সিংহক নামতহে ৰজা ৰাখি ৰাজকাৰ্য পৰিচালনা কৰিলে মান সেনাই। যোগেশ্বৰ সিংহ, **মানে পতা ৰজা** বুলি খ্যাত হৈছিল। যোগেশ্বৰ সিংহই ১৮২৫ চনলৈকে ৰাজত্ব কৰে যদিও এই কালছোৱাত মান সেনাপতিসকলেই সৰ্বেসৰ্বাৰ দৰে আছিল। এইদৰে **মান সেনা স্বদেশলৈ ঘূৰি নগৈ অসমৰ শাসনত হস্তক্ষেপ কৰিবলৈ ধৰে**। মানসকলে নামনিত গুৱাহাটী দখল কৰি অসমৰ পৰা পলাই গৈ ইংৰাজৰ অধীন বংগদেশত আশ্ৰয় লোৱা অসমৰ ডা-ডাঙৰীয়া, ভগা ৰজা চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহক গতাই দিবলৈ ইংৰাজক দাবী জনালে। ইংৰাজ

কোম্পানিৰ চৰকাৰে এই দাবী প্ৰত্যাখ্যান কৰাত দুয়োপক্ষৰ মাজত ৰাজনৈতিক সম্পৰ্কৰ অৱনতি ঘটে।

ইফালে চন্দ্ৰকান্ত আৰু পুৰন্দৰ দুয়ো সুকীয়াকৈ ৰাজ্য উদ্ধাৰৰ বাবে বিচৰা সাহায্য প্ৰাৰ্থনা কোম্পানিয়ে নামঞ্জুৰ কৰাত বঙ্গদেশৰ কিছু ভেৰোণীয়া সৈন্য লৈ তেওঁলোকে মানৰ বিৰুদ্ধে যুদ্ধ চলায়। চন্দ্ৰকান্তই প্ৰাৰম্ভিক সাফল্য অৰ্জন কৰিলেও **মঁহগড়** নামে ঠাইত হোৱা ৰণত পৰাক্ৰমেৰে যুঁজি পৰাস্ত হয়। **মঁহগড়ৰ ৰণেই অসমৰ স্বাধীনতা পুনৰুদ্ধাৰৰ শেষ ৰণ** বুলি কোৱা হয়। ইয়াৰ পিছতো অসমৰ শেষ সীমা হাদিৰাচকীত মানৰ সৈতে আকৌ যুঁজ হয়। তাতো চন্দ্ৰকান্ত পৰাস্ত হয়। সেই সময়তে আৰু এজন মান সেনাপতি মিঙ্গিমাহা বন্দুলা অসমলৈ অহাত মান সেনা অধিক শক্তিশালী হয় আৰু তেওঁলোকে ভালকৈ খোপনি পুতি বহে।

## ৪.৫ মানৰ দিন ঃ

**১৮২১ চনৰ পৰা ১৮২৫ চনলৈকে এই সময়ছোৱাক মানৰ দিন বুলি কোৱা হয়।** মান সেনাৰ হাতত অসমীয়া প্ৰজা অবৰ্ণনীয়ভাৱে লাঞ্ছিত হৈছিল। মান সেনাৰ লুটপাত, কটা-মৰা, পাশৱিক অত্যাচাৰৰ কোবত টিকিব নোৱাৰি অসমীয়া মানুহ ভগনীয়া হৈ দিহিঙে-দিপাঙে যাবলগা হৈছিল। ইয়াক বুৰঞ্জীত **মান ভগনৰ দিন** বোলে। মানৰ অমানুষিক অত্যাচাৰৰ কাহিনী অবৰ্ণনীয়। গাঁও-ভুই উচন যোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰহ ঠাই হাবি-জংঘলেৰে ভৰি পৰে। মানুহ ভাগি গৈ চুবুৰীয়া ৰাজ্যত সোমাইছিল, খেতি-বাতি, বেহা-বেপাৰ নষ্ট হৈছিল। মানৰ ভেশচন ধৰি আন কিছুমান লোকেও অসমীয়া মানুহৰ ওপৰত অত্যাচাৰ কৰিছিল। এই দেশীয় অনেক মানুহে **ছদ্মবেশী মান** হৈ অনেক উপদ্ৰপ কৰিছিল। মানতকৈ এওঁলোকৰ অত্যাচাৰ প্ৰবল হৈছিল।

### চিন্তনীয়

**ছদ্মবেশী মানসকলে কেনেকৈ সুবিধাবাদীৰ ৰূপ ধাৰণ কৰিছিল মন কৰা। বৰ্তমান সময়তো বিভিন্ন দুৰ্যোগৰ সময়ত এচাম অৰ্থ-সম্পত্তিলোভী আৰু চৰিত্ৰহীন লোকে কেনেকৈ লুণ্ঠন কৰে আৰু কু-অভিপ্ৰায় চৰিতাৰ্থ কৰে তাৰ খবৰ ৰাখা আৰু উচিত মূল্যবোধ গঠন কৰা।**

মানৰ আক্ৰমণৰ বাবে প্ৰায়েই দেখা যায় যে বদন চন্দ্ৰ বৰফুকনক জগৰীয়া কৰা হয়। বদনচন্দ্ৰই মানক আমন্ত্ৰণ কৰি ননাহেঁতেন অসমত মানৰ আক্ৰমণ নহ'লহেঁতেন।

কোনো কোনো লিখকে ক'ব খোজে যে বদনচন্দ্ৰৰ লগত পুৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াও জগৰীয়া; কিয়নো বদনচন্দ্ৰই পূৰ্ণানন্দৰ স্বেচ্ছাচাৰিতাৰ অন্ত পেলাবলৈহে মানৰ সহায় লৈছিল। কিন্তু গৃহ বিবাদত শত্ৰুক হস্তক্ষেপ কৰিবলৈ মাতি অনা কাৰ্য অনৈতিক।

## ৪.৬ মানৰ অসম আক্ৰমণৰ ফলাফল ঃ

১। মানৰ অসম আক্ৰমণে অসমত আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ অৱসানৰ পথ মুকলি কৰি দিছিল।

২। আহোম স্বৰ্গদেউসকল অস্থায়ীভাৱে হ'লেও ব্ৰহ্মদেশৰ ৰজাৰ তলতীয়া হৈ পৰিছিল।

৩। আহোম ৰজাসকল নামতহে ৰজা হৈ আছিল; তেওঁলোকৰ হাতত যি সামৰিক শক্তিৰ প্ৰয়োজন আছিল সকলোখিনি প্ৰায় শেষ হৈ আহিছিল। ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল। সিংহাসন প্ৰাপ্তিৰ বাবে চলা আভ্যন্তৰীণ সংঘাতে আহোম ৰাজতন্ত্ৰক দুৰ্বল কৰি পেলাইছিল। উপায় নাইকিয়া হৈ চন্দ্ৰকান্ত সিংহ বঙ্গদেশৰ ব্ৰিটিছ সাম্ৰাজ্যলৈ পলাই গৈছিল। পুৰন্দৰ সিংহয়ো ব্ৰিটিছ ৰাজ্যত আশ্ৰয় লৈ আছিল। দেশৰ ডা-ডাঙৰীয়াসকলে দেশ ৰক্ষা কৰাত সহায় কৰিব নোৱাৰিলে। মানৰ আক্ৰমণে অসমৰ উঁৱলি যোৱা শাসন ব্যৱস্থা নিঃশেষ কৰি পেলালে।

৪। মানৰ আক্ৰমণে অসমৰ অৰ্থনৈতিক অৱস্থা মযিমূৰ কৰিছিল। উৎপন্ন বস্তুৰ পৰিমাণ ভীষণভাৱে কমি গৈছিল, সদাগৰ-বেপাৰীসকলে বেপাৰ-বাণিজ্য বন্ধ কৰিছিল। মানৰ আক্ৰমণৰ ফলত অসমৰ সামাজিক জীৱন ছিন্ন-ভিন্ন হৈ পৰে। গাঁওবোৰত জনসংখ্যা কমি গৈছিল। বহুতো প্ৰজাই প্ৰাণৰ ভয়ত ঘৰ-বাৰী এৰি পাহাৰে-পৰ্বতে আশ্ৰয় লৈছিল। কিছুমানে দেশ এৰি চুবুৰীয়া ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰিছিল। ইয়াৰ ফলত গাঁও উছন হৈ আৰু খেতি-বাতি নোহোৱা হৈ ভালেমান ঠাই হাবিলৈ পৰিণত হৈছিল।

সকলোতকৈ তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানিৰ হস্তক্ষেপ। **মানসকলে অসম অধিকাৰ কৰা ঘটনাই ব্ৰিটিছসকলক** অসমলৈ আগমনৰ সুযোগ দিছিল। মানসকলে ইতিমধ্যে আৰাকান, মণিপুৰ আৰু কাছাৰ জয় কৰিছিল আৰু অসম জয়ৰ লগে লগে মানসকল ব্ৰিটিছৰ প্ৰতিদ্বন্দ্বী হিচাপে মূৰ দাঙি উঠে। অসম আৰু ইয়াৰ চুবুৰীয়া অঞ্চলবোৰত মানসকলৰ অস্তিত্বই ব্ৰিটিছসকলৰ শক্তিৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিছিল। মানৰ অগ্ৰগতিক বাধা দিয়াৰ বাবেই ১৮২৪-১৮২৬ চনত প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ সংঘটিত হৈছিল।

৫। এই ইঙ্গ বাৰ্মা যুদ্ধৰ পৰিসমাপ্তি হয় বিখ্যাত য়াণ্ডাবু সন্ধিৰ দ্বাৰা । এই চুক্তিৰ পিছত মানসকলে অসম এৰিবলৈ বাধ্য হয় আৰু অসম সম্পূৰ্ণৰূপে ব্ৰিটিছ চৰকাৰৰ অধীনলৈ যায়।

## ৪.৭ প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ ঃ

অসমখন সম্পূৰ্ণৰূপে মানৰ অধীনলৈ অহাৰ পিছত মানসকলে ইংৰাজৰ ৰাজ্যত সোমাই উপদ্ৰৱ কৰিবলৈ আৰম্ভ কৰিছিল। আনহাতে মান চৰকাৰৰ সাম্ৰাজ্যবাদী কাৰ্যকলাপবোৰেও ইষ্ট ইণ্ডিয়া কোম্পানি চৰকাৰক শংকিত কৰি তুলিছিল। গোৱালপাৰা শ্ৰীহট্ট আৰু চট্টগ্ৰামৰ পথেৰে মানসকল ইংৰাজৰ ৰাজ্যত সোমাই লুট-পাত আৰম্ভ কৰিছিল। ক্ৰমে মানৰ ৰাজ্য লিপ্সাও বাঢ়ি উঠে। মানে নগাঁৱৰ পৰা ১৮১৯ চনত তেওঁলোকে জয় কৰা মণিপুৰ ৰাজ্যৰ মাজেৰে কাছাৰ ৰাজ্যত প্ৰৱেশ কৰে। ইতিমধ্যে কাছাৰৰ ৰজা গোবিন্দ সিংহই মণিপুৰী ৰজা গম্ভীৰ সিংহৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ইংৰাজৰ শৰণাপন্ন হৈছিল। ইংৰাজসকলে বুজিছিল যে কাছাৰ যদি মানসকলে অধিকাৰ কৰে তেন্তে কাছাৰৰ সীমান্তৱৰ্তী ইংৰাজ অধীকৃত শ্ৰীহট্ট বিপন্ন হ'ব পাৰে। সেইবাবে মানৰ আক্ৰমণৰ প্ৰতিৰোধ কৰিবৰ বাবে তেওঁলোকে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিলে।



লৰ্ড আমহাৰ্ষ্ট

কোম্পানি চৰকাৰৰ অধীনস্থ অঞ্চলৰ গাতে লাগি থকা অসমত এনে সামগ্ৰিক অৱনতি আৰু মানৰ অতপালি দেখি শুনি ইংৰাজ চৰকাৰ নিষ্ক্ৰিয় হৈ থাকিব নোৱাৰিলে। মান সেনা কাছাৰত সোমোৱাত ইংৰাজ আৰু মান ৰজাৰ লগত সংঘৰ্ষ অনিবাৰ্য হৈ পৰিল। গতিকে **অৱশেষত ১৮২৪ খ্ৰীষ্টাব্দৰ ৫ মাৰ্চত গৱৰ্ণৰ জেনেৰেল লৰ্ড আমৰ্হাষ্টে ব্ৰহ্মদেশৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।**



*চিত্ৰ ঃ প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধ (১৮২৪ খ্ৰীষ্টাব্দ)*




*চিত্ৰ ঃ প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধৰ মানচিত্ৰ।*

ইংৰাজ সেনাই পূৰ্ণ প্ৰস্তুতিৰে তিনি দিশৰ পৰা মানসকলক খেদি আহিল। ব্ৰহ্মপুত্ৰৰে লৰ্ড মেকমোৰেইনৰ অধীনত এটা বাহিনী গোৱালপাৰা হৈ গুৱাহাটী অভিমুখে আগবাঢ়িল। দ্বিতীয় এটা বাহিনী চট্টগ্ৰাম আৰু শ্ৰীহট্ট সীমান্তইদি আৰাকান হৈ মণিপুৰ, জয়ন্তীয়া ৰাজ্যৰ ফালে আগবাঢ়িলে। এই বাহিনীটোৰে নেতৃত্ব দিছিল ডেভিদ স্কটে। ছাৰ আৰ্চিবেল কেম্পবেলৰ নেতৃত্বত তৃতীয় বাহিনীটো ইৰাৱতী নদীয়েদি ৰেঙ্গুন অভিমুখে আগবাঢ়ে।

**১৮২৪ খ্ৰীষ্টাব্দৰ ২৮ মাৰ্চত ইংৰাজ সেনাই হেলাৰঙে গুৱাহাটী অধিকাৰ কৰিছিল।** মান সেনাই ইংৰাজ বাহিনীৰ হাতত টিকিব নোৱাৰি নগাঁও, ৰহা আৰু কলিয়াবৰলৈ হুহকি আহিল। অৱশেষত হাটবৰ, কলিয়াবৰ আৰু ৰাঙলুগড়ত মান সেনা বাৰুকৈ পৰাজিত হৈছিল। ইংৰাজৰ আন এজন সেনাপতি ডেভিদ স্কটেও কাছাৰ, জয়ন্তীয়া পাহাৰ হৈ নগাঁৰত উপস্থিত হৈছিল। এনে ধৰণে অতি কম সময়ৰ ভিতৰতে গুৱাহাটীৰ পৰা গোৱালপাৰালৈকে অসমৰ এই নামনি অঞ্চল ইংৰাজ সেনাই দখল কৰিছিল। কৰ্ণেল ৰিচাৰ্ডচনক এই অধিকৃত অঞ্চলৰ সামৰিক শাসনকৰ্তা পতা হৈছিল।

## ৪.৮ ইংৰাজৰ উজনিলৈ অগ্ৰগতি ঃ

গুৱাহাটী অঞ্চল ইংৰাজৰ হাতলৈ যোৱাৰ পিছতো উজনি অসমত মানৰ ৰাজত্ব চলি আছিল। কিন্তু অতি সোনকালেই নগাঁও, ৰহা, কলিয়াবৰ আদি ঠাই ইংৰাজ সেনাই অধিকাৰ কৰিলে। মান সেনাই মহুৰামুখ নামে ঠাইত ইংৰাজৰ লগত যুঁজিবৰ বাবে সাজু হৈয়ো বিফল হ'ল। ইংৰাজে তেওঁলোকক খেদি আনি যোৰহাট পোৱালে। লেফটেনেণ্ট নিউভিলৰ নেতৃত্বত অহা ইংৰাজ ফৌজে ১৮২৫ খ্ৰীষ্টাব্দৰ ১৭ জানুৱাৰি তাৰিখে যোৰহাট দখল কৰিছিল। যোৰহাটৰ পৰা হুহকি গৈ মান সেনাই গৌৰীসাগৰত খাপ দি ৰৈছিল। ইংৰাজ ফৌজে গৌৰীসাগৰলৈকে আগুৱাই গৈ মান সেনাক সমূলঞ্চে পৰাজিত কৰিছিল। পৰাজিত মানসকল স্বদেশলৈ উভতি যোৱাৰ বাহিৰে গত্যন্তৰ নাছিল।

চিংফৌসকলৰ লগলাগি কিছু সংখ্যক মান সেনাই অসমৰ পুব খণ্ডত উপদ্ৰৱ আৰম্ভ কৰাত শদিয়াখোৱা গোহাঁই আৰু মাতিবৰ সেনাপতিয়ে ইংৰাজৰ সহায় বিচাৰে। তেতিয়া কেপ্টেইন নিউভিল সসৈন্যে আগবাঢ়ি গৈছিল। ১৮২৫ খ্ৰীষ্টাব্দৰ জুন মাহত নিউভিলে চিংফৌসকলক পৰাস্ত কৰিলে।

ইফালে মণিপুৰ-কাছাৰতো মান সেনাই উপদ্ৰৱ কৰিবলৈ এৰা নাছিল। গতিকে ইংৰাজ সেনাপতি পাম্বাৰটনে বিশেষকৈ মণিপুৰৰ পৰা মানসেনা খেদি উলিওৱাৰ কাৰ্যকৰী ব্যৱস্থা লৈছিল।

ইৰাৱতীয়েদি ৰেঙ্গুনৰ ফালে আগবাঢ়ি যোৱা ছাৰ আৰ্চিবেল কেম্বেলৰ অগ্ৰগতিক ব্ৰহ্মদেশীয় ৰজাই বাধা দিব পৰা নাছিল। যেতিয়া ইংৰাজ সেনাই ব্ৰহ্মদেশৰ য়াণ্ডাবু চহৰ দখল কৰি বহিল তেতিয়া ব্ৰহ্মদেশৰ ৰজাই সন্ধি কৰাৰ বাহিৰে আন উপায় নাছিল। ফলত **১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইংৰাজ কোম্পানি চৰকাৰ আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজত বিখ্যাত য়াণ্ডাবু সন্ধি স্বাক্ষৰিত হ'ল। লগে লগে ইঙ্গ-বাৰ্মা সংঘৰ্ষৰো অন্ত পৰিল।**

**য়াণ্ডাবু সন্ধিৰ দ্বিতীয় অনুচ্ছেদ অসম সম্পৰ্কীয় আছিল**। সন্ধিৰ সেই অনুচ্ছেদ অনুযায়ী আভা ৰজাই ওচৰ-চুবুৰীয়া অসম ৰাজ্য আৰু অসমৰ তলতীয়া ৰাজ্য কাছাৰ আৰু জয়ন্তীয়াৰ ওপৰত সকলো দাবী ত্যাগ কৰে। লগতে ভৱিষ্যতলৈও সেইবোৰত কোনো হস্তক্ষেপ নকৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। এটা মন কৰিবলগীয়া কথা হ'ল যে মানদেশে অসমক ইংৰাজৰ হাতত শোধাই দিয়া নাছিল। নাইবা অসমৰ হৈ য়াণ্ডাবু সন্ধি পত্ৰত কোনেও চহী কৰা নাছিল। আচলতে সেই সময়ত অসমক প্ৰতিনিধিত্ব কৰিব পৰা কোনো একক ৰাজশক্তি নাছিল।

ইমান দিনে অসম ইংৰাজ কোম্পানিৰ অধীনস্থ নাছিল। কিন্তু য়াণ্ডাবু সন্ধিৰ দ্বিতীয় অনুচ্ছেদৰ গইনা লৈ ইংৰাজে অসমত অধিকাৰ সাব্যস্ত কৰিছিল। মান খেদিবলৈ আহি তেওঁলোক এদিন অসমৰ অধিপতি হ'ল। অৱশ্যে পৰিস্থিতিয়েহে ইংৰাজ অসমলৈ অহাৰ বাট সুগম কৰি দিছিল। সাধাৰণ প্ৰজাই এই ৰাজনৈতিক পৰিৱৰ্তন স্বীকাৰ কৰি লোৱাৰ বাহিৰে গত্যন্তৰ নাছিল। মানৰ অত্যাচাৰৰ কথা মনত পেলাই সাধাৰণ প্ৰজাই কোম্পানি চৰকাৰৰ দিনত অকণমান সকাহ পাব বুলিয়েই ইংৰাজৰ আগমনত কোনো বাধা দিয়া নাছিল।

মান সেনা আঁতৰি যোৱাৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানি এই দেশৰ একপ্ৰকাৰ স্বয়ম্ভু শাসনকৰ্তা হৈ পৰে। আহোম ৰজা চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহ কোনোজনকে ৰংপুৰ নাইবা যোৰহাটত থাকিবলৈ দিয়া নহৈছিল। ১৮২৬ খ্ৰীষ্টাব্দৰ শেষ ভাগত যোগীঘোপাত ৰজা যোগেশ্বৰ সিংহৰ মৃত্যু হয়। চন্দ্ৰকান্ত সিংহই গুৱাহাটীতে থাকিবলৈ লয় আৰু কিছুদিনৰ ভিতৰতে মৃত্যু হয়।

## ৪.৯ য়াণ্ডাবু সন্ধি ঃ

প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ (১৮২৪-২৫) চাৰিখন ৰণাঙ্গনত সংঘটিত হৈছিল— (১) ব্ৰহ্মপুত্ৰ উপত্যকা তথা আহোম ৰাজ্য, (২) কাছাৰ, (৩) মণিপুৰ আৰু (৪) ব্ৰহ্মদেশত। যুদ্ধত মানসকল পৰাস্ত হৈছিল। অসমত ইংৰাজৰ হাতত পৰাজিত হৈ মানে ১৮২৫ চনত উজনি অসম ত্যাগ কৰিলে। আটাইকেইটা ৰণাঙ্গনত পৰাজিত হৈ ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে য়াণ্ডাবু নামে ঠাইত ইংৰাজ কোম্পানি চৰকাৰ আৰু ব্ৰহ্মদেশৰ ৰজাই সন্ধিপত্ৰত স্বাক্ষৰ কৰে। এয়ে আছিল উল্লেখযোগ্য **য়াণ্ডাবু সন্ধি (১৮২৬)**। এই সন্ধিৰ জৰিয়তে প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধৰ সামৰণি পৰিছিল।

**য়াণ্ডাবু সন্ধিৰ চৰ্তসমূহ আছিল ঃ**

১। মান ৰজাই যুদ্ধৰ ক্ষতিপূৰণৰ বাবদ কোম্পানিক এক কোটি টকা পৰিশোধ কৰিব লাগিব।

২। আৰাকান আৰু তেনাছেৰিম প্ৰদেশ ব্ৰিটিছৰ হাতলৈ যাব।

৩। অসম, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যত মানসকলে কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব।

৪। মানসকলে মণিপুৰৰ ৰজা গম্ভীৰ সিংহক ৰজা মানিবলৈ গাত লয়।

৫। আভাত এজন ব্ৰিটিছ ৰেছিডেণ্ট থাকিব। মান ৰজাক কলিকতাত এজন বিষয়া ৰাখিবলৈ ব্ৰিটিছে অনুমতি দিছিল।

এইদৰে য়াণ্ডাবু সন্ধিৰ চৰ্তসমূহ ব্ৰিটিছৰ অনুকূলে গৈছিল। য়াণ্ডাবু সন্ধিয়ে অসমত মানৰ দিনৰ ওৰ পেলায়। এই সন্ধিৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে অসমত শাসনভাৰ গ্ৰহণ কৰি ব্ৰিটিছৰ সাম্ৰাজ্যৰ পাতনি মেলিছিল।

### মন কৰিবলগীয়া কথা

**মানক খেদিবলৈ ১৮২৪ চনত অসমত ইংৰাজ সেনাই প্ৰৱেশ কৰে। ১৮২৫ চনত তেওঁলোকে মানক অসমৰ পৰা বহিষ্কৃত কৰে। মানৰ শাসনত জুৰুলা অসমৰ প্ৰজা, ৰজা, ডা-ডাঙৰীয়াসকলে টলকিবই নোৱাৰিলে কিদৰে ইংৰাজৰ শাসন অসমত আৰম্ভ হ'ল।**

**প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধখনৰ উল্লেখযোগ্য ফলাফলটো এয়ে আছিল যে এই যুদ্ধখনৰ পিছত অসম সম্পূৰ্ণৰূপে ব্ৰিটিছৰ হাতলৈ গৈছিল। এই ঘটনাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ বাবে এক নতুন অধ্যায়ৰ সূচনা কৰিছিল।**

### মূ ল ক থা

অসমৰ ইতিহাসত মানৰ আক্ৰমণ এটি উল্লেখযোগ্য ঘটনা। মানসকল আৰাকান দখল কৰি লাহে লাহে মণিপুৰৰ ওপৰত কেইবাবাৰো আক্ৰমণ কৰি দেশখন জুৰুলা কৰি তুলিছিল।

- অসমৰ সেই সময়ৰ ৰাজনৈতিক পটভূমিলৈ চালে দেখা যায় যে প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ৰাজ্য প্ৰশাসনৰ সকলো কথাতে নিজৰ প্ৰাধান্য প্ৰতিষ্ঠা কৰিছিল। এনে কাৰ্যকলাপ বহুতো বিষয়াই ভালপোৱা নাছিল আৰু শেষত বিদ্ৰোহে দেখা দিছিল।
- ৰজা চন্দ্ৰকান্ত সিংহৰ সৎৰামৰ লগত বন্ধুত্ব; বদন বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মাজত থকা বিৰোধে দেশলৈ বিপদ মাতি আনিছিল। পূৰ্ণানন্দ দেশৰ প্ৰধানমন্ত্ৰী হৈ থকা কালছোৱাত আটাইকেইজন ৰজাই আছিল কম বয়সীয়া। আটাইকেইজন ৰজাই কম বয়সীয়া হোৱা হেতুকে সৰু ৰজা কেইজনক বঞ্চিত

কৰি পূৰ্ণানন্দহে সৰ্বময় কৰ্তৃত্বৰ গৰাকী হৈ পৰিছিল। গুৱাহাটীৰ বৰফুকন হিচাপে কাৰ্যনিৰ্বাহ কৰা বদনচন্দ্ৰ বৰফুকন আৰু বহুতো বিষয়াই পূৰ্ণানন্দৰ ক্ষমতা বৃদ্ধিত অসন্তুষ্ট হৈছিল। আনহাতেদি বদনচন্দ্ৰ বৰফুকন নিজেও বৰ অত্যাচাৰী হৈছিল। পূৰ্ণানন্দৰ পুতেক ওৰেষা নাথে বদনৰ জীয়ৰী পিজৌ গাভৰুক বিয়া কৰোৱাত বদন পূৰ্ণানন্দৰ সম্পৰ্কৰ **উন্নতি** ঘটে। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে গম পাইছিল যে সৎৰামৰ বিদ্ৰোহত বদন বৰফুকন জড়িত হৈ আছিল। বদনৰ অত্যাচাৰে চৰম সীমা পোৱাত বুঢ়াগোহাঁয়ে পদচ্যুত কৰাৰ সিদ্ধান্ত ল'লে। বদন বৰফুকনে অসম এৰি ব্ৰিটিছ অধীকৃত অঞ্চললৈ পলাই গৈছিল আৰু পূৰ্ণানন্দক ক্ষমতাচ্যুত কৰিবলৈ ব্ৰিটিছৰ ওচৰত সহায় ভিক্ষা কৰিছিল। আনকি এই ক্ষেত্ৰত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দ্বাৰা লিখিত এখন পত্ৰও ব্ৰিটিছ চৰকাৰৰ ওচৰত দাখিল কৰিছিল। কিন্তু ব্ৰিটিছে বদনক সহায় কৰিবলৈ অস্বীকাৰ কৰাত বদনচন্দ্ৰ মান দেশলৈ যায়। মান ৰজা বদৌপায়াই সামৰিক সাহায্য প্ৰদান কৰে। মান সেনাই পূৰ্ণানন্দৰ স্বেচ্ছাচাৰিতাৰ অৱসান ঘটাই চন্দ্ৰকান্তক সিংহাসনত বহুৱায়।

ইতিমধ্যে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যু হৈছিল। বদনৰ ক্ষমতাও বাঢ়িছিল লগতে শত্ৰুৰ সংখ্যাও যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল। তেওঁ নিজেই ষড়যন্ত্ৰৰ বলি হৈছিল। আনহাতে, ৰজা চন্দ্ৰকান্তকো সিংহাসনচ্যুত আৰু অংগক্ষত কৰি তৰাতলিলৈ নিৰ্বাসন দিয়া হৈছিল। সেই ক্ষেত্ৰত পূৰ্ণানন্দৰ পুত্ৰ ৰুচিনাথে আগভাগ লৈছিল। মানসকলে আহোম ৰাজ্যত হোৱা ঘটনাৰ সংবাদ পাই আলুমিঙ্গিৰ নেতৃত্বত ১৮১৯ খ্ৰীষ্টাব্দত অসম আক্ৰমণ কৰে। তেওঁলোকে চন্দ্ৰকান্তক পুনৰ ৰজা পাতে। তেওঁ মান ৰজাৰ হাতৰ পুতলাৰ নিচিনাকৈ ৰাজ্য পৰিচালিত কৰিছিল। অৱশেষত তেওঁ বঙ্গদেশৰ ব্ৰিটিছ সাম্ৰাজ্যলৈ পলাই গৈছিল আৰু মানসকলক অসমৰ পৰা খেদি পঠাবলৈ ব্ৰিটিছৰ সহায় বিচাৰিছিল। ইতিমধ্যে মানসকলে তেওঁৰ ঠাইত যোগেশ্বৰ সিংহক ৰজা পাতিছিল।

☛ যোগেশ্বৰ সিংহ নামমাত্ৰ ৰজা হৈছিল। যোগেশ্বৰ সিংহৰ নামত অসমত মানৰ শাসন চলি থকা অৱস্থাতে ব্ৰিটিছ কোম্পানি চৰকাৰৰ সৈতে মানৰ সামৰিক সংঘৰ্ষ অনিবাৰ্য হৈ পৰে। ১৮২৪ চনত ইঙ্গ-বাৰ্মা যুদ্ধৰ সূচনা হয়।

১৮২৬ চনৰ য়াণ্ডাবু সন্ধিয়ে এই যুদ্ধৰ সমাপ্তি ঘটায়। মানৰ আক্ৰমণে অসমৰ উঁৱলি যোৱা শাসন ব্যৱস্থা ধূলিস্যাৎ কৰিলে। অৰ্থনৈতিক অৱস্থা ভাগি পৰিল। মানৰ বৰ্বৰ অত্যাচাৰ আৰু ইয়াৰ ফলত দেখা দিয়া আকাল, দুৰ্ভিক্ষ, গৃহহাৰা আদি সংকটত পৰি বহুজনেই প্ৰাণ হেৰুৱালে।

☛ বহুতো লোকে ঘৰ-বাৰী এৰি পৰ্বতে-পাহাৰে বা চুবুৰীয়া ৰাজ্যত আশ্ৰয় ল'লৈগৈ। ইয়াৰ পিছত প্ৰথম ইঙ্গ-বৰ্মী যুদ্ধৰ পৰিণতি স্বৰূপে মানক বিতাৰিত কৰি ইংৰাজে অসমকে ধৰি কাছাৰ, মণিপুৰৰ ওপৰত নিজ আধিপত্য স্থাপন কৰে। অসম সম্পূৰ্ণৰূপে ব্ৰিটিছৰ হাতলৈ গৈছিল।

অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে য়াণ্ডাবু সন্ধি আছিল অতি গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্তৰ সন্ধি। এই সন্ধিয়ে অসম বুৰঞ্জীৰ ধাৰা সলনি কৰিছিল। এই সন্ধিৰ চৰ্তসমূহ ব্ৰিটিছৰ অনুকূলে গৈছিল। মানৰ ৰাজত্বৰ ওৰ পেলাই ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে শাসনভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে এই সন্ধিৰ আগৰে পৰাই মানসকলক বিতাৰিত কৰাৰ অজুহাতত ব্ৰহ্মপুত্ৰ উপত্যকাত ব্ৰিটিছে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

## অ নু শী ল নী

**অতি চমু/চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। ১৭৮৪ চনত মান ৰজা বদৌপায়াৰ আমোলত মানসকলে কোনখন দেশ জয় কৰিছিল?

২। মান আৰু ব্ৰিটিছৰ মাজত কেতিয়াৰ পৰা শত্ৰুতা সৃষ্টি হৈছিল?

৩। মানৰ উপদ্ৰৱত থাকিব নোৱাৰি শ্ৰীহট্টলৈ পলাই যোৱা কাছাৰৰ ৰজাজনৰ নাম কি আছিল?

৪। কোন যুদ্ধত আহোমৰ পৰাজয়ৰ বাতৰি পাই পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যু হৈছিল?

৫। বৈশালী হুকুং কি?

৬। বৈশালী মুং-ডুন-চুন খাম কি?

৭। বদনচন্দ্ৰৰ সৈতে মান সৈন্য আহোতে অসমৰ প্ৰধানমন্ত্ৰী কোন আছিল?

৮। বদনচন্দ্ৰই কিমান মান সৈন্য লগত আনিছিল?

৯। বদনচন্দ্ৰই অসমত সোমায়েই কিমান অতিৰিক্ত সৈন্য গোটাইছিল?

১০। বদনচন্দ্ৰক চন্দ্ৰকান্ত সিংহই কি উপাধিৰে প্ৰধানমন্ত্ৰী পাতিছিল?

১১। মানৰ আক্ৰমণ কোন কোন চনত হৈছিল?

১২। কোন চনত বদনচন্দ্ৰক হত্যা কৰা হৈছিল?

**শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ**

১। ১৮১৬/১৮১৭/১৮১৯ চনত মানসকলে অসমৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ কৰিছিল।

২। জগন্নাথ ঢেকিয়াল ফুকন/বদন চন্দ্ৰ বৰফুকন/চন্দ্ৰকান্ত বুঢ়াগোহাঁই ৰুচিনাথ বুঢ়াগোহাঁইৰ ভাতৃ আছিল।

৩। বদন চন্দ্ৰৰ হত্যাকাণ্ড সংঘটিত হৈছিল ১৮১৬/১৮১৭/১৮১৮ চনৰ আগষ্ট মাহত।

৪। ৰাজমাও নুমলী চন্দ্ৰকান্ত সিংহ/পূৰ্ণানন্দ বুঢ়াগোহাঁই/ব্ৰজনাথ গোহাঁইৰ মাতৃ আছিল।

৫। য়াণ্ডাবু সন্ধি ১৮১৪/১৮২৬/১৮২৮ চনৰ ২৪ ফেব্ৰুৱাৰি তাৰিখে স্বাক্ষৰ কৰা হৈছিল।

**ৰচনা ধৰ্মী প্ৰশ্ন**

১। মণিপুৰ আৰু আৰাকানত মানৰ ৰাজ্য বিস্তাৰ সম্পৰ্কে চমুকৈ উল্লেখ কৰা।

২। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ স্বেচ্ছাচাৰিতাই কেনেকৈ ৰাজনৈতিক ষড়যন্ত্ৰৰ জন্ম দিছিল আলোচনা কৰা।

৩। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে সংঘটিত ৰাজনৈতিক ষড়যন্ত্ৰৰ শেষ পৰিণতি কি আছিল?

৪। বদনচন্দ্ৰ বৰফুকনৰ নেতৃত্বত মানে কিয় অসম আক্ৰমণ কৰিছিল?

৫। বদনচন্দ্ৰ বৰফুকনৰ নেতৃত্বত অসমত মানৰ ৰাজনৈতিক হস্তক্ষেপ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৬। মানৰ অসম আক্ৰমণৰ কাৰণসমূহ আলোচনা কৰা।

৭। মানৰ অসম আক্ৰমণৰ পৰিণতিসমূহ ফঁহিয়াই দেখুওৱা।

৮। কোনটো বিদ্ৰোহক 'পানীমুৱা বিদ্ৰোহ' বুলি কোৱা হয়?

৯। ১৮১৭ চনৰ অসমত মানসকলৰ সামৰিক হস্তক্ষেপৰ দুটা ফলাফল উল্লেখ কৰা।

১০। প্ৰথম ইংগ-বৰ্মা যুদ্ধ কেতিয়া সংঘটিত হৈছিল? এই যুদ্ধখন ক'ত সংঘটিত হৈছিল?

১১। য়াণ্ডাবু সন্ধিৰ উল্লেখযোগ্য ফলাফলসমূহ উল্লেখ কৰা।

১২। ইয়াণ্ডাবু সন্ধিৰ গুৰুত্ব সম্পৰ্কে লিখা।

**চমুটোকা ঃ**

| | | | |
|---|---|---|---|
| (১) বদৌপায়া | (২) গম্ভীৰ সিং | (৩) গোবিন্দচন্দ্ৰ | (৪) দামান গগৈ |
| (৫) হাও বৰা | (৬) ঘিলাধাৰীৰ যুদ্ধ | (৭) ব্ৰজনাথ | (৮) পুৰন্দৰ সিংহ |
| (৯) লুকু ডেকাফুকন | (১০) আলুমিংগি | (১১) য়াণ্ডাবু সন্ধি | |

U2D2Y5

পঞ্চম অধ্যায়

# অসমত ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণি

## মূল আলোচ্য বিষয়

- প্ৰশাসনিক ব্যৱস্থা
- কোম্পানিৰ শাসন
- ডেভিদ স্কট
- ৰবাৰ্টচন
- ফ্ৰেন্সিছ জেনকিন্স
- বিভিন্ন জিলা গঠন প্ৰক্ৰিয়া
- ব্ৰিটিছৰ মটক, খামতি, চিংফৌ, খাচী, জয়ন্তীয়া, গোভা, নগা, গাৰো, লুচাই পাহাৰ দখল।

### ৫.১ পটভূমি ঃ

ৰাজবংশ বা ৰাজ্যৰ উত্থান-পতন ইতিহাসৰ নতুন কথা নহয়। কোনো ৰাজবংশই কোনো দেশত একেৰাহে স্থায়ীভাৱে শাসন কৰাৰ উদাহৰণ নাই। তেৰ শতিকাৰ পৰা ঊনৈশ শতিকাৰ প্ৰথমছোৱালৈকে অসমত আহোমসকলে ৰাজত্ব কৰিছিল। এই ৰাজবংশৰ প্ৰতিষ্ঠাতা আছিল চ্যুকাফা। এটা ৰাজপৰিয়ালৰ লোকে সুদীৰ্ঘ ছশ বছৰ ৰাজত্ব কৰাৰ দৃষ্টান্ত বিৰল। মানৰ অসম আক্ৰমণৰ পিছত আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ পৰিসমাপ্তি ঘটিছিল। ইয়াৰ পিছত মানসকলে অসম অধিকাৰ কৰা ঘটনাই ব্ৰিটিছসকলৰ অসমলৈ আগমন সুগম কৰিছিল। মানে ইতিমধ্যে আৰাকান, মণিপুৰ আৰু কাছাৰ জয় কৰিছিল আৰু অসম জয়ৰ লগে লগে মানসকল ব্ৰিটিছৰ প্ৰতিদ্বন্দ্বী হিচাপে মূৰ দাঙি উঠে। অসম আৰু ইয়াৰ চুবুৰীয়া

অঞ্চলবোৰত মানসকলৰ অস্তিত্বই ব্ৰিটিছসকলৰ শক্তিৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছিল। মানৰ অগ্ৰগতিক বাধা দিয়াৰ বাবেই ১৮২৪-১৮২৬ চনত ইঙ্গ-বাৰ্মা যুদ্ধ সংঘটিত হৈছিল।

প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধ চাৰিখন ৰণাংগনত সংঘটিত হৈছিল— (১) ব্ৰহ্মপুত্ৰ উপত্যকা তথা আহোম ৰাজ্য (২) কাছাৰ, (৩) মণিপুৰ আৰু (৪) ব্ৰহ্মদেশ। আটাইকেইখন ৰণাংগনতেই পৰাজিত হোৱাৰ পিছত **য়াণ্ডাবু** নামে ঠাইত দুয়ো পক্ষই সন্ধিপত্ৰত স্বাক্ষৰ কৰে। এই **য়াণ্ডাবু সন্ধি**ৰ ২য় অনুচ্ছেদ অসম সম্পৰ্কীয় আছিল। এই সন্ধিৰ ফলত অসম, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যত মানসকলে কোনোধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিছিল। য়াণ্ডাবু সন্ধিয়ে মানৰ দিনৰ ওৰ পেলায় আৰু ইষ্ট ইণ্ডিয়া কোম্পানিয়ে পৰ্যায়ক্ৰমে সমগ্ৰ উত্তৰ-পূবৰ শাসনভাৰ গ্ৰহণ কৰি ব্ৰিটিছ সাম্ৰাজ্যৰ পাতনি মেলিছিল। অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে য়াণ্ডাবু সন্ধি আছিল এটা উল্লেখনীয় ঘটনা। ইয়াৰ পিছৰপৰা এই অঞ্চলৰ বুৰঞ্জীৰ ধাৰা সলনি হয়।

ম'হগড়ৰ যুদ্ধত আহোম ৰজা চন্দ্ৰকান্ত সিংহক পৰাজিত কৰি মানসকলে অসমৰ চুবুৰীয়া ইংৰাজ অধিকৃত উত্তৰবঙ্গ, গোৱালপাৰা, চিলেট আৰু চিটাগংগ অঞ্চলৰ প্ৰজাৰ ওপৰতো আক্ৰমণ চলাইছিল। কলিকতাত থকা ইংৰাজ গৱৰ্ণৰ জেনেৰেল আমহাৰ্ষ্টে এই বিষয়ে প্ৰতিবাদ জনোৱাত মানসকলে কোনো ভ্ৰূক্ষেপ কৰা নাছিল। মণিপুৰৰ ৰজা জয়সিংহৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰসকলৰ মাজত সিংহাসন লৈ বিবাদৰ সৃষ্টি হয়। তেওঁৰ পাঁচজন পুত্ৰৰ ভিতৰত জ্যেষ্ঠ দুজনৰ এই সংক্ৰান্তত বিয়োগ ঘটিছিল। বাকী তিনিজন পুত্ৰ **চৌৰজিৎ, মাৰজিৎ** আৰু **গম্ভীৰ সিঙৰ** মাজত বিবাদ ঘনীভূত হৈ উঠাত মাৰজিতে আভা (মান) ৰজাৰ অনুগ্ৰহত সিংহাসন অধিকাৰ কৰিছিল (১৮১২ খ্ৰীষ্টাব্দ)। ফলত চৌৰজিৎ আৰু গম্ভীৰ সিং গৈ কাছাৰত প্ৰৱেশ কৰিছিল। ইতিমধ্যে মণিপুৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত আধিপত্য বিস্তাৰ কৰি মানসকলে কাছাৰ আক্ৰমণৰ যো-জা কৰিছিল। কাছাৰৰ ৰজা **গোবিন্দ চন্দ্ৰই** ততাতৈয়াকৈ পলাই গৈ ব্ৰিটিছৰ শাসনাধীন চিলেটত আশ্ৰয় লৈছিল। পিছলৈ চৌৰজিতেও চিলেটত সোমাই ব্ৰিটিছৰ সাহায্য প্ৰাৰ্থনা কৰিছিল। মান সেনাপতিয়ে ব্ৰিটিছক বুজাইছিল যে কাছাৰৰ পৰা চৌৰজিৎ আৰু গম্ভীৰ সিঙে খেদি দিয়া ৰজা গোবিন্দচন্দ্ৰক পুনৰ সংস্থাপিত কৰাৰ মানসেৰেহে তেওঁ কাছাৰত প্ৰৱেশ কৰিবলৈ উদ্যত হৈছিল। তেওঁৰ কথা ব্ৰিটিছে বিশ্বাস নকৰিলে আৰু যুদ্ধৰ বাবে প্ৰস্তুত হ'ল। গম্ভীৰ সিঙে ইঙ্গ-বাৰ্মী যুদ্ধৰ সময়ত লেফটেনেণ্ট **পেম্বাৰ্টন**ৰ সহযোগত মানসকলক বিতাড়িত কৰি মণিপুৰ উদ্ধাৰ কৰে। য়াণ্ডাবু সন্ধিয়ে গম্ভীৰ সিঙক মণিপুৰৰ ৰজা হিচাপে স্বীকৃতি দিয়ে।

## ৫.২ ব্ৰিটিছৰ অসম অধিকাৰ ঃ

মানসকলৰ সৈতে ইষ্ট-ইণ্ডিয়া কোম্পানিৰ ভালেমান কাৰণত মনোমালিন্য ঘটিছিল। ১৮২২ খ্ৰীষ্টাব্দৰ মানসকলে চট্টগ্ৰামত কেইজনমান ইংৰাজ লোকক বন্দী কৰিছিল, তেওঁলোকৰ দুজনমানৰ বন্দী অৱস্থাত মৃত্যু ঘটাত মান আৰু ইংৰাজৰ **সম্বন্ধৰ** অৱনতি ঘটিছিল। কোম্পানি অধিকৃত চাহপুৰীত সোমাই মানসকলে পতাকা উত্তোলন কৰিছিল। সেয়ে ব্ৰিটিছে ঢাকা আৰু গোৱালপাৰা হৈ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি অঞ্চলটো

মানসকলৰ পৰা ৰক্ষা কৰিবলৈ স্থিৰ কৰে।

ব্ৰিটিছে প্ৰথমতে ব্ৰহ্মপুত্ৰ উপত্যকাত উপস্থিত হৈ ঘোষণা কৰিছিল যে যুদ্ধ জয়ৰ স্পৃহাৰ বাবে তেওঁলোক অসমলৈ অহা নাই; মান আক্ৰমণৰ পৰা অসমক মুক্ত কৰিবলৈহে তেওঁলোক আহিছে। কৰ্ণেল ৰিচাৰ্ডচনৰ নেতৃত্বত দলটো আহি গুৱাহাটীত উপস্থিত হোৱাত আহোমসকলে তেওঁলোকক আদৰণি জনায়। গুৱাহাটীৰ পৰা এক **ঘোষণা-পত্ৰ** যোগে ইংৰাজে অসমীয়া লোকক তেওঁলোকৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনায়। তেওঁলোকে আশ্বাস দিছিল যে ইংৰাজে **অসমত উপনিবেশ স্থাপন কৰিবলৈ অহা নাই, আহিছে অত্যাচাৰী মানসকলৰ পৰা অসমক ৰক্ষা কৰিবলৈহে।** মানসকল আঁতৰি গ'লে আৰু অসমত মান আক্ৰমণৰ পৰা বাধা দিব পৰাকৈ এটা সুস্থিৰ চৰকাৰ গঠন হ'লে কোম্পানিয়ে অসম এৰি যাব বুলিও ঘোষণা-পত্ৰত স্পষ্টকৈ কোৱা হৈছিল। ব্ৰিটিছসকলৰ আগমনৰ লগে লগে মানসকল উজনি অসমলৈ পলাই গৈছিল। কিছুদিনৰ মূৰত হাটবৰ, কলিয়াবৰ আৰু ৰাঙলুগড়ত দুয়োপক্ষৰ মাজত সংঘৰ্ষ হৈছিল। ইতিমধ্যে কোম্পানিৰ এজেণ্ট ডেভিদ স্কট অসমলৈ আহি গুৱাহাটী আৰু গোৱালপাৰাৰ মাজৰ বৃহৎ অঞ্চল অধিকাৰ কৰিছিল। এই অঞ্চলক সামৰিক শাসনৰ অধীন কৰি কৰ্ণেল ৰিচাৰ্ডচনক ইয়াৰ তত্বাৱধানৰ দায়িত্ব দিয়া হৈছিল। একেদৰে ৰহাৰ পৰা কাছাৰলৈকে বিস্তৃত অঞ্চলটোও ব্ৰিটিছে পোনপটীয়া প্ৰশাসনৰ তললৈ নিছিল। এইদৰে ব্ৰিটিছৰ পূৰ্বৰ মনোভাবৰ দ্ৰুত পৰিৱৰ্তন দৃষ্টিগোচৰ হৈছিল। মানসকলৰ পৰা ব্ৰিটিছে অসমক ৰক্ষা কৰে যদিও ব্ৰিটিছে নিজে এই ৰাজ্যত তেওঁলোকৰ প্ৰশাসনৰ পাতনি মেলা দেখা গ'ল। সেয়ে আহোম ৰজাৰ অনুৰোধ ক্ৰমে অসমক মানৰ পৰা ৰক্ষা কৰিবলৈ ব্ৰিটিছসকল অসমলৈ আহিছিল বোলা বিশ্বাসটো ক্ৰমে ভুল বুলি প্ৰতিপন্ন হৈছিল। অসমত নিজ ঘাটি পাতি ইংৰাজে তেওঁলোকৰ অধিকৃত অঞ্চলক সুৰক্ষিত কৰাৰ মানসেৰেহে যে অসমলৈ আহিছিল সেইটো তেওঁলোকৰ পৰৱৰ্তী কাৰ্যকলাপে প্ৰমাণ কৰিছিল।

### ৫.২.১ ব্ৰহ্মপুত্ৰ উপত্যকাত ব্ৰিটিছৰ আধিপত্য ঃ

মানসকলক বিতাড়ন কৰাৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকৰ অৱস্থা বৰ শোচনীয় আছিল। কেইবা হেজাৰো অসমীয়া লোকক মানে দাস হিচাপে ধৰি নিছিল। মানৰ অসভ্য অমানুষিক অত্যাচাৰত তেওঁলোকৰ সংখ্যা আৰু তাকৰ হ'ল। যিসকল বাচি থাকিল তেওঁলোকে নিৰ্যাতনৰ বাবে খেতি-বাতি কৰিব নোৱাৰা হ'ল। বহু লোক বিভিন্ন ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিল। মানৰ আক্ৰমণত এওঁলোক প্ৰত্যেকেই প্ৰায় সৰ্বস্বান্ত হৈছিল। ইয়াৰ আগতে হোৱা গৃহ বিবাদ আৰু যুদ্ধ-বিগ্ৰহত অসমীয়া লোকৰ সংখ্যা বহু পৰিমাণে হ্ৰাস হৈছিল।

কেইবা বছৰ ধৰি মানসকলে এই ঠাই নিজ দখলত ৰাখিছিল। এই অঞ্চলৰ লোকসকলৰ মাজত একতা নাছিল। মানৰ আগমনৰ আগৰে পৰা ইয়াত কেইবাবছৰো গৃহযুদ্ধ চলিছিল। এই মিলা-প্ৰীতি নথকা লোকসকলৰ কোনো এক দলৰ এজন প্ৰাৰ্থীক যদি এতিয়া ব্ৰিটিছে ৰজা পাতে তেওঁলোক এৰি যোৱাৰ লগে লগে যে এখন গৃহযুদ্ধ হ'ব, সেই ধাৰণা কৰি ব্ৰিটিছসকলে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা কিছু কালৰ কাৰণে হ'লেও নিজৰ শাসনৰ অধীনলৈ অনাৰ সিদ্ধান্ত ল'লে।

### ৫.৩ ডেভিদ স্কটৰ ভূমিকা ঃ

১৮২০ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহত ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল **ডেভিদ স্কট**ক। উত্তৰে ছিকিম, দক্ষিণে কাছাৰ আৰু চিলেটৰ পৰা সমগ্ৰ পূৰ্বাঞ্চলৰ বাবে তেওঁ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে নিযুক্ত হৈছিল। ব্ৰিটিছসকলৰ অসম আগমন আৰু এই ৰাজ্যত তেওঁলোকৰ বিস্তৃতি আৰু প্ৰশাসনিক ব্যৱস্থাৰ ইতিহাসৰ সৈতে ডেভিদ স্কটৰ নাম ওতঃপ্ৰোতভাৱে জড়িত। ১৮০৭ খ্ৰীষ্টাব্দত গোড়খপুৰত এজন ৰেজিষ্ট্ৰাৰ হিচাপে কাৰ্যকালৰ পাতনি মেলা স্কটে বংগৰ ভালেমান জিলাত বিচাৰক, কালেক্টৰ আদি পদত নিযুক্ত হৈছিল। তেওঁ সেই সময়ত উত্তৰ-পূব ৰংপুৰ অৰ্থাৎ গোৱালপাৰা আৰু গাৰোপাহাৰৰ অসামৰিক কমিছনাৰ আৰু চিলেট জিলাৰ ন্যায়াধীশ হিচাপেও দায়িত্ব পালন কৰিছিল।

এজন সুদক্ষ বিচক্ষণ শাসক হিচাপে খ্যাতি অৰ্জা স্কট অতি দূৰদৰ্শী আছিল। প্ৰশাসনিক সুবিধাৰ বাবে ব্ৰিটিছে অসমক **উজনি অসম** আৰু **নামনি অসম** দুটা খণ্ডত ভাগ কৰিলে। ৰংপুৰ উজনি আৰু গুৱাহাটী নামনি অসমৰ সদৰ ঠাই হ'ল। এই নতুন দায়িত্বভাৰ পালন কৰিবলৈ স্কটৰ অধিক কৰ্মচাৰীৰ প্ৰয়োজন হৈছিল। উজনি অসমৰ জিলাসমূহৰ প্ৰশাসনত তেওঁক সকাহ দিবৰ বাবে **নিউভিল** নামৰ এজন সহকাৰী নিযুক্তি দিয়া হৈছিল। তেওঁলোকৰ সদৰ কাৰ্যালয় কিছুদিনৰ মূৰত ৰংপুৰৰ পৰা যোৰহাটলৈ স্থানান্তৰ কৰা হয়। নিউভিলৰ নিযুক্তিৰ পিছত নামনি অসমৰ প্ৰশাসন ডেভিদ স্কটে অকলশৰীয়াকৈ চোৱা-চিতা কৰাত অসুবিধা পাইছিল বাবে তেওঁৰ জৰুৰী অনুৰোধত কেপ্তেইন **আদম হোৱাইট**ক কাম-কাজৰ সহায় কৰিবলৈ পঠিওৱা হৈছিল। তেওঁ বুজিছিল যে নৱ-অধিকৃত অসমত পুৰণি শাসন ব্যৱস্থা ৰদ কৰি হঠাতে নতুন ব্যৱস্থাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিলে ৰাজ্যখনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। সেয়ে তেওঁ আহোম বিষয়াসকলক কেতবোৰ দায়িত্বপূৰ্ণ প্ৰশাসনিক ভাৰ দিছিল। কিন্তু এনেদৰে চৰকাৰী কাম কৰাৰ অভ্যাস নথকাত তেওঁলোকে ব্ৰিটিছৰ অধীনত কাম কৰিবলৈ ভাল পোৱা নাছিল। সেয়ে ব্ৰিটিছে পিছলৈ বংগদেশৰ পৰা কেতবোৰ কৰ্মচাৰী আনি অসমত প্ৰশাসনীয় কাম-কাজ চলাইছিল।

#### ৫.৩.১ সামৰিক ব্যৱস্থাৰ পৰিৱৰ্তন ঃ

১৮২৬ খ্ৰীষ্টাব্দত ইংৰাজ কোম্পানি চৰকাৰে তেওঁলোকৰ নিয়মীয়া সৈন্য ওভতাই নিয়াত আসাম লাইট ইনফেণ্ট্ৰি নামৰ এটা সামৰিক বাহিনী গঠন কৰা হৈছিল। হিন্দুস্থানী গোৰ্খা, কিছু সংখ্যক মণিপুৰী আৰু স্থানীয় লোকেৰে এই বাহিনীটো গঠিত হৈছিল, ইয়াৰ এটা ভাগ বিশ্বনাথত আনটো ভাগ শদিয়াত ৰখা হৈছিল।

#### ৫.৩.২ ৰাজহ ব্যৱস্থাৰ সংস্কাৰ ঃ

পুঁজিবাদ বা ধনতন্ত্ৰত বিশ্বাসী ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰ শাসকসকলে সামৰিক আৰু বে-সামৰিক শাসনৰ লগতে ৰাজহ সংগ্ৰহত অধিক গুৰুত্ব দিছিল। ইংলেণ্ডত ন ন উদ্যোগ স্থাপন কৰি বেহা-বেপাৰ বৃদ্ধি কৰিবলৈ আৰু দেশ জয় কৰিবলৈ তেওঁলোকৰ বহুতো ধনৰ প্ৰয়োজন হৈছিল। মূলধন আহৰণৰ বাবে কোম্পানি চৰকাৰে অসমীয়া মানুহৰ ওপৰত নতুন নতুন কৰ-খাজনা লগাইছিল।




ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভৱিষ্যৎ সম্বন্ধে কোনো সিদ্ধান্ত নোলোৱাকৈ ব্ৰিটিছে এই অঞ্চলৰ ৰাজহ প্ৰশাসনত বিশেষ গুৰুত্বপূৰ্ণ সাল-সলনি কৰাৰ কথা ভবা নাছিল। উজনি অসমত পাইক প্ৰথা উঠাই দি তাৰ বিনিময়ত প্ৰত্যেকজন লোকৰ পৰা তিনি টকা হাৰে খাজনা আদায় কৰিছিল। পুৰণি খেলসমূহৰ বিষয়াসকলক এনে কৰ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল। **জনাৰ্দন বৰবৰুৱা** নামৰ এজন আহোম বিষয়াক ৰাজহ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল। তেওঁক হাজৰিকা, শইকীয়া আৰু বৰা পদবীধাৰী বিষয়াসকলে সহায় কৰিছিল। ইয়াৰ পিছত খেলৰ বিষয়াসকলক স্থানৰ ওপৰত ভিত্তি কৰি এই কৰ সংগ্ৰহ কৰাৰ নিয়ম হ'ল। একোখন জিলা কেতবোৰ মৌজাত বিভক্ত কৰি একোজন বিষয়াক এনে কৰ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল।

নগাঁও আৰু ৰহাৰ খাজনা সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল **আৰাধন ৰয়** আৰু **লতা পানীফুকন**ক। আৰম্ভণিতে ব্ৰিটিছে সম্ভ্ৰান্ত শ্ৰেণীটোৰ সহায়-সহযোগ আশা কৰি বিষয়াৰ দায়িত্ব দিছিল। নামনি অসম ইংৰাজৰ পোনপটীয়া শাসনলৈ অনা হৈছিল। ইতিমধ্যে দৰং, ডিমৰীয়া, বেলতলা, ৰাণী আদি সৰু ৰাজ্যই নিৰ্দিষ্ট হাৰত ৰাজহ দিছিল। স্কটৰ প্ৰশাসনকালত নামনি আৰু উজনি অসমৰ ক্ষেত্ৰত সুকীয়া ৰাজহ ব্যৱস্থা কৰা হৈছিল। নামনি অসমৰ পৰগনাসমূহ তেওঁ উঠাই দিয়া নাছিল। নামনি অসমত আগৰ দৰেই একোজন চৌধুৰীৰ পৰিচালনাৰ একেটা পৰগণা (ৰাজহ অঞ্চল) ৰখা হ'ল। চিৰস্তদাৰ, তহবিলদাৰ, পাটোৱাৰী, ঠাকুৰীয়া আদি খাজনা সংগ্ৰহকাৰী কৰ্মচাৰী নিয়োগ কৰা হয়। নগাঁও আৰু ৰহা অঞ্চলক সামৰি কৰ আদায়ৰ কাৰণে এটা বেলেগ গোট তৈয়াৰ কৰা হৈছিল। এই গোটটো গুৱাহাটীৰ অধীনত ৰখা হৈছিল। মাটিৰ খাজনাৰ উপৰি বেলেগ বেলেগ বৃত্তিৰ লোকৰ ওপৰতো স্কটে বিত্তীয় কৰ বহুৱাইছিল। তাঁতী, সোণাৰী, মাছমৰীয়া, কঁহাৰ আদি বিভিন্ন বৃত্তিত নিয়োজিত লোকসকলে এই কৰ দিব লাগিছিল। আহোম শাসনৰ সময়ত কৰ মুক্ত দেবোত্তৰ, ব্ৰহ্মোত্তৰ, আৰু ধৰ্মোত্তৰ মাটিৰ ওপৰতো স্কটে খাজনা নিৰূপণ কৰাইছিল। এই মাটিৰ পৰা আধা অংশ কৰ লৈছিল, ইয়াক বৰঙণি বোলা হৈছিল।

স্কটৰ দিনত নামনি অসমৰ মাটিৰ জৰীপ তেওঁৰ শাসনকালৰ সময়তে সমাধা হৈছিল। **কেপ্টেইন মেথিউজ**ৰ তত্ত্বাৱধানত এই কাৰ্য সমাধা হৈছিল। **মাটিসমূহ বস্তী অঞ্চল, ৰূপিত তথা শালিখেতি অঞ্চল, ফৰিঙতি তথা আহু ধান, সৰিয়হ খেতি প্ৰধান আদি অঞ্চলত ভাগ কৰা হৈছিল**। নতুন কৰৰ পদ্ধতি কাৰ্যত পৰিণত হওঁতে কোনো ঠাইত বেছি আৰু কোনো ঠাইত কম সময় লাগিছিল। আফিং খেতি কৰা মাটিত অধিক পৰিমাণৰ কৰ ধাৰ্য কৰা হৈছিল। স্কটে কোম্পানিক জনাইছিল যে নামনি অসমত অধিক ৰাজহ সংগ্ৰহ আৰু ইয়াৰ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। নামনি অসমত প্ৰতিজন পাইকক তিনি পুৰাকৈ খেতিৰ মাটি দিয়াৰ বাবদ তেওঁলোকৰ পৰা ২ টকাকৈ খাজনা আদায় কৰা হৈছিল। এই মাটিখিনিক গা-মাটি আৰু খাজনাখিনিক গা-ধন বোলা হৈছিল। ইয়াৰ উপৰি প্ৰত্যেকজন মানুহে জনমূৰি কৰ দিব লগা হৈছিল। **এই কৰ কামৰূপত 'পাইক কৰ' দৰঙত 'জুহাল কৰ' বা 'চৰু কৰ' বোলা হৈছিল।**

### ৫.৩.৩ বিচাৰ ব্যৱস্থাৰ সংস্কাৰ ঃ

ডেভিদ স্কট ব্ৰহ্মপুত্ৰ উপত্যকাৰ এটা বিৰাট অঞ্চলৰ প্ৰশাসনিক দায়িত্বত আছিল। স্কটৰ শাসনকালত স্থানীয় সাধাৰণ দেৱানী আৰু ফৌজদাৰী গোচৰসমূহ নিষ্পত্তিৰ বাবে স্থানীয় লোকেৰে গঠিত কেতবোৰ পঞ্চায়ত গঠন কৰা হৈছিল। গুৰুতৰ অপৰাধসমূহ কমিছনাৰৰ সহকাৰী বিষয়াসকলে পঞ্চায়তৰ সহায়ত বিচাৰ কৰিছিল। পঞ্চায়তৰ বিচাৰত সন্তুষ্ট নোহোৱাসকলে এই বিষয়াসকলৰ ওচৰত আপীল কৰিব পাৰিছিল। ইয়াৰ পিছত সন্তুষ্ট নহ'লে কমিছনাৰক আপীল কৰিব পাৰিছিল আৰু কমিছনাৰে আপীল শুনি ৰায়দান কৰিছিল। স্কটে বিচাৰৰ ক্ষেত্ৰত উজনি অসমত **লম্বোদৰ বৰফুকন**ক দেৱানী বিচাৰৰ ভাৰ দিছিল। ফৌজদাৰী গোচৰ সুধিছিল ব্ৰিটিছ বিষয়াই। নামনি অসমত দেৱানী গোচৰৰ বাবে দুখন আৰু ফৌজদাৰী গোচৰৰ বাবে এখন আদালত আছিল। পুলিচ বিভাগৰ ব্যৱস্থাও তেওঁ কটকটীয়া

কৰিছিল। স্কটৰ প্ৰশাসন কালত মোৱামৰীয়া, চিংফৌ আৰু খামতিসকলৰ সৈতে সদ্ভাব স্থাপন কৰা হৈছিল। সকলো কাম ডেভিদ স্কটে নিজে তদাৰক কৰিছিল। ভগ্ন স্বাস্থ্যৰ বাবে অত্যধিক পৰিশ্ৰম কৰি ১৮৩১ চনত ডেভিট স্কটৰ মৃত্যু হৈছিল। এজন অতি বিচক্ষণ প্ৰশাসক হিচাপে ডেভিদ স্কটে সমসাময়িক অসমত এক সন্মানজনক স্থান লাভ কৰিছিল।

## ৫.৪ ৰবাৰ্টচনৰ ভূমিকা ঃ

১৮৩১ খ্ৰীষ্টাব্দত ডেভিদ স্কটৰ মৃত্যু হোৱাত ক্ৰেক্ৰফট (Cracroft) আৰু তেওঁৰ পিছত স্থায়ীভাৱে ৰবাৰ্টচন কমিছনাৰ হৈ আহে। ১৮৩২ৰ পৰা ১৮৩৪ খ্ৰীষ্টাব্দত অসমত কমিছনাৰ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা ব্ৰিটিছ বিষয়া ৰবাৰ্টচন এজন কৰ্মপটু আৰু দূৰদৰ্শী বিষয়া আছিল। তেওঁৰ দিনত উজনি অসমত আহোম ৰজাৰ শাসন ব্যৱস্থা পুনৰ প্ৰতিষ্ঠিত হৈছিল। ৰবাৰ্টচনে তেওঁৰ কাৰ্যকালত ভালেমান সংস্কাৰ সাধন কৰিছিল। তেওঁৰ সংস্কাৰসমূহ তিনি ভাগত ভগাব পাৰি— ৰাজহ, প্ৰশাসনিক আৰু বিচাৰ বিভাগীয় সংস্কাৰ।

### ৫.৪.১ ৰাজহ ব্যৱস্থাৰ সংশোধন ঃ

ৰবাৰ্টচনে অসমত ৰাজহ ব্যৱস্থাৰ সংস্কাৰ কৰি মাটিৰ গুণাগুণ নিৰ্ধাৰণ কৰি খাজনাৰ নিৰিখ ধাৰ্য কৰিছিল। খাজনা সংগ্ৰহৰ শোষণ বন্ধ কৰিবলৈ মাটিৰ প্ৰকাৰ, পৰিমাণ, কৃষকৰ নাম-ঠিকনা আদি তথ্য লিপিবদ্ধ কৰাৰ প্ৰথা প্ৰচলন হৈছিল। এই তথ্যৰ ভিত্তিত কৃষকৰ মাটি আৰু শোধাব লগা খাজনাৰ পৰিমাণ তেওঁৰ নাম সন্নিবিষ্ট কৰি এখন নথি বা পট্টা দিয়াৰ নিয়ম কৰিছিল। ঘৰ কৰ, কোৰ কৰ, নাঙল কৰ বা জনমূৰি কৰ একেই ৰখা হৈছিল। এই সংস্কাৰ আৰু কৰ-কাটলৰ হাৰ বৃদ্ধিৰ ফলত ৰাজকোষত জমা হোৱা ধনৰ পৰিমাণ বাঢ়িছিল। ৰাজহ কৰ্মচাৰীসকলৰ দুৰ্নীতি ৰোধ কৰিবলৈ ৰবাৰ্টচনে ভূমি, ঘৰ-বাৰী, বনাঞ্চল আদিৰ বিৱৰণী সংগ্ৰহ কৰি তাৰ কৰ নিৰ্ধাৰণ কৰিছিল। তদুপৰি ৰায়তক পট্টা আৰু ৰাজহদানৰ ৰচিদ দিয়া হৈছিল। ৰাজহৰ কৰ্মচাৰীসকলে সৰু-সুৰা গোচৰ সুধিলেও তেওঁলোকে কালেক্টৰক নজনোৱাকৈ জৰিমনা বা শাস্তি বিহিব নোৱাৰিছিল। ৰবাৰ্টচনৰ এনেবোৰ সংস্কাৰে ৰায়তৰ উপকাৰ সাধিছিল।

### ৫.৪.২ প্ৰশাসনিক ক্ষেত্ৰত সংস্কাৰ ঃ

প্ৰশাসনিক ক্ষেত্ৰত ৰবাৰ্টচনৰ দিনত পাঁচখন জিলা স্থাপন কৰি প্ৰতিখন জিলাতে একোজনকৈ ইংৰাজ বিষয়াক নিযুক্তি দিয়া হৈছিল। তেওঁক সহকাৰী বিষয়াসকলে প্ৰশাসনিক কাম-কাজত সহায় কৰিছিল। প্ৰধান সহকাৰী বিষয়াজনক কলেক্টৰ আৰু বিচাৰকৰ দায়িত্বও দিয়া হৈছিল।

ন্যায় বিচাৰৰ ক্ষেত্ৰত প্ৰতিখন জিলাত প্ৰধান সহকাৰী বিষয়াৰ আদালতৰ উপৰি মুন্সিফ আদালত আৰু পঞ্চায়ত আদালতৰ ব্যৱস্থা কৰা হৈছিল। **ফৌজদাৰী গোচৰৰ প্ৰধান সহকাৰী বিষয়াজনে জুৰিৰ সহায়ত বিচাৰ কৰিছিল।** গুৰুতৰ গোচৰসমূহৰ বিৱৰণ, জুৰিৰ মতামত আৰু বিচাৰকৰ ৰায় আদি কমিছনাৰক অৱগত কৰাৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল। বিশ্বনাথ, চাৰিদুৱাৰ, নদুৱাৰ, নগাঁৱত আদালত স্থাপন কৰি ৰবাৰ্টচনৰ দিনত ন্যায় বিচাৰৰ সুবিধা দিয়া হৈছিল।

## ৫.৫ মেজৰ জেনকিন্সৰ ভূমিকা ঃ

১৮৩৪ চনত ৰবার্টচনৰ ঠাইত গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে মেজৰ জেনকিন্স নিযুক্ত হৈছিল। এই সামৰিক বিষয়াজন অসমৰ কমিছনাৰ বা গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে দায়িত্ব লোৱাৰ আগতেই অসমৰ লগত পৰিচিত আছিল। ১৮৩১ চনত পেম্বাৰ্টনৰ সৈতে তেওঁ কাছাৰ, মণিপুৰৰ লগতে অসমৰো জৰীপ কৰিছিল। এই জৰীপ প্ৰতিবেদনত উল্লেখ কৰিছিল যে পুঁজিপতি ইংৰাজ লোকক অসমৰ মুকলি হৈ থকা মাটিত বহুৱাই চাহ, কুঁহিয়াৰ আৰু নীল খেতি কৰাব লাগে। অসম যে চাহ খেতিৰ বাবে অতি উৎকৃষ্ট ঠাই তাকো প্ৰতিবেদনত কোৱা হৈছিল। জেনকিন্সৰ এই অভিজ্ঞতা আৰু পৰামৰ্শক গুৰুত্ব দি চৰকাৰে তেওঁক শাসক হিচাপে অসমলৈ পঠায়।

মেজৰ জেনকিন্স অসমৰ বিকাশৰ বাবে আহোপুৰুষাৰ্থ কৰা এজন অন্যতম ইংৰাজ বিষয়া আছিল। স্কটৰ দৰে এইজন বিষয়ায়ো অসমৰ বাবে ভালেমান আঁচনি লৈছিল। এই **ৰাজ্যৰ চাহপাত, কয়লা, তেল উদ্যোগৰ বিকাশৰ সৈতে তেওঁৰ নাম ওতঃপ্ৰোতভাৱে জড়িত আছিল।** অসমৰ সৈতে বংগৰ পোনপটীয়া ব্যৱসায়ৰ ক্ষেত্ৰত সীমান্ত চকীসমূহে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে বুলি স্কটে কান্দাহাৰ চকী উঠাই দিছিল। পিছত জেনকিন্সে অন্যান্য চকীসমূহো উঠাই দিছিল। এইজন বিষয়াৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰ নৈত **প্ৰথম ভাপৰ জাহাজৰ প্ৰচলন হৈছিল**। বাট-পথৰ উন্নতিৰ প্ৰতিও তেওঁ যথেষ্ট মনযোগ দিছিল। শিক্ষাৰ ক্ষেত্ৰত অতিশয় আগ্ৰহী এই বিষয়াজনৰ প্ৰচেষ্টাত **গুৱাহাটী আৰু শিৱসাগৰত ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপিত হৈছিল।**

**মেজৰ জেনকিন্সে অসমত বংগদেশৰ আমোলা নিযুক্তিৰ বিৰোধিতা কৰিছিল আৰু অসমৰ স্থানীয় লোকৰ তেওঁ উন্নতি বিচাৰিছিল। 'এছিয়াটিক ছ'চাইটি অৱ বেঙ্গল' নামৰ আলোচনীত তেওঁ অসম সম্বন্ধে এলানি প্ৰবন্ধও লিখিছিল।**

### ৫.৫.১ ৰাজহ ব্যৱস্থাৰ সংস্কাৰ ঃ

ভূমি বন্দৱস্ত আৰু ৰাজহ সংগ্ৰহ ব্যৱস্থাৰ সংস্কাৰ কৰি জেনকিন্সে চৰকাৰী ৰাজকোষ শক্তিশালী কৰিছিল। তেওঁ জনমূৰি কৰৰ সলনি ভূমি ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। মাটিৰ খাজনা বৃদ্ধি কৰিছিল। হাট-ঘাটৰ ওপৰত কৰ বন্ধ কৰিলেও ডা-ডাঙৰীয়াৰ হাতত থকা বিনা খাজনাৰ খাত-পাম আৰু খেতিৰ উপযোগী অথচ আবাদী মাটিৰ ওপৰতো খাজনা লগোৱা হ'ল। নদীৰ পৰা সোণ কমোৱা (নিষ্কাসন কৰা)ৰ ঠিকা দিয়া হৈছিল। নদী আৰু বিল ডাকত দিয়াত মোটা টকা চৰকাৰে আদায় কৰিছিল কিন্তু জনসাধাৰণে তাত মাছ মাৰিব নোৱাৰা হৈছিল। ইয়াৰ উপৰি গৰু-ম'হ চৰোৱা চৰণীয়া পথাৰ, হাবিৰ কাঠ, বাঁহ, ইকৰা, মুগা পলুৱে পাত খোৱা ছোম গছৰ ওপৰতো জেনকিন্স প্ৰশাসনে কৰ লগাইছিল। ১৮৫৮ খ্ৰীষ্টাব্দত টিকট কৰ, ১৮৬০ খ্ৰীষ্টাব্দত আয়কৰ, আমদানি কৰ আৰু অনুজ্ঞা-পত্ৰ কৰ আদি বহুৱাৰ উপৰি বিভিন্ন উপায়েৰে তেওঁ চৰকাৰৰ আয় বৃদ্ধি কৰিছিল।

জিলাসমূহক টাংগনি নামেৰে কিছুমান ৰাজহ গোটত ভাগ কৰি একোজন ফুকন, ৰাজখোৱা আৰু বৰুৱাক দায়িত্ব দিয়া হৈছিল। তেওঁলোকক সহায় কৰিছিল হাজৰিকা, শইকীয়া বড়াসকলে। তেওঁলোকে মুঠ সংগ্ৰহৰ একোটা অংশ লাভ কৰিছিল। পিছত টাংগনিৰ সলনি মৌজাবোৰ গঠিত হৈছিল আৰু সেইবিলাক একোজন মৌজাদাৰে পৰিচালনা কৰিছিল। সম্ভ্ৰান্ত শ্ৰেণীৰ বাহিৰেও সাধাৰণ শ্ৰেণীৰ অথচ উপযুক্ত সন্মানীয় ব্যক্তিকো মৌজাদাৰৰ দায়িত্ব দিয়া হৈছিল। এই কথাই সমাজত শ্ৰেণী বৈষম্য হ্ৰাস হোৱাত সহায় কৰিছিল। কিন্তু এজন সাধাৰণ লোকৰ তলত থাকিবলগীয়া হোৱাত বা তেওঁৰ নিৰ্দেশ মতে কাম কৰিবলগীয়া হোৱাত অভিজাত শ্ৰেণীটো অসন্তুষ্ট হৈছিল। এইটো তেওঁলোকে মৰ্যাদা হানিকৰ কাম বুলি ভাবিছিল। **যোৰহাটত থুপ খাই থকা সম্ভ্ৰান্ত শ্ৰেণীৰ অসন্তুষ্ট লোকসকলে অসুবিধাৰ সৃষ্টি কৰিব পাৰে বুলিয়েই জেনকিন্সে জিলাৰ সদৰ যোৰহাটৰ পৰা শিৱসাগৰলৈ স্থানান্তৰ কৰিছিল।** অৱশ্যে তেওঁ প্ৰকাশ্যে যুক্তি দিছিল যে যোৰহাটতকৈ শিৱসাগৰৰ যাতায়াত ব্যৱস্থা উন্নত, ভোগদৈ নৈখন বাম, দিখৌৰ দৰে যাতায়াতৰ বাবে সেয়ে সুবিধাজনক নহয় আৰু ইয়াৰ (ভোগদৈৰ) বাঢ়নি পানীয়ে নগৰখন প্লাৱিত কৰে।

১৮৪৩ চনত বন্দী-বেটি বা দাস প্ৰথা নিষিদ্ধ কৰি ব্ৰিটিছ চৰকাৰে দেখাত প্ৰগতিশীল পদক্ষেপ গ্ৰহণ কৰিছিল। কিন্তু ইয়াৰ ফলত ইউৰোপীয় চাহ খেতিয়কৰহে সুবিধা বেছি হৈছিল। কাৰণ মুক্ত বন্দী-বেটিক তেওঁলোকে চাহ বাগানৰ বনুৱা হিচাপে খটুৱাব পাৰিছিল।

কৰ আদায় দিব নোৱাৰাকে আদি কৰি বিভিন্ন অজুহাতত জেনকিন্সে পুৰন্দৰৰ ৰাজ্য, মটক, কছাৰী আদি ৰাজ্য ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰিছিল ।

কৰ বৃদ্ধি আৰু নতুন কৰ প্ৰৱৰ্তন কৰাৰ ফলত অসমৰ সকলো শ্ৰেণীৰ লোকেই ব্ৰিটিছ চৰকাৰৰ ওপৰত বিতুষ্ট হৈছিল। সম্ভ্ৰান্ত লোকসকলে খাজনা দিব নোৱাৰি মাটি ছন পেলাই থ'ব লগা হৈছিল। তেওঁলোকৰ জীৱন দুৰ্বিষহ হৈ পৰিছিল। সাধাৰণ প্ৰজা তথা কৃষকসকলেই আটাইতকৈ বেছি ভুগিবলগীয়া হৈছিল। জেনকিন্সে আফু খেতি বন্ধ কৰি আবকাৰী বা চৰকাৰী কানি (আফুগুটিৰ পৰা কানি নামৰ এবিধ নিচাযুক্ত দ্ৰব্য প্ৰস্তুত কৰা হয়) বিক্ৰী কৰাৰ ব্যৱস্থা কৰাত এই খেতি কৰি জীৱিকা উপাৰ্জন কৰা খেতিয়কৰ আয়ৰ পথ বন্ধ হৈছিল। তেওঁ আফু খেতি বন্ধ কৰি প্ৰকৃততে আফু খেতিয়কক ইউৰোপীয় চাহ বাগানত বনুৱা হিচাপে কাম কৰিবলৈ বাধ্য কৰিছিল। তদুপৰি কানিয়াই কানি নাখাই নোৱাৰে। চৰকাৰী কানি কিনিবলৈও তেওঁলোক বাধ্য। **জেনকিন্সে এইদৰে এফালে কানি বিক্ৰীৰ জৰিয়তে ৰাজভঁৰাল টনকিয়াল কৰিলে আৰু আনহাতে চাহ বাগিচাত বনুৱাৰ অভাৱ পূৰণ কৰাৰ ব্যৱস্থা কৰিলে।** পিছে কানি বৰবিহে অসম ছানি ধৰিলে (পূৰ্বতে কানি সকলোৰে বাবে মুকলি নাছিল)। কানিৰ নিচাই শাৰীৰিক আৰু মানসিকভাৱে অসমীয়া মানুহক দুৰ্বল কৰি তুলিছিল। কৃষিভিত্তিক অসমৰ অৰ্থনীতিৰ অৱনতি ঘটিল। ধন ধাৰে দিয়াৰ ব্যৱস্থাও চলিল। সুদখোৰ মহাজন শ্ৰেণী এটা অসমত আৱিৰ্ভাৱ হ'ল। এইদৰে দেখা যায় যে জেনকিন্সৰ সংস্কাৰ বা কাৰ্যাৱলীয়ে থলুৱা অসমবাসীতকৈ বিদেশী বণিক আৰু চৰকাৰৰহে অধিক সুবিধা কৰিছিল। এইকথা ১৮৫৭ খ্ৰীষ্টাব্দৰ বিদ্ৰোহ আৰু ইয়াৰ পিছৰ কৃষক বিদ্ৰোহবোৰে প্ৰমাণ কৰে।

## ৫.৬ ব্ৰহ্মপুত্ৰ উপত্যকাত জিলা গঠন ঃ

এই সময়তে ব্ৰিটিছ অধিকৃত ব্ৰহ্মপুত্ৰ উপত্যকা চাৰিখন জিলাত বিভক্ত কৰা হৈছিল। সেইকেইখন হ'ল **গোৱালপাৰা, কামৰূপ, দৰং** (বিশ্বনাথ ধৰি) আৰু **নগাঁও**। পুৰণি নথি-পত্ৰত নগাঁও জিলাক খাগৰিজান বুলিহে উল্লেখ আছে। সেই সময়ত এই জিলাখন পূবে ধনশিৰি নৈলৈকে বিস্তৃত আছিল। খাগৰিজানৰ সদৰ ঠাই আছিল **নগাঁও**। ১৮৩৪ চনত এই সদৰ ঠাই ৰঙাগড়ালৈ নিয়া হৈছিল, তাৰ পিছত পুৰণিগুদাম সদৰ হয়। কিছুদিনৰ মূৰত আকৌ পুনৰ নগাঁও চহৰকে সদৰ ঠাই বুলি ঘোষণা কৰা হয়।

পশ্চিমে মানাহ আৰু পূবে বৰনদীক সীমা হিচাপে লৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গঠিত **কামৰূপ জিলাৰ সদৰ ঠাই আছিল গুৱাহাটী**। গুৱাহাটীত অসমৰ কমিছনাৰৰ সদৰ কাৰ্যালয় আছিল।

আগেয়ে দৰং ৰজাৰ অধীনত থকা পশ্চিমৰ অঞ্চলটোকে ধৰি সেই অঞ্চলত নতুনকৈ গঠিত জিলাখনক **দৰং জিলা** বোলা হৈছিল। ইয়াৰ সদৰ ঠাই প্ৰথমতে মঙলদৈত আছিল। কিন্তু এই ঠাইখন অস্বাস্থ্যকৰ বুলি বিবেচিত হৈছিল। ই প্ৰায়ে বানপানীত বুৰ গৈছিল। সেয়েহে ১৮৩৬ চনত **মঙলদৈৰ পৰা তেজপুৰলৈ সদৰ কাৰ্যালয় উঠাই নিয়া হয়।**

গাৰো পাহাৰকে ধৰি গোৱালপাৰা আগতে ৰংপুৰৰ দ্বাৰা শাসিত হৈছিল। বাৰ্মা যুদ্ধৰ পিছত ডেভিদ স্কটৰ দিনত গোৱালপাৰা তেওঁৰ শাসনাধীন হ'ল। গোৱালপাৰাক ৰংপুৰৰ পৰা আঁতৰাই আনি এখন নতুন জিলা গঠন কৰা হ'ল। পিছলৈ **গাৰো পাহাৰক** গোৱালপাৰাৰ পৰা আঁতৰাই আনি এখন নতুন জিলা গঠন কৰা হ'ল। আকৌ নিয়মীয়াকৈ ভাপ জাহাজ চলিবলৈ লোৱাত গোৱালপাৰাৰ পৰা **ধুবুৰীলৈ সদৰ কাৰ্যালয় উঠাই নিয়া হৈছিল**। ধুবুৰী সেই সময়ত জাহাজবোৰৰ শেষ ঘাটি আছিল।

কাছাৰ দখল কৰাৰ পিছত ব্ৰিটিছে ইয়াক এখন জিলাত পৰিণত কৰিলে। ইয়াৰ সদৰ ঠাই হ'ল **শিলচৰ**। ১৮৩৬ চনত কাছাৰক ঢাকা ডিভিজনৰ অধীনস্থ কৰা হ'ল আৰু জিলাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক ডেপুটি কমিছনাৰ আখ্যা দিয়া হ'ল। অসমত ইষ্ট ইণ্ডিয়া কোম্পানিৰ হকে ৰবাৰ্টচনে আহোম ৰজা পুৰন্দৰ সিংহৰ লগত এখন চুক্তি-পত্ৰত স্বাক্ষৰ কৰিছিল। ১৮৩২ খ্ৰীষ্টাব্দত মটক আৰু শদিয়াৰ বাহিৰে সমগ্ৰ উজনি অসমত পুৰন্দৰ সিংহক ৰজা পাতি বছৰি ৫০,০০০ টকাকৈ কৰ দিবলৈ কোৱা হৈছিল। তেওঁ কৰ দিব নোৱাৰাৰ বাবে তেওঁৰ ৰাজ্য ব্ৰিটিছৰ পোনপটীয়া প্ৰশাসনৰ অধীনলৈ গ'ল। তেওঁৰ ৰাজ্যখন দুখন জিলাত পৰিণত হ'ল- **শিৱসাগৰ** আৰু **লক্ষীমপুৰ**। এই জিলা দুখনৰ সদৰ ঠাই আছিল যথাক্ৰমে **যোৰহাট** আৰু **লক্ষীমপুৰ**।

## ৫.৭ ব্ৰিটিছ বিৰোধী বিদ্ৰোহ (১৮২৮-৩০) ঃ

প্ৰথমে মানৰ অত্যাচাৰৰ পৰা দেশক মুক্ত কৰাৰ বাবে ইংৰাজসকলক অসমবাসীয়ে আদৰিছিল যদিও তেওঁলোকৰ অসম দখলৰ দুবছৰৰ পিছতে অসমত একেৰাহে তিনিটা বিদ্ৰোহ ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংঘটিত হৈছিল।

### ৫.৭.১ প্ৰথমলানি ব্ৰিটিছ বিৰোধী বিদ্ৰোহৰ কাৰণ ঃ

(১) অসমত ব্ৰিটিছ শাসন প্ৰতিষ্ঠাৰ লগে লগে আহোম ডা-ডাঙৰীয়াসকলে ৰজাৰ দিনত উপভোগ কৰা মাটি-বাৰী, লগুৱা-লিকচৌ, পাইক আৰু মান-মৰ্যাদা আদিৰ বিশেষ সুবিধা হেৰুৱাবলগীয়া হৈছিল। আহোম ডা-ডাঙৰীয়া শ্ৰেণীৰ এনে অসন্তুষ্টি বিদ্ৰোহৰ প্ৰধান কাৰণ আছিল। সময় বাগৰাৰ লগে লগে ব্ৰিটিছ বিৰোধী অভিজাত শ্ৰেণীটোৱে বুজি উঠিছিল যে ইংৰাজ কোম্পানি চৰকাৰে অসম আহোম ৰজাক এৰি নিদিয়ে আৰু ১৮২৪ খ্ৰীষ্টাব্দত গুৱাহাটীত তেওঁলোকে দিয়া প্ৰতিশ্ৰুতি আছিল ভুৱা।

(২) অভিজাতসকলে পূৰ্বৰ মান-মৰ্যাদাৰ লগত মিলাই ব্ৰিটিছ প্ৰশাসনীয় বিষয়-বাব নোপোৱা হ'ল। আহোম যুগত উচ্চ আহোম বংশজাত হ'লে আৰু প্ৰশাসন সম্পৰ্কীয় মৌখিক জ্ঞান থাকিলেই উচ্চস্তৰীয় প্ৰশাসনীয় পদবীৰ বাবে বিবেচনা কৰা হৈছিল। কিন্তু ইংৰাজসকলে স্থানীয় লোকৰ মাজত জাত-পাত, উচ্চ-নীচৰ ব্যৱধান নাৰাখি লিখা-পঢ়া জনা আৰু সাধাৰণ গণনাৰ জ্ঞান থকা লোককহে বিষয়-বাব দিছিল।

(৩) প্ৰথমে ব্ৰিটিছে আহোম ডাঙৰীয়া শ্ৰেণীৰ কিছু লোকক বিষয়-বাব আৰু পেঞ্চন দি তোষণ কৰিব বিচাৰিছিল। কিন্তু সকলো আহোম ডাঙৰীয়াই এইবোৰ সুবিধা, বিশেষকৈ পেঞ্চনৰ সুবিধা নোপোৱাত অসন্তুষ্ট হৈছিল। বিষয়-বাব পোৱাসকলো 'সোৰোপা' আৰু 'অদক্ষ' বিবেচিত হৈছিল।

(৪) পূৰ্বৰ খাত-পাম হেৰুৱাই আৰু কৰ্মসংস্থাপনহীন হৈ আৰ্থিকভাৱেও এওঁলোক জুৰুলা হৈছিল।

(৫) ইংৰাজ শাসনৰ লগত অভ্যস্ত তথা প্ৰশাসনীয় কামত দক্ষ বংগদেশৰ লোকক চৰকাৰে নিযুক্তি দিয়াত সম্ভ্ৰান্ত শ্ৰেণীটো বিতুষ্ট হৈছিল।

(৬) মানৰ অত্যাচাৰৰ পিছত সাধাৰণভাৱে শান্তিৰ পৰিৱেশ আহিলেও খাজনা আৰু কৰ বৃদ্ধিয়ে সকলো শ্ৰেণীৰ লোকৰ অৱস্থা শোচনীয় কৰিছিল। বিশেষকৈ গা-খাটনিৰ পৰিৱৰ্তে নগদ ধন দিবলগীয়া হোৱাত তাতে ধনৰ প্ৰচলন কম হোৱাত সাধাৰণ শ্ৰেণীৰ লোকৰ দুৰৱস্থা হৈছিল। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ বহুতেই গৃহভূমি পৰিত্যাগ কৰিবলগীয়া হৈছিল।

(৭) **ইংৰাজ চৰকাৰে আশ্বাস দিয়া মতে মানৰ হাতৰ পৰা দেশখন উদ্ধাৰ কৰি আহোম ৰজাক ঘূৰাই নিদি গোজেই গজালি হোৱাত অসমৰ জনসাধাৰণো বিতুষ্ট হৈছিল।** তেওঁলোকে ইংৰাজক আদৰিছিল এই বিশ্বাসত যে কেপ্তেইন ৰেলছৰ দৰে তেওঁলোক উভতি যাব। তাকে বিশ্বাসঘাতকতা কৰি ইংৰাজে অসমৰ স্বাধীনতা হৰণ কৰিলে। প্ৰবল প্ৰতাপী মোগলৰ বাৰম্বাৰ আক্ৰমণ প্ৰতিহত কৰি দেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ সমৰ্থ হোৱা অসমীয়াই দেশ ৰক্ষাৰ্থে হাতত অস্ত্ৰ তুলি ল'লে। নেতৃত্ব দিলে অভিজাত শ্ৰেণীটোৱে।

### ৫.৭.২ গোমধৰ কোঁৱৰ, ধনঞ্জয়, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা আদিৰ বিদ্ৰোহ ঃ

অসমত পোন প্ৰথম ব্ৰিটিছ প্ৰশাসনৰ বিৰোধিতা কৰা গোমধৰ কোঁৱৰ আহোম ৰাজ পৰিয়ালৰ আছিল। গোমধৰ কোঁৱৰক সমৰ্থন কৰিছিল, ধনঞ্জয় আৰু তেওঁৰ পুত্ৰ হৰনাথ, জীউৰাম দুলীয়া বৰুৱা আদিয়ে। ইংৰাজে উজনি অসমৰ সামৰিক শাসনৰ ওৰ পেলাই তাৰ পৰা ব্ৰিটিছ সৈন্য অপসাৰণ কৰিছিল। সেই অৱস্থাৰ সুযোগ লৈ গোমধৰ কোঁৱৰে নিজকে স্বৰ্গদেউ বুলি ঘোষণা কৰিছিল। গোমধৰে ভবাৰ দৰে ব্ৰিটিছসকল ইমান দুৰ্বল নাছিল, তেওঁলোকে তৎক্ষণাৎ বিদ্ৰোহ দমন কৰে। গোমধৰকে আদি কৰি ব্ৰিটিছ বিৰোধী ষড়যন্ত্ৰকাৰীসকলক বন্দী কৰে। সেই সময়ত ব্ৰিটিছ কমিছনাৰ ডেভিদ স্কটে গোমধৰ কোঁৱৰ প্ৰমুখ্যে বিদ্ৰোহীক সাত বছৰকৈ বংগদেশৰ ৰংপুৰ কাৰাগাৰত কাৰাবাস দিয়ে। হৰনাথে বিচাৰত খালাছ পাইছিল আৰু কিছুদিনৰ মূৰত তেওঁ সংগীসকলক ফাটেকৰ পৰা পলুৱাই নিবলৈ সক্ষম হৈছিল। গোমধৰেও ফাটেকৰ পৰা নগা পাহাৰলৈ পলাই গৈছিল যদিও ধৰা পৰি পুনৰ ৰংপুৰ ফাটেকত ৭ বছৰলৈ কাৰাবাস খাটিবলগীয়া হয়। পৰৱৰ্তী পৰ্যায়ত ৰংপুৰ ফাটেকৰ পৰা গোমধৰ কোঁৱৰ ক'লৈ গ'ল সেই বিষয়ে জনা নাযায়।

ধনঞ্জয় ৰংপুৰ ফাটেকৰ পৰা পলাই মটক ৰাজ্যত প্ৰৱেশ কৰি পুনৰ বিদ্ৰোহৰ সূচনা কৰে। এইবাৰ তেওঁৰ সহযোগী আছিল পুত্ৰ হৰনাথ, জোঁৱায়েক জীউৰাম দুলীয়া বৰুৱা আৰু বদন বৰফুকনৰ পুত্ৰ পিয়লি বৰফুকন (চমুকৈ পিয়লি ফুকন), ৰূপচান্দ কোঁৱৰ, দেওৰাম দিহিঙ্গীয়া বৰুৱা আৰু বৌম চিংফৌ। বিদ্ৰোহীসকলে মোৱামৰীয়া, খামতি, চিংফৌ, খাচী, গাৰো, মণিপুৰ আৰু নগাপাহাৰৰ লোককো বিদ্ৰোহত যোগদানৰ আহ্বান কৰিছিল। ধনঞ্জয়ে শদিয়াখোৱা গোহাঁইলৈ বিদ্ৰোহৰ বাতৰি লিখি পঠোৱা দুখন চিঠি খামতি গোহাঁইৰ ষড়যন্ত্ৰৰ ফলত ব্ৰিটিছ চৰকাৰৰ হাতত পৰে। ইতিমধ্যে বিদ্ৰোহীসকলে চৰকাৰী খাৰ ঘৰত জুই দি বিদ্ৰোহ আৰম্ভ কৰিলে। কিন্তু বিদ্ৰোহীসকল ব্ৰিটিছৰ হাতত ধৰা পৰিল। ধনঞ্জয় আৰু হৰকান্ত পলাই সাৰে আৰু বিদ্ৰোহীসকলৰ বিচাৰ হয়। বিচাৰত পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱা, ৰূপচান্দ কোঁৱৰ, দেউৰাম দিহিঙ্গীয়া ডেকা, বৌম চিংফৌ আৰু হৰনাথৰ ফাঁচীৰ হুকুম হৈছিল। উজনি অসমৰ পলিটিকেল এজেণ্ট নিউভিলে এই বিচাৰৰ ৰায় কমিছনাৰ ডেভিদ স্কটলৈ পঠাইছিল। চেৰাপুঞ্জীত বহা কমিছনাৰৰ আদালতে কেৱল পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাকহে মৃত্যুদণ্ড বিহে আৰু বাকী কেইজনক চৈধ্য বছৰকৈ নিৰ্বাসন দণ্ড দিয়া হয়। **১৮৩০ খ্ৰীষ্টাব্দৰ আগষ্ট মাহত শিৱসাগৰ পুখুৰীৰ পাৰত পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ফাঁচী দিয়া হয়।**

### ৫.৭.৩ গদাধৰৰ বিদ্ৰোহ ঃ

গোমধৰৰ পিছত অভিজাত শ্ৰেণীটোৱে গদাধৰ নামে এজনক ৰজা পাতি ব্ৰিটিছ বিতাড়নৰ প্ৰচেষ্টা কৰিছিল। ব্ৰিটিছৰ বিৰুদ্ধে তেওঁলোকে মান ৰজাৰো সহায় লৈছিল। গদাধৰে অসম লাইট ইনফেন্ট্ৰিৰ চুবেদাৰ ঝালিম সিংহক সহায়ৰ বাবে শদিয়াত লগ ধৰিছিল। ব্ৰিটিছ প্ৰভুভক্ত ঝালিমে সুযোগ বুজি গদাধৰক আটক কৰে। মান ৰজায়ো তেওঁক একো সহায় নকৰাৰ বাবে গদাধৰৰ বিদ্ৰোহ তাতে অন্ত পৰে।

## ৫.৮ ব্ৰিটিছৰ অসম দখল ঃ

ডেভিদ স্কটে বুজিছিল যে অসমীয়া লোকসকলে নিজৰ স্বাধীনতা হেৰুৱাৰ ক্ষোভত বিদ্ৰোহত নামিছে। সেয়ে তেওঁ কলিকতাত গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকলৈ এটা প্ৰস্তাৱ আগবঢ়ালে যে আহোম বংশৰ কোনোবা কোঁৱৰ এজনক উজনি অসমৰ শাসনকৰ্তা পাতি বছৰি কৰ আদায়ৰ বিনিময়ত ৰাজ্য শাসন কৰিবলৈ দিব লাগে। ইতিমধ্যে স্কটৰ মৃত্যু হোৱাত ৰবাৰ্টচন অসমৰ আয়ুক্ত হৈ আহে আৰু তেওঁ স্কটৰ প্ৰস্তাৱত অনুমোদন জনালে।

১৮৩৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানিৰ হকে ৰবাৰ্টচনে পুৰন্দৰ সিংহৰ লগত গুৱাহাটীত এখন চুক্তি-পত্ৰত স্বাক্ষৰ কৰে। এই চুক্তি মতে মটক আৰু শদিয়া ৰাজ্যৰ বাহিৰে উজনি অসমখন পুৰন্দৰ সিংহক শাসন কৰিবলৈ দিয়া হৈছিল আৰু তাৰ বিনিময়ত ইংৰাজ কোম্পানিক বছৰি ৫০ হেজাৰ টকা কৰ শোধাবলৈ পুৰন্দৰ সিংহ বাধ্য হয়। তাৰোপৰি চুক্তি মতে পুৰন্দৰে উজনি অসমৰ ৰাজনৈতিক বিষয়া আৰু গৱৰ্ণৰ জেনেৰেলৰ এজেণ্টে দিয়া উপদেশ মানি চলিব লাগিছিল। কিন্তু এইদৰে ৰাজপাট গ্ৰহণ কৰি পুৰন্দৰ সিংহই বিপদতহে পৰে। আহোমৰ পূৰ্বৰ পাইক প্ৰথা আৰু শাসন পদ্ধতি তেতিয়া সলনি হৈছিল। পাইক প্ৰথাৰ ঠাইত মাটিৰ খাজনা আৰু জনমূৰি কৰ দিয়াৰ নিয়ম হৈছিল। তদুপৰি উজনি অসম আছিল মান আক্ৰমণত বিধ্বস্ত অঞ্চল। সেই আক্ৰমণত উজনিৰ ৰাইজৰ কঁকাল ভাগি গৈছিল। সেয়ে পুৰন্দৰ সিংহই ব্ৰিটিছক কৰ দিয়াটো যিমান সহজ কাম হ'ব বুলি ভবা নাছিল। কৰ পৰিশোধৰ কাম সিমান সহজ নাছিল বাবেই প্ৰশাসনিক ক্ষেত্ৰতো পুৰন্দৰ সিংহ বিফল হৈছিল। ব্ৰিটিছে অনুসন্ধান চলাই দেখিছিল যে পুৰন্দৰে ভালদৰে শাসন চলাব পৰা নাছিল। দেশত কু-শাসন চলিছিল আৰু দুৰ্নীতিও বাঢ়িছিল। ইয়াৰ বাবে ৰাজহ সংগ্ৰহো যথেষ্ট কমিছিল। প্ৰজাসকল নিষ্পেষিত হৈছিল আৰু সৰহভাগ প্ৰজা তেওঁৰ শাসনৰ প্ৰতি বিতুষ্ট হৈছিল। প্ৰশাসনত শিথিলতাৰ প্ৰমাণ পাই ১৮৩৮ খ্ৰীষ্টাব্দত পুৰন্দৰ সিংহক সিংহাসনচ্যুত কৰা হ'ল। পুৰন্দৰক অৱসৰ ভাট্টা দি তেওঁৰ ৰাজ্য ব্ৰিটিছৰ পোনপটীয়া প্ৰশাসনৰ অধীনলৈ অনা হৈছিল।

### ৫.৮.০১ মটক ৰাজ্য দখল ঃ

আহোম ৰজাই মোৱামৰীয়া বিদ্ৰোহৰ সমাধানসূত্ৰ হিচাপে উজনি অসমৰ বুঢ়ীদিহিং আৰু ব্ৰহ্মপুত্ৰ নদীৰ মাজৰ অঞ্চলটো মটক ৰাজ্য হিচাপে স্বীকৃতি দিছিল। ৰঙাগড়া নামৰ ঠাইখনেই আছিল মটকৰ ৰাজধানী। ১৮২৬ চনত হোৱা চুক্তি অনুযায়ী ইংৰাজসকলে এই অঞ্চলৰ শাসনকৰ্তা মটকৰ বৰ সেনাপতিক এই ৰাজ্যৰ শাসনভাৰ গতাই দিয়ে। মটক ৰাজ্যৰ ৰজা বৰ সেনাপতিৰ মৃত্যু হোৱাত তেওঁৰ দ্বিতীয় পুত্ৰ মাজু গোহাঁই সেই ৰাজ্যৰ অধিপতি হয়। পূৰ্বৰ চুক্তিৰ সময় শেষ হোৱাত ব্ৰিটিছে গোহাঁইৰ পৰা মটক ৰাজ্যৰ একাংশ দাবী কৰিছিল। মটক ৰজাৰ পৰা অধিক পৰিমাণৰ টকাও ব্ৰিটিছে দাবী কৰিছিল। ইয়াৰ ফলত দুয়োপক্ষৰ মাজত সংঘৰ্ষ হয় আৰু ব্ৰিটিছে মটক ৰাজ্য দখল কৰে। মটক ৰজাক বছৰি সাত হেজাৰ টকাৰ এটা অৱসৰ ভাট্টা দিয়া হৈছিল।

### ৫.৮.০২ খামতি ৰাজ্য দখল ঃ

মানৰ আক্রমণৰ সময়ত শদিয়া অঞ্চলত বাস কৰা খামতিসকলক আগতে শাসন কৰা শদিয়াখোৱা গোহাঁইক ১৮২৬ চনত হোৱা চুক্তি অনুসৰি ইংৰাজসকলে শাসনভাৰ গতাই দিছিল। অৱশ্যে যদিও তেওঁ ইংৰাজক কোনো খাজনা দিব লগা নহৈছিল, সৈন্য আৰু পাইক যোগান ধৰিব লাগিছিল। ইংৰাজ চৰকাৰে এজন ৰাজনৈতিক বিষয়া সীমান্ত অঞ্চলত চকু ৰাখিবলৈ নিয়োগ কৰে। ১৮৩৫ খ্রীষ্টাব্দত শদিয়াখোৱা গোহাঁইৰ মৃত্যু হোৱাত তেওঁৰ পুত্রই সেই বাব গ্রহণ কৰে। সেই সময়তে খামতিসকলে মটক ৰাজ্যৰ এক খণ্ড ভূমি দাবী কৰিছিল। মটক আৰু খামতিৰ মাজত এইদৰে বিবাদ লগাত ব্রিটিছ পলিটিকেল এজেণ্টে সেই বিবদমান অঞ্চলটো নিজৰ হাতলৈ নিয়াৰ প্রস্তাৱ আগবঢ়ায়। নতুন শদিয়াখোৱা গোহাঁয়ে এই প্রস্তাৱত অমান্তি হৈ সেই ভূ-খণ্ড দিবলৈ অস্বীকাৰ কৰাত শদিয়াখোৱা গোহাঁইৰ পদটিকে ব্রিটিছে উঠাই দিছিল। ব্রিটিছে খামতিৰ হাতত বন্দী অসমীয়া কেতবোৰ লোকক মুকলি কৰি দিছিল। ব্রিটিছৰ আগমনত এইদৰে খামতিসকল বিৰক্ত হৈছিল আৰু এদল বিক্ষুব্ধ খামতি লোকে শদিয়াৰ পলিটিকেল এজেণ্টক হত্যা কৰিছিল। ইয়াৰ প্রতিক্রিয়া স্বৰূপে ব্রিটিছে খামতিসকলৰ বিৰুদ্ধে অভিযান চলাইছিল আৰু খামতি ৰাজ্য দখল কৰিছিল।

### ৫.৮.০৩ চিংফৌ ৰাজ্য দখল ঃ

মটক ৰাজ্যৰ পূবত থকা ন-দিহিং আৰু টেঙাপানী নৈৰ মাজৰ সমভূমি অঞ্চলত চিংফৌসকল আছিল। চিংফৌৰ মুখীয়ালজনক গাম বোলা হৈছিল। গামসকলে ইংৰাজৰ বশ্যতা স্বীকাৰ কৰি চুক্তি-পত্রত চহী কৰাত সেই অঞ্চলটো ইংৰাজৰ তললৈ গ'ল। পূবৰ পৰা কোনো শত্রু অহাৰ গম পালে তেওঁলোকে ইংৰাজ চৰকাৰক জনাবলৈ মান্তি হৈছিল। ইয়াৰ পিছতো আহোম সম্প্রদায়ৰ ডা-ডাঙৰীয়া কিছুমানৰ উচটনিত চিংফৌসকলে ষড়যন্ত্রমূলকভাৱে বিদ্রোহী কাৰ্যত লিপ্ত হৈছিল। এই বতৰা পাই নিউভিলে পুনৰ চিংফৌসকলক দমন কৰিবলগীয়া হৈছিল।

### ৫.৮.০৪ খাচী পাহাৰ দখল ঃ

ব্রিটিছে ব্রহ্মপুত্র উপত্যকাৰ দখল লাভ কৰাৰ পিছত **খাচী পাহাৰৰ মাজেৰে সুৰমা উপত্যকাৰ সৈতে এটা যোগসূত্র স্থাপনৰ মানস কৰিছিল**। ৰাণীৰ পৰা নংখৌৰ মাজেৰে এই পথ সাজিবলৈ খাচী চিয়েম তিৰৎ সিঙে অনুমতি দিছিল। কিন্তু পিছত পথ নির্মাণ হ'লে তেওঁলোকৰ স্বাধীনতা খর্ব হোৱাৰ ইংগিত পাইছিল আৰু সেইবাবে খাচীৰ মুখীয়ালসকলে ইয়াৰ বিৰোধিতা কৰিছিল। ইতিমধ্যে তিৰৎ সিং আৰু ইংৰাজৰ মাজত সম্পর্কৰ অৱনতি ঘটিছিল। ৰাণী ৰাজ্যৰ বিৰুদ্ধে হোৱা যুদ্ধত তিৰৎ সিঙক ব্রিটিছে সহায় নকৰিলে, বৰঞ্চ ৰাণীৰ ৰজাকহে সহায় কৰিবলৈ তেওঁলোক প্রস্তুত হ'ল। ১৮২৯ খ্রীষ্টাব্দত তিৰৎ সিঙে খাচী সৈন্য-সামন্ত লৈ কোম্পানিৰ লোকৰ ওপৰত আক্রমণ চলায়। ১৮৩৩ চনলৈকে এইদৰে যুঁজ-বাগৰৰ পিছত খাচীসকল পৰাজিত হৈ আত্মসমর্পণ কৰিবলৈ বাধ্য হয় আৰু এনেকৈয়ে খাচী পাহাৰ ব্রিটিছৰ অধীনলৈ যায়।

### ৫.৮.০৫ জয়ন্তীয়া ৰাজ্য দখল ঃ

যদিও জয়ন্তীয়া ৰাজ্যৰ ৰজা ৰাজেন্দ্ৰ সিংহই ব্ৰিটিছৰ লগত চুক্তি কৰি ৰাজনৈতিক সুসম্পৰ্ক স্থাপন কৰিছিল, মান আক্ৰমণৰ পৰৱৰ্তী কালত সৃষ্টি হোৱা অশান্ত বাতাবৰণৰ কালছোৱাত ব্ৰিটিছক আশা কৰা মতে সহায় কৰা নাছিল। জয়ন্তীয়াসকলে জয়ন্তীয়া পৰগণা সীমাইদি ব্ৰিটিছ অধিকৃত অঞ্চলত উপদ্ৰৱ কৰাৰ অভিযোগত ব্ৰিটিছে তেওঁলোকক ভাবুকি দিবলগীয়া হৈছিল। ১৮৩৫ চনত কেপ্তেইন লিষ্টাৰে জয়ন্তীয়া ৰাজ্য দখল কৰে। এজন পলিটিকেল এজেণ্টে ব্ৰিটিছৰ হৈ জয়ন্তীয়া ৰাজ্যৰ প্ৰশাসনৰ তদাৰক কৰিছিল। জয়ন্তীয়া ৰজা ৰাজেন্দ্ৰ সিংহক চিলেটলৈ নিৰ্বাসন দিয়া হৈছিল।

### ৫.৮.০৬ গোভা ৰাজ্য দখল ঃ

গোভা ৰাজ্য নগাঁৱৰ পশ্চিমত জয়ন্তীয়া ৰাজ্যৰ অধীনত অৱস্থিত আছিল। এজন স্থানীয় ৰজাই এই ৰাজ্য শাসন কৰিছিল। ১৮৩২ খ্ৰীষ্টাব্দত জয়ন্তীয়া ৰজাৰ নিৰ্দেশত তেওঁ চাৰিজন ব্ৰিটিছ লোকক আটক কৰি তাৰে তিনিজনক কালী গোসাঁনীৰ আগত বলি দিছিল। এজনে কোনোমতে পলাই আহিছিল। এই সংবাদ পোৱাত ব্ৰিটিছে জয়ন্তীয়া ৰজাক এনেধৰণৰ কাৰ্যকলাপৰ বাবে সতৰ্ক কৰি দিছিল। জয়ন্তীয়া ৰাজ্য দখল কৰাৰ পিছত ব্ৰিটিছে গোভা ৰাজ্যলৈকে তেওঁলোকৰ আধিপত্য বিস্তাৰ কৰিছিল।

### ৫.৮.০৭ কাছাৰ জিলা অধিকাৰ ঃ

ইংৰাজসকলে গোবিন্দ চন্দ্ৰক আশ্ৰিত ৰজা হিচাপে কাছাৰ ৰাজ্যত ৰজা পাতিছিল। ১৮৩০ খ্ৰীষ্টাব্দত গোবিন্দ চন্দ্ৰৰ মৃত্যু হয়। তেওঁ নিঃসন্তান আছিল বাবে তেওঁৰ অবিহনে সেনাপতি তুলাৰামে সমগ্ৰ কাছাৰ অঞ্চল ব্ৰিটিছৰ পৰা দাবী কৰিছিল। কিন্তু ইংৰাজসকলে তুলাৰামক উত্তৰ কাছাৰৰ কৰতলীয়া শাসক হিচাপেহে স্বীকৃতি দিছিল। তুলাৰাম সেনাপতিৰ মৃত্যু হোৱাত তেওঁৰ দুই পুত্ৰ নকুল ৰাম বৰ্মন আৰু ব্ৰজনাথ বৰ্মনে পিতৃ ৰাজ্য শাসন কৰিছিল। দুয়ো ভাতৃৰ মাজত মিল নথকাৰ উপৰি পিছলৈ চুবুৰীয়া নগাৰ লগতো বিবাদ ঘটিছিল। সুযোগ বুজি ব্ৰিটিছে এইবাৰ কাছাৰৰ শাসন নিজৰ অধিকাৰলৈ আনে।

### ৫.৮.০৮ নগা পাহাৰ দখল ঃ

ইংৰাজসকলে নগা ৰাজ্যত পোনপটীয়া শাসন চলাবলৈ ইচ্ছা কৰা নাছিল। নগাসকলে ওচৰ-চুবুৰীয়া মণিপুৰ, কাছাৰ ইত্যাদি লোকৰ লগত সংঘৰ্ষত লিপ্ত হৈছিল। পৰৱৰ্তী কালত ইংৰাজে নগা পাহাৰত অভিযান চলাই আঙ্গামী ৰাজ্য দখল কৰে। ইয়াৰ পিছত লঠা আৰু আও নগাসকলক ব্ৰিটিছে বশ কৰি নগা পাহাৰত ১৮৬৬ খ্ৰীষ্টাব্দত ব্ৰিটিছসকলে আধিপত্য বিস্তাৰ কৰিছিল। নগা ৰাজ্য নিজৰ পোনপটীয়া শাসনৰ অধীনলৈ অনা নাছিল। ইয়াৰ পিছতো নগা পাহাৰত ব্ৰিটিছে বহুবাৰ অভিযান চলাবলগীয়া হৈছিল।

### ৫.৮.০৯ গাৰো পাহাৰ দখল ঃ

ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণিত গাৰো পাহাৰক গোৱালপাৰাৰ অংশ হিচাপে ধৰা হৈছিল। এই অঞ্চলৰ শান্তি-শৃংখলাৰ বাবে এজন বিশেষ অসামৰিক বিষয়াক নিযুক্তি দিয়া হৈছিল। গাৰো পাহাৰত ব্ৰিটিছসকলে ইতিমধ্যে জৰীপৰ কাম সমাধা কৰিছিল। প্ৰথম অৱস্থাত ব্ৰিটিছে

এই অঞ্চলৰ ভিতৰুৱা বিষয়ত হস্তক্ষেপ কৰা নাছিল। কিন্তু গাৰোসকলে নিয়মিতভাৱে কৰ-কাটল নিদিয়াত আৰু নামনিৰ লোকৰ সৈতে তেওঁলোকৰ প্ৰায়ে সংঘৰ্ষ হৈ থকাৰ অজুহাতত **১৮৩৯ খ্ৰীষ্টাব্দত ব্ৰিটিছে গাৰো পাহাৰক এখন সুকীয়া জিলালৈ পৰিৱৰ্তন কৰি তুৰাত ইয়াৰ সদৰ স্থাপন কৰিছিল।**

### ৫.৮.১০ লুচাই পাহাৰ দখল ঃ

লুচাই বা মিজোসকলৰ লগত ইংৰাজসকলৰ প্ৰত্যক্ষ সম্পৰ্ক হয় কাছাৰ অধিকাৰৰ পিছত। লুচাইসকলেও ইংৰাজ অধিকৃত অঞ্চলত আহি উপদ্ৰৱ কৰিছিল। বাধ্য হৈ ইংৰাজ চৰকাৰে কেইবাটাও অভিযান পঠাই মিজোসকলক ইংৰাজৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য কৰে। ইংৰাজ শাসনৰ প্ৰথমছোৱাত লুচাই পাহাৰৰ উত্তৰ ভাগ অসমৰ অধীনত আৰু দক্ষিণ ভাগ বংগদেশৰ অধীনত ৰখা হৈছিল। **১৮৯৮ চনত সমগ্ৰ লুচাই পাহাৰ অসমৰ লগত চামিল কৰি ইংৰাজ চৰকাৰৰ অধীন**লৈ অনা হয়। ব্ৰিটিছে আইজল, লুংলে আদি ঠাইত সামৰিক চকী স্থাপন কৰিছিল।

এনেকৈয়ে পৰ্বত-ভৈয়াম সমন্বিতে অসমখন ইংৰাজৰ পোনপটীয়া শাসনৰ তললৈ যায়।



*চিত্ৰ ঃ ১৮২৮ খ্ৰীষ্টাব্দৰ গোমধৰ কোঁৱৰৰ ব্ৰিটিছৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ।*

## মূলকথা

প্ৰথম অৱস্থাত ইষ্ট ইণ্ডিয়া কোম্পানিৰ অসম নীতি সম্পৰ্কে অধ্যয়ন কৰিলে দেখা যায় যে পোন প্ৰথমে অসমৰ প্ৰতি কোম্পানিৰ বিশেষ আগ্ৰহ নাছিল। চন্দ্ৰকান্ত সিংহৰ দিনত মানসকলে অসম তিনিবাৰকৈ আক্ৰমণ কৰিছিল আৰু ৰজা আৰু ডা-ডাঙৰীয়াসকলে কোম্পানিৰ ৰাজ্যত আশ্ৰয় লৈছিল। এইসকল লোকক

- মানসকলে তেওঁলোকৰ হাতত গতাই দিবলৈ দাবী জনাইছিল। ইংৰাজৰ মানসকলৰ লগত ভালেমান দিন ধৰি মনোমালিন্য ঘটিছিল। এই মানসকলৰ বিৰুদ্ধে লৰ্ড আমহাৰ্ষ্টে ১৮২৪ খ্ৰীষ্টাব্দত যুদ্ধ ঘোষণা কৰিছিল। ১৮২৪ খ্ৰীষ্টাব্দত কোম্পানি অধীকৃত চাহপুৰ অঞ্চলত সোমাই মানসকলে পতাকা উত্তোলন কৰিছিল। মানৰ দুয়োজন সেনাধ্যক্ষকে ইংৰাজে বন্দী কৰিছিল। সেই সময়ত মণিপুৰ, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যতো নানান ৰাজনৈতিক বিশৃংখলতাই দেখা দিছিল। সেয়ে কোম্পানিয়ে ঢাকা, গোৱালপাৰা হৈ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি অঞ্চলটোক মানসকলৰ হাতৰ পৰা ৰক্ষা কৰিববলৈ স্থিৰ কৰে। ইংৰাজে মণিপুৰ, জয়ন্তীয়া পাহাৰ, আৰাকান আদিলৈও সেনা পঠিয়াই প্ৰথম ইঙ্গ-বাৰ্মা যুদ্ধৰ পিছত য়াণ্ডাবু সন্ধিৰ দ্বাৰা মানসকলৰ পৰা ব্ৰিটিছে অসমক ৰক্ষা কৰে । ইয়াৰ পিছতে তেওঁলোকে নিজে এই ৰাজ্যত তেওঁলোকৰ প্ৰশাসনৰ পাতনি মেলা দেখা গ'ল। এই সন্ধিৰ আগৰে পৰা মানসকলক বিতাৰিত কৰা অজুহাতত ব্ৰিটিছে প্ৰভাৱ বিস্তাৰ কৰিছিল।

  ১৮২০ খ্ৰীষ্টাব্দত ডেভিদ স্কটক পূব সীমান্ত অঞ্চলৰ এজেণ্ট হিচাপে গৱৰ্ণৰ জেনেৰেলে দায়িত্বভাৰ দিছিল। প্ৰশাসনিক সুবিধাৰ বাবে ব্ৰিটিছে অসমক উজনি অসম আৰু নামনি অসম দুটা খণ্ডত ভাগ কৰিছিল। কেপ্তেইন নিউভিলে সহকাৰী এজেণ্ট হোৱাৰ উপৰি উজনি অসম চোৱাচিতা কৰাৰ দায়িত্বভাৰ পালে।
- এজন সুদক্ষ বিচক্ষণ শাসক হিচাপে খ্যাতি অৰ্জা স্কট অতি দূৰদৰ্শী আছিল। তেওঁ বুজিছিল যে অসমত পুৰণি শাসন ব্যৱস্থা আঁতৰাই হঠাতে নতুন ব্যৱস্থাৰ সৃষ্টি কৰিলেহে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। সেয়ে আহোম বিষয়াসকলক কেতবোৰ দায়িত্বপূৰ্ণ প্ৰশাসনিক দায়িত্ব দিছিল। মাটিৰ জোখ-মাখ কৰিববলৈ মেথিউজ নামৰ বিষয়াৰ নিযুক্তি দিয়া হৈছিল। বিচাৰৰ ক্ষেত্ৰত সু-ব্যৱস্থা কৰিছিল।
- **ৰবাৰ্টচন ঃ** ডেভিদ স্কটৰ পিছত ৰবাৰ্টচন এজন কৰ্মপটু বিষয়া আছিল। তেওঁ ৰাজহ, প্ৰশাসন আৰু বিচাৰ বিভাগীয় সংস্কাৰ কৰাইছিল।
- **মেজৰ জেনকিন্স ঃ** অসমৰ উন্নতিৰ বাবে চেষ্টা কৰা মেজৰ জেনকিন্স এজন উল্লেখযোগ্য বিষয়া। এই ৰাজ্যৰ চাহপাত, তেল, কয়লা উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত তেওঁৰ নাম সদায় জড়িত হৈ থাকিব। বাট-পথ, শিক্ষা আদি সকলো বিষয়ৰ উন্নতিৰ বাবে তেওঁ যথেষ্ট চেষ্টা কৰিছিল। অসমৰ স্থানীয় লোকৰ উন্নতি বিচাৰিছিল। ৰাজহ বিষয়ৰ বহু সংস্কাৰ কৰে। জেনকিন্সে নামনি অসমক গোৱালপাৰা, দৰং, কামৰূপ জিলাত বিভক্ত কৰিছিল। পিছলৈ পুৰন্দৰ সিংহক ৰাজ্যচ্যুত কৰি উজনি অসমক লৈ শিৱসাগৰ আৰু লক্ষীমপুৰ নামৰ দুখন জিলা গঠন কৰিছিল।
- **ব্ৰিটিছ বিৰোধী বিদ্ৰোহ ঃ** প্ৰথমে মানৰ অত্যাচাৰৰ পৰা দেশক মুক্ত কৰাৰ বাবে ইংৰাজসকলক অসমবাসীয়ে আদৰিছিল যদিও তেওঁলোকৰ অসম দখলৰ দুবছৰৰ পিছতে অসমত একেৰাহে তিনিটা বিদ্ৰোহ ব্ৰিটিছৰ শাসনৰ বিৰুদ্ধে সংঘটিত হয়। বিদ্ৰোহীসকল আছিল গোমধৰ কোঁৱৰ, গদাধৰ, ধনঞ্জয়, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা আদি। পুৰন্দৰ সিংহক উজনিৰ আহোম ৰাজ্যৰ ৰজা পাতে তাৰ বিনিময়ত ইংৰাজক তেওঁ ৫০ হাজাৰ টকা বছৰি কৰ দিব লগা হৈছিল। কিন্তু পুৰন্দৰক কুশাসন আৰু কৰ দিব নোৱাৰাৰ দোষত ৰাজ্যচ্যুত কৰা হয় আৰু তেওঁক অৱসৰ ভাট্টা দিয়ে।

এনেকৈয়ে দেখা যায় যে ইংৰাজসকলে প্ৰথমতে সমগ্ৰ অসমখন নিজ শাসনৰ অধীনলৈ অনা নাছিল। তেওঁলোকে ব্ৰহ্মপুত্ৰৰ নামনি অঞ্চলটো নিজৰ শাসনৰ অধীনলৈ আনে আৰু বাকী অঞ্চলত চুক্তি অনুযায়ী স্থানীয় নেতা বা ৰজাসকলক শাসনৰ সুবিধা দিছিল। তাৰ বিনিময়ত শাসকসকলে ইংৰাজ সকলৰ মতে চলিছিল। ইয়াৰ পিছত দেখা গ'ল যে মটক, চিংফৌ, খামতি, কাছাৰ, জয়ন্তীয়া, খাচী, গোভা ৰাজ্য, গাৰোপাহাৰ, নগা পাহাৰ, লুচাই পাহাৰ আদিও পৰ্যায়ক্ৰমে নানা কাৰণত ব্ৰিটিছৰ লগত সংঘৰ্ষত লিপ্ত হয়। অৱশেষত পৰ্বত ভৈয়াম সমন্বিতে ইংৰাজৰ শাসনৰ তললৈ যায়।

## অ নু শী ল নী

**শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ**

১। ব্ৰিটিছে জয়ন্তীয়া ৰাজ্যৰ ৰজা ৰাজেন্দ্ৰ সিংহ/গোবিন্দ চন্দ্ৰ/ তিৰৎ সিঙক চিলেটলৈ নিৰ্বাসন দিছিল।

২। অসমৰ শেষ আহোম ৰজা আছিল চন্দ্ৰকান্ত সিংহ / কমলেশ্বৰ সিংহ/পুৰন্দৰ সিংহ/যোগেশ্বৰ সিংহ।

৩। তিৰৎ সিং খাচী/মণিপুৰী/জয়ন্তীয়া দেশপ্ৰেমিক আছিল।

**চমু উত্তৰৰ প্ৰশ্ন**

১। গোবিন্দ চন্দ্ৰ কোন ৰাজ্যৰ ৰজা আছিল?

২। ডেভিদ স্কট কোন আছিল?

৩। ডেভিদ স্কটৰ পৰৱৰ্তী কমিছনাৰ কোন আছিল?

৪। তিৰৎ সিং কোন ৰাজ্যৰ চিয়েম আছিল?

৫। মটক ৰাজ্যৰ ৰজাৰ উপাধিটো কি আছিল?

৬। জেনকিন্সৰ পৰামৰ্শ অনুসৰি কোনে সিংহাসন হেৰুৱাইছিল?

৭। জেনকিন্সে নামনি অসমক কি কি জিলাত ভাগ কৰিছিল?

৮। ব্ৰিটিছে কাক পঞ্চাশ টকীয়া বৃত্তি দি কাছাৰ দখল কৰিছিল?

**ৰচনা ধৰ্মী প্ৰশ্ন**

১। ডেভিদ স্কটৰ ৰাজহ নীতি কেনে আছিল?

২। ডেভিদ স্কটৰ প্ৰশাসনৰ কালত বিচাৰৰ ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল?

৩। ৰবাৰ্টচনৰ দিনৰ ৰাজহ ব্যৱস্থা কেনে ধৰণৰ আছিল।

৪। মেজৰ জেনকিন্সে অসমৰ বাবে কি কি কল্যাণমূলক আঁচনি গ্ৰহণ কৰিছিল?

৫। জেনকিন্সে কেনেকৈ অসমক বিভিন্ন জিলাত বিভক্ত কৰিছিল।

৬। তিৰৎ সিং কোন আছিল। তেওঁ কিয় ব্ৰিটিছৰ বিৰোধী হৈছিল?

**চমুটোকা লিখা ঃ**

(১) তুলাৰাম সেনাপতি (২) পুৰন্দৰ সিংহ (৩) তিৰৎ সিং

(৪) গোমধৰ কোঁৱৰ (৫) ব্ৰিটিছৰ চিংফৌ ৰাজ্য দখল (৬) ব্ৰিটিছৰ জয়ন্তীয়া ৰাজ্য দখল।